● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com

দৈনিক অগ্ৰদূত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৫৬তম সংখ্যা ●
গুৱাহাটী ● মঙলবাৰ ৩০ ফাগুন ১৪২৮ ভাস্কৰাব্দ ১৫ মার্চ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 15 March 2022 মূল্য ঃ ৯.০০ টকা

সত্যমেৱ জয়তে

অসম চৰকাৰ
উদ্যোগ, বাণিজ্য আৰু
ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ

অসম

কাইলৈৰ বাণিজ্যৰ বাবে আজিয়েই প্ৰস্তুত কৰা হৈছে লঘু আন্তঃগাঁথনি

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

> “সেউজ আৰু পৰিষ্কাৰ পৰিবহণৰ বাবে বৈদ্যুতিক বাহনক উদগণি যোগোৱা পৰিৱেশ গঢ় দিবলৈ অসম চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ”

অসমৰ বৈদ্যুতিক বাহন নীতি ২০২১ কাৰ্যকৰীকৰণৰ বাবে নিৰ্দেশনাৱলী

অসমত বৈদ্যুতিক বাহন পৰিবৰ্তন প্ৰচলনৰ বাবে প্ৰধান উদগণিসমূহ

- পঞ্জীয়ন মাচুল, পথ কৰ আৰু পাৰ্কিং মাচুলত ১০০ শতাংশ ৰেহাই
- দুচকীয়া বাহনত ২০,০০০ টকালৈ ৰাজসাহায্য
- তিনিচকীয়া বাহনত ৫০,০০০ টকালৈ ৰাজসাহায্য
- চাৰিচকীয়া বাহনত ১.৫ লাখ টকালৈ ৰাজসাহায্য
- তিনিজনীয়া যাত্ৰীৰ অটোৰিক্সাত ১৫,০০০ টকালৈ সৰঞ্জাম সংস্থাপণৰ উদগণি

চাৰ্জ কৰাৰ আন্তঃগাঁথনিৰ বাবে

- বৈদ্যুতিক বাহনৰ চাৰ্জ কেন্দ্ৰৰ বিদ্যুত বিলত ৯০ শতাংশ ৰেহাই
- যন্ত্ৰ/সা-সজুলিৰ বাবে মূলধনত ২৫ শতাংশ ৰাজসাহায্য (প্ৰথম ৫০০ বাণিজ্যিক ৰাজহুৱা বৈদ্যুতিক বাহনৰ চাৰ্জ কেন্দ্ৰৰ বাবে)

উৎপাদকসকলোৰ বাবে

- উপযুক্ত প্লাণ্ট আৰু যন্ত্ৰপাতিত মূলধন বিনিয়োগত ১০ কোটি টকালৈ ৰাজসাহায্য
- কাৰ্যকৰী মূলধনৰ ঋণৰ সূতত ২ শতাংশলৈ ৰাজসাহায্য

আগতীয়াকৈ বৈদ্যুতিক বাহন ব্যৱহাৰ কৰাৰ বাবে উদগণি লাভ কৰাৰ প্ৰক্ৰিয়াঃ (অনলাইন প'ৰ্টেল শীঘ্ৰে মুকলি কৰা হ'ব)

- https://industries.assam.gov.in/ ৰ পৰা আবেদন প্ৰ-পত্ৰ ডাউনলোড কৰক।
- অফলাইন আবেদন প্ৰ-পত্ৰ তলত উল্লেখিত নথি সহ পৰিবহণৰ আয়ুক্তক দাখিল কৰক
  - পেন কাৰ্ড
  - আধাৰকাৰ্ড
  - বৈদ্যুতিক বাহন ক্ৰয়ৰ পঞ্জীয়ন প্ৰমাণপত্ৰ/ ধনৰ ৰছিদ/ কেচ মেম'
- পৰিবহণ আয়ুক্তালয়ে পৰীক্ষা কৰি উপযুক্ত আবেদন উদ্যোগ আৰু বাণিজ্য বিভাগৰ আয়ুক্তালয়লৈ প্ৰেৰণ কৰিব।
- উপযুক্ত আবেদন ৰাজ্যিক পৰ্যায়ৰ সমিতিৰ বৈঠকত উপস্থাপন কৰা হ'ব।
- আবেদনকাৰীৰ একাউণ্টলৈ উদগণিৰাশি পোনপটীয়াকৈ প্ৰেৰণ কৰা হ'ব।

চাৰ্জিঙৰ আন্তঃগাঁথনি আৰু বৈদ্যুতিক বাহন উৎপাদনকাৰীৰ বাবে উদগণি লাভৰ প্ৰক্ৰিয়া

- https://aiinvestmentpolicy.assam.gov.in/ ত অনলাইন আবেদন কৰক (বাণিজ্যিক উৎপাদন/ কাৰ্যক্ষম হোৱাৰ দিনৰ পৰা ৬ মাহৰ ভিতৰত)
- জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ (ডিআইচিচি) আৰু কৰ আয়ুক্তালয়ে পৰীক্ষাৰ অন্তত ডিএলচি/ এছএলচি লৈ উপযুক্ত আবেদন প্ৰেৰণ কৰিব।
- ডিএলচি/ এছএলচিৰ পিছত উদ্যমীসকলক উপযুক্ততাৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব।
- বিত্তীয় উদগণিৰ বাবে আগ্ৰহী গোটসমূহে আবেদন কৰিব পাৰিব।
- ডিআইচিচি-য়ে আবেদন পত্ৰ পৰীক্ষা কৰি উদ্যোগ আৰু বাণিজ্য আয়ুক্তালয়ৰ জৰিয়তে ধন বিতৰণৰ বাবে উপযুক্ত আবেদনসমূহ প্ৰেৰণ কৰিব।

অসমৰ সম্ভাৱনাপূৰ্ণ ই ভি খণ্ডত বিনিয়োগ কৰি লাভবান হওক

হেল্পলাইনঃ ১৮০০৩৪৫৩৫৭৯

ই-মেইলঃ eodb-assm@assam.gov.in

Janasanyog/D/17396/21

মাধৱদেৱৰ জন্মস্থানত অখণ্ড ভাগৱত পাঠৰ আয়োজন

অগ্ৰদূত বাৰ্তা

বিহপুৰীয়া, ১৪ মাৰ্চ ঃ অহা তিনিৰ পৰা ১০ এপ্ৰিললৈ মহাপুৰুষ মাধৱদেৱৰ জন্মস্থান লেটেকুপুখুৰীত পূৰ্বাপৰ পৰম্পৰা অনুসৰি সাতদিনীয়া অখণ্ড ভাগৱত পাঠ আয়োজন কৰা হৈছে। প্ৰতি পাঁচ বছৰৰ অন্তত অনুষ্ঠিত হৈ অহা অখণ্ড ভাগৱত পাঠ অনুষ্ঠান ভাগ এইবাৰ সপ্তমবাৰৰ বাবে অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। জন্মস্থান পৰিচালনা সমিতিৰ সভাপতি তথা মাজুলীৰ শ্ৰীশ্ৰীউত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীজনাৰ্দন দেৱগোস্বামীক সভাপতি, বিপুল ভূএগক কাৰ্যকৰী সভাপতি, কেশৱ কোঁৱৰ, অৰুণ গোস্বামী, ৰূপেশ্বৰ বৰাক উপ-সভাপতি, মুহিৰাম শইকীয়াক সম্পাদক, গোলাপ শইকীয়া, লোহিত চন্দ্ৰ নেওগক যুটীয়া সম্পাদক উপেন বৰুৱা আৰু জন্মস্থানৰ মহিলা সংগঠনৰ সভানেত্ৰীক সহকাৰী সম্পাদকৰূপে লৈ এখন উদ্‌যাপন সমিতি ইতিমধ্যে গঠন কৰা হৈছে। সমান্তৰালভাৱে ৰাজহুৱা সভাই গঠন কৰি দিছে অন্যান্য উপ-সমিতিসমূহো। আনহাতে, অখণ্ড ভাগৱত পাঠ অনুষ্ঠানৰ লগত সংগতি ৰাখি গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰো ব্যৱস্থা কৰা হৈছে। গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীত ভাগ ল'ব বিচৰা অংশগ্ৰহণকাৰীসকলে আগতীয়াকৈ নিৰ্দিষ্ট উপ-সমিতিৰ লগত যোগাযোগ কৰিব লাগিব। ইপিনে, অখণ্ড ভাগৱত পাঠ উপলক্ষে জন্মস্থানত কোনো লোকে স্বেচ্ছাই শ্ৰমদান কৰিব বিচাৰিলে কৰিব পাৰিব। স্থানীয় গাঁও আত্মসহায়ক গোট, সংগঠন, যুৱ সমাজৰ শ্ৰমদান কামনা কৰিছে উদ্‌যাপন সমিতিয়ে। এই সম্পৰ্কত থান পৰিচালনা সমিতিৰ লগত যোগাযোগ কৰিবলৈ প্ৰচাৰ উপ-সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে দিগন্ত কাকতি আৰু ৰঞ্জন শইকীয়াই বিবৃতিৰ জৰিয়তে আহ্বান জনাইছে।

যোৰহাটৰ বিকল ট্ৰেফিক ছিগনেল কাৰ্যক্ষম কৰাৰ দাবী

ষ্টাফ ৰিপ'ৰ্টাৰ

যোৰহাট, ১৪ মাৰ্চ ঃ 'প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ডিজিটেল ইণ্ডিয়াৰ শ্ল'গান এতিয়া যোৰহাটৰ ৰাজপথত অৰ্থহীন।' ব্যস্ততাপূৰ্ণ যোৰহাট নগৰৰ ট্ৰেফিক পইণ্টসমূহত এটাৰ পাছত এটাকৈ ডিজিটেল ছিগনেলসমূহ বিকল হৈ পৰাত এই ৰসিক মন্তব্য কৰিছে সচেতন ৰাইজে। গুৰুত্বপূৰ্ণ বৰুৱা চাৰিআলিকে ধৰি নগৰখনৰ ভালে কেইটা ট্ৰেফিক পইণ্টত ডিজিটেল ছিগনেলসমূহ বিকল হৈ আছে। দিনক দিনে বৃদ্ধি পাই অহা নগৰৰ যান-জঁট সঠিক ৰূপত নিয়ন্ত্ৰণ কৰিবলৈ সংস্থাপন কৰা এই ডিজিটেল ছিগনেলসমূহ বিকল হৈ পৰাৰ পাছতো সেইবোৰ মেৰামতি অথবা পুনৰ সংস্থাপন কৰা নাই। তাৰ বিপৰীতে, দুই-তিনিজন যানবাহন আৰক্ষীয়ে অথবা গৃহৰক্ষী নিয়োগ কৰিয়ে দায়িত্ব সামৰিছে জিলা আৰক্ষী প্ৰশাসনে। যান-জঁট নিয়ন্ত্ৰণ কৰাৰ জ্ঞান নথকা আনকি ট্ৰেফিক ছিগনেল দিব নজনা এই আৰক্ষী কনিষ্টবলসকলৰ বাবেই নগৰত ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা কৰা হৈছে। যি সময়ত যোৰহাটক স্মাৰ্ট চিটী কৰাৰ দাবীৰ প্ৰসংগ উত্থাপিত হ'ব লাগিছিল, সেই সময়ত নগৰৰ সাধাৰণ ছিগনেল লাইট কেইটাকে সক্ৰিয় কৰি ৰাখিব পৰা নাই যোৰহাট প্ৰশাসনে। এই কথা সৰ্বত্ৰে চৰ্চা চলি থকাৰ মাজতে আজি সৰৱ হৈ পৰে যোৰহাট আঞ্চলিক ছাত্ৰ সন্থা। এক বিবৃতিত ছাত্ৰ সন্থাই কয় যে যান-জঁটৰ সমস্যা ইতিমধ্যে যোৰহাটীয়া ৰাইজৰ বাবে এক মূৰৰ কামোৰণি হৈ পৰিছে। বিভিন্ন সময়ত এই যান-জঁটৰ সমস্যাৰ বিৰুদ্ধে বিভিন্ন ধৰণৰ চিন্তা-চৰ্চা কৰি অহা হৈছে যদিও বৰ্তমানেও কিন্তু যোৰহাট নগৰৰ ক্ৰমবৰ্ধমান যান-জঁটৰ সমস্যা সমাধান হোৱা দেখিবলৈ পোৱা নাই । ইয়াৰ মাজতেই যোৰহাট নগৰৰ মাজত থকা অধিকাংশ ট্ৰেফিক ছিগনেল আৰু ট্ৰেফিক লাইট আচলতে সম্পূৰ্ণ বিকল হৈ থকা পৰিলক্ষিত হৈছে। ইপিনে, আজি যোৰহাট আঞ্চলিক ছাত্ৰ সন্থাই স্মাৰকপত্ৰ যোৰহাট জিলাৰ উপায়ুক্ত আৰু যোৰহাট সদৰ আৰক্ষী চকীৰ যানবাহন শাখাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াক প্ৰদান কৰে।

নগাঁও ভাওনা সমাৰোহৰ সামৰণি

বিশেষ সংবাদদাতা

নগাঁও, ১৪ মাৰ্চ ঃ নগাঁও চহৰৰ কলংপাৰৰ নেহৰুবালি বাকৰিৰ ভক্তিস্থলত যোৱা ১১ মাৰ্চৰ পৰা অনুষ্ঠিত একাদশ বাৰ্ষিক নগাঁও ভাওনা সমাৰোহৰ আজি পুৱতি নিশা সামৰণি পৰে। এই ভাওনা সমাৰোহত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে ১২ মাৰ্চত সাতখন খোলাত সাতখন ভাওনা প্ৰদৰ্শন কৰা হয়। ১৩ মাৰ্চৰ নিশা সাতখন খোলাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি কেলিগোপাল নাটৰ ৰাস ভাওনা প্ৰদৰ্শন কৰা হয়। ভাওনা সমাৰোহৰ দিনকেইটাত দিহানাম, কুইজ প্ৰতিযোগিতা আদি অনুষ্ঠিত হোৱাৰ লগতে ভক্তিৰসৰ গীত পৰিৱেশন কৰা হয়। ভাওনা সমাৰোহ উপলক্ষে এখন স্মৰণিকা উন্মোচন কৰা হয়। ভাওনা সমাৰোহক কেন্দ্ৰ কৰি বিগত দিনকেইটাত নেহৰুবালিত এক উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়। গুৰুজনাৰ সৃষ্টি ভাওনাৰ বচন, বিলাপ, লেছাৰী, মুক্তাৱলীৰ লগতে খোল, তাল, ডবা, কাঁহৰ শব্দই ৰজনজনাই আছিল কলংপাৰ। কালিয়েই ভাওনা সমাৰোহ উপলক্ষে অনুষ্ঠিত প্ৰতিযোগিতাৰ বঁটাসমূহ বিতৰণ কৰা হয়।

Advertisement

In pursuance of the Govt. Letter No. PLB.60/2020/312 Dated 24.12.2021 application are invited in the Standard Form of Application published in Assam Gazette Part-IX from the intending candidates, who are citizen of India for filling up the following sanctioned vacant Grade-III post in the Office of the Member, Foreigners Tribunal 4th, Barpeta. The complete application should be submitted to the undersigned on or before 30th March, 2022 upto 05:00 PM. The details are shown as under.

Sl. No	Name of Post	Qualification	No. of post	Pay scale
1	Stenographer	The candidates must have completed their Higher Secondary Examination or its equivalent and having Diploma in Stenography from ITI/State Govt. recognized Institute and must be Computer literate	01	PB- Rs. 14000-60500, GP- 7400/- and other allowances as per Govt. Rules

Eligibility Criteria:

1. **Age limit:** The candidates must not be less than 18 years and more than 40 years of age as on 01.01.2022. The upper age limit is relaxable by 5 years for SC/ST (P)/ ST (H) candidates and 3 years for OBC/MOBC candidates as per Govt. Officer Memorandum ABP.6/2016/51 Dated 02.09.2020.
2. **How to apply:**
   - a) The application should be submitted in a Standard Form with self attested copies of all testimonials regarding educational qualification, age, caste, valid employment exchange registration card, experience (if any).
   - b) Three (03) copies of recent passport size photographs duly signed by the candidates on the reverse side.
   - c) One self addressed envelope of 5 cm x 11 cm size, affixed with postage stamp of Rs. 5/- (rupees five) is to be enclosed with the application.
   - d) Applicants must be addressed to The Member, Foreigners Tribunal 4th, Barpeta, Barpeta Bhandar Building 3rd Floor, P.O. & Dist- Barpeta, PIN- 781301.
   - e) Incomplete application will be summarily rejected.
3. **Procedure of Selection :** Candidates will have to appear in the written test, Successful candidates from the written test will have to appear in a practical test as applicable for the Post.
4. No TA/DA will be admissible for the written test as well as the practical test.
5. The post in all cadres is purely temporary and continued till the existence of Foreigners Tribunals. The employees shall have no claim to continue in service in case the Tribunals are abolished.
6. The undersigned reserves the right to cancel, alter and modify any terms and conditions at any stage without assigning any reason thereof.

Member,
Foreigners Tribunal 4th, Barpeta
-Cum-
Member Secretary, Selection Board

Janasanyog/D/17343/21

NAME CHANGE

I, MAKIUL HUSSAIN, S/O- Lt. MECHER ALI of ISLAMSUPA, WARD No.7, P.O/PS/Dist-Nalbari (Assam) have changed my name from MOHAMMED MAKIUL HUSSAIN to MAKIUL HUSSAIN before the Notary public at Nalbari on 14/03/2022.

নাম-উপাধি সলনি

মই নিজৰা তালুকদাৰ। মোৰ ল'ৰাৰ নাম জন্মৰ প্ৰমাণ পত্ৰত ভুলক্ৰমে মোৰ নামটো নিকু দেৱী হৈ আছে। ২-৩-২২ তাৰিখে গুৱাহাটী আদালতত এফিডেফিট কৰি শুধৰণি কৰা হয়। গতিকে নিজৰা তালুকদাৰ আৰু নিকু দেৱী একেজনী মানুহ।

নাম শুধৰণি

মোৰ নাম **ANU BALA MAZUMDAR**, মোৰ **Reliance Life Insurance** পলিচিত **ANU BALA MAZUMDAR SARKAR** হৈ আছে। বিলাসীপাৰা মহকুমা দণ্ডাধীশ আদালতযোগে **ANU BALA MAZUMDAR** কৰিলো।

Anu Bala Mazumdar
W/o-Kartick Chandra Sarkar
Noonmati Pt-I

No.SENL/NIT/N/2020-21/50/153

PRESS NOTICE INVITING TENDER

Superintending Engineer P.W.D. Nalbari Road Circle, Nalbari on behalf of Governor of Assam invite bids from approved and eligible contractor registered with APWRD for 1 (one) No.scheme under SCSP for the year 2021-22 under Nalbari Dirstrict Territorial Road Division, Nalbari amounting to Rs. 75.39 L (Approx). Details may be seen at webste-http://assamtendrs.gov.in and also at the office of the undersigned during office hours from 16/03/2022.

N.B. (i) The Tender amount has been considered including all taxes. (GST, L/Cess etc).

(I/c) Superintending Engineer, PWD
Nalbari Road Circle, Nalbari

Janasanyog/CF/3738/21

PRESS NOTICE

The Executive Engineer, PWD, Dispur & Guwahati East Territorial Building Division, Guwahati-1 on behalf of Governor of Assam invites item rate bid in two bids system for the work 'Strengthening & reconstruction of boundary wall at hill side of Judge's Bungalow No.7 & Guest House, provision of drain along with the boundary wall at upper side, stone pitching for side slope protection at down side of the houndary wall and also a provision of a guard wall at Bungalow No.7 at Kharghuli, Guwahati under CSS of Disaste Management' with an approximate value of work of Rs. 21,55,200.00 from APWD registered Class-I (A/B/C) and class-II contractors (under Guwahati Building Circle-II) having Experience of similar nature of work. Details of the bids may be seen in the office of the undersigned during office hours upto 16-03-2022.

Sd/-
Executive Engineer, PWD
Dispur & Guwahati East Territorial
Building Division, Guwahati-1

Janasanyog/C/13425/21

Memo No. SLPRB/RRC/Const [AB & UB]/462/2021/Vol-II/270 dated. 14-03-2022

Notice/ Corrigendum

Reference Para 14 - 'Written Test' of the advertisement dated 06-12-2021 in connection with recruitment of 705 posts of Constable (UB) & 1429 posts of Constable (AB) in Assam Police.

The Written test will consist of 90 multiple choice type questions instead of 45 questions to be answered on an OMR answer sheet. For each correct answer the candidate will get half mark. Total marks for the Written Test will be 45. There will be no negative marking.

Other instructions regarding the Written Test will remain unchanged as per the advertisement dated 06-12-2021.

Director General of Police, Assam
&
Chairman, SLPRB, Assam
Ulubari, Guwahati

Janasanyog/D/17325/21

হেৰাইছে

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধীনৰ ৰাজ্যিক মুক্ত বিদ্যালয়ৰ **HS** উত্তীৰ্ণ **Roll No-183-2017 A-112** মাৰ্কশ্বিট **2018 A (Block)** এডমিট **2018 (Block)** হেৰাইছে।

বিবেক দাহাল
গড়বিল, ৰঙাচুক

LOST

I have lost my Service Book Nimua Govt. Junior Basic School Asisstant Teacher.

Sri Binod Gayary
Late- Puspo Ram Gayary
Vill-Nimua (Udugaon)
P.O- Nimua
P.S. Gobardhana
Dist- Baksa (Assam)
Pin-781315
Ph. 9476514372

LOST

I have lost my Original Pension Book under P P O No. S/SP/58860.

Bijoy Kanti Roy
Retd. Principal i/c
Public H.S. School
Lanka, Hojai (Assam)

জ্যোতিষী

আপুনি কেনেকুৱা সমস্যাত ভুগিছে? সমস্যা যিমান কঠিন নহওক কিয় ১০০ শতাংশ **Guarantee** সহ সমাধান পাবই। মায়ং প্ৰশিক্ষণ জ্যোতিষী।

আচাৰ্য ডি শৰ্মা
(M) 8099336044.

ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- **9954021556, 9947066469.**

AFFIDAVIT

I BINA BAILENG, W/O Pradip Kalita, Kailashpur, Lalganesh, P.S. Dispur, Guwahati-34, Kamrup (M) Assam do hereby declared by an Affidavit before Notary Kamrup (M) on 14-03-2022 that MINA KALITA and BINA BAILENG are the names of one person having Single identity i.e. myself.

M.NO: F.T.8th/THM/L- 23/22

Advertisement

A WALK-IN-INTERVIEW will be held on 24.03.2022 (Thursday) at 10.30 AM in the premises of Foreigners Tribunal, Tezpur 8th at Dhekiajuli, municipality Building, 2nd Floor, above SBI, N.H.15, District Sonitpur for the following posts:-

SL NO.	Name of Post	No. of Vacancy	Qualification	Fixed Pay per month	Category
1.	Data Entry Operator	2 Nos.	HS passed with 6 months computer diploma from recognized institute.	10000/- (Fixed)	UR
2	Copyist	1 No.	HS passed with Typing	9000/- (Fixed)	UR

Age Limit: - The candidate must not be less than 18 years and more than 40 years of age as on 01.01.2022. The upper age limit is relaxable by 5 years in case of SC/ST (P)/ST (H) and 3 years for OBC/MOBC candidates as per Govt. office Memorandum ABP.6/2016/51 letter 02.09.2020.

N.B.- 1) *All the post are purely temporary and contractual and continue till the existence of this Tribunal, The employee shall have no claim to continue in service in case of non-existence of this Tribunal.*

2) Candidates will have to appear in walk-in-interview with original documents alongwith standard form [Assam Gazette (Part-IX)] where post preference address, Mobile No. and E-mail should be mentioned clearly.

3) Candidates will have to affix a recent passport size photograph in the standard form alongwith photocopies of all relevant documents.

4) No TA/DA will be provided.

S/d-
Member,
Foreigners Tribunal, No.8
Tezpur (At Dhekiajuli)

Janasanyog/D/17307/21

No.CHD/SYW/122/Pt.I/2021/523 *Dated Kok. the 14th March, 2022*

CORRIGENDUM

Corrigendum is hereby made to the **"AGE LIMIT"** as well as **"Vacancy of Posts of Coach"** of the candidates as regards to the Advertisement No. CHD/SYW/122/Pt.I/2021/519 dtd. 11th March, 2022 for filling of the sanctioned Gr. III vacant posts i.e. Sub- divisional Sports Officer (SDSO), Coach and Physical Instructor (P.I.) under Sports & Youth Welfare Deptt. BTC, Kokrajhar. The revised **"AGE LIMIT"** as well as **"Vacancy of Posts"** of the candidates may be read as follows:-

(I) "AGE LIMIT":-

"The age of candidates should not be more than 40 years and not less than 21 years of age on 01-01-2022. The Upper age limits is relaxable by 05 years for ST/SC candidates, i.e. up to 45 years and by 03 years for OBC/MOBC candidates, i.e. up to 43 years as per Govt. Notification No. ABP.6/2016/51 dtd. 2nd September, 2020. The Documents like affidavit etc. shall not be accepted as proof of age."

(II) "Vacancy of Posts"

Name of Post :- Coach

Vacancy of Post: - Total -15 (Fifteen) Nos. (Discipline:- Archery, Athletics, Boxing, Football, Kabaddi, Volleyball, Wushu, Taekwondo, Badminton, Weight Lifting, Hand Ball & Karate)

All other terms and conditions of the Advertisement No. CHD/SYW/122/Pt.I/2021/519 dtd. 11th March, 2022 for filling of the sanctioned Gr. III vacant posts i.e. Sub- divisional Sports Officer (SDSO), Coach and Physical Instructor (P.I.) under Sports & Youth Welfare Deptt. BTC, Kokrajhar shall remain intact.

Sd/-
I/c, CHD, Sports & Youth Welfare,
BTC, Kokrajhar

IPR(BTC)-828/2021

আজিৰ দিনটো

কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

৩০ ফাগুন মঙ্গলবাৰ ১৫ মাৰ্চ

সূৰ্যোদয় ঃ ঘঃ ৫।৪২।১৬, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৩১।৩২। **তিথি ঃ** শুক্লা দ্বাদশী, দং ১৫।৩৩।১৯ ঘঃ ১১।৫৫।৩৬। **নক্ষত্ৰ ঃ** অশ্লেষা, দং ৪২।৪০।৪৫ ৰাঘঃ ১০।৪৬।৩৪। **যোগ ঃ** সুকৰ্মা, দং ৫৩।৪৯।১ ৰাঘঃ ৩।১৩।৫২। **কৰণ ঃ** বালৱ। **জন্মত ঃ** কৰ্কটৰাশি, বিপ্ৰবৰ্ণ, দেৱাৰিগণ বৰাহৰ অস্থি, বায়ুযোগ, অষ্টোত্তৰী চন্দ্ৰ বিংশোত্তৰী বুধৰ দশা, ৰাঘঃ ১০।৪৬।৩৪ যোৱাত বান্দৰৰ অস্থি, সিংহৰাশি, ক্ষত্ৰিয়বৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, অষ্টোত্তৰী মঙ্গল, বিংশোত্তৰী কেতুৰ দশা। **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া পতিহিতা যোগ, মতান্তৰে ১৫দিনীয়া বেশ্যা যোগ । **মৰণত দোষঃ** দ্বিপদ, ঘঃ ১১।৫৫।৩৬ যোৱাত এপদ । **যোগিনী ঃ** নৈঋতকোনত ঘঃ ১১।৫৫।৩৬ যোৱাত দক্ষিণত। **যাত্ৰা ঃ** নাই, সংক্ৰ্যান্তাদি দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** পূৰৈশাক, ঘঃ ১১।৫৫।৩৬ যোৱাত বেঙেনা খোৱা নিষেধ।

দিনটোৰ ৰাশিফল

মেষ ঃ কৰ্মক্ষেত্ৰত আৰ্থিক লেনদেনত সাৱধান থাকিব। স্বামী-স্ত্ৰীৰ মাজত মতানৈক্যৰ সম্ভাৱনা। উচ্চ শিক্ষাৰ্থে বিদেশ যাত্ৰাৰ সম্ভাৱনা। শুভ ৰং ৰঙা, শুভ সংখ্যা ২।

বৃষ ঃ আয়-উপাৰ্জনৰ ক্ষেত্ৰত বাধা আঁতৰিব। বিদ্যাত বো দেখা নাযায়। ব্যৱসায়ত মধ্যম উন্নতি। প্ৰেম প্ৰণয়ত সুখ বৃদ্ধি পাব। শুভ ৰং গোলপীয়া, শুভ সংখ্যা ৯।

মিথুন ঃ চাকৰি পৰিৱৰ্তনৰ পৰিকল্পনা স্থগিত ৰাখক। ব্যৱসায়ত সফলতা অৰ্জন কৰিব। দূৰ ভ্ৰমণৰ সম্ভাৱনা। প্ৰেমত আন্তৰিকতা। শুভ ৰং নীলা, শুভ সংখ্যা ৫।

কৰ্কট ঃ বিবাহৰ যোগাযোগত শুভ। বিদ্যাৰ্থীৰ বাবে শুভ দিন। যানবাহন ক্ৰয় কৰিব পাৰে। সন্তানৰ কৃতিত্বই আনন্দিত হ'ব। শুভ ৰং সেউজীয়া, শুভ সংখ্যা ৩।

সিংহ ঃ বিদ্যাৰ্থীৰ আশা পূৰণ হ'ব পাৰে। যৌথ ব্যৱসায়ত আশানুৰূপ ফল নাপাব। আৰ্থিক সমস্যাই বিব্ৰত কৰিব। নিবনুৱাৰ কৰ্ম লাভ। শুভ ৰং হালধীয়া, শুভ সংখ্যা ১।

কন্যা ঃ কৰ্মক্ষেত্ৰত দায়িত্ব বৃদ্ধি পাব। ভূমিৰ বিবাদৰ সন্তোষজনক সমাধান হ'ব পাৰে। প্ৰেমত অশান্তি। আৰ্থিক আশানুৰূপ ফল পাব। শুভ ৰং গোলপীয়া, শুভ সংখ্যা ৮।

তুলা ঃ শাৰীৰিক দিশত অথন্তৰ অনুভৱ কৰিব। নতুন ব্যৱসায় সফলতা লাভ। গতানুগতিক কামত বেছি বাধা নাই। বিবাহৰ ক্ষেত্ৰত বাধা আঁতৰিব। শুভ ৰং পাতল, শুভ সংখ্যা ৬।

বৃশ্চিক ঃ ব্যৱসায়ত উন্নতিৰ যোগ। বিদ্যাৰ্থীৰ আশা পূৰণ হ'ব পাৰে। ভ্ৰমণত দ্ৰব্য লাভ। প্ৰেমত ঘৰুৱা বাধা। কৰ্মক্ষেত্ৰত শুভ ফল পাম্ভ। শুভ ৰং মেৰুণ শুভ সংখ্যা ৪।

ধনু ঃ আৰ্থিকত পোৱা কষ্টৰ কিছু হ'লেও লাঘৱ হ'ব। বিদ্যাত মধ্যম। দাম্পত্যত চিন্তা থাকিব। ব্যৱসায়ত আয় বৃদ্ধি পাব। শুভ ৰং কমলা, শুভ সংখ্যা ৯।

মকৰ ঃ বিদ্যাৰ্থীৰ বাবে তেনে বাধা দেখা নাযায়। কৰ্মক্ষেত্ৰত সুপুৰীয়াৰ পৰা সাৱধান থাকিব। দৈহিক ক্ষেত্ৰত শুভ ফল পাব। শুভ ৰং সেঙউজীয়া, শুভ সংখ্যা ৫।

কুম্ভ ঃ আৰ্থিকত উন্নতিত বাধা। বিদ্যাত যত্নৰ ত্ৰুটি নকৰিব। শাৰীৰিক দিশত দুৰ্বলতা অনুভৱ হ'ব। চাকৰিয়ালৰ বাবে শুভ দিন। শুভ ৰং হালধীয়া, শুভ সংখ্যা ৬।

মীন ঃ ব্যৱসায়ত মধ্যম ফল পাব। কৰ্মক্ষেত্ৰত জটিলতা কমিব। বিদ্যাত আশা দেখিলেও বাধা পাব। সন্তানৰ বাবে চিন্তা থাকিব। প্ৰেমত শুভ। শুভ ৰং ৰঙা, শুভ সংখ্যা ৫।

শব্দ-বেহ ঃ ১৫ মাৰ্চ ২০২২



পথালিৰে ঃ

[illegible]

থিয়কৈ ঃ

[illegible]

উত্তৰ অহা সংখ্যাত

১৪মাৰ্চ ২০২২ সংখ্যাৰ উত্তৰ ঃ

পথালিৰে ঃ [illegible]

থিয়কৈ ঃ [illegible]

● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

দিগ্‌দৰ্শন

যীশুখ্ৰীষ্টই উচুপিছিল; ভল্টায়াৰে হাঁহিছিল। সেই পৱিত্ৰ চকুলোৰ পৰা আৰু সেই মানৱীয় হাঁহিৰ পৰা সাম্প্ৰতিক সভ্যতাৰ লাৱণ্য বিকশিত হৈছে।

ভিক্টৰ হুগো
ফৰাচী সাহিত্যিক

www.dainikagradoot.in

৭ উত্তৰ প্ৰদেশৰ বিধায়কৰ ৫১ শতাংশই দাগী অপৰাধী
১৫ ২-০ টেষ্ট শৃংখলা জয় ভাৰতৰ
৪ আপেই হ'ব পাৰে তৃতীয় বিকল্পৰ সূত্ৰধাৰ

RNI-Regd No. 62953/96 ■সপ্তবিংশতিতম বছৰ ● ১৫৬তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ৩০ ফাগুন ১৪২৮ ভাস্কৰাব্দ ১৫ মাৰ্চ ২০২২ চন ■DAINIK AGRADOOT ● Guwahati ● Tuesday 15 March 2022 মূল্য ঃ ৯.০০ টকা

■ ক'ভিড মহামাৰীয়ে সৃষ্টি কৰা বিপৰ্যয়ৰ তথ্য প্ৰকাশ কৰিলে কেন্দ্ৰই ■ প্ৰথমটো ঢৌত ১.৪৫ কোটি-দ্বিতীয়ত ৫২ লাখ-তৃতীয়ত ১৮ লাখ কৰ্মহীন হ'ল ■ পৰ্যটক হ্ৰাস ৯৩ শতাংশ পৰ্যন্ত

পৰ্যটনত জীৱিকা হেৰুৱালে ২.১৫ কোটিয়ে

■ প্ৰতিষেধক প্ৰদান অভিযানৰ পাছত পৰিস্থিতি উন্নত হ'ব বুলি আশা বিভাগীয় মন্ত্ৰীৰ

■ নিউজ ব্যুৰ'

নতুন দিল্লী, ১৪ মাৰ্চ ঃ দেশৰ পৰ্যটন উদ্যোগত মাধমাৰ শোধাইছে ক'ভিড-১৯ মহামাৰীয়ে। এই খণ্ডৰ স'তে জড়িত দুই কোটি ১৫ লাখ লোকে ক'ভিডৰ তিনিটা ঢৌত কৰ্মসংস্থাপন হেৰুৱায়। কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে আজি সংসদত এই তথ্য সদৰী কৰে। তেওঁ কয় যে ক'ভিডৰ প্ৰথম ঢৌত দেশলৈ পৰ্যটকৰ আগমনৰ সংখ্যা ৯৩ শতাংশ হ্ৰাস পাইছিল, দ্বিতীয় ঢৌত ৭৯ শতাংশ হ্ৰাস হৈছিল। তৃতীয় ঢৌত পৰ্যটকৰ সংখ্যা হ্ৰাস পায় ৬৪ শতাংশ। 'আমি পৰ্যটনত অতিমাৰীৰ প্ৰভাৱৰ ওপৰত এটা অধ্যয়ন কৰিছিলো। এই অধ্যয়ন মৰ্মে প্ৰথম ঢৌত এক কোটি ৪৫ লাখে, দ্বিতীয়টো ঢৌত ৫২ লাখে আৰু তৃতীয়টো ঢৌত ১৮ লাখে জীৱিকা হেৰুৱায়।' লোকসভাত আজি প্ৰশ্নোত্তৰ কালত মন্ত্ৰী ৰেড্ডীয়ে এই তথ্য সদৰী কৰি কয় যে দেশত ক'ভিড অতিমাৰীয়ে আঘাত হনাৰ পূৰ্বে পৰ্যটন খণ্ডত জড়িত হৈ আছিল তিনি কোটি ৮০ লাখ লোক।

মন্ত্ৰীজনে লগতে কয় যে কৰ'না ভাইৰাছৰ তিনিটা ঢৌত লক্ষ্যণীয়ভাৱে পৰ্যটন অৰ্থনীতিৰ অধোগতি গৈছিল। কেৱল ভাৰততে নহয়, বিশ্বজুৰিয়ে এই খণ্ডটো ক'ভিডৰ দ্বাৰা ভয়াৱহ ৰূপত বিপদগ্ৰস্ত হৈছে। অৱশ্যে

১০ পৃষ্ঠাত চাওক

অভিনৱ উৎসৱ

■ সঞ্জীৱ সভাপণ্ডিত

(নাচ-গান-সংগীত-সুৰ-সুৰা-আনন্দ-হাঁহি-উকি-চিঞৰ-বাখৰ— এই সকলোবোৰ একোটা উৎসৱৰ অবিচ্ছেদ্য অংগ; কিন্তু মই আজি ক'বলৈ বিচৰা উৎসৱৰ চৰিত্ৰ-প্ৰকাৰ সম্পূৰ্ণ বেলেগ। এই কাহিনী নীৰৱ উৎসৱৰ।)

বিভিন্ন দেশৰ বিভিন্ন লেখকে বিভিন্ন সময়ত বিভিন্ন কথা লিখিছে। লিখাটো মানুহৰ কাম; লেখকৰ তাড়না, লেখকৰ অভ্যাস; লেখকৰ ওপৰত মানুহৰ বা

১০ পৃষ্ঠাত চাওক

সদনৰ কাৰ্যসূচী সম্প্ৰচাৰ কৰা ব্যৱস্থাৰ ক্ষতিসাধন

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৪ মাৰ্চ ঃ কঠোৰ নিৰাপত্তা ব্যৱস্থাৰ মাজতো তিনিদিনৰ ব্যৱধানত দুবাৰকৈ বিধানসভা ভৱনত দুষ্কৃতিকাৰীয়ে প্ৰৱেশ কৰি সদনৰ কাৰ্যসূচীৰ পোনপটীয়াকৈ

১০ পৃষ্ঠাত চাওক

বিদ্যালয়লৈ যোৱা ছাত্ৰৰ নৈত মৃত্যুক লৈ উত্তেজনা

প্ৰতিবাদ স্থানীয় ৰাইজৰ

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ/দোতমা, ১৪ মাৰ্চ ঃ কোকৰাঝাৰ জিলাৰ ছেদামাৰীত এজন স্কুলীয়া ছাত্ৰৰ নদীৰ পানীত মৃত্যু ঘটনাক কেন্দ্ৰ কৰি আজি উত্তেজনাপূৰ্ণ

১০ পৃষ্ঠাত চাওক

বন্ধুক ঘুচিয়াই হত্যাৰ অভিযোগত যুৱকক গ্ৰেপ্তাৰ

নিৰাপত্তা বেষ্টনীৰ মাজত জিতুল দাসৰ শেষকৃত্য

ছয়গাঁও, ১৪ মাৰ্চ ঃ দক্ষিণ কামৰূপৰ এক নম্বৰ আমতলা গাঁৱত দেওবাৰে সংঘটিত হত্যাকাণ্ডৰ মূল অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। যোৱা

১০ পৃষ্ঠাত চাওক



তাপমাত্ৰা	সৰ্বোচ্চ	সৰ্বনিম্ন
গুৱাহাটী	৩৬°	২০°
ডিব্ৰুগড়	৩৩°	১৭°
দিল্লী	৩৩°	২১°
কলকাতা	৩৪°	২১°
মুম্বাই	৩৯°	২৬°
চেন্নাই	৩২°	২১°
বাংগালুৰু	৩৩°	১৮°
শ্বিলং	২৭°	১৪°

১৪ মাৰ্চ, ২০২২

চেঙা তেল



চুপে-চাপে আগবাঢ়ক ছাৰ! বহুদিনৰ পাছত আহিছে যে মানুহবিলাকে চিনিয়েই পোৱা নাই!

■ বিৰোধীৰ সহযোগিতাত সুকলমে ৰাজ্যপালৰ এঘণ্টা ভাষণ পাঠ

প্ৰতিক্ৰিয়া ব্যক্ত কৰি বহিষ্কৃত অখিল ■ বিৰোধীক মুখ্যমন্ত্ৰীৰ ধন্যবাদ

শীঘ্ৰে চৰকাৰৰ তৃতীয়-চতুৰ্থ বৰ্গৰ ২৭ হেজাৰ পদত নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৪ মাৰ্চ ঃ অসম চৰকাৰে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ ২৭ হেজাৰ পদৰ বাবে শীঘ্ৰে নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিব। আজিৰ পৰা আৰম্ভ হোৱা অসম বিধানসভাৰ বাজেট অধিবেশনত ৰাজ্যপাল জগদীশ মুখীয়ে দিয়া ভাষণত এই কথা উল্লেখ কৰে। ৰাজ্যপাল মুখীয়ে কয় যে ইয়াৰ বাবে ইতিমধ্যে নিযুক্তি আয়োগ গঠন কৰা হৈছে। উল্লেখ্য যে অহা ১০ মে'ৰ ভিতৰত অসম চৰকাৰে এক লাখ পদত নিযুক্তি প্ৰদানৰ ঘোষণা কৰিছে। তাৰ অংশৰূপে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ এই পদসমূহত নিযুক্তি দিয়া হ'ব। ভাষণত ৰাজ্যপালে লগতে উল্লেখ কৰে যে নিৰ্বাচনৰ সময়ত দিয়া নিযুক্তি সম্পৰ্কীয় উক্ত প্ৰতিশ্ৰুতি পূৰণৰ অংশৰূপে বিভিন্ন নিযুক্তি ব'ৰ্ডৰ অধীনত ৩৭ হেজাৰতকৈ অধিক পদত নিযুক্তি প্ৰক্ৰিয়া চলাই থকা হৈছে। এনে ব'ৰ্ডসমূহৰ ভিতৰত আছে অসম চিকিৎসা আৰু স্বাস্থ্য নিযুক্তি ব'ৰ্ড, পৰিৱেশ আৰু বন বিভাগৰ উচ্চ পৰ্যায়ৰ এজেন্সী, শিক্ষা বিভাগৰ ৰাজ্যিক

১০ পৃষ্ঠাত চাওক

কাগজ কলৰ কৰ্মচাৰীৰ বাবে ৭৫০ কোটি টকা মুকলি কৰি দিব চৰকাৰে

ৰাজ্যসভাৰ দুয়োখন আসনত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী থাকিব ঃ ঘোষণা মুখ্যমন্ত্ৰীৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৪ মাৰ্চ ঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি অসম বিধানসভাত সদৰী কৰে যে হিন্দুস্তান কাগজ নিগমৰ অধীনস্থ নগাঁও আৰু কাছাৰ কাগজ কলৰ ভূসম্পত্তি অসম চৰকাৰে ঘূৰাই লোৱাৰ প্ৰক্ৰিয়া চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। অহা ৩১ মাৰ্চৰ পূৰ্বে এই সা-সম্পত্তিৰ দায়িত্ব লৈ অসম চৰকাৰে পুঁজি জমা দিব লাগিব। আজি বিধানসভাৰ ৰাজহুৱা উদ্যোগসমূহৰ পাঁচখন প্ৰতিবেদন দাখিলৰ সময়ত

১০ পৃষ্ঠাত চাওক

কটাক্ষ মন্ত্ৰী পীযুষৰ

দলীয় গণতন্ত্ৰ নোহোৱা বাবে ৰাইজে নস্যাৎ কৰিছে কংগ্ৰেছক

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৪ মাৰ্চ ঃ কংগ্ৰেছে দলৰ অভ্যন্তৰত গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিব নোৱাৰা বাবেই ভেটি হেৰুৱাইছে। এই মন্তব্য কৰে তথ্য আৰু জনসংযোগ, জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই।

১০ পৃষ্ঠাত চাওক

■ ছেকেণ্ডতে ধূলিসাৎ তিনি বছৰীয়া প্ৰেম-চাৰি বছৰৰ দাম্পত্যৰ ■ দুটা গুলিয়ে ভেদ কৰিলে বুকু-ডিঙি ■ মৃতদেহৰ কাষতে উদ্যত মাৰণাস্ত্ৰ লৈ উন্মাদৰ দৰে বৈ আছিল ঘাতক

কন্দলৰ পৰিণতিত অন্তঃসত্ত্বা পত্নীক কাৰ্বাইনেৰে গুলীয়াই হত্যা আৰক্ষীৰ

■ কৰ্তব্যৰ পাছতো গুলিভৰ্তি চাৰ্ভিছ কাৰ্বাইন নিছিল আৱাসলৈ ■ ন্যায়িক জিম্মালৈ প্ৰেৰণ অভিযুক্তক ■ প্ৰতিবাদত উত্তপ্ত ডিব্ৰুগড় থানা

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ১৪ মাৰ্চ ঃ পাৰিবাৰিক কন্দলৰ পৰিণতিতে আজি পুৱতি নিশা ডিব্ৰুগড়ত সংঘটিত হ'ল এক চাঞ্চল্যকৰ হত্যাকাণ্ড। এজন আৰক্ষী জোৱানে পত্নীক শূন্য দূৰত্বৰ পৰা শোৱনি কোঠাতে গুলীয়াই হত্যা কৰা ঘটনাটোৱে আজি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। ইতিমধ্যে আৰক্ষীয়ে অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষী কনিষ্টবল বিকী চেতিয়া (৩৬)ই পুৱতি নিশা প্ৰায় এক বজাত পত্নী জয়শ্ৰী চেতিয়া (২৯)ক নিজৰ ছাৰ্ভিচ কাৰ্বাইনটোৰে গুলীয়াই হত্যা কৰে বুলি ডিব্ৰুগড় আৰক্ষীয়ে জনাইছে। বিকীয়ে নিচেই কাষৰ পৰা গুলি কৰাত পত্নী জয়শ্ৰীৰ বুকু আৰু ডিঙি দুটা গুলিয়ে ভেদ কৰি যায়।

ছয় পৃষ্ঠাত চাওক

পাৰ্শ্বজ্যোতি

মন্ত্ৰীক খুন্দা

মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম গ'ল্ফ কাৰ্টত উঠি বিধানসভালৈ আহে। বাহনখনৰ পৰা নমাৰ পাছতে তেওঁৰ এক দুৰ্ঘটনা সংঘটিত হয়। উঠি অহা বাহনখনেৰে বাঁওফালৰ এটা চকা মন্ত্ৰী ব্ৰহ্মৰ ভৰিৰ ওপৰেদি উঠি যায়। ফলত যথেষ্ট দুখ পায় মন্ত্ৰীজনে। অৱশ্যে সৌভাগ্যক্ৰমে বিশেষ আঘাত নাপালেও এই দুৰ্ঘটনাক লৈ পুৰা বিধানসভাৰ মূল প্ৰৱেশ পথৰ সন্মুখত হৈ-চৈ লাগে।

মই মুক্ত

কংগ্ৰেছৰ বিধায়ক শ্বেৰমান আলীয়ে আজি ঘোষণা কৰে যে তেওঁ এতিয়া মুক্ত। কাৰো ওচৰত তেওঁ বন্দী হৈ থকা নাই। দলবিৰোধী কাৰ্যত লিপ্ত থকাৰ অভিযোগত কংগ্ৰেছে নিলম্বিত কৰি ৰখাৰ সন্দৰ্ভতে বিধায়কজনে এই মন্তব্য কৰি কয়, 'মই অসমৰ এক কোটি আৰু মুঠ জনসংখ্যাৰ এক তৃতীয়াংশ মুছলমানৰ স্বাৰ্থক লৈ কে'বাটাও প্ৰশ্ন কংগ্ৰেছৰ নেতৃত্বক সুধিছো। তেওঁলোকে মোক উত্তৰ দিয়া নাই। মোৰ এটা প্ৰশ্নৰ উত্তৰো যদি নিগেটিভ হয়, মই লগে লগে কংগ্ৰেছ ত্যাগ কৰিম। যা হওক এতিয়ালৈকে নিলম্বিত কৰি থকাত মই নিজকে মুক্ত বুলি ভাবিছো। মই এতিয়া যিহেতু মুক্ত

১০ পৃষ্ঠাত চাওক

■ ৪০ শতাংশ পাঠ্যক্ৰম কৰ্তনৰে মেট্ৰিক-সম্পূৰ্ণ পাঠ্যক্ৰমৰে উচ্চতৰ মাধ্যমিক ■ নতুন প্ৰশ্নকাকতৰে পৰীক্ষা উচ্চতৰ মাধ্যমিকৰ

দুবছৰৰ মূৰত আজিৰ পৰা মেট্ৰিক-হাইমাদ্ৰাছা-উচ্চতৰ মাধ্যমিক পৰীক্ষা

মুখ্যমন্ত্ৰীসহ বিভিন্নজনৰ শুভেচ্ছা

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৪ মাৰ্চ ঃ ক'ভিডৰ বাবে বিগত বৰ্ষত বাতিলৰ পাছত কাইলৈৰ পৰা অনুষ্ঠিত হ'ব ২০২২ৰ মেট্ৰিক-হাইমাদ্ৰাছা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাসমূহ। দুয়োটা পৰীক্ষাক লৈ এইবাৰো বিগত সময়ছোৱাত বিভিন্ন আশংকা-বিতৰ্কৰ সূত্ৰপাত হৈছিল। অৱশেষত এই সকলোবোৰৰ অন্ত পেলাই কাইলৈৰ পৰা অসম মাধ্যমিক শিক্ষা পৰিষদ (ছেবা)-এ মেট্ৰিক-হাইমাদ্ৰাছা আৰু অসম উচ্চতৰ

১০ পৃষ্ঠাত চাওক

৩১ মাৰ্চৰ ভিতৰত দাখিল হ'ব এপিএছচিৰ ন্যায়িক তদন্তৰ প্ৰতিবেদন

দুৰ্নীতিগ্ৰস্ত বিষয়াৰ বিৰুদ্ধে শাস্তিৰ বিপৰীতে পদোন্নতিৰ ফাইলহে সাজু

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৪ মাৰ্চ ঃ দীৰ্ঘদিনৰ অপেক্ষাৰ অন্তত দাখিলৰ বাবে সাজু হৈছে অসম লোকসেৱা আয়োগৰ পৰীক্ষা কেলেংকাৰিৰ তদন্তৰ প্ৰতিবেদন। অহা ৩১ মাৰ্চৰ ভিতৰত বিপ্লৱ শৰ্মা নেতৃত্বাধীন ন্যায়িক তদন্ত আয়োগে দাখিল কৰিব প্ৰতিবেদন। উল্লেখ্য যে ৩১ মাৰ্চত সমাপ্ত হ'ব ৰাজ্য কঁপোৱা অসম লোকসেৱা আয়োগৰ পৰীক্ষা কেলেংকাৰিৰ ন্যায়িক তদন্ত আয়োগৰ কাৰ্যকাল। ইতিমধ্যে প্ৰতিবেদন দাখিলৰ বাবে যাৱতীয় সকলো কাৰ্য সম্পন্ন কৰিছে আয়োগে। আজি এই বিষয়ে জানিবলৈ দিয়ে

১০ পৃষ্ঠাত চাওক

আন্দোলন স্থগিত ঃ প্ৰতিশ্ৰুতি ৰক্ষা নকৰিলে জংগী কাৰ্যসূচীৰ হুংকাৰ

দুমাহৰ ভিতৰত গৃহৰক্ষীৰ সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি অসম চৰকাৰৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৪ মাৰ্চ ঃ অসম চৰকাৰে আজি ৰাজ্যৰ আন্দোলনৰত গৃহৰক্ষী স্বেচ্ছাসেৱকসকলৰ মৌলিক সমস্যাসমূহ অহা দুমাহৰ ভিতৰত সমাধানৰ প্ৰতিশ্ৰুতি দিয়ে। গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত সচিব এ কে ভট্টাচাৰ্যৰ আমন্ত্ৰণ মৰ্মে

ছয় পৃষ্ঠাত চাওক

■ নাগৰিকৰ ক্ষয়-ক্ষতিৰ সম্ভাৱনাৰ বাবে সদ্যহতে বৃহৎ মহানগৰীত আক্ৰমণ স্থগিত ৰাখিছে

ইউক্ৰেইনৰ বৃহৎ মহানগৰীসমূহ নিজৰ নিয়ন্ত্ৰণলৈ আনিব ৰাছিয়াই

■ চতুৰ্থলানি আলোচনাৰ সময়তে পুনৰ সকীয়নি

চীনৰ পৰা কোনো ধৰণৰ সামৰিক-অৰ্থনৈতিক সাহায্য বিচৰা নাই বুলি স্পষ্ট কৰিলে ক্ৰেমলিনে

■ নিউজ ব্যুৰ'

কিয়েভ, ১৪ মাৰ্চ ঃ ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধই আজি ১৯ দিনত ভৰি দিয়াৰ সময়তে এক নতুন বিতৰ্কই গা কৰি উঠিছে। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ অভিযোগ অনুসৰি ৰাছিয়াই ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধত চীনৰ পৰা অৰ্থনৈতিক আৰু সামৰিক সাহায্য বিচাৰিছে। ২৪ ফেব্ৰুৱাৰীত ইউক্ৰেইনৰ বিৰুদ্ধে আক্ৰমণ কৰাৰ সময়তে ৰাছিয়াই এই অনুৰোধ জনাইছিল বুলি কোৱা হৈছে। আজি ক্ৰেমলিনে প্ৰকাশ কৰে যে ৰাছিয়াই চীনৰ পৰা কোনো ধৰণৰ সামৰিক সাহায্য বিচৰা নাই। ক্ৰেমলিনৰ মুখপাত্ৰ ডিমিট্ৰি পেছক'ভে কয় যে ইউক্ৰেইনত লক্ষ্য পূৰণ কৰিব পৰাকৈ ৰাছিয়াৰ হাতত যথেষ্ট পৰিমাণৰ সামৰিক শক্তি মজুত আছে। চীনৰ বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰয়ো এই সন্দৰ্ভত মতামত পোষণ কৰিছে। চীনা মুখপাত্ৰই কয় যে মাৰ্কিন যুক্তৰাষ্ট্ৰই ইউক্ৰেইনৰ বিষয়টোক লৈ অসৎ উদ্দেশ্য প্ৰণোদিতভাৱে

১০ পৃষ্ঠাত চাওক

কণমানি সন্তানক এৰি একেলগে চিপ লৈ আত্মহত্যা যুৱ দম্পতীৰ

অগ্ৰদূত বাৰ্তা

পলাশবাৰী, ১৪ মাৰ্চ ঃ দক্ষিণ কামৰূপৰ উপৰহালী কোকিলাপাৰাত এক দম্পতীয়ে আজি দুপৰীয়া ৰহস্যজনকভাৱে আত্মহত্যা কৰে। দিন দুপৰতে চিপ লোৱা অৱস্থাত উদ্ধাৰ হয় দম্পতীৰ মৃতদেহ। ভিতৰৰ পৰা বন্ধ কৰা নিজ বাসগৃহৰ শোৱনীকোঠাতে ৰহস্যজনকভাৱে মুখামুখিকৈ উদ্ধাৰ হয় দুয়োৰে

ছয় পৃষ্ঠাত চাওক

■ শুকানজুলি ফায়াৰিং ৰেঞ্জত পুনৰ অঘটন

সেনাৰ বোমা লক্ষ্যভ্ৰষ্ট হৈ পৰিল বাসগৃহত, কথমপি প্ৰাণৰক্ষা শিশু-মহিলাৰ

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ১৪ মাৰ্চ ঃ তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ শুকানজুলি ফায়াৰিং ৰেঞ্জত আজি পুনৰ সংঘটিত হয় এক অঘটন। ফায়াৰিং ৰেঞ্জত চলি থকা সেনা বাহিনীৰ নিয়মিত গোলা-বাৰুদৰ অনুশীলনৰ সময়তে সেনাৰ দ্বাৰা প্ৰক্ষেপিত বোমা এটা লক্ষ্যভ্ৰষ্ট হৈ ফায়াৰিং ৰেঞ্জৰ সমীপৰ এক নম্বৰ পাহাৰপুৰ গাঁৱৰ এটা পৰিয়ালৰ বাসগৃহৰ ওপৰত

১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, মঙলবাৰ ৩০ ফাগুন ১৪২৮ ভাস্কৰাব্দ ১৫ মাৰ্চ ২০২২

পৰিৱৰ্তন কেতিয়া ?

অসমে স্বকীয় বৈশিষ্ট্য দাঙি ধৰিবলৈ হ'লে বিজ্ঞান, প্ৰযুক্তি, ভাষা-সংস্কৃতি আৰু অৰ্থনৈতিক ক্ষেত্ৰতো সাফল্য দাঙি ধৰিব লাগিব। নিৰ্বাচনৰ সময়ত কেন্দ্ৰীয় নেতৃবৃন্দই অসমত উপস্থিত হৈ অসমৰ সম্পদ, অসমৰ সৌন্দৰ্য, অসমৰ ব্ৰহ্মপুত্ৰ আদিৰ গুণগান গোৱা দেখা যায়। কিন্তু অসমৰ সামগ্ৰিক বিকাশৰ স্বাৰ্থত অসমৰ অশিক্ষা, দৰিদ্ৰতা, অনগ্ৰসৰতা দূৰ কৰাৰ বাবে নিৰ্দিষ্ট আঁচনি বা কাৰ্যসূচী ল'ব লাগিব। কেন্দ্ৰীয় কিছুমান আঁচনিয়ে অসমকো উপকৃত কৰিছে সঁচা; কিন্তু কেৱল অসমৰ বিকাশৰ উদ্দেশ্যে বিজ্ঞান, প্ৰযুক্তি, উদ্যোগ আদিৰ ক্ষেত্ৰত বৃহৎ আঁচনি আৰু বিনিয়োগৰ প্ৰয়োজন আছে। বিগত কালছোৱাত দুৰ্নীতি-ভ্ৰষ্টাচাৰে মুষ্টিমেয় লোকৰ স্বাৰ্থ পূৰণ কৰিলে যদিও সৰ্বসাধাৰণ ৰাইজৰ অৱস্থাৰ পৰিৱৰ্তন নহ'ল। বৰঞ্চ দৰিদ্ৰজন আৰু অধিক দৰিদ্ৰ হ'ল, দুৰ্বলজন অধিক দুৰ্বল হ'ল। ইয়াৰ পৰিণতি হিচাপে দেখা গৈছে বৰ্তমান দেশত আৰ্থিক ক্ষেত্ৰত বৈষম্য সৰ্বাধিক হৈছে। পিছপৰা শ্ৰেণী অথবা অনগ্ৰসৰ লোকৰ সংখ্যা অবিশ্বাস্য হাৰত বৃদ্ধি পোৱাৰ বিপৰীতে একাংশ লোক অতি চহকী শ্ৰেণীত পৰিণত হৈছে। দেশৰ সৰ্বাধিক ধন-সম্পত্তিৰ অধিকাৰী হৈছে মাত্ৰ কেইটিমান পৰিয়াল; কিন্তু দেশৰ সকলো ধন-সম্পত্তিৰ অধিকাৰী হৈয়ো এই পৰিয়ালকেইটাই দেশৰ বা জনকল্যাণৰ কাৰণে ধন খৰচ কৰা দেখা নাযায়। ভাৰতে শিশুৰ জীৱন তথা স্বাস্থ্য ৰক্ষাৰ নামত বিদেশৰ পৰা অৰ্থ সাহায্য লৈ থাকিবলগীয়া হৈছে। অথচ ভাৰতৰ হেজাৰ হেজাৰ কোটিটকীয়া সম্পত্তিৰ গৰাকীসকলে ইচ্ছা কৰিলে দেশৰ শিক্ষা আৰু স্বাস্থ্য খণ্ডৰ ছবি সলনি কৰি দিব পাৰে। আজি ভাৰতে পশ্চিমীয়া চহকী দেশৰ পৰা সাহায্যৰ আশা কৰিবলগীয়া হোৱাটো দেশবাসীৰ কাৰণে লজ্জাজনক আৰু দুৰ্ভাগ্যজনক নহয়নে?

ভাৰত গণৰাজ্যৰ ১৩৫ কোটি নাগৰিকে সদায় গৌৰৱ কৰে ইয়াৰ চাৰিওদিশৰ ধৰ্মীয় মৌলবাদী, সেনাবাহিনীৰ আৰু দলীয় একনায়কত্ববাদী ৰাজনীতি তথা শাসন ব্যৱস্থাৰ মাজত একমাত্ৰ ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক দেশ হিচাপে ভাৰত সগৌৰৱে দৃঢ়তাৰে থিয় দি আছে বুলি। বিশেষকৈ ভাৰতে ১৯৪৭ৰ ১৫ আগষ্টৰ স্বাধীনতাৰ পাছৰে পৰা সুদীৰ্ঘ কাল ধৰি গণতন্ত্ৰ আৰু গণতান্ত্ৰিক ব্যৱস্থাক স্থায়িত্ব প্ৰদান কৰি আহিছে। গণতান্ত্ৰিক ব্যৱস্থা তথা গণতন্ত্ৰক এনেদৰে স্থায়িত্ব প্ৰদান কৰা ৰাষ্ট্ৰ হিচাপে ভাৰতে উন্নয়নশীল বিশ্বত নেতৃত্বৰ দাবী কৰিব পাৰে। ভাৰতৰ এই সাফল্যক আজি পশ্চিমীয়া গণতান্ত্ৰিক বিশ্বই সন্মানসহকাৰে স্বীকাৰ কৰা দেখা যায়। কিন্তু ভাৰতৰ এই গৌৰৱোজ্জ্বল পৰম্পৰাক সুৰক্ষিত কৰি ৰখাৰ প্ৰয়োজন আছে। শাসন ক্ষমতাৰ অধিকাৰী হৈ একাংশ নেতা তথা সংগঠনে ভাৰতক সংখ্যাগৰিষ্ঠ ধৰ্মীয় ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ চেষ্টা চলোৱা দেখা গৈছে। অথচ শ শ বছৰৰ পূৰ্বেই ধৰ্মক অৰ্থাৎ গিৰ্জা আদি ধৰ্মীয় প্ৰতিষ্ঠানক ৰাষ্ট্ৰৰ পৰা পৃথক কৰা হৈছিল।

এতিয়া সুস্থ গণতন্ত্ৰ তথা গণৰাজ্য ধৰ্মীয় প্ৰতিষ্ঠানৰ দ্বাৰা নিয়ন্ত্ৰিত নহয়। ৰাষ্ট্ৰ আজি এক ধৰ্মনিৰপেক্ষ সংগঠন বা প্ৰতিষ্ঠান। এই নীতি-আদৰ্শচ্যুত হ'বলৈ হ'লে গণতন্ত্ৰ দুৰ্বল হ'ব আৰু ভাৰতৰ দৰে বহু ধৰ্ম, বহু ভাষা, বহু জাতি-জনগোষ্ঠীৰ দেশ ঐক্যবদ্ধ হৈ থকাটো অতি কঠিন হৈ পৰিব। ভাৰতে আধুনিক বিজ্ঞান প্ৰযুক্তি নিৰ্ভৰ এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ বাবে বিভিন্ন আঁচনি ৰূপায়ণ কৰি আহিছে। ডিজিটেল ভাৰত গঢ়াৰ শ্ল'গান দিয়া হৈছে। এনে এখন ভাৰত নিৰ্মাণ সম্ভৱ হ'ব গণতন্ত্ৰৰ সৰলীকৰণৰ যোগেদি। এই কথা প্ৰতিজন ভাৰতীয়ই মনত ৰাখিব লাগিব।

খোলা মঞ্চ

সীমান্ত বিবাদৰ বাবে কেৱল অসমেই দায়ী নেকি?



চুবুৰীয়া ৰাজ্যবোৰৰ স'তে অসমৰ সীমা সমস্যা একপ্ৰকাৰ চিৰস্থায়ী হৈ পৰিছে। দেখা আৰু শুনামতে এই সীমা সমস্যাৰ বাবে অসম ৰাজ্যৰ লগতে সীমামূৰীয়া ৰাজ্যকেইখনো কম জগৰীয়া নহয়। কোৱা হয়— 'কাকনো বুলিবা ককা, সকলোৰে ডাড়ি-চুলি পকা।' পূৰ্বৰ বৃহৎ অসম ৰাজ্য বিভাজিত হৈ ৰাজ্যবোৰ গঠন হোৱাৰ পাছতেই সীমাবোৰত স্থায়ীভাৱে কংক্ৰিটৰ স্তম্ভ স্থাপন কৰিব লাগিছিল। পূৰ্বৰ অসমৰ জিলাকেইখনৰ ভূমিভাগ আৰু বাসিন্দা অন্য ৰাজ্যত অন্তৰ্ভুক্ত হ'বলৈ যোৱাৰ মূল কাৰণবোৰ কি হ'ব পাৰে বাৰু? পূৰ্বৰে পৰাই অসম চৰকাৰখনেও সীমান্ত উন্নয়নত যথেষ্ট হেমাহি কৰি অহাৰ বিপৰীতে চুবুৰীয়া ৰাজ্যবোৰে পূৰ্ণ সুযোগ গ্ৰহণ কৰি আহিছে। যাৰ পৰিণতিত ধাৰাবাহিকভাৱে উন্নয়নত বঞ্চিত হৈ অহা অসমৰ একাংশ সীমান্তবাসী মেঘালয়মুখী হ'ল। অৱশ্যে এচাম স্বাৰ্থান্বেষী দালালেও সীমা সমস্যা অধিক জটিল কৰাত অৰিহণা যোগাইছে।

আদিত্য বড়ো, লেখক

সাধাৰণতে সীমান্ত অঞ্চলত অধিক সংখ্যক সাধাৰণ শ্ৰেণীৰ মানুহেই বসবাস কৰা দেখা যায়। যিখিনি মানুহৰ বাবে যাৱতীয়। অৰ্থনৈতিক উন্নয়নৰ বাবে আন্তঃগাঁথনিৰ উন্নয়নত অৱহেলা কৰি অহা হৈছে। মনোযোগ দিলে বুজিব পাৰি যে স্বাধীনোত্তৰ কালৰ অসমৰ বেছিভাগ মূধাফুটা ৰাজনীতিবিদসকলৰ ৰাজনৈতিক বিচক্ষণতা আৰু পৰিপক্কতাৰ অভাৱ আছিল। ইয়াৰ সুযোগ গ্ৰহণ কৰি আহিছে চুবুৰীয়া ৰাজ্যবোৰে।

বৰ্তমানত অসম ৰাজ্যখন আৰু ইয়াৰ থলুৱা অসমীয়া মানুহ প্ৰকৃত অৰ্থত সুৰক্ষিত হৈ থকা নাই। অকল অসমৰ সীমান্ত অঞ্চলেই যে বিপদাপন্ন হৈছে তেনে নহয়। লগতে অসমৰ গুৰুত্বপূৰ্ণ স্থানবোৰৰ ভূমি আৰু গুৰুত্বপূৰ্ণ বিষয়বোৰত অনা অসমীয়া বহিৰাগত আৰু প্ৰব্ৰজনকাৰীৰ হাতোৰাৰ কবলত পৰিছেই। অসমখন আমাৰ বুলি মুখেৰে কোৱাৰ বাহিৰে আমাৰ হাতৰ পৰা অন্য সম্বলবোৰ হেৰাই যাব ধৰিছে। সীমান্তৰ ভূমিখিনিয়ে যে হেৰাইছে বা হেৰাব তেনে হৈ থকা নাই। লগতে আমাৰ বাৰীবোৰৰ সীমাৰ, ৰাস্তাৰ কাষৰ ভূমিবোৰো নানা অছিলাৰে আপত্তিজনক মানুহৰ দ্বাৰা হস্তগত হৈ আছে।

বৰ্তমানৰ চৰকাৰখনে সীমা সমস্যাৰ স্থায়ীভাৱে সমাধান কৰাৰ বাবে যি পদক্ষেপ লৈছে সেইটো আদৰণীয়। কিন্তু যাতে সীমা সমস্যা সমাধানৰ নামত জাতিটোৱে অধিক মূল্য ত্যাগ কৰিব লগা নহয়। ইতিমধ্যে সীমামূৰীয়া ৰাজ্যবোৰে পূৰ্বৰে পৰা অসমৰ সোপাঢিলা নীতি দেখি বহু হেজাৰ হেজাৰ হেক্টৰ ভূমি বেদখল কৰি আহিছে। কেন্দ্ৰীয় চৰকাৰৰ সহযোগত আৰু উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপত সেই ভূমিবোৰ উদ্ধাৰৰ প্ৰচেষ্টা অসম চৰকাৰে চলাব লাগে। পূৰ্বৰ তথ্যৰ ভিত্তিত প্ৰকৃত সীমাৰেখা নিশ্চয় উলিয়াব পৰা যাব। অকল শান্ত, শিষ্ট, ধৰ্মিষ্ঠ আদি অধিক নীতিৰে সীমা সমস্যাৰ স্থায়ী সমাধানৰ আশা-নিশ্চয় কৰিব পৰা নাযাব। প্ৰয়োজন সাপেক্ষে যথাবিহিত কূটনৈতিক শক্তি, বলপ্ৰয়োগ নীতিৰো আৱশ্যকতা থাকিব পাৰে।

ফোন ঃ ৭০০২১ ৮০২২৩

আপেই হ'ব পাৰে তৃতীয় বিকল্পৰ সূত্ৰধাৰ

দিল্লীত বিজেপিক প্ৰতিহত কৰা আপে পঞ্জাৱত কংগ্ৰেছৰো নাও ডুবালে

অসবৰ্ণ

হীৰেন গগৈ

পাঁচখন ৰাজ্যৰ সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনৰ ফলাফল একেবাৰে অপ্ৰত্যাশিত নাছিল। অন্ততঃ মোৰ বাবে। উত্তৰপ্ৰদেশ, মণিপুৰ, উত্তৰাখণ্ড আৰু গোৱাত বিজেপি পুনৰ ক্ষমতাধিষ্ঠ হোৱাটো স্বাভাৱিক কথাই আছিল। অন্ততঃ উত্তৰ প্ৰদেশত যোগী চৰকাৰৰ উৎখাত হ'ব বুলি যিসকলে ভাবিছিল বা আশা কৰিছিল, তেওঁলোক আছিল হয় বিজেপিৰ অন্ধ শত্ৰু, নহয় তত্ত্ববাগীশ, যিসকলে একাংশ লোকৰ প্ৰতিবাদী আন্দোলনকে সমগ্ৰ জনসাধাৰণৰ 'মুড' বুলি ধৰি লৈছিল নাইবা গণতন্ত্ৰ আৰু ধৰ্মনিৰপেক্ষতাৰ শাস্ত্ৰ পঢ়ি হিন্দুত্ববাদী বিজেপিৰ পতন নিশ্চিত বুলি ঠাৱৰ কৰিছিল। তেওঁলোকে এতিয়া হয়তো বিজেপিক ভোট দিয়া জনসাধাৰণৰ গাতে দোষটো জাপিব, কাৰণ নিজৰ চকুত থকা ৰংচঙীয়া চশমাযোৰ খুলি খালী চকুৰে পৃথিৱীখন চোৱাৰ প্ৰয়াস তেওঁলোকৰ ক্ষেত্ৰত এতিয়াও পৰিলক্ষিত হোৱা নাই। কেতবোৰ পূৰ্ব ধাৰণাৰ পৰা তেওঁলোক যিদিনা মুক্ত হ'ব, ভাৰতীয় ৰাজনীতিৰ গতিপথ নিৰ্ধাৰণৰ ক্ষমতাও তেতিয়া লাহে লাহে তেওঁলোকৰ আয়ত্ত্বাধীন হ'বলৈ ধৰিব। বিজেপিয়ো তেতিয়াহে শক্তিহীন হৈ পৰিব।

ভাৰতবৰ্ষৰ ৰাজনীতিত বিজেপিৰ উত্থান ঘটিছিল কংগ্ৰেছৰ শাওপাততহে। কংগ্ৰেছৰ শাওপাতেই বিজেপিৰ বাবে আশীৰ্বাদস্বৰূপ হৈ পৰিছিল। হিন্দুত্ববাদী জনসংঘ-বিজেপিক দমাই ৰাখিবলৈ কংগ্ৰেছে তেওঁলোকৰ সুবিধামতে ধৰ্মনিৰপেক্ষতাৰ সূত্ৰ এটা ৰচনা কৰি লৈ দেশবাসীক পঢ়াইছিল। তেওঁলোকে বুজাইছিল যে সেই ধৰ্মনিৰপেক্ষতাৰ বিধানবোৰ কেৱল সংখ্যাগুৰু হিন্দুসকলৰ ওপৰতহে প্ৰযোজ্য, কাৰণ সংখ্যালঘু সম্প্ৰদায়ৰ ধৰ্মীয় অধিকাৰক ৰক্ষণাবেক্ষণ দিবলৈ হিন্দুসকলক নিয়ন্ত্ৰণত ৰাখিবই লাগিব। কংগ্ৰেছৰ সেই এঢলীয়া নীতিৰ বাবেই সংখ্যালঘু সম্প্ৰদায়ৰ মাজত ধৰ্মীয় সংকীৰ্ণতাবাদ কেৱল বৰ্তি থকাই নহয়, তাৰ বিস্তাৰো ঘটিল আৰু সিয়েই ৰাজনৈতিক সংকীৰ্ণতাবাদৰো কাৰণ হৈ পৰিল। দেশৰ সংখ্যালঘু মুছলমানসকলে সদায় নিজকে সংখ্যাগুৰু হিন্দুসকলৰ পৰা পৃথক বুলি ভাবি থাকিল। কংগ্ৰেছে তেওঁলোকৰ ধৰ্মীয় গোড়ামিক তুষ্ট কৰি ৰখাৰ লগতে হিন্দু সমাজখনৰ প্ৰতি তেওঁলোকৰ মনত শংকাৰ ভাব এটাও খুন্দি খুন্দি সুমুৱাই দিলে। ফলত ভাৰতীয় মুছলমানসকল ৰাজনৈতিকভাৱে কংগ্ৰেছৰ অনুগত ভোটবেংকত পৰিণত হ'ল। হিন্দু-মুছলমানৰ ৰাজনৈতিক মিলা মিছা আৰু সাম্প্ৰদায়িক ঐক্য-সংহতিৰ বাট এনেকৈ কংগ্ৰেছেই বন্ধ কৰি ৰাখিলে। কিন্তু কংগ্ৰেছৰ সেই দুষ্কৰ্মৰ প্ৰতিক্ৰিয়া বিশাল হিন্দু সমাজখনৰ মাজত নঘটাকৈ থাকিবনে? হিন্দু লোকসকলৰ মাজত মুছলমান বিদ্বেষ বাঢ়িবলৈ ধৰিলে আৰু তেওঁলোকৰ সকলো খং-ৰাগ-ঘৃণা ক্ৰমাৎ কংগ্ৰেছৰ ওপৰতে কেন্দ্ৰীভূত হ'ল। কংগ্ৰেছৰ ভিতৰত চলি থকা গান্ধী-নেহৰু পৰিয়ালৰ একনায়কত্ববাদে জ্বলা জুইত ঘিউ ঢালিলে। ২০১৪ৰ আগতেই ভাৰতবৰ্ষত বিজেপিৰ ৰাজনৈতিক উত্থান ঘটিছিল অটল বিহাৰী বাজপেয়ীৰ নেতৃত্বত। তেতিয়া তেওঁলোকৰ কৰ্তৃত্ব স্থায়ী আৰু নিৰংকুশ হ'ব পৰা নাছিল। ২০১৪ত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপি ধুমুহাৰ গতিৰে পুনৰ ক্ষমতাসীন হ'ল। তাৰ পাছত ২০১৯ৰ নিৰ্বাচনত বিজেপিৰ শক্তি বাঢ়িলহে। এতিয়া চাৰিখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনতো বিজেপিয়ে নিজৰ প্ৰভাৱ আৰু ক্ষমতা পুনৰায় প্ৰতিষ্ঠা কৰিছে।

২০১৪ৰ নিৰ্বাচনৰ সময়তে মই লিখিছিলো যে কংগ্ৰেছ ভাৰতবাসীৰ প্ৰধান শত্ৰুত পৰিণত হৈছিল আৰু সেয়ে কংগ্ৰেছৰ বিপৰীতে যিকোনো বিকল্পই গ্ৰহণযোগ্য হৈ পৰিছিল। সেই সময়ত বিজেপিৰ জোঁটটোৰ বাহিৰে স্থানচ্যুত কৰিব পৰা আন কোনো বিৰোধী শক্তি নাছিল। গতিকে বিজেপিৰ সপক্ষেই মই ৰাজহুৱাকৈ মত প্ৰকাশ কৰিছিলো। বিজেপিৰ হিন্দুত্বৰ সমৰ্থনত নহয়, কংগ্ৰেছক ক্ষমতাচ্যুত কৰাৰ আশু প্ৰয়োজনত। আৰু মোৰ সেই 'অধঃপতন'ৰ শাস্তি আছিল গণতান্ত্ৰিক কেন্দ্ৰিকতাবাদী (একনায়কত্ববাদী!) চিপিআই (এম) দলৰ পৰা তাৎক্ষণিক বহিষ্কৰণ। (Summary expulsion)

গণতন্ত্ৰ আৰু সমাজতন্ত্ৰৰে দুৰ্ভাগ্য যে ভাৰতৰ বাওঁদল কেইটাই কংগ্ৰেছৰ ধৰ্মনিৰপেক্ষতা আৰু গণতন্ত্ৰৰ সূত্ৰবোৰক গোটে গোটে গিলি লৈছিল। সেইবোৰৰ বদহজম হৈ বাওঁ দলকেইটাৰ শৰীৰত দুৰাৰোগ্য ব্যাধিৰ জন্ম দিছে। ব্যাধিগ্ৰস্ত দলকেইটাই এতিয়াও কংগ্ৰেছৰ জীৰ্ণ-শীৰ্ণ মুখখনতে পূৰ্বৰ মোহিনী ৰূপটো দেখি আছে। অকল বাওঁ দলকেইটাই নহয়, তথাকথিত প্ৰগতিবাদী তথা উদাৰপন্থী সমগ্ৰ বৌদ্ধিক মহলটোৱেই বাস্তৱতা-বিচ্ছিন্ন তাত্ত্বিকতাৰ বন্ধ্যা অনুশীলনতে আবদ্ধ হৈ পৰিছে। অথচ লেনিনেই সততে ব্যৱহাৰ কৰিছিল মহাকবি গ্যেটেৰ এইষাৰি কথা ঃ 'বন্ধু, তত্ত্ব শুকান বস্তু; কিন্তু জীৱনৰ চিৰন্তন গছজোপা হ'লে সেউজীয়া' (Theory, my friend is grey, but green is the eternal tree of life.)

ব্যক্তি জীৱনৰ দৰে সমাজ জীৱনো বহু ঘাত-প্ৰতিঘাত আৰু সৃষ্টি-ধ্বংসৰ মাজেৰে সদায় সজীৱ আৰু চলমান। ভাৰতীয় সমাজখনতো বহু সম্প্ৰদায় আৰু জাত-পাতৰ মাজত সংঘাত আছে, ঘাত-প্ৰতিঘাত আছে আৰু সেইবোৰৰ মাজেদিয়েই ঐক্য-সংহতিৰ পৰম্পৰাবোৰৰো প্ৰস্ফুটন ঘটি আহিছে। হিন্দুত্ববাদ তথা বিজেপিৰ উত্থানৰো এক ঐতিহাসিক পটভূমি আছে আৰু সেই পটভূমি সজীৱ হৈ থকালৈকে হিন্দুত্ববাদী ৰাজনীতিক কোনেও ইচ্ছা কৰিলেই গলামুচৰি মাৰি পেলাব নোৱাৰে। সেইবাবেই বিজেপিৰ উৎখাতো সম্ভৱ হোৱা নাই। ভাৰতবৰ্ষৰ সাধাৰণ জনতাৰ আৰ্থিক দুখ-দৈন্য বাঢ়ি আছে, বৃহৎ পুঁজিপতি শ্ৰেণী বা কৰ্প'ৰেটবোৰৰ অমানুষিক শোষণ আৰু সম্পদৰ আগ্ৰাসনো অবাৰিত হাৰত চলি আছে। ই কেৱল ভাৰতবৰ্ষৰে ঘটনা নহয়; উদাৰবাদী বা নব্য উদাৰবাদী গোলকীয় অৰ্থনীতিৰে এটা সংস্কৰণ ভাৰতবৰ্ষত চলি আছে। বিজেপি চৰকাৰখনেও সেই অৰ্থনীতিকেই বলবৎ কৰি আছে আৰু কমহীন-খাদ্যহীন মানুহক কাম বা জীৱিকাৰ উপায় দিয়াৰ সলনি বিভিন্ন কল্যাণমূলক আঁচনিৰ জৰিয়তে ভিক্ষাদানৰ ব্যৱস্থাহে কৰি আছে। এই অমানৱীয় ব্যৱস্থাৰ বিৰুদ্ধে ভাৰতবাসী ঐক্যবদ্ধ সংগ্ৰাম তথা ৰাজনৈতিক পৰিৱৰ্তনৰ বাবে ওলাই আহিব পাৰিব লাগিছিল; কিন্তু সম্প্ৰদায় আৰু জাত-পাতৰ ৰাজনীতিৰ পাকচক্ৰই তেওঁলোকক বান্ধি ৰাখিছে। সেই পাকচক্ৰ কোনো তত্ত্ব বা তাত্ত্বিকে মুকলি কৰিব নোৱাৰে। জনসাধাৰণে নিজৰ অভিজ্ঞতাৰে নিজৰ বান্ধোন খুলিব লাগিব। তাৰ বাবে তেওঁলোকক সঠিক পথৰ সন্ধান দিব লাগিব। কিন্তু পথৰ সন্ধান দিলেই নহ'ব; যিসকলে পথ দেখুৱাব তেওঁলোকে একে সময়তে জনসাধাৰণৰ আস্থা বা বিশ্বাস আৰ্জন কৰিব পৰা নীতি আৰু আচৰণৰ নিষ্ঠাও প্ৰমাণ কৰিব পাৰিব লাগিব।

হিন্দুত্ববাদ তথা বিজেপিৰ উত্থানৰো এক ঐতিহাসিক পটভূমি আছে আৰু সেই পটভূমি সজীৱ হৈ থকালৈকে হিন্দুত্ববাদী ৰাজনীতিক কোনেও ইচ্ছা কৰিলেই গলামুচৰি মাৰি পেলাব নোৱাৰে। সেইবাবেই বিজেপিৰ উৎখাতো সম্ভৱ হোৱা নাই

বিজেপি হিন্দুত্ববাদী কাৰণেই কেৱল তাৰ প্ৰতিৰোধেই অৰ্থাৎ বিজেপি-বিৰোধিতাই একমাত্ৰ নীতি হ'ব পাৰেনে? নৰেন্দ্ৰ মোদীক হিটলাৰৰ স'তে আৰু বিজেপিক নাৎসী বাহিনীৰ স'তে তুলনা কৰাটো ইতিহাসসন্মত আৰু বাস্তৱবাদী চিন্তা হয়নে? আৰু দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত হিটলাৰৰ নাৎসী বাহিনীৰ বিৰুদ্ধে বাকী দেশবোৰৰ যুক্তফ্ৰণ্ট গঠন কৰাৰ পৰিস্থিতিটো এতিয়াৰ বিজেপি শাসিত ভাৰতবৰ্ষতো সঁচাই পুনৰ উদ্ভৱ হৈছেনে? এইবোৰ প্ৰশ্নৰ সঠিক পৰ্যালোচনা নকৰাকৈ বিজেপিৰ বিৰুদ্ধে সৰ্বাত্মক ঐক্যৰ আৱাজ দিলেই তেনে ঐক্য গঢ়ি নুঠে আৰু জনসাধাৰণেও সঁহাৰি নিদিয়ে। শেহতীয়া নিৰ্বাচনবোৰত এই কথা বাৰম্বাৰ প্ৰমাণ হৈছে। আন কথাত ভাৰতবৰ্ষৰ মানুহে আজিও কংগ্ৰেছক ক্ষমা কৰা নাই আৰু নেহৰু-গান্ধী পৰিয়ালৰ মালিকীস্বত্ব থকালৈকে দলটো অভিশাপমুক্ত হোৱাৰো কোনো সম্ভাৱনা নাই।

দেশৰ বাওঁ আৰু গণতান্ত্ৰিক শক্তিবোৰৰ উচিত আছিল ৰাতিটোৰ ভিতৰতে বিজেপিক উৎখাত কৰাৰ কথা নাভাবি আৰু জনবৰ্জিত আৰু গোপন সাম্প্ৰদায়িক কংগ্ৰেছৰ লেজুত নধৰি নিজকে এক পৃথক শক্তি হিচাপে গঢ়ি তোলাৰ কামত ধৈৰ্যসহকাৰে আত্মনিয়োগ কৰা আৰু বিজেপিৰ প্ৰকৃত বিকল্পৰ ৰূপত নিজকে প্ৰস্তুত কৰা। তাকে নকৰি বাওঁপন্থী-প্ৰগতিশীল মহলবোৰে কংগ্ৰেছৰ প্ৰৰোচনাত মোদী চৰকাৰ ক্ষমতালৈ অহাৰ আগৰে পৰা এনেদৰে হৈ-চৈ লগাবলৈ ধৰিছিল যেন বিজেপি ক্ষমতাসীন হ'বলৈ হ'লে ভাৰতবাসীৰ মূৰৰ ওপৰত আকাশখনহে ভাগি পৰিব! কিন্তু ক'তা? বিজেপিৰ দ্বিতীয়টো কাৰ্যকালো চলি আছে, কিন্তু আকাশখনতো আমাৰ মূৰৰ ওপৰত ভাগি পৰা নাই। জনসাধাৰণৰ দুখ-দুৰ্দশা নিশ্চয় বাঢ়িছে; কিন্তু সেয়া এতিয়াও ইমান অসহনীয় হৈ উঠা নাই যে বোমা হৈ চৰকাৰখনক বিস্ফোৰণেৰে উৰাই দিব। তেনে এটা ঘটনাৰ বাবে কিছু কাল আৰু ৰ'ব লাগিব আৰু নিজকে প্ৰস্তুত কৰি তুলিব লাগিব বিজেপিয়ে খালী কৰা স্থান ল'বলৈ।

বিজেপি সৰ্বকাল ক্ষমতাত বৰ্তি থাকিব নোৱাৰে; কিন্তু আৰু কিছুকাল হয়তো থাকিব। কাৰণ এই চৰকাৰখন ক্ষমতাত থকাৰ বাবে ভাৰতীয় সমাজখনক অতদিনে যন্ত্ৰণা দি অহা বিহফোঁহাটো ফুটিছে আৰু বিষাক্ত পূঁজ-পানীবোৰ বাহিৰলৈ ওলাইছে। কংগ্ৰেছে অতদিনে মুছলমান জনসাধাৰণক হিন্দুত্ববাদৰ ভূত দেখুৱাই ভয়ত ৰাখিছিল। এতিয়া সেই ভূতটো সাক্ষাৎ তেওঁলোকৰ সন্মুখত থিয় দি আছে। গতিকে ভয়ো ক্ৰমাৎ ভাগিছে আৰু ভূতটোৱেও তেওঁলোকৰ ডিঙিত নধৰি বন্ধুৰ দৰে হাত দুখন আগবঢ়াইহে দিছে। ভাৰতীয় সমাজখনত এনে এটা পৰিৱৰ্তনৰ সম্ভাৱনা মূৰ্ত হ'ব পাৰে বুলি কংগ্ৰেছ আৰু বাওঁপন্থী-প্ৰগতিবাদীসকলে নিশ্চয় আশা কৰা নাছিল; কিন্তু তেওঁলোকে আশা নকৰাটোৱেই এতিয়া ঘটিবলৈ আৰম্ভ কৰিছে আৰু তাৰ সুফলো বিজেপিয়ে পাইছে। সদ্যসমাপ্ত বিধানসভা নিৰ্বাচন কেইটাতে বিজেপিৰ পক্ষে মুছলমান ভোটৰ সংখ্যা বাঢ়িছে। বিজেপিৰ শাসনত মুছলমানসকলৰ ধৰ্মীয় ৰাজনীতিৰ সংকীৰ্ণ বৃত্তটো ভাগি পৰিবলৈ হ'লে তেওঁলোক আৰু কাৰো ভোট বেংক হৈ নাথাকিব আৰু হিন্দুত্ববাদীসকলেও ধৰ্মীয় উগ্ৰতা দমন কৰি সাংস্কৃতিক হিন্দুত্বক মনে-প্ৰাণে মানি ল'বলৈ বাধ্য হ'ব, যিটো পৰিৱেশ ভিন্ন ধৰ্মাৱলম্বী লোকসকলৰ বাবেও হয়তো সহনীয় হৈ উঠিব। কংগ্ৰেছ আৰু বাওঁ শিবিৰে এই বাস্তৱতাক মানি ল'ব নোৱাৰিলে সংখ্যালঘু সম্প্ৰদায়বোৰৰ বাবেও তেওঁলোকৰ প্ৰাসংগিকতা আৰু প্ৰয়োজন নোহোৱা হৈ পৰিব।

এই পাঁচ ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ আটাইতকৈ ইতিবাচক তথা আশাপ্ৰদ ঘটনা হৈছে পঞ্জাৱত আপৰ ধুমুহা। এই ৰাজ্যখনত আপৰ প্ৰভাৱ বৃদ্ধি পোৱাৰ কথা জানিছিলো; কিন্তু ভবা নাছিলো যে দলটোৱে ৯২খন আসন দখলেৰে এনে চমকপ্ৰদ সাফল্য লাভ কৰিব। কোনো এটা স্পষ্ট ৰাজনৈতিক মতাদৰ্শৰ অবিহনেও আৰু হিন্দুত্ববাদৰ নামত সাত গোৰ নমৰাকৈয়েও কেজৰিৱালৰ আপে যে কেৱল নিকা ভাবমূৰ্তি আৰু জনহিতৈষী প্ৰশাসনৰ দৃষ্টান্তৰে এই সাফল্য আৰ্জন কৰিলে, সি নিশ্চয় গভীৰ ৰাজনৈতিক পৰ্যালোচনাৰ বিষয়। দিল্লীত বিজেপিক প্ৰতিহত কৰা আপে পঞ্জাৱত কংগ্ৰেছৰো নাও ডুবালে। পঞ্জাৱত বিজেপিৰ প্ৰভাৱ আৰু শক্তি আগৰে পৰাই সীমিত। তথাপি দুখন আসনেৰে দলটোৱে স্থিতাৱস্থা বাহাল ৰাখিলে। কিন্তু ধাৰাশায়ী হ'ল শাসক দল কংগ্ৰেছ। ভাৰতবৰ্ষৰ বিৰোধী ৰাজনীতিক কংগ্ৰেছমুক্ত কৰাৰ অভিযানত কেজৰিৱালৰ আপে এখন বিশাল ক্ষেত্ৰ দখল কৰি ল'লে। সেই ক্ষেত্ৰৰ পৰিধি কেৱল ভৌগোলিক নহয়; ৰাজনৈতিক সম্ভাৱনাৰ এক বিশাল ক্ষেত্ৰ সেই পৰিধিয়ে সামৰি লৈছে।

বিজেপি এদিন ক্ষমতাৰ পৰা যাবই লাগিব। কিন্তু সেই দলৰ বিদায়ৰ ব্যৱস্থাপনা ভণ্ডামিপূৰ্ণ আৰু পৰিয়ালতান্ত্ৰিক কংগ্ৰেছৰ দ্বাৰা কোনো দিনে নহ'ব। কংগ্ৰেছ থাকিলে বিজেপিও থাকি যাব। বিজেপিৰ বিৰুদ্ধে কংগ্ৰেছবিহীন বিকল্প এটাৰ সম্ভাৱনা এতিয়া আপেই তুলি ধৰিছে আৰু ৰাষ্ট্ৰীয় পটভূমিতো আপেই তাৰ সূত্ৰ ধৰিব পাৰে।

ফোন ঃ ৮৮১১৮২৭৪৩২

পোহৰ বহু দূৰত ঃ আশাৰ কিৰণ কেতিয়া ?

স্বয়ং 'প্ৰভু-ঈশ্বৰে'ই যেতিয়া লালসাত মত্ত, সমাজত হত্যা, হিংসা, ধৰ্ষণ, লুণ্ঠন সুলভ হোৱাটোৱেই স্বাভাৱিক

দেৱানন্দ মেদক

পৰিস্থিতি ক্ৰমশঃ জটিল আৰু ভয়াবহ হৈ আহিছে। স-পৰিয়ালে এতিয়া ঘৰত বহি বাতৰি চোৱাৰ অৰ্থে 'টিভি'ৰ পৰ্দা খুলিব নোৱাৰি। এনে লাগে যেন আজিৰ দিনটোত দেশত, ৰাজ্যত কিনো ঘটিল তাৰ আভাস ল'বলৈ নহয়, শেহতীয়াকৈ মুক্তি পোৱা অপৰাধ জগতৰ এখন চিনেমাহে চাবলৈ গৃহস্থই ল'ৰা-বোৱাৰী, নাতি-নাতিনী লগত লৈ টিভিৰ আগত বহিছে।

ৰাতিৰ পৰিৱেশন এনে ধৰণৰ— 'আপোনালোকলৈ আগবঢ়াইছো এই মুহূৰ্তৰ আটাইতকৈ ডাঙৰ খবৰ। মানে বিগ ব্ৰেকিং নিউজ। ৰাজধানী মহানগৰীৰ ছয়মাইল উৰণীয়া সেতুৰ তলত ডাষ্টবিনত কাটি পেলাই থৈ যোৱা অৱস্থাত এগৰাকী অচিনাক্ত মহিলাৰ তপিনা উদ্ধাৰ। মালিগাঁৱৰ নিৰ্মীয়মান উৰণীয়া সেতুৰ তলত চিপ লোৱা অৱস্থাত অচিনাকি লোকৰ মৃতদেহ উদ্ধাৰ। মহানগৰীৰ হোটেলত কিশোৰীক দলবদ্ধ ধৰ্ষণ, হত্যা। অমুকৰ পৰা ১০ লাখ টকা লুট, তমুকৰ পৰা ২০ লাখ লুট। দিন দুপৰতে গৃহস্থক হত্যা কৰি ভু-মাফিয়াই বেদখল কৰিলে মাটি-ভেটি-সম্পত্তি', ইত্যাদি ইত্যাদি। কেৱল ৰাজধানী মহানগৰীতে নহয়। ৰাজ্যৰ প্ৰায়বিলাক জিলাৰ পৰাই একেই ধৰণৰ শিহৰণকাৰী, লোমহৰ্ষক বাতৰি এতিয়া প্ৰতিদিনে টিভিৰ পৰ্দাত সুলভ। বাতৰি কাকতত ঘটনাবোৰ সংযত ৰূপত উপস্থাপন কৰা হয় হেতুকে পুৱা পঢ়ি উঠাৰ পাছত মনবোৰ গধুৰ হয় যদিও কিছু পৰিমাণে বিশ্লেষণাত্মক চিন্তাৰ অৱকাশ পাওঁ।

'প্ৰাইম টাইম'ৰ বাতৰিত সেই জঘন্য অপৰাধৰ বাতৰিবোৰ সম্প্ৰচাৰ হোৱাৰ ঠিক পাছতেই পৰ্দাত আৰম্ভ হয় শাসকীয় বনাম বিৰোধী ৰাজনৈতিক দলৰ মন্ত্ৰী-বিধায়ক আৰু নেতাগণৰ বাকযুদ্ধ। মানে ৰাজ্যত সংঘটিত জঘন্য অপৰাধৰ ঘটনাবোৰক থাপি-থুপি ঢাকি ৰখাৰ প্ৰয়াস—এক ধৰণৰ 'মাইণ্ড ডাইভাৰ্টিং থেৰাপি'। আৰু শেষত সামাজিক মাধ্যমত নিশাটোৰ ভিতৰতে 'মিলিয়ন ভিউয়াৰ্ছ' লাভ কৰি বিৰল কৃতিত্ব অৰ্জন কৰা, বিখ্যাত হোৱা, একপ্ৰকাৰ 'ষ্টাৰ' হৈ যোৱা অসমীয়া 'ছিংগাৰ'ৰ ১২মহীয়া ষ্টুডিঅ' বিহু। অৰ্থাৎ মাত্ৰ কেইটামান মুহূৰ্তৰ আগলৈকে চকুৰ আগত বীভৎস হৈ জিলিকি উঠা শিহৰণকাৰী ঘটনাবোৰক পাহৰাৰ মৌ ঔষধ। চাওক, শুনক, আৰু সকলো ঠিকেই আছে বুলি ভাবি শুই থাকক।

ৰাজ্যত শেহতীয়াকৈ বৰ্ধিত হাৰত সংঘটিত হৈ থকা অপৰাধৰ আঁৰৰ ৰহস্য ফাদিল কৰিবলৈ এতিয়া কাৰো সময় নাই, সাহসো নাই। কাৰণ অসম চৰকাৰৰ গৃহ বিভাগৰ দায়িত্ব মুখ্যমন্ত্ৰীৰ হাততে নাই জানো! গতিকে কোনোবাই নিৰপেক্ষতা (?) অৱলম্বন কৰিছে, কোনোবাই মৌনব্ৰত পালন কৰি আছে আৰু আন কোনোবাই ৰাজহুৱা লাঞ্ছনাৰ ভয়ত চৰকাৰখনক জোকাই লোৱাৰ পৰা বিৰত আছে। কাৰণ অপৰাধজনিত ঘটনাৰ দায়-দায়িত্ব কান্ধ পাতি ল'বলৈ বিয়াগোম আৰক্ষী বিভাগ আছেই দেখোন। গতিকে আৰক্ষীক দোষ জাপি দিয়াতে সীমাবদ্ধ নাথাকি চৰকাৰখনৰ আচৰণ, নীতি আৰু ১২ মহীয়া উৎসৱ প্ৰীতিক কিয় সমালোচনা কৰিব লাগে? মূলত, বৰ্ধিত অপৰাধমূলক কাৰ্যকলাপৰ বাবে স্বয়ং ভুক্তভোগীয়েই দায়ী, কথাটো তাতেই শেষ। সম্প্ৰতি ৰাজ্যৰ প্ৰতিটো পৰিয়ালৰ অভিভাৱকৰ এটাই চিন্তা—চাওঁতে চাওঁতে ছোৱালীজনী ডাঙৰ হ'ল। পিছে ৰাজ্যৰ চাৰিওফালে, নগৰে-চহৰে এতিয়াচোন কেৱল ইটোৰ পাছত সিটো অপৰাধৰ ঘটনা। এনে পৰিৱেশত ছোৱালীক সুৰক্ষিত ৰাখিব ক'ত? গিৰীয়েকে টকা পাঁচশ হাতত লৈ বজাৰলৈ যাওঁতেও পত্নীৰ চিন্তা—শাক-পাচলিৰ মোনাখন লৈ সোঁ-শৰীৰেৰে ঘৰ পাবহিতো। অথবা পত্নীয়ে অফিচলৈ বুলি ৰাজহুৱা বাছত যাওঁতেও গিৰীয়েকৰ আশংকা—কাষত থিয় হৈ থকা কোনো বীৰ পুৰুষে পত্নীৰ গাত হাত দিয়া নাইতো? প্ৰতিটো পৰিয়ালৰ প্ৰতিজন ব্যক্তিৰ মনত ভয়, শংকা আৰু নিৰাপত্তাহীনতাই ইমান গভীৰতালৈ শিপাই যোৱাৰ পাছতো চৰকাৰে দাবী কৰিব পাৰে—'ৰাজ্যত শান্তি প্ৰতিষ্ঠা হৈছে।'

দুৰ্ভাগ্যজনক কথাটো হ'ল— শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগ, সংস্থাই প্ৰকাশ কৰা বিভিন্ন প্ৰতিবেদনত শৈক্ষিক, জনস্বাস্থ্য, আইন-শৃংখলা, মহিলাৰ নিৰাপত্তা, শিক্ষা, অৰ্থনৈতিক আৰু ঔদোগিক বিকাশ আদি বহু ক্ষেত্ৰত দেশৰ অন্যান্য ৰাজ্যৰ তুলনাত অসমৰ স্থান সৰ্বনিম্ন। আৰু কোনো কোনো ক্ষেত্ৰত একেবাৰে তলৰ শাৰীৰ পৰা দ্বিতীয়, তৃতীয় অথবা চতুৰ্থ স্থানতহে অসমৰ স্থান। এয়া ৰাইজে নজনাকৈ থকা নাই; কিন্তু অসম চৰকাৰে এনেবোৰ কেন্দ্ৰীয় সংস্থাৰ প্ৰতিবেদনক কোনো কাৰণতে গ্ৰহণ নকৰে। কাৰণ সৰ্বাংগীণ বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰত অসম চৰকাৰৰ দৰ্শনেই সুকীয়া। গতিকে তাক জোখ-মাখ কৰাৰ যন্ত্ৰপাতিও বেলেগ।

এতিয়া অসমত ১২ মাহে বিহু। সাধাৰণ নিৰ্বাচন, বিধানসভা, পৌৰসভা, স্বায়ত্তশাসিত পৰিষদ আদিৰ নিৰ্বাচন সকলো সময়তে বিহু—মানে কেৱল নাচ-গান। মন্দিৰ, নামঘৰ, সত্ৰ, আন আন উপাসনাস্থলী সকলোতে মন্ত্ৰী-বিধায়ক, নেতাগণৰ আগমনত উলহ-মালহ পৰিৱেশ। চৰকাৰী গায়ক, অভিনেতা-অভিনেত্ৰী, নাচনীৰ লানি নিছিগা সোঁত। আগতে যি গায়ক, অভিনেতা-অভিনেত্ৰীক লাখ-লাখ টকা মাননি দি মঞ্চানুষ্ঠানসমূহলৈ ৰাইজে নিমন্ত্ৰণ কৰি আনিবলগীয়া হৈছিল, এতিয়া স্বয়ং তেওঁলোকেই যেতিয়া গাঁৱৰ পদূলিত উপস্থিত হৈ নিৰ্বাচনী গীত জুৰিবলৈ আহিছে, নাচিবলৈ আহিছে, ৰাইজেনো দূৰণিত ৰৈ থাকে কেনেকৈ? গতিকে নাচা কলিজা, কঁকাল ভাঙি ভাঙি নাচা। মাৰা ঢুলীয়া, ঢোল নাফাটে মানে মাৰা হে মাৰা-তাগৰিণ ৰিনতাক ধেই।

সংবাদ মাধ্যমৰ বাতৰি পৰিৱেশন অথবা উপস্থাপনৰ শৈলীও যথেষ্ট সলনি হৈছে। পূৰ্বে ৰাজ্যৰ আইন শৃংখলাৰ অৱনতি হ'লে, অপৰাধ ঘটনাৰ হাৰ বৃদ্ধি হ'লে সাংবাদিকৰ প্ৰশ্ন আছিল— চৰকাৰখনৰ গৃহমন্ত্ৰী আছেনে নাই, মুখ্যমন্ত্ৰী নীৰৱ কিয়, আৰক্ষী কেতিয়া টোপনিৰ পৰা সাৰ পাব ইত্যাদি ইত্যাদি। বিপৰীতে, শেহতীয়াকৈ যদিহে ৰাজ্যৰ কোনো প্ৰান্তত কোনো কিশোৰী ধৰ্ষণৰ বলি হৈছে, তেন্তে বাতৰিৰ উপস্থাপন এনে ধৰণৰ যে অভিভাৱকসকল ইমান অসচেতন কিয় বা যুৱক-যুৱতীসকল ইমান উচ্ছৃংখল কিয়। অৰ্থটো হ'ল- কোনো অপৰাধৰ বাবে আপুনি, মই আমি ভুক্তভোগীকেই প্ৰশ্ন কৰিব লাগিব, অপৰাধীকেই গালি দিব লাগিব। এনে পটভূমিৰ কাৰণে চৰকাৰ তথা প্ৰশাসনৰ আচৰণ কোনো কাৰণতে জগৰীয়া নহয়। কাৰণ চৰকাৰখনে, শাসকীয় দলে, বিশ্বশান্তিৰ কাৰণে, দেশৰ-ৰাজ্যৰ প্ৰতিজন নাগৰিকৰ সুখ-শান্তি-সমৃদ্ধিৰ কাৰণে ক'ত, কেতিয়া, কি পূজা পতা নাই, কি উৎসৱ পালন কৰা নাই, কি প্ৰদৰ্শনীৰ ব্যৱস্থা কৰি দিয়া নাই! মন্দিৰ, সত্ৰ, নামঘৰ, উপাসনাস্থলী পুনৰ নিৰ্মাণ, নৱ-নিৰ্মাণৰ কাৰণে চৰকাৰে কিমান কোটি টকা ৰাজকোষৰ পুঁজি ব্যয় কৰিছে কোনজন অসমীয়াই নাজানে। তাৰ পাছতো যদি কিবা অপৰাধৰ ঘটনা সংঘটিত হয়, তেন্তে এনে দুৰাচাৰিতাৰ কাৰণেই আপুনি, মই, আমিয়েই দায়ী!

সম্প্ৰতি অতি ধাৰ্মিক অসম চৰকাৰৰ প্ৰতিটো কাম-কাজত সত্ৰাধিকাৰসকল সুখী, মঠ-মন্দিৰৰ পূজাৰীসকল সুখী, বৰঞ্চ নামঘৰীয়া বাপসকলো সুখী, কাৰণ এইখন চৰকাৰে তেওঁলোকক বিলুপ্ত হোৱাৰ পথৰ পৰা উদ্ধাৰ কৰিছে। শিক্ষাবিদ, আইনজীৱী, শিল্পী, বুদ্ধিজীৱী সকলো সুখী কিয়নো ৰাজ্যৰ শিক্ষিত, নিবনুৱা যুৱক-যুৱতীসকলক সংস্থাপন দিব নোৱাৰিলেও অন্তত সেইসকলক চৰকাৰে হয় নিগম-নিকায়ৰ পদত অধিষ্ঠিত কৰিছে নতুবা দলৰ মহান কামত দায়িত্ব অৰ্পণ কৰিছে আৰু চৰকাৰৰ প্ৰতিটো কামক সমালোচনাৰ দৃষ্টিৰে চোৱাসকলক 'বামপন্থীৰ চাৰ্টিফিকেট' দিয়াৰ ব্যৱস্থাও কৰিছে।

গতিকে যিখন ৰাজ্যৰ শাসক, শাসকীয় দলৰ নেতাগণ, সভ্যতা-সংস্কৃতিৰ ৰক্ষক-ধ্বজাবাহক প্ৰভু ঈশ্বৰসকল লাহ-বিলাস, সুখ-সমৃদ্ধি আৰু আত্মসন্তুষ্টিত মত্ত, এইখন ৰাজ্যত যিকোনো ধৰণৰ অপৰাধ চৰকাৰ তথা প্ৰশাসনৰ দুৰ্বলতা আৰু অদূৰদৰ্শিতাৰ ফলত নহয় বৰঞ্চ আপোনাৰ, মোৰ, আমাৰ ভুলৰ কাৰণে দিনে-নিশাই সংঘটিত হোৱাটোৱেই স্বাভাৱিক। কাৰণ নিজৰ সন্তানটিক পোহপাল দিব নোৱাৰি মহাবাহুত জাঁপ দি আত্মজাহৰ দৰে নিন্দনীয় কাৰ্যত লিপ্ত এজন পিতৃৰ বাবে সত্ৰ, নামঘৰ, মন্দিৰ অথবা পবিত্ৰ জনতা ভৱন কেনেকৈ দায়ী হ'ব!

ফোন ঃ ৬৯০১১-১৯১৪০

ভাৰতীয় কৰ প্ৰণালীত ইয়াৰ ভূমিকা

জিএছটিয়ে জনতাৰ ভৰণিহে বঢ়াইছে

ভাৰতীয় সংবিধানৰ ২৬৮ নম্বৰ অনুচ্ছেদত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ সমূহৰ মাজত ৰাজহ সংগ্ৰহৰ ভাগ-বাটোৱাৰাৰ নিৰ্দেশনা দিয়া আছে। সেই অনুসৰি কেন্দ্ৰীয় তালিকাত থকা বিষয় সমূহৰ ওপৰত কেন্দ্ৰই কৰ আৰোপ কৰে আৰু ৰাজ্যিক তালিকাত থকা বিষয়ৰ ওপৰত কৰ আৰোপ কৰাৰ কৰ্তৃত্ব ৰাজ্যসমূহৰ থাকে।

হৰেশ্বৰ গোস্বামী

দেশ এখন সুচাৰুৰূপে চলাবলৈ আৰু উন্নয়নমূলক কাম-কাজ কৰিবলৈ হ'লে চৰকাৰক অৰ্থৰ প্ৰয়োজন হয় আৰু আৰ্থিক সম্পদৰ বহুলাংশ কৰ সংগ্ৰহৰ জৰিয়তে কৰা হয়। অতীজৰ ৰজা -মহাৰজাৰ দিনৰে পৰা এই কৰ সংগ্ৰহৰ প্ৰক্ৰিয়া চলি আছে।

ভাৰতীয় সংবিধানৰ ২৬৮ নম্বৰ অনুচ্ছেদত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ সমূহৰ মাজত ৰাজহ সংগ্ৰহৰ ভাগ-বাটোৱাৰাৰ নিৰ্দেশনা দিয়া আছে। সেই অনুসৰি কেন্দ্ৰীয় তালিকাত থকা বিষয় সমূহৰ ওপৰত কেন্দ্ৰই কৰ আৰোপ কৰে আৰু ৰাজ্যিক তালিকাত থকা বিষয়ৰ ওপৰত কৰ আৰোপ কৰাৰ কৰ্তৃত্ব ৰাজ্যসমূহৰ থাকে। অৱশ্যে ৰাজ্য এখনৰ কৰ সংগ্ৰহৰ সমুদায় ধন ৰাজ্যখনে নিজেই ৰাখিব পাৰে যদিও কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সংগৃহীত কৰৰ এটা অংশ কেন্দ্ৰই নিজে ৰাখি বাকীখিনি ৰাজ্যসমূহৰ মাজত ভগাই দিয়ে। ভাৰতীয় সংবিধানৰ ২৮০ নম্বৰ অনুচ্ছেদ অনুসৰি প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে গঠন হোৱা বিত্তীয় আয়োগে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ সমূহৰ মাজত ৰাজহৰ ভাগ-বাটোৱাৰাৰ অনুমোদন দিয়ে।

G
GOODS
S
SERVICE
T
TAX

ভাৰতীয় কৰ গাঁথনি দুটা ভাগত ভগোৱা হৈছে— যেনে, প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ। আয়কৰ, সম্পত্তি কৰ আৰু কৰ্প'ৰেট কৰ আদি হৈছে প্ৰত্যক্ষ কৰ। আনহাতে কেন্দ্ৰীয় উৎপাদন শুল্ক, জি এছ টি, ভেট, সীমা শুল্ক আদি হৈছে পৰোক্ষ কৰ। প্ৰত্যক্ষ কৰত ব্যক্তি এজনৰ ওপৰত প্ৰত্যক্ষভাৱে কৰ আৰোপ কৰা হয় আৰু কৰ পৰিশোধৰ দায়িত্ব ব্যক্তিজনৰ নিজৰ। আনহাতে, পৰোক্ষ কৰত কোনো এটা লেনদেনৰ সময়তহে কৰ প্ৰযোজ্য হয়।

২০১৭ত ভাৰতত প্ৰযোজ্য হোৱা জি এছ টি আইনৰ আগলৈকে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অধীনৰ পৰোক্ষ কৰ সমূহ এনেধৰণৰ আছিল :-

কেন্দ্ৰীয় কৰ।
(১) কেন্দ্ৰীয় উৎপাদন শুল্ক।
(২) সীমা শুল্ক।
(৩) সেৱা কৰ ইত্যাদি।
ৰাজ্যিক কৰ
(৪) বিক্ৰী কৰ! ভেট ।
(৫) আবকাৰী শুল্ক।
(৬) আমোদ কৰ ইত্যাদি।

'সংবিধান সংশোধনী আইন, ২০১৬ (১০১ নম্বৰ সংশোধনী) অনুসৰি ভাৰত চৰকাৰে ২০১৭ৰ এক জুলাইৰ পৰা প্ৰযোজ্য হোৱাকৈ সমগ্ৰ দেশতে 'দ্ৰব্য আৰু সেৱা কৰ' প্ৰৱৰ্তন কৰে।

জি এছ টি এবিধ পৰোক্ষ কৰ। ইতিপূৰ্বে প্ৰচলিত হৈ থকা কেন্দ্ৰীয় চৰকাৰৰ আঠবিধ আৰু ৰাজ্য চৰকাৰ সমূহৰ ন বিধ কৰ একেলগ কৰি এইবিধ নতুন কৰৰ প্ৰৱৰ্তন কৰা হৈছে। অৰ্থাৎ একেটা দ্ৰব্য বা সেৱাৰ ওপৰত বাৰে বাৰে কৰ আৰোপ নকৰি এবাৰেই কৰ নিৰূপণ কৰি কৰ ব্যৱস্থাৰ সৰলীকৰণ কৰিব বিচৰা হৈছে। মানুহে সেৱন কৰা এলকহলক এই আইনৰ আওতাৰ পৰা সম্পূৰ্ণৰূপে আঁতৰাই ৰখা হৈছে। ঠিক তেনেকৈ পেট্ৰ'লিয়াম জাতীয় সামগ্ৰীও এই পৰ্যন্ত এই আইনৰ আওতালৈ অহা নাই। ধপাত আৰু ধপাতৰ পৰা উৎপাদিত দ্ৰব্যসমূহ এই আইনৰ আওতালৈ অনা হৈছে যদিও এই সমূহ দ্ৰব্যৰ ওপৰত অতিৰিক্তভাৱে আগৰে পৰা প্ৰযোজ্য হৈ থকা কেন্দ্ৰীয় উৎপাদন শুল্ক আৰু ৰাজ্য সমূহত আগৰ ভেট আৰোপ কৰা হৈ আছে।

জি এছ টি হ'ল কেন্দ্ৰীয় আৰু ৰাজ্য দুয়োখন চৰকাৰৰ উমৈহতীয়া আইন আৰু উমৈহতীয়া নিৰিখৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰ। জি এচ টি তিনি প্ৰকাৰৰ।
১) চি জি এছ টি
২) এছ জি এছ টি/ইউ টি জি এছ টি
৩) আই জি এছ টি

চি জি এছ টি হ'ল এখন ৰাজ্যৰ ভিতৰত ভিতৰত হোৱা দ্ৰব্য আৰু সেৱাৰ যোগানৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে আৰোপ কৰা কৰ। ইতিমধ্যে প্ৰযোজ্য হৈ থকা বিভিন্ন কেন্দ্ৰীয় পৰোক্ষ কৰৰ বিলোপ সাধন কৰি এইবিধ কৰ অনা হৈছে। চি জি এছ টি, এক টি, ২০১৭ অনুসৰি এই কৰ ভাৰতৰ সকলো ৰাজ্যতে প্ৰযোজ্য হয় আৰু এই কৰৰ দ্বাৰা সংগৃহীত ৰাজহ কেন্দ্ৰীয় পুঁজিত জমা হয়।

আনহাতে এছ জি এছ টি হ'ল ৰাজ্য এখনৰ ভিতৰত হোৱা দ্ৰব্য আৰু সেৱাৰ ওপৰত ৰাজ্য চৰকাৰে আৰোপ কৰা কৰ। এই কৰ সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ পুঁজিত জমা হয়।

কোনো এবিধ দ্ৰব্য বা সেৱাৰ ওপৰত যিমান শতাংশ কৰ ধাৰ্য কৰা হয়, তাৰে আধা অৰ্থাৎ ৫০ শতাংশ চি জি এছ টি আৰু বাকী ৫০ শতাংশ এছ জি এছ টিৰ হিচাপে কৰদাতা সকলে দিব লগা হয়। অৰ্থাৎ কোনো এবিধ দ্ৰব্য বা সেৱাৰ ওপৰত যদি ১৮ শতাংশ কৰ ধাৰ্য হয়, তেনেহ'লে ইয়াৰে ন শতাংশ কেন্দ্ৰীয় চৰকাৰে পায় আৰু বাকী ন শতাংশ সংশ্লিষ্ট ৰাজ্য চৰকাৰখনে পায়।

আকৌ যেতিয়া কোনো এবিধ দ্ৰব্যৰ লেন-দেন দুখন ৰাজ্যৰ ভিতৰত হয় বা কোনো দ্ৰব্য ভাৰতৰ বাহিৰলৈ ৰপ্তানি হয় বা ভাৰতলৈ আমদানি হয়, তেতিয়া চি জি এছ টি আৰু এছ জি এছ টিৰ সলনি Integrated জি এছ টি চমুকৈ আই জি এছ টি প্ৰযোজ্য হয়। নিৰ্দ্ধাৰিত কৰৰ এশ শতাংশই আই জি এছ টি হিচাপ সংগ্ৰহ হয় আৰু ই কেন্দ্ৰীয় পুঁজিত জমা হয়।

ওপৰত উল্লেখ কৰা এই তিনিবিধ জি এছ টিৰ উপৰি দেশৰ কেন্দ্ৰীয় শাসিত অঞ্চল সমূহ যেনে আন্দামান নিকোবৰ দ্বীপপুঞ্জ, চণ্ডীগড়, দাদ্ৰা আৰু নগৰ হাভেলী, দমন আৰু দিউ আৰু লাক্ষাদ্বীপত এছ জি এছ টিৰ সলনি ইউ টি জি এছ টি নামেৰে কৰ সংগ্ৰহ হয়।

জি এছ টি কাউন্সিল

যিহেতু জি এছ টি এবিধৰ কাৰণে এখন সৰ্বোচ্চ নীতি-নিৰ্দ্ধাৰক নিকায় এখনৰ প্ৰয়োজন। সংবিধানৰ ২৭৯ (ক) অনুচ্ছেদ অনুসৰি এই কাউন্সিল গঠন হৈছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী হ'ল এই নিকায়ৰৰ অধ্যক্ষ। কেন্দ্ৰীয় বিত্ত ৰাজ্য মন্ত্ৰী আৰু প্ৰত্যেক ৰাজ্যৰ সংশ্লিষ্ট বিত্তমন্ত্ৰীসকল এই কাউন্সিলৰ সদস্য।

এই কাউন্সিলৰ প্ৰধান কাম হ'ল কোনবোৰ দ্ৰব্য বা সেৱাৰ ওপৰত কৰ আৰোপ কৰা হ'ব তাক নিৰ্দ্ধাৰণ কৰা, কৰৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰা আৰু কিমান মূল্যৰ ওপৰত কৰ ধাৰ্য কৰা হ'ব বা ৰেহাই প্ৰদান কৰা হ'ব তাক নিৰ্ধাৰণ কৰা ইত্যাদি।

জি এছ টি আইন অনুসৰি যদিও সৰ্বোচ্চ কৰৰ পৰিমান ৪০ শতাংশ (২০ শতাংশ চি জি এছ টি আৰু, ২০ শতাংশ এছ জি এছ টি) ধাৰ্য কৰা আছে, বৰ্তমান প্ৰযোজ্য হৈ থকা কৰ চাৰিটা পৰ্যায়ত ভাগ কৰা হৈছে। সেইকেইটা হ'ল পাঁচ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৮ শতাংশ।

এইখিনিয়েই হ'ল থুলমূলকৈ দ্ৰব্য আৰু সেৱা কৰ চমুকৈ জি এছ টিৰ বিষয় ।

এতিয়া আহো জি এছ টি ৰ সুবিধা আৰু অসুবিধাসমূহলৈ।

জি এছ টি হ'ল এবিধ স্বচ্ছ কৰ। ই বিভিন্ন পৰোক্ষ কৰৰ বিলোপ সাধন কৰি 'এক দেশ এক কৰ' হিচাপে বিবেচিত হৈছে। কৰৰ ওপৰত কৰ নাইকিয়া কৰি কৰ প্ৰক্ৰিয়াৰ সৰলীকৰণ কৰা হৈছে। জি এছ টি হোৱাৰ আগতে কোনো এবিধ দ্ৰব্যৰ ওপৰত প্ৰথমে উৎপাদন শুল্ক আৰু তাৰ পিছত বিভিন্ন ৰাজ্যত প্ৰযোজ্য হোৱা ভেট আৰু অন্যান্য কৰ আয়োগ কৰা হৈছিল।

বছৰি ব্যৱসায় ২০ লাখ টকাৰ তলত হ'লে ব্যৱসায়ীসকলে জি এছ টি পঞ্জীকৰণ কৰিব নালাগে। এই সীমা উত্তৰ-পূৰ্বৰ চাৰিখন ৰাজ্য যেনে মণিপুৰ, মিজোৰাম, নগালেণ্ড আৰু ত্ৰিপুৰাৰ ক্ষেত্ৰত ১০ লাখ।

জি এছ টিৰ পঞ্জীকৰণৰ পৰা ৰিটাৰ্ণ দাখিল কৰালৈকে গোটেই প্ৰক্ৰিয়াটো অনলাইন কৰা হৈছে। এখন ৰিটাৰ্ণৰ দ্বাৰাই কৰদাতাসকলে চি জি এছ টি আৰু এছ জি এছ টি দিব পাৰে।

এইবোৰ হ'ল কৰদাতাসকলৰ সুবিধা। সাধাৰণ মানুহখিনি জি এছ টিৰ দ্বাৰা কিমান উপকৃত হৈছে সেয়াহে প্ৰধান বিচাৰ্য বিষয়।

অধিকাংশ দ্ৰব্য আৰু অত্যাৱশ্যকীয় সেৱাৰ ওপৰত জি এছ টি আৰোপৰ কৰাৰ ফলত নিম্ন মধ্যবিত্ত আৰু মধ্যবিত্তসকল বিপাঙত পৰিছে।

ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন (জি ডিপি)ৰ প্ৰায় ৫৪ শতাংশই সেৱাখণ্ডত পৰে। কৃষি, শস্য চপোৱা ফাৰ্মসমূহত শ্ৰমিক যোগান, ভাপৰ দ্বাৰা শোধন, পেকেজিং, লীজ আদি কেইটামান সেৱাৰ বাদে প্ৰায় সকলো সেৱাতে জি এছ টি দিব লগা হয়। গতিকে ইয়াৰ প্ৰভাৱ দুখীয়া, নিম্ন মধ্যবিত্ত আৰু মধ্যবিত্ত শ্ৰেণীৰ মাজত বাৰুকৈয়ে পৰে। বীমা, যোগাযোগ আদি বিভিন্ন খণ্ড আনকি এ টি এমৰ পৰা নগদ ধন উলিওৱাৰ সময়তো জি এছ টি দিব লগা হোৱা কাৰণে সাধাৰণ মানুহৰ ভৰণি বেছি হৈছে।

আনহাতে পেট্ৰ'লিয়াম জাতীয় সামগ্ৰীৰ ওপৰত জি এছ টি প্ৰযোজ্য নকৰা আৰু এতিয়াও আগৰ দৰে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন কৰ আৰোপিত হৈ থকাৰ কাৰণে পেট্ৰ'ল, ডিজেল আদিৰ দাম আকাশলংঘী হৈয়েই আছে আৰু ইয়াৰ ফলত নিত্য ব্যৱহাৰ্য বয়-বস্তুৰ দামো সেই অনুপাতে বাঢ়িছে।

যধে-মধে কৰৰ হেচা নিদি এক সুচিন্তিত আঁচনিৰে কৰ সংগ্ৰহৰ ব্যৱস্থা কৰিলে চৰকাৰৰ ৰাজহ সংগ্ৰহৰ লগতে সাধাৰণ জনতাও উপকৃত হ'ব বুলি ভাবো।

(অৱসৰপ্ৰাপ্ত সহকাৰী আয়ুক্ত, কেন্দ্ৰীয় দ্ৰব্য আৰু সেৱা কৰ)

ফোন ঃ ৯৪৩৫০৮০৪০৭

মৌলবাদ প্ৰতিৰোধৰ কৌশল

১৯৯০ৰ দশকৰ পৰা অসমত ইছলামবাদী সংগঠনসমূহৰ এক দীঘলীয়া তালিকা প্ৰস্তুত হৈছিল। ১৯৯২ৰ বাবৰি মছজিদ ধ্বংস আৰু পৰৱৰ্তী সাম্প্ৰদায়িক সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূব ভাৰতত ইছলামবাদী উগ্ৰবাদৰ উত্থান আৰম্ভ হৈছিল; ১৯৯৩ত মণিপুৰৰ কুখ্যাত মেইটেই-মুছলমান সংঘৰ্ষও এইক্ষেত্ৰত অৰিহণা যোগোৱা এক কাৰক।

পল্লৱ ভট্টাচাৰ্য্য

'যিজনে এজন নিৰীহ মানুহক হত্যা কৰে, তেওঁ মানৱজাতিক হত্যা কৰে, আৰু যিজনে এজন ব্যক্তিৰ জীৱন ৰক্ষা কৰে, তেওঁ মানৱজাতিৰ জীৱন ৰক্ষা কৰে (কোৰান ৫:৩২)।

শেহতীয়াকৈ এজন বাংলাদেশী নাগৰিক মুহম্মদ সুমন ওৰফে ছাইফুল ইছলাম ওৰফে হাৰুণ ৰছিদৰ লগতে কালগাছিয়া হাউলীৰ চাৰিজন লোক বৰপেটা আৰক্ষীৰ হাতত আটক হৈছিল। বিশ্বত্ৰাস সন্ত্ৰাসবাদী সংগঠন অল কায়দাৰ সহযোগী আনছাৰুল্লাহ বাংলা টীম (এবিটি)ৰ স'তে গোপনে সম্পৰ্ক থকা বুলি জনা গৈছে। এই ঘটনাৰাজিয়ে সামাজিক মাধ্যমৰ লগতে প্ৰচাৰ মাধ্যমত আলোড়নৰ সৃষ্টি কৰি অসমৰ সুৰক্ষাৰ সন্দৰ্ভত প্ৰশ্নৰ অৱতাৰণা কৰে। ১৯৯৮ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ দূতাবাসৰ বোমা বিস্ফোৰণ, ৯/১১ আক্ৰমণ, ২০০২ৰ বালিত সংঘটিত বোমা বিস্ফোৰণ আদিৰ লগত জড়িত বাবে আমেৰিকা যুক্তৰাষ্ট্ৰই অল-কায়দা আৰু 'সন্ত্ৰাসৰ বিৰুদ্ধে যুদ্ধ' আৰম্ভ কৰে। এনে এক কুখ্যাত সংগঠনৰ অসমত প্ৰৱেশ দেশৰ লগতে শংকৰ-আজানৰ অসমৰ বাবে শুভলক্ষণ নহয়। সংগঠনটোৰ নিকট সহযোগীসকল পৃথিৱীৰ বিভিন্ন প্ৰান্তত আৰু বিশেষকৈ ভাৰতত সুপ্ত কোষ হিচাপে থকাটো দেশৰ আভ্যন্তৰীণ নিৰাপত্তাৰ প্ৰতি ভাবুকি। উল্লেখ্য যে ২০১৪ৰ ছেপ্টেম্বৰত গঠন হোৱাৰ সময়ত, ভাৰতীয় উপমহাদেশৰ অল-কায়দাই (একিউআইএছ) গুজৰাট আৰু জম্মু-কাশ্মীৰৰ লগতে অসমক জিহাদৰ লক্ষ্যৰ ভিতৰত তালিকাভুক্ত কৰিছিল।

অৱশ্যে ইছলামবাদী উগ্ৰপন্থীৰ গ্ৰেপ্তাৰ অসমত কোনো নতুন ঘটনা নহয়। ২০১৪ৰ দুই অক্টোবৰত পশ্চিমবংগৰ খাগ্ৰাগড় বিস্ফোৰণ আৰু অসমত জেএমবিৰ গোপন উপস্থিতিৰ উন্মোচন এতিয়াও জনসাধাৰণৰ মনত সতেজ হৈ আছে। ১৯৯০ৰ দশকৰ পৰা অসমত ইছলামবাদী সংগঠনসমূহৰ এক দীঘলীয়া তালিকা প্ৰস্তুত হৈছিল। ১৯৯২ৰ বাবৰি মছজিদ ধ্বংস আৰু পৰৱৰ্তী সাম্প্ৰদায়িক সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূব ভাৰতত ইছলামবাদী উগ্ৰবাদৰ উত্থান আৰম্ভ হৈছিল; ১৯৯৩ত মণিপুৰৰ কুখ্যাত মেইটেই-মুছলমান সংঘৰ্ষও এইক্ষেত্ৰত অৰিহণা যোগোৱা এক কাৰক। পাকিস্তানৰ চোৰাংচোৱা সংস্থা আই এছ আই-এ ভাৰতৰ দুৰ্বলতাবোৰ নিৰন্তৰ পৰ্যবেক্ষণ কৰি আছিল আৰু ই বাংলাদেশৰ খালেদা জিয়া চৰকাৰৰ পৰা অহৰহ সহায় লাভ কৰিছিল আৰু সেই সময়ত ভাৰতৰ প্ৰতি বাংলাদেশ গভীৰভাৱে বিদ্বেষী আছিল। বাংলাদেশ সেই সময়ত ইছলামবাদী মৌলবাদ আৰু উগ্ৰবাদৰ এক কেন্দ্ৰ আছিল আৰু ইয়াক আই এছ আই-এ ভাৰতৰ বিৰুদ্ধে চতুৰ্থ প্ৰজন্মৰ যুদ্ধ সম্প্ৰসাৰিত কৰিবলৈ ব্যৱহাৰ কৰিছিল। ২০০৯ত শেখ হাছিনা চৰকাৰে কাৰ্যভাৰ গ্ৰহণৰ পাছত নতুন দিল্লীৰ পক্ষত পৰিস্থিতি নাটকীয়ভাৱে সলনি হৈছিল। অৱশ্যে বৰ্তমান সময়ত দুখন বাংলাদেশৰ উপস্থিতি উপলব্ধি কৰা হয়— এখন বাংলা জাতীয়তাবাদৰ ওপৰত আধাৰিত আৰু আনখন হ'ল ইছলামিক বিশ্বৰ প্ৰতিভু আৰু দুয়োখনৰ মাজৰ নিৰন্তৰ কাজিয়াই অসমত Spill Over প্ৰভাৱৰ যোগেদি সম্প্ৰসাৰিত হোৱা দৃষ্টিগোচৰ হয়।

উত্তৰ-পূৰ্বৰ বেছিভাগ ইছলামী উগ্ৰপন্থী গোটৰ ১৯৯০ৰ পৰা ১৯৯৬ৰ ভিতৰত প্ৰতিষ্ঠা হৈছিল; ইয়াৰ উদ্দেশ্য আছিল অঞ্চলটোৰ সংখ্যালঘু মুছলমান সম্প্ৰদায়ৰ 'সামগ্ৰিক স্বাৰ্থ সুৰক্ষিত কৰা'। ২০০০ দশকৰ আৰম্ভণিতে আৰু অধিক গোট ওলাইছিল, কিন্তু এইবোৰ কম সময়ৰ বাবে আছিল। বড়ো আৰু বাঙালী ভাষী মুছলমানসকলৰ মাজত বিক্ষিপ্তভাৱে বিটিএডিত সংঘৰ্ষ সংঘটিত হৈছিল আৰু সেই সময়ত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনত হোৱা হিংসাৰ সন্দৰ্ভত নিৰীক্ষণৰ বাবে কমেও ১৯ টা ইছলামবাদী সংগঠন চিনাক্ত কৰিছিল। পৰৱৰ্তী সময়ত কেৰালাস্থিত সংগঠন পপুলাৰ ফ্ৰণ্ট অব ইণ্ডিয়াৰ উত্থান আৰু গোৱালপাৰা, কৰিমগঞ্জ, শিলচৰ, হাইলাকান্দি, কামৰূপ, বৰপেটা, বাগ্‌সা, চিৰাং, কোকৰাঝাৰ, ধুবুৰী, দক্ষিণ শালমাৰা, লখিমপুৰ, নগাঁও আৰু তিনিচুকীয়া জিলাত এন আৰ চি উন্নীতকৰণৰ প্ৰক্ৰিয়াত ইয়াৰ আগ্ৰাসন মৌলবাদৰ অসমত জাগৰণ হোৱাৰ ভিত্তি প্ৰশস্ত কৰে। ২০১৬ত, অসম আৰক্ষীয়ে মৌলবাদ প্ৰতিৰোধৰ এক প্ৰচেষ্টা লৈছিল। এই উদ্দেশ্যৰে অসম আৰক্ষীৰ উদ্যোগত অসমৰ লগতে ভাৰতত আইন বলবৎকাৰী বিষয়াসকলৰ সহায়ৰ বাবে 'হেণ্ডবুক অৱ কাউণ্টাৰ ৰেডিকেলাইজেছন' প্ৰকাশ কৰা হৈছিল। ইয়াৰ পাছত ২০১৯ত 'হেণ্ডবুক অৱ ৰিছাৰ্জেণ্ট ৰেডিকেলিজম' নামৰ আন এখন পুথি প্ৰস্তুত কৰা হৈছিল।

অনস্বীকাৰ্য যে মৌলবাদৰ মুখ্য চালক হৈছে 'আদৰ্শ'। ইণ্টাৰনেট, ছ'চিয়েল মিডিয়া আৰু কিছু ক্ষেত্ৰত ছপা মাধ্যম, কিছুমান দাতব্য সংগঠন আৰু বেচৰকাৰী সংগঠনে ইয়াৰ বিকাশত অৰিহণা যোগাইছিল। এজন ব্যক্তিক প্ৰথমে 'মৌলবাদী' হ'বলৈ দিয়া আৰু ইয়াৰ আৱিষ্কাৰৰ পাছত, তেওঁৰ বাবে 'মৌলবাদ-বিৰোধী' পদক্ষেপ লোৱাৰ পৰিৱৰ্তে, প্ৰথমেই 'মৌলবাদৰ বিৰোধী' পদক্ষেপ লোৱা জৰুৰী। অন্যাৰ্থত এনে এক পৰিৱেশ সৃষ্টি কৰা য'ত মৌলবাদ হ'ব নোৱাৰে। এইটো স্পষ্ট যে বৰপেটাৰ বৰ্তমানৰ ঘটনাটোত গ্ৰেপ্তাৰ হোৱা যুৱকসকল বিদেশী চিন্তাধাৰাৰ দ্বাৰা মৌলবাদী হৈ উগ্ৰপন্থী সংগঠনৰ লগত জড়িত হৈ পৰিছিল যিটো স্পষ্টভাৱে শংকৰ-আজানৰ সংমিশ্ৰণ সংস্কৃতিৰ পৰিপন্থী। নিম্নলিখিত পদক্ষেপবোৰ, সমাজৰ সহযোগত, চৰকাৰৰ দ্বাৰা ৰূপায়ণৰ বাবে আৰম্ভ কৰা হোৱাটো সময়ৰ আহ্বান ঃ

(১) 'ইজতিহাদ'ৰ জৰিয়তে মৌলবাদী আদৰ্শৰ মোকাবিলা কৰা বা মৌলবাদী চিন্তাধাৰা প্ৰতিৰোধ কৰিবলৈ ব্যক্তিগত যুক্তিৰ ব্যৱহাৰ কৰা। যোগ্য মুছলমান বুদ্ধিজীৱীৰ আত্মবিশ্বাস অৰ্জনৰ পাছত তেওঁলোকক এনে কাৰ্যত নিয়োগ এই প্ৰক্ৰিয়াৰ সফলতাৰ বাবে অপৰিহাৰ্য হ'ব। পুলিচ জিলা সদৰ দপ্তৰত বা থিংক টেংকৰ আধাৰত এক 'মৌলবাদী বিৰোধী মঞ্চ' স্থাপন কৰা। এই মঞ্চই নিম্নোক্ত মিছন সম্পাদন কৰিব।

(ক) বিশ্বব্যাপী, ৰাষ্ট্ৰীয় আৰু আঞ্চলিক মৌলবাদৰ প্ৰৱণতা নিৰীক্ষণ আৰু বিশ্লেষণ, (খ) বিশ্বব্যাপী উগ্ৰবাদ-বিৰোধী মডেলৰ পৰা সৰ্বশ্ৰেষ্ঠ পদ্ধতি গ্ৰহণ কৰা, (গ) ইমাম, মৌলবী আৰু হিন্দু পুৰোহিত আদিৰ জৰিয়তে মৌলবাদী বিৰোধী গোট স্থাপন আৰু এই গোটসমূহৰ প্ৰশিক্ষণ, (ঘ) সকলো প্ৰকাৰৰ 'ইজতিহাদ' ভাবধাৰাৰ প্ৰচাৰ আৰু সমৰ্থন (ঙ) মৌলবাদী ভাবধাৰাৰ এক একীকৰণ কোষ স্থাপন আৰু ৰক্ষণাবেক্ষণ। এই কোষে বিভিন্ন সুৰক্ষা অনুষ্ঠানৰ দৃষ্টিগোচৰ হোৱা মৌলবাদী ভাবধাৰা এটাই আনটোৰ লগত গোপন তথ্য আদান-প্ৰদান কৰা। উল্লেখ্য যে ২০১৪ত গ্ৰেপ্তাৰ হোৱা এজন মৌলবাদী জেএমবিৰ আচাৰ-ব্যৱহাৰ ছৌদি ভাবধাৰাৰে অনুপ্ৰাণিত হৈ ভাৰতীয় পৰম্পৰাৰ এদিন আগত ঈদ উদ্‌যাপনৰ পক্ষপাতি আছিল আৰু তেওঁৰ এই ব্যৱহাৰে স্থানীয় মুছলমান সমাজৰ লগত সংঘাত সৃষ্টি কৰি আৰক্ষীৰ হস্তক্ষেপৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল। দুৰ্ভাগ্যবশতঃ উপৰোক্ত তথ্যকোষৰ অৱৰ্তমানত আৰক্ষীয়ে লোকজনক বুজাপৰাৰ মাজেৰে এৰি দিছিল। অন্যথা জেএমবিৰ অসমৰ উত্তৰণ বহু আগতে ৰোধ কৰিবলৈ অসম আৰক্ষী সক্ষম হ'লহেঁতেন, (ঙ) মৌলবাদী ভাবধাৰাক প্ৰত্যাহ্বান জনাই মুছলিম সমাজৰ বিশিষ্ট আৰু সন্মানীয় ব্যক্তিৰ আবেদন, সংগীত আদি ৰেডিঅ', টিভি, সামাজিক মাধ্যম, বা ছপা মাধ্যমৰ জৰিয়তে বহুল প্ৰচাৰ। এই শ্ৰেণীৰ অধীনত অসম আৰক্ষীয়ে গুৱাহাটীৰ ইমামসকলৰ দ্বাৰা শান্তিৰ আবেদন আৰু সংগীত শিল্পী নাহিদ আফ্ৰীন পৰিৱেশিত সম্প্ৰীতিৰ গীতৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল।

(২) এক নিবিড় নিৰীক্ষণ প্ৰণালীৰ জৰিয়তে মৌলবাদী আদৰ্শৰ প্ৰতিৰোধ কৰিবলৈ ভাৰতীয় উলেমাসকলক অন্তৰ্ভুক্ত আৰু উৎসাহিত কৰা।
(৩) গোলকীয় মৌলবাদী আদৰ্শৰ প্ৰতিৰোধী বৰ্ণনাবোৰ আলোকপাত কৰি প্ৰয়োজন সাপেক্ষে সম্প্ৰচাৰ কৰা।
(৪) ভাৰত ভ্ৰমণ কৰা বিদেশী ধৰ্মপ্ৰচাৰকৰ ধাৰণাবোৰ নিবিড়ভাৱে নিৰীক্ষণ কৰা আৰু প্ৰয়োজনসাপেক্ষে তেওঁলোকৰ ভ্ৰমণ নিয়ন্ত্ৰণ কৰা।
(৫) সমস্যাবোৰৰ বোধগম্যতাৰ বাবে আৰক্ষীৰ পাঠ্যক্ৰমত ইছলাম আৰু অন্যান্য ধৰ্মৰ অধ্যয়ন অন্তৰ্ভুক্ত কৰা।
(৬) মৌলবাদী ধৰ্মতত্ত্ববিদসকলৰ কাৰ্যকলাপ নিৰীক্ষণ আৰু সামাজিক নিয়ন্ত্ৰণ।
(৭) উগ্ৰপন্থী বিৰোধী পণ্ডিত চুলতান শ্বাহিনে তেওঁৰ ৱেবছাইটৰ www.newageislam.com জৰিয়তে মৌলবাদীসকলৰ বিপক্ষে মতবাদৰ সৃষ্টি কৰিছে আৰু এনে প্ৰচেষ্টাক উৎসাহিত কৰা।
(৮) বিশ্ব জেহাদীসকলৰ ভাবধাৰাক আকৰ্ষণীয় কৰাৰ সকলো প্ৰচেষ্টা বন্ধ কৰা আৰু মৌলবাদী সাহিত্যৰ প্ৰতিৰোধ কৰা।
(৯) অসম আৰক্ষীৰ বিশেষ শাখাত থকা চাইবাৰড'ম প্ৰকল্পৰ অধীনৰ ডিজিটেল তথ্য আৰু প্ৰশিক্ষণ আৰু বিশ্লেষণ কেন্দ্ৰ (ডিআইটিএচি)ৰ জৰিয়তে ডিজিটেল মৌলবাদৰ মোকাবিলা কৰা আৰু ইয়াক পৰ্যাপ্তভাৱে শক্তিশালী কৰা।
(১০) ভাৰতে ইয়াৰ চুবুৰীয়া দেশসমূহৰ সক্ৰিয় সমৰ্থন অবিহনে মৌলবাদৰ বিৰুদ্ধে যুঁজ দিব নোৱাৰে। সেয়েহে চুবুৰীয়া দেশক জড়িত কৰাটো অত্যাৱশ্যকীয় হ'ব।
(১১) পৃথিৱীৰ বিভিন্ন দেশে 'মৌলবাদ বিৰোধী অভিযান গোট'ৰ দৰে কিছু কোষ চোৰাংচোৱা সংস্থাসমূহত প্ৰতিষ্ঠানগত মঞ্চ হিচাপে সৃষ্টি কৰিছে। এই কোষৰ জৰিয়তে কিছুমান উদীয়মান ভাবুকিৰ মোকাবিলা কৰা, মৌলবাদী ৱেবছাইটৰ পঞ্জীয়ন বাতিল কৰা, আইন প্ৰৱৰ্তনকাৰী সংস্থা, থিংক টেংক, শিক্ষাৰ্থী, মিডিয়া ব্যক্তিত্ব আদিৰ বাবে প্ৰশিক্ষণ কৰ্মশালাৰ আয়োজন কৰা, মানৱ ভূখণ্ড বিশ্লেষণ আদি অভিযান অব্যাহত ৰাখা। অসম আৰক্ষীতো চোৰাংচোৱা সংস্থাৰ যোগেদি এনে প্ৰচেষ্টা লোৱাটো সময়ৰ আহ্বান।

উপৰোক্ত পদক্ষেপবোৰ সফলভাৱে ৰূপায়ণৰ বাবে চৰকাৰ, ছপা আৰু ইলেক্ট্ৰনিক মাধ্যম আৰু সমাজৰ সকলো বৰ্গৰ সমন্বয় আৰু পূৰ্ণ সহযোগিতা অতিকৈ প্ৰয়োজনীয়। সংখ্যালঘু সম্প্ৰদায়ৰ বিশ্বাস অৰ্জন কৰাটো হৈছে এনে কঠোৰবাদ বিৰোধী নীতিৰ সাৰাংশ। সেয়েহে আমেৰিকান সম্প্ৰদায় নিৰ্মাতা আৰু কৰ্মী ৰাধানাথ স্বামীৰ বক্তব্য এই অভিযানৰ মূলমন্ত্ৰ 'Trust cannot come unless one is honest.'

ফোন ঃ ৯৪৩৫০৪৮৭৭৭/ ৮৮১২০৪৮৭৭৭

প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান, বিশেষ শাখা আৰু এপিএছচিৰ পূৰ্বৰ অধ্যক্ষ। প্ৰবন্ধত প্ৰকাশিত মতামত তেওঁৰ ব্যক্তিগত

নিৰ্বাচন, নেতা আৰু দেশ

নিৰ্বাচন মানে খেতিৰ সঁচ নিৰ্বাচন বা জীয়াই থকা কেইদিন জীৱনটো চিৰস্থায়ীকৈ ক'ত থাকিমগৈ, সেই লৈ ঠাইৰ-নিৰ্বাচন বা তেনে ধৰণৰ লক্ষকোটি ভিন ভিন বিষয়ৰ নিৰ্বাচনৰ কথা কোৱা নাই। নিৰ্বাচন বুলিলে আজি-কালি মানুহেও অৱশ্যে চিধাই নেতা নিৰ্বাচনৰ কথাকে বুজে, আন ধৰণৰ নিৰ্বাচনৰ কথা মনলৈকে নাহে। ভাষা-সংকোচনৰ ইও এক প্ৰক্ৰিয়া বুলি ক'ব পাৰি।

অৱলোকন

ৰামচন্দ্ৰ চুতীয়া

নিৰ্বাচন মানে সমাজ বা দেশ চলাবলৈ নাগৰিকে নেতা বাছনি কৰাৰ কথা ক'ব খুজিছো, নিৰ্বাচন মানে খেতিৰ সঁচ নিৰ্বাচন বা জীয়াই থকা কেইদিন জীৱনটো চিৰস্থায়ীকৈ ক'ত থাকিমগৈ, সেই লৈ ঠাইৰ-নিৰ্বাচন বা তেনে ধৰণৰ লক্ষকোটি ভিন ভিন বিষয়ৰ নিৰ্বাচনৰ কথা কোৱা নাই। নিৰ্বাচন বুলিলে আজি-কালি মানুহেও অৱশ্যে চিধাই নেতা নিৰ্বাচনৰ কথাকে বুজে, আন ধৰণৰ নিৰ্বাচনৰ কথা মনলৈকে নাহে। ভাষা-সংকোচনৰ ইও এক প্ৰক্ৰিয়া বুলি ক'ব পাৰি।

ওপজি পুৱাৰ পৰা গাঁও পঞ্চায়তৰ নিৰ্বাচনলৈকে ধৰি বিধানসভা, ৰাজ্যসভা বা লোকসভাৰ বহুত নিৰ্বাচন দেখিলো। বয়স অনুসৰি নিৰ্বাচনসমূহৰ ৰং-ৰূপ সুকীয়া সুকীয়া সেই কথাও বুজিলো। সৰুতে গাঁৱৰ এম. ভি স্কুলত খুঁটি পুতি ৰছীৰে দুজন প্ৰাৰ্থী থাকিলে দুটা আৰু তিনিজন থাকিলে তিনিটা 'ঘেৰা' সাজি কোন কাৰ সমৰ্থক তাতে সোমাই দেখুৱাবলৈ ব্যৱস্থা কৰিছিল। যি ঘৰত ভোটাৰ সোমোৱা অধিক হয়, তেওঁকে নিৰ্বাচনত বিজয়ী বুলি ঘোষণা কৰা হৈছিল। ১৯৭৫ ত অৰ্থাৎ ৪৭ বছৰৰ আগতে অৰুণাচলৰ জিৰো সদৰৰ পৰা ১৪ দিনৰ পথ খোজ কাঢ়ি গ'লেহে পোৱা তালী ছাৰ্কুলৰ নিচিসকলৰ ৰোহি গাঁৱত আমি নিৰ্বাচনী বিষয়া হৈ তেনে এটা নিৰ্বাচন চলোৱা এতিয়াও মনত আছে। সেইটো চলাওঁতে একো অসুবিধা পোৱা নাছিলো, ভোটাৰসকলে আমাক পূৰ্ণ সহযোগ কৰাত আধা ঘন্টা মানতে নিৰ্বাচনটো সম্পন্ন কৰা হৈছিল। নিৰ্বাচনত জয়ী হোৱা নিচি সম্প্ৰদায়ৰ প্ৰাৰ্থী আৰু সমৰ্থকসকলে 'হোহ হোহ হু-উ উ' বুলি ধ্বনি দি আনন্দ প্ৰকাশ কৰিছিল। সেই ধ্বনিৰ লগতে 'জয় হিন্দ জয় হিন্দ' বুলি জয়ধ্বনি কৰিছিল। তেতিয়াৰ দিনত অৰুণাচলত কথাই প্ৰতি 'জয় হিন্দ' বুলি কোৱা হৈছিল, সি এটি দস্তুৰলৈ পৰিণত হৈছিল। 'জয় হিন্দ' মানে 'প্ৰণাম' বুলি বিবেচিত হৈছিল। আমিও আমাৰ স্কুলৰ প্ৰাৰ্থনাৰ সময়ত প্ৰতিদিন পুৱাৰ প্ৰাৰ্থনাৰ আগে আগে, 'মই এজন ভাৰতীয়, ভাৰত মোৰ দেশ'... বুলি ছাত্ৰসকলক নিতৌ শপত খুৱাই সোঁৱৰাই থাকিব লগা হৈছিল। সেয়েহে এবাৰ ৰাগাৰ সভা এখনত তেতিয়াৰ ৰাজ্যসভাৰ নামনি সোৱণশিৰিৰ ৰাগাৰ সাংসদ 'ৰতন তামা'ই হাঁহি হাঁহিয়ে এযাৰ তাৎপৰ্যপূৰ্ণ কথা কৈছিল, 'আমাক সদায় ভাৰতীয় বুলি ক'বলৈ শিকাই থকাৰ কাৰণেহে যেন আমিবোৰ ভাৰতীয়'! কথাষাৰে আমাকো বৰকৈ চুই গৈছিল, লজ্জিত কৰিছিল। তেওঁলোক যে পূৰ্বৰে পৰা ভাৰতীয় সেই কথা দিল্লীয়ে নজনাৰ বাবেহে যেন তেনে ব্যৱস্থা কৰা হৈছিল। ভাবিলে কথাষাৰ আজিও তেনে যেনেই লাগে। স্পৰ্শকাতৰ ৰাজ্যখনৰ বাবে প্ৰশাসনৰ ভিতৰুৱা আন কিবা কথা আছিল যদি আমি অৱশ্যেই নাজানিছিলো। অৰুণাচলৰ সম্পৰ্ক অসমৰ স'তে বহু পুৰণি, সেই কথা আমি অসমীয়াই জানো। অসম বুৰঞ্জীতো তেওঁলোকৰ কথা লিখা আছে। উত্তৰ লখিমপুৰৰ আনন্দ বাগানৰ গাতে লাগি থকা অৰুণাচলৰ দুলুংমুখৰ বহুতো ছাত্ৰ-ছাত্ৰী আৰু ভালেকেইজন অশীতিপৰ মানুহক ব্যক্তিগতভাৱে আমিও জানো। তেওঁলোকে কেনেকৈ উত্তৰ লখিমপুৰ চৰাইমৰীয়া আৰু সুদূৰ মাজুলীৰ গড়মূৰলৈকে একালত দক্ষিণলৈ ভটিয়াই গৈছিল, সেই কথা হুই তাজা নামৰ ৮০ উৰ্দ্ধৰ পৰ্বতীয়া মিৰি এজনে আমাক বিৱৰি কৈছিল। তেওঁলোক তাহানি অটব্য অৰণ্যৰ মাজত থকা ঢকুৱাখনাৰ বাসুদেৱ সত্ৰলৈকো যোৱাৰ কথা কৈছিল। আমি সৰুতে গাত কাপোৰ পিন্ধাৰ আগতে তেওঁলোকে দীঘল দীঘল ৰছীৰে বাঁহৰ চুঙাত ভৰাই দাঁতেৰে কামুৰি ছিঙিব নোৱাৰা কৰি একেলগে কেবাটাও কুকুৰ বান্ধি ভৈয়ামৰ গাঁৱে গাঁৱে লৈ ফুৰাৰ দৃশ্যবোৰ এতিয়াও মনত পৰে। ৰাতি হ'লে ভঁৰালৰ তলত শুইছিল। কোনো অসমীয়াই তেওঁলোকক ঘৰৰ ভিতৰত শুবলৈ দিয়াৰ কথা মনত নপৰে। তেওঁলোক যে লেংটিমৰা আৰু অপৰিষ্কাৰকৈ থকা মানুহ, সেই বাবেই বোধহয় তেনেকৈ বাহিৰত ৰখা হৈছিল। ৰাজ্য দুখনৰ অতীতৰ কথা ক'বলৈ গ'লে এইবোৰ কথাও বিৱেচিত হ'ব।

নিৰ্বাচনী প্ৰক্ৰিয়া সঁচাই এক অৰ্থপূৰ্ণ, আধুনিকতম সুন্দৰ ব্যৱস্থা। আগৰ দিনৰ ৰজা-মহাৰজাৰ ঠাইত নিৰ্বাচনৰ দ্বাৰা ৰাইজেই যে ৰজা হ'ল, সি এটা কম গৌৰৱৰ বিষয় নহয়। নিৰ্বাচন ব্যৱস্থাই জগতত এটি সুন্দৰ শাসন-ব্যৱস্থা প্ৰতিষ্ঠা কৰিলে। মানৱ জাতিৰ শেহতীয়া এই সামাজিক ব্যৱস্থাটোক সভ্য জগতে সকলোতে আদৰণি জনাইছে। পৃথিৱীখন ধ্বংস নহ'লে, ভৱিষ্যতে গণতন্ত্ৰৰ মূল্য নিশ্চয়কৈ থাকিব। সেই সভ্য ব্যৱস্থাটোক কিন্তু আজিৰ দিনত বহুতে সন্মান কৰিব জনা নাই। বৰং তাৰ অপব্যৱহাৰহে কৰা দেখা গৈছে। কেৱল আমাৰ দেশতে নহয়, বিশ্বৰ বহুতো ঠাইত ৰাজনীতি কৰা এচাম তেনেই অগভীৰ, তৰল মানুহৰ হাতত গণতন্ত্ৰ লুণ্ঠিত হৈছে। দুখৰ বিষয় বৰ্তমান বিশ্বৰ প্ৰায়বোৰ দেশৰ নিৰ্বাচিত নেতাসকলে নিজে চিৰকাল ক্ষমতাত থকাৰ হাবিলাষ কৰা দেখা গৈছে। সেই লৈ ক্ষমতাৰ যুঁজ চলি আছে আৰু ই সহজতে অন্ত পৰাৰ কোনো আশা নাই। দেশখনত সদ্যসমাপ্ত পাঁচখন ৰাজ্যৰ বিধানসভাসমূহৰ নিৰ্বাচনত আমি ৰাজনীতি কৰা মানুহবোৰৰ চাল-চলন, গভীৰ-অগভীৰ অনেক ভাষণ শুনিলো, তেওঁলোকৰ আচৰণ দেখিলো। তেওঁলোকৰ সেইবোৰ ভাষণ শুনিবলৈকে নিতৌ অজস্ৰ মানুহে কাম-বন খতি কৰি সভাবোৰলৈ গৈছিল। তেওঁলোকৰ দৈনিক কামৰ মূল্যায়ন কৰিলে কেঁবাশ কোটি টকাৰ সমান হ'ব বোধহয়। সেই সম্পৰ্কে আমাৰ গভীৰ জ্ঞান নথকাত পাঠকসকলক সঠিক খবৰটো দিব নোৱাৰিলো। গণতন্ত্ৰত এই ব্যৱস্থাটোক কোনেও নিন্দা কৰিব নোৱাৰে, আমিও নোৱাৰো। আমি কৰিব পৰা কামটো হ'ল, দূৰে দূৰে ৰাইজৰ আলেখ-লেখ লোৱাৰ, ভাওনাখন চোৱাৰ। নিৰ্বাচনৰ সময়ত প্ৰতিটো দলে নিজ নিজ দলৰ বিষয়ে ভাল ভাল কথা ক'বই, তাতো কোনেও আসোঁৱাহ উলিয়াব নোৱাৰে। ৰাইজে মাত্ৰ তেওঁলোকৰ ভাষণ, প্ৰতিশ্ৰুতিবোৰৰ গভীৰলৈ গৈ বিশ্লেষণ কৰি চাব পাৰে। নিৰ্বাচনৰ আগে আগে স্থাপন কৰা আধাৰশিলাবোৰৰ সাৰ্থক ৰূপায়ণ হয় নে নহয় তালৈ চকু দিব লাগে। সেই কামটো কৰাত তেওঁলোকক কোনেও বাধা দিব নোৱাৰে-তাৰ কাৰণ তেওঁলোকক দেশখনৰ সংবিধানে তেনে এটা কাম কৰিব পৰাৰ ক্ষমতা দি থৈছে। সেয়েহে নেতাৰ ভাষণ শুনিবলৈ যাওঁতে তেওঁলোকক পথত কোনেও বাধা দিব নোৱাৰে, মাৰপিট কৰিব নোৱাৰে। কিন্তু আমাৰ দেশখনত মাজে মাজে ঠায়ে ঠায়ে সেই সকলোবোৰ ঘটনা সংঘটিত হয়, ঘৰ-বাৰী জ্বলে, মানুহৰো প্ৰাণ যায়। এইবোৰ পৱিত্ৰ-গণতন্ত্ৰৰ বিৰোধী কথা, সেয়েহে তেনে কামত আমি কোনেও সহযোগ কৰা উচিত নহয়। ইচ্ছা কৰিলে সেইবোৰ কাম আমাৰ দেশখনে আইনৰ সহায় লৈ অতি সহজতে সমাধান কৰিব পাৰে। একালত মুখ্য নিৰ্বাচনী বিষয়া টিএন শ্বেছনে বহুতকে পানী খুৱাইছিল আৰু দেশখনৰ কিছুমান নিৰ্বাচনী-নীতি পৰ্যন্ত নিৰ্ধাৰণ কৰি দিছিল। সেইবোৰ কাম সকলোৱে কৰিব নোৱাৰে, মেৰুদণ্ডহীন-বিষয়াসকলেতো নোৱাৰেই। বাস্তৱত অযোগ্য মুখ্য নিৰ্বাচনী বিষয়া কাৰোবাৰ হাতৰ পুতলা হৈ পৰিলে দেশ শুদ্ধ পথৰ পৰা পিছলি পৰে বুলি জনসাধাৰণে সমালোচনা কৰা দেখা যায়। যদি বাস্তৱত সঁচায়ে তেনে হয়, সি অতি ভয়ংকৰ কথা হৈ পৰে, দেশ বিপথে চালিত হৈ খালত গৈ পৰিবগৈ পাৰে। গণতন্ত্ৰত ৰাইজৰ প্ৰতিনিধি নিৰ্বাচনত অকণো খুঁত থকা উচিত নহয়। নিৰ্বাচনী প্ৰক্ৰিয়াত কেনেবাকৈ ভুল ব্যৱস্থা চলিলে, ৰাইজ তথা দেশ ভয়ংকৰ ক্ষতিৰ সন্মুখীন হ'ব। অসৎ প্ৰতিনিধিৰে দেশত কেতিয়াও ভাল কাম সম্পন্ন নহয়। বৰং দেশ ধ্বংসৰ পথলৈহে আগবাঢ়িব। আমাৰ দেশ কিয় বিশ্বৰ আনবোৰ দেশলৈও চকু দিলে এই ভুল-ত্ৰুটিবোৰ ধৰা পৰে। স্বৈৰাচাৰী নেতাৰ জন্মৰ কাহিনীও নিৰ্বাচনী প্ৰক্ৰিয়াতে জড়িত হৈ পৰা দেখা যায়। নিৰ্বাচন হওক, নেতাই নিৰ্বাচনত কথা কওক, নিৰ্বাচিত হওক, চৰকাৰ গঠন কৰক আৰু দেশৰ প্ৰগতি সাধন কৰক। নিৰ্বাচনৰ পাছত, কেৱল আনক দোষ দি নাথাকি নিজৰ দলৰ ইস্তাহাৰ অনুসৰি ৰাইজৰ কামত হাত দিয়ক। ৰাইজেও সেই কথাটোলৈহে চকু-কাণ দিব লাগে, তেওঁলোকৰ নিৰ্বাচিত প্ৰতিনিধিসকলে কথামতে কাম কৰিছেনে নাই তাক চোৱাৰ দায়িত্ব তেওঁলোকৰো আছে। হিতাধিকাৰীয়ে চৰকাৰী চাউল খাই জীৱনভৰ চলিব নোৱাৰে, চৰকাৰৰ সহযোগত নিজে নিজৰ ভৰিত থিয় দিবলৈ শিকক, তেহে দেশ আৰু স্বজাতি সভ্য-সবল হৈ জীয়াই থাকিব। পৰমুখাপেক্ষী ধোদৰ পচলা কোনো জাতিয়ে দেশ গঢ়িব নোৱাৰে। সেই কথাটো দেশবাসীয়ে যিমানে সোনকালে বুজে সিমানে দেশখনৰ বাবে মংগল। কোনো প্ৰাকৃতিক দুৰ্যোগত পতিত নোহোৱা, বিপদত নপৰা সুস্থ নাগৰিকক বিনামূলীয়া চাউল-পাত সদায় খুৱাই থকাৰ কোনো যুক্তি নাই। এইবোৰ দেশ দেউলীয়া হোৱাৰ একোটা কাৰণ। এনে কামত প্ৰতিদিনে কোটি কোটি টকা খৰচ হৈছে, ৰাজভঁৰাল দেউলীয়া কৰিছে। এইবোৰ ধন আকাশৰ পৰা অহা নাই, এইবোৰ আমাৰ সকলোৰে ধন। বিপদগ্ৰস্তক সহায় কৰাত কাৰো আপত্তি নাই, কিন্তু এচাম মানুহক বিনা কামত সদায় সহায় কৰাৰ কোন যুক্তিপূৰ্ণ আদৰ্শ থাকিব নোৱাৰে। এইবোৰ কথা গভীৰলৈ গৈ ভাবি চাবৰ সময় হ'ল। দৰিদ্ৰ জনসাধাৰণক সহায় কৰোতে তেওঁলোকৰ পৰাও চৰকাৰে কিবা কামৰ আঁচনি কৰি স্থায়ী সমাধানৰ সূত্ৰ উলিয়াব লাগে। নিৰ্বাচনৰ কামত বহুত হ'ল। এতিয়া দেশৰ নাগৰিকে তেওঁলোকৰ নিৰ্বাচিত প্ৰতিনিধিবোৰক লক্ষ্য কৰক, তেওঁলোকে কামৰ নামত কি কৰে। অসমত চৰকাৰক ব্ৰহ্মপুত্ৰৰ ওপৰত পাঁচখন দলং নিৰ্মাণ কৰিবলৈ কওক, ইন্দু-বাংলাদেশৰ মাজৰ কাঁটা তাঁৰৰ বেৰখন সম্পূৰ্ণ কৰিবলৈ কওক। সোৱণশিৰি বান্ধটো হ'বলৈ নিদিও বোলা মানুহবোৰৰ অনুমতিতে সি এতিয়া সম্পূৰ্ণ হওঁ হওঁ। গতিকে চৰকাৰক বান্ধৰ নিয়মবোৰ পালন কৰি সোৱণশিৰিৰ দুয়ো পাৰে বৃহৎ মথাউৰি বান্ধিবলৈ বাধ্য কৰক। ব্ৰহ্মপুত্ৰৰ তলেদি হ'ব লগা টানেলটোৰ কাম সম্পূৰ্ণ কৰক। এনআৰচিখনৰ বাকী কামবোৰ সম্পূৰ্ণ কৰক। মাটি-ভেটি, ভাষা-সংস্কৃতিৰ ৰক্ষাৰ্থে দিনে-নিশাই কাম কৰক। সেইদৰে মেট্ৰ'ৰেল, স্মাৰ্টচিটি, টুইন টাৱাৰ, নিবনুৱা সমস্যা, চৰকাৰী কাৰ্যালয়ত অসমীয়া ভাষত কাম চলোৱা, স্কুল-কলেজৰ, অফিচ-আদালতত খালী হৈ থকা পদবোৰ পূৰণ কৰা, ৰাজ্যৰ সীমা-বিবাদ, বজাৰ নিয়ন্ত্ৰণ কৰা, চৰকাৰী হাস্পতালবোৰত ডাক্তৰ-নাৰ্ছ নিযুক্তি দিয়া, বছৰ বছৰ ধৰি ৰাস্তা-ঘাটবোৰ সম্পূৰ্ণ হৈ নুঠা কামবোৰ সম্পূৰ্ণ কৰিবলৈ কওক। কামেহে দেশৰ প্ৰগতি সাধিব, নিৰ্বাচনৰ পাছত নিৰ্বাচন আহিয়ে থাকিব; কেৱল সেইবোৰৰ পাছত লাগি থাকিলে নহ'ব। কথাষাৰ সকলোৱে মনত ৰাখক, কামত ধৰক।

ফোন ঃ ৭০৮৬২ ১৭৪২৫



অসম কৃষি বিশ্ববিদ্যালয়ৰ আঞ্চলিক কৃষি মেলাৰ সামৰণি

প্ৰাকৃতিক পাম ব্যৱস্থাপনাৰে কৃষিখণ্ডৰ উন্নয়ন সম্ভৱ ঃ কুমাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

যোৰহাট, ১৪ মাৰ্চ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ সাতোখন ৰাজ্যৰ উপৰি ছিকিমৰ অংশগ্ৰহণেৰে যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয় চৌহদত ১২ মাৰ্চৰ পৰা অনুষ্ঠিত আঞ্চলিক কৃষি মেলাৰ আজি সামৰণি পৰে। তিনিদিনীয়াকৈ অনুষ্ঠিত মেলাৰ আজি অন্তিম দিনা উত্তৰ-পূব ভাৰতৰ কৃষক আৰু কৃষি বিজ্ঞানীৰ উপস্থিতিত কৃষি আৰু কৃষি উদ্যোগীৰ বিভিন্ন সমস্যা সমাধানৰ উদ্দেশ্যে এক আলোচনাচক্ৰ অনুষ্ঠিত হয় । সম্প্ৰসাৰণ *আঠ পৃষ্ঠাত চাওক*

অভিলেখ গঢ়িলে কাগজ কলৰ শ্ৰমিকৰ মৃত্যু সংখ্যাই ঃ সৰৱ জাক্ৰু

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

নগাঁও/মৰিগাঁও, ১৪ মাৰ্চ ঃ চৰকাৰী অৱহেলাত অপমৃত্যু ঘটা নগাঁও কাগজ কল আৰু কাছাৰ কাগজ কলৰ ইজনৰ পাছত সিজনকৈ শ্ৰমিকৰ মৃত্যু ঘটিছে। কালিও কাছাৰ কাগজ কলৰ কৰ্মচাৰী বজলুল হেকিম লস্কৰে তীব্ৰ আৰ্থিক অনাটনৰ বাবে প্ৰয়োজনীয় চিকিৎসা গ্ৰহণ কৰিব নোৱাৰি অকাল মৃত্যুক সাৱটি ল'বলগীয়া হয়। ইয়াৰ লগে লগে অতি দুৰ্ভাগ্যজনকভাৱে দৰমহাৰ অবিহনে কাগজ কলৰ মৃত্যু হোৱা শ্ৰমিকৰ সংখ্যা ১০১জনলৈ বৃদ্ধি পালে। উল্লেখ্য যে লস্কৰ বৃক্কৰ ৰোগত আক্ৰান্ত হৈ আছিল।

ইপিনে, আজি এক বিবৃতিযোগে নগাঁও আৰু কাছাৰ কাগজ কল শ্ৰমিক ইউনিয়ন জাক্ৰুৰ সভাপতি মানৱেন্দ্ৰ চক্ৰৱৰ্তী আৰু সাধাৰণ সম্পাদক আনন্দ বৰদলৈয়ে কয়, 'নগাঁও আৰু কাছাৰ কাগজ কলৰ শ্ৰমিকসকলে বিগত ৬২ মাহে দৰমহাৰ পৰা বঞ্চিত হৈ চৰম দৈন্যত ভুগিছে। কেৱল আৰ্থিক অনাটনৰ বাবেই প্ৰয়োজনীয় চিকিৎসাৰ অভাৱত ইজনৰ পাছত সিজন শ্ৰমিকৰ অকাল মৃত্যু হৈছে। আনকি একাংশই চৰম হতাশাত ভাগি পৰি আত্মহননৰ পথো বাচি ল'বলগীয়া হৈছে। এনেবোৰ হৃদয়বিদাৰক ঘটনা সংঘটিত হোৱাৰ পাছতো চৰকাৰে কোনোধৰণৰ দায়িত্বশীল মনোভাৱ দেখুওৱা পৰিলক্ষিত নহ'ল। সম্ভৱতঃ বিশ্বৰ ইতিহাসত এনেকুৱা নজিৰবিহীন ঘটনা কোনো দেশতে সংঘটিত হোৱা নাই।' ভাৰতৰ দৰে এখন কল্যাণকামী ৰাষ্ট্ৰত চৰকাৰৰ দ্বাৰা পৰিচালিত, নিয়ন্ত্ৰিত সংস্থাত এনেধৰণৰ অমানুষিক নিৰ্যাতন ভাৰতবৰ্ষৰ সংবিধান দ্বাৰা অৰ্জিত সকলো মানৱাধিকাৰ উলংঘনৰ এক নতুন নজিৰবিহীন ইতিহাস সৃষ্টি হৈছে *আঠ পৃষ্ঠাত চাওক*

বিশ্বনাথত কণ্টেইনাৰৰ পৰা ২৩ টাকৈ গৰু জব্দ

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ১৪ মাৰ্চ ঃ এখন কণ্টেইনাৰত অনা ২৩ টাকৈ চোৰাং গৰুসহ চালকক গ্ৰেপ্তাৰ কৰিছে বিশ্বনাথ সদৰ থানাত আৰক্ষীয়ে। যোৱা নিশা থানাখনৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জিত কুমাৰ ৰয়ে এক বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত বিশ্বনাথ সদৰ আৰক্ষীৰ এটা দলে থানাৰ সন্মুখতে তালাচীৰ ব্যৱস্থা কৰে। আৰক্ষীৰ দলটোৱে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে চিলাপথাৰৰ পৰা গুৱাহাটী অভিমুখী কণ্টেইনাৰখন ৰখাবলৈ সংকেত দিয়ে যদিও বাহনখনে তীব্ৰ গতিত পলায়ন কৰে। আৰক্ষীয়ে পাছে পাছে খেদি গৈ ট্ৰাকখন চতিয়াৰ সমীপত জব্দ কৰিবলৈ সক্ষম হয়। কণ্টেইনাৰখনৰ পৰা ২৩ টা গৰু উদ্ধাৰ কৰাৰ লগতে ট্ৰাক চালক ইদ্ৰিছ আলীক গ্ৰেপ্তাৰ কৰে।

■ উদয়াচল ৰাজ্যৰ দাবীত সৰৱ

■ তিনি বড়ো চুক্তিক লৈ নহয় সন্তুষ্ট

নতুন শক্তি লৈ পুনৰ সংগঠিত ভৈয়াম জনজাতি পৰিষদ অসম

বৰমা, ১৪ মাৰ্চ ঃ 'বিটিআৰ চুক্তিয়ে সংকুচিতহে কৰিলে পূৰ্বৰ বিটিচিৰ সীমা। ইয়াত বসবাস কৰা জাতি-জনগোষ্ঠীৰ আশা-আকাংক্ষা পূৰণত ব্যৰ্থ হৈছে বিটিআৰ চীফ প্ৰমোদ বড়ো। বিটিআৰক লৈ ক্ষুন্ন হ'ব ধৰিছে বড়ো জনগণ। সেয়েহে পুনৰ দাবী উঠিছে সুকীয়া ৰাজ্য উদয়াচল। বিভিন্ন কাৰণত উদয়াচলৰ দাবীদাৰ সংগঠন 'ভৈয়াম জনজাতি পৰিষদ অসম' (পিটিচিএ) কিছু পৰিমানে দুৰ্বল হৈছিল যদিয়ো ভংগ হোৱা নাছিল । পুনৰ ন ৰূপত সংগঠিত হৈছে পিটিচিএ। অতি শীঘ্ৰেই জোৰদাৰ আন্দোলন হ'ব জনজাতিসকলৰ বাবে উদয়াচল ৰাজ্যৰ দাবী।' আজি বৰমাত অসম ভৈয়াম জনজাতি পৰিষদ (পিটিচিএ)ৰ নেতৃবৰ্গই এক সংবাদমেল সম্বোধন কৰি ভাৰতৰ ভিতৰতে সুকীয়া উদয়াচল ৰাজ্যৰ দাবী তোলে । সংবাদমেলত পিটিচিএৰ প্ৰস্তুতি সমিতিৰ সভাপতি ফাৰ্মিনাচ নাৰ্জাৰীয়ে কয় যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মাজত হোৱা তিনিওখন বড়ো চুক্তিত আমি সন্তুষ্ট নহয় বুলি সদৰী কৰি উদয়াচল ৰাজ্যৰ বিষয়ত কে'বাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। পিটিচিএৰ কেন্দ্ৰীয় সম্পাদক থানেশ্বৰ বড়োই সংবাদমেলত কয় যে ১৯৬৭ৰ ২০ মে'ত পিটিচিএ-এ অসমৰ পৰা জনজাতীয় নেতা সতীশ চন্দ্ৰ বসুমতাৰী, চৰণ নাৰ্জাৰী, সমৰব্ৰহ্ম চৌধুৰী, অজিত কুমাৰ বসুমতাৰী, পদ্মলোচন *আঠ পৃষ্ঠাত চাওক*

গোসাঁইগাঁৱত শহুৰেকৰ হাতত প্ৰাণ গ'ল অন্তঃসত্বা বোৱাৰীৰ

অগ্ৰদূত বাৰ্তা

শ্ৰীৰামপুৰ/ গোসাঁইগাঁও/ দোতমা, ১৪ মাৰ্চ ঃ যৌতুকৰ দাবীত অমানুষিক অত্যাচাৰ চলোৱাতে ক্ষান্ত নাথাকি এগৰাকী অন্তঃসত্বা বোৱাৰীক নৃশংসভাৱে হত্যা কৰিলে স্বামীৰ পিতৃয়ে। এই ঘটনা সংঘটিত হৈছে কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰীৰ আহমেদপুৰ-পাটিয়ালপাৰাত। বিবাহৰ পাছৰে পৰা বিগত প্ৰায় তিনি বছৰ ধৰি যৌতুকৰ নামত নাৰকীয় নিৰ্যাতন ভোগ কৰি অহাৰ পাছত যোৱা নিশা শহুৰেকৰ হাতত প্ৰাণ দিবলগীয়া হ'ল অন্তঃসত্বা মহিলাগৰাকীয়ে। এই হত্যাকাণ্ডত পৰোক্ষভাৱে জড়িত থকাৰ অভিযোগত *আঠ পৃষ্ঠাত চাওক*

পত্নীৰ আত্মজাহৰ গোচৰ ঃ স্বামীক সাত বছৰ কাৰাদণ্ডৰ নিৰ্দেশ তেজপুৰ আদালতৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১৪ মাৰ্চ ঃ প্ৰায় আঠ বছৰৰ পাছত আজি তেজপুৰ ফাষ্টট্ৰেক আদালতে আল্লালউদ্দিন নামৰ লোকজনক সাত বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ৫৫ হেজাৰ টকাৰ জৰিমনা বিহিছে। আদালতৰ গোচৰ নম্বৰ ১৪১/২০১৫ আৰু ঢেকিয়াজুলি আৰক্ষী থানাত পঞ্জীভুক্ত ৫০৬/২০১৩ গোচৰৰ ভিত্তিত আজি এই ৰায়দান দিয়া হয়। উল্লেখ্য যে অভিযুক্ত লোকজনৰ বিৰুদ্ধে পত্নীক শাৰীৰিক-মানসিক নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপন হৈছিল আৰু ইয়াৰ পৰিণতিত আত্মজাহ দিবলৈ বাধ্য হৈছিল আজি দোষী সাব্যস্ত হোৱা আল্লালৰ পত্নী আকলিমা খাতুনে। ইয়াৰ পাছতে মৃত আকলিমাৰ হৈ সেই সময়ত গোচৰ তৰিছিল মদন আলী নামৰ লোকজনে। দীৰ্ঘদিন গোচৰৰ অন্তত অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ এছ কে ঘোষে আজি ভাৰতীয় দণ্ড বিধি ৩০৬ ধাৰাৰ অধীনত এই ৰায়দান কৰে। কাৰাদণ্ডৰ সন্মুখীন হোৱা আল্লালৰ ঘৰ এক নম্বৰ বছা শিমলু অঞ্চলত।

ছিপাঝাৰৰ কদমতলীত অগ্নিকাণ্ড

অংগনৱাড়ী কেন্দ্ৰত খাদ্য প্ৰস্তুত কৰোঁতে অঘটন

অগ্ৰদূত বাৰ্তা

ছিপাঝাৰ, ১৪ মাৰ্চ ঃ আজি পুৱা ছিপাঝাৰৰ কদমতলীৰ এটি অংগনৱাড়ী কেন্দ্ৰত হঠাৎ ছিলিণ্ডাৰৰ পৰা জুই নিৰ্গত হৈ অগ্নিকাণ্ড সংঘটিত হয় আৰু কথমপি কেন্দ্ৰটোত থকা কণ কণ শিশু নিশ্চিত মৃত্যুৰ পৰা ৰক্ষা পৰে। ঘটনাৰ বিৱৰৰণিত প্ৰকাশ যে কদমতলীৰ অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী আৰু সহায়িকাজনে গেছ জ্বলাই শিশুৰ বাবে খাদ্য প্ৰস্তুত কৰাৰ সময়তে হঠাৎ ছিলিণ্ডাৰৰ পৰা অগ্নি নিৰ্গত হৈ দাওদাওকৈ জ্বলি উঠে। লগে লগেই হুৱাদুৱা লাগে আৰু তাৎক্ষণিকভাৱে ছিপাঝাৰ অগ্নিনিৰ্বাপক বাহিনীৰ জোৱানসকলে অগ্নি নিৰ্বাপণ কৰে। সময় মতে অগ্নিনিৰ্বাপক বাহিনী আহি নোপোৱা হ'লে অগ্নিকাণ্ডত বিস্তৰ ক্ষতি হ'লহেঁতেন।

কলিয়াবৰত অধিবক্তা তপন বৰদলৈৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

কলিয়াবৰ, ১৪ মাৰ্চ ঃ কলিয়াবৰ মহকুমা ন্যায়িক আদালতৰ অধিবক্তা তথা কলিয়াবৰ তিনিআলিৰ নিবাসী তপন বৰদলৈ (৪৭)ৰ যোৱা নিশা জিএমচি হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। কিছুদিন ধৰি তেওঁ এক জটিল ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল বুলি পৰিয়ালৰ সূত্ৰই জনাইছে। তেওঁৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ অধিবক্তা পত্নী স্বপ্না বৰদলৈ সহিতে এটি পুত্ৰ সন্তান এৰি যায়।

মাইক্ৰ'ফাইনেন্স শোষণ বিৰোধী সংগ্ৰামী মঞ্চৰ অভিযোগ

ঋণগ্ৰস্ত মহিলাক চৰকাৰৰ প্ৰৱঞ্চনা

বিশেষ সংবাদদাতা

নগাঁও, ১৪ মাৰ্চঃ মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাই দিয়াৰ প্ৰতিশ্ৰুতি দি চৰকাৰে একাংশ ঋণগ্ৰস্ত মহিলাক বঞ্চনা কৰাৰ অভিযোগ উত্থাপন কৰিছে মাইক্ৰ'ফাইনেন্স শোষণ বিৰোধী যৌথ সংগ্ৰামী মঞ্চৰ নগাঁও জিলা সমিতিয়ে। আজি সমিতিৰ সভানেত্ৰী মঞ্জু কোঁৱৰ আৰু সম্পাদিকা আয়েফা বেগমে এক বিবৃতিত কয় যে মাইক্ৰ'ফাইনেন্সৰ ঋণ মুক্তিৰ আশ্বাস প্ৰদান কৰি ক্ষমতালৈ অহা ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰখনে ঋণ মুক্তিৰ নামত ঋণগ্ৰস্ত মহিলাসকলক প্ৰৱঞ্চনা কৰিছে। নেত্ৰী দুগৰাকীয়ে পুনৰ কয় যে মাইক্ৰ'ফাইনেন্স কোম্পানীসমূহে ঋণগ্ৰস্ত মহিলাসকলক দৈনিক ভয়-ভাবুকি আৰু প্ৰলোভন দি হাৰাশাস্তি কৰি আছে। পুৰণি ঋণ ৰেহাই হ'ব বুলি নতুনকৈ ঋণ প্ৰদান কৰি পুৰণি ঋণৰ ধন আদায় কৰি লৈছে, যিসকলে নতুন ঋণ নলৈ চৰকাৰী ঋণ ৰেহাইৰ বাবে অপেক্ষা কৰিছে তেওঁলোকলৈ কোম্পানীৰ পৰা নাইবা অধিবক্তাৰ পৰা অথবা লোক আদালতৰ পৰা কিস্তি পৰিশোধ কৰিবলৈ জাননী প্ৰেৰণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঋণ ৰেহাইৰ অনলাইন আবেদনৰ কথা ঘোষণা কৰি প্ৰক্ৰিয়াটো মাহৰ পাছত মাহ পিছুৱাই কোম্পানীসমূহক হাৰাশাস্তি চলাই যোৱাৰ অনুজ্ঞাপত্ৰহে প্ৰদান কৰিছে বুলি অভিযোগ উত্থাপন কৰে যৌথ সংগ্ৰামী মঞ্চৰ নেত্ৰী দুগৰাকীয়ে।

নেত্ৰী দুগৰাকীয়ে লগতে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে প্ৰদান কৰা উদগনিমূলক নগদ ধন বিতৰণৰ ক্ষেত্ৰত বৈষম্যমূলক আচৰণ গ্ৰহণ কৰিছে। বিশেষকৈ নগাঁও জিলাত যিসকলে নিয়মীয়াকৈ ঋণৰ কিস্তি প্ৰদান কৰি শেষ কৰা বহু মহিলা এই ধন পোৱাৰ পৰা বঞ্চিত হৈছে । বহু মহিলাক ২৫ হেজাৰ টকাৰ চেক আহিছে বুলি প্ৰলোভন দেখুৱাই কোম্পানীয়ে ঋণ আদায় কৰিছে আৰু *আঠ পৃষ্ঠাত চাওক*

চামগুৰিৰ ৰঙাগড়াত পথ দুৰ্ঘটনাত যুৱক নিহত ঃ অৱৰোধ

অগ্ৰদূত বাৰ্তা

চামগুৰি, ১৪ মাৰ্চ ঃ নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত ৰঙাগড়াৰ চাৰিশাৰীযুক্ত ঘাইপথত যোৱা নিশা সংঘটিত এক পথ দুৰ্ঘটনাত এজন যুৱক থিতাতে নিহত হোৱাক কেন্দ্ৰ কৰি উত্তেজনাৰ সৃষ্টি হয়। চাৰিশাৰীযুক্ত ঘাইপথ নিৰ্মাণকাৰী কোম্পানী ছিমপ্লেক্সৰ গাফিলতিৰ বাবে দুৰ্ঘটনাটোত যুৱকজন নিহত হোৱাৰ অভিযোগ উত্থাপন কৰি ৰাইজে ঘাইপথটো অৱৰোধ কৰে। উল্লেখ্য যে দুৰ্ঘটনাটোত আন এজন যুৱক গুৰুতৰভাৱে আহত হয়। যোৱা নিশা ৯-৪৫ বজাত আমনি অঞ্চলৰ নিবাসী শুভম বিশ্বকৰ্মাৰ পুত্ৰ বিজয় বিশ্বকৰ্মা (২২) *আঠ পৃষ্ঠাত চাওক*

চিকিৎসকৰ ভুল চিকিৎসাত নৱজাতকৰ মৃত্যুৰ অভিযোগ ঃ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষী, অৰ্ধসামৰিক বাহিনীসহ দণ্ডাধীশ উপস্থিত

পাঠশালা মেটাৰনিটি হাস্পতালত উত্তপ্ত পৰিস্থিতি

বিশেষ সংবাদদাতা

পাঠশালা, ১৪ মাৰ্চ ঃ বজালী জিলা সদৰ পাঠশালাৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ৰ চিকিৎসকলৰ ভুল চিকিৎসাৰ ফলতে এটি নৱজাতকৰ মৃত্যু হোৱাৰ অভিযোগ উঠিছে। এই অভিযোগত আজি উত্তাল হৈ পৰে হাস্পতাল চৌহদ। অভিযোগ অনুসৰি, বজালী জিলাৰ অন্তৰ্গত পূব বৰলা নিবাসী ৰাণু ৰয় নামৰ মহিলাগৰাকীয়ে যোৱা ১২ মাৰ্চত পাঠশালাৰ ছহিদ মদন ৰাউতা অসামৰিক চিকিৎসালয়ত এটি পুত্ৰ সন্তান জন্ম দিয়ে। জন্মৰ পাছত শিশুটিৰ দেহত শৰ্কৰাৰ পৰিমাণ কম থকাৰ বাবে চিকিৎসক হিমাংশু কলিতাৰ পৰামৰ্শ মৰ্মে নৱজাতকক ব্যক্তিগত খণ্ডৰ পাঠশালা মেটাৰনিটি হাস্পতালত ভৰ্তি কৰা হয়। চিকিৎসাৰ অন্তত নিশা শিশুটি সুস্থ হোৱাত পৰিয়ালৰ লোকে ঘৰলৈ লৈ যোৱাৰ অনুমতি বিচাৰি অনুৰোধ জনায়। পৰিয়ালৰ অভিযোগ অনুসৰি, চিকিৎসালয় কৰ্তৃপক্ষই ৰহস্যজনকভাৱে দিনৰ ১২ বজাৰ পাছতহে শিশুটিক নিবলৈ অনুমতি প্ৰদান কৰিব বুলি জনায়। ইয়াৰ কিছু সময়ৰ পাছত পুনৰ চিকিৎসক কলিতাই শিশুটিৰ বাবে দুটা বেজী আনি দিবলৈ পৰিয়ালৰ লোকক নিৰ্দেশ দিয়ে। পৰিয়ালে অভিযোগ কৰে যে উক্ত বেজী দুটা নৱজাতকটিক প্ৰদান কৰাৰ কিছু সময়ৰ পাছতে শিশুটিৰ দেহৰ বৰণ হালধীয়া হ'বলৈ ধৰে আৰু ততালিকে অসুস্থ হৈ মৃত্যুমুখত পৰে। কিছু সময়ৰ আগলৈকে সুস্থ হৈ থকা শিশুটিৰ আকস্মিক মৃত্যুৰ পাছতে চিকিৎসালয়খনত এক উত্তেজনাময় পৰিৱেশৰ সৃষ্টি হয়। মৃত শিশুটিৰ আত্মীয়সকলে চিকিৎসক কলিতাই শিশুটিক হত্যা কৰাৰ অভিযোগ উত্থাপন কৰি পৰিস্থিতি অধিক উত্তপ্ত কৰি তোলে। কিছু সময়ৰ পাছতে চিকিৎসালয়খনত বহুসংখ্যক লোক উপস্থিত হৈ চিকিৎসক আৰু চিকিসালয়খনৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। লাহে লাহে পৰিস্থিতি অধিক উত্তপ্ত হোৱাত হাস্পতালখনত বজালী জিলা আৰক্ষী অধীক্ষকৰ নেতৃত্বত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ এটি দলৰ লগতে দণ্ডাধীশ আহি ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলায়। প্ৰায় তিনি ঘণ্টাৰ অন্তত আৰক্ষীয়ে প্ৰতিবাদকাৰীসকলৰ দাবীত ডাঃ কলিতাক চিকিৎসালয়ৰ পৰা আটক কৰি নিৰাপত্তা বেষ্টনীৰ মাজেৰে পাঠশালা আৰক্ষী চকীলৈ লৈ যায়। লক্ষ্যণীয়ভাৱে ভুক্তভোগীৰ পৰিয়ালৰ তৰফৰ পৰা পাঠশালা আৰক্ষী চকীত কোনোধৰণৰ গোচৰ ৰুজু কৰা নাই বুলি আৰক্ষী সূত্ৰই জনাইছে। আনহাতে, নৱজাতকটিৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ইতিমধ্যে বৰপেটালৈ প্ৰেৰণ কৰিছে।

সমবায়ৰ এজেণ্ট নিযুক্তিক লৈ গ্ৰাহকৰ প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

অভয়াপুৰী, ১৪ মাৰ্চ ঃ বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা খাদ্য আৰু যোগান বিভাগৰ কাৰ্যালয়ৰ অন্তৰ্গত সৃজনগ্ৰাম সমবায় সমিতিত সুলভ মূল্যৰ এজেণ্টৰ অনুজ্ঞাপত্ৰ দিয়াক কেন্দ্ৰ কৰি গ্ৰাহকসকলে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। সমবায় সমিতিখনৰ অন্তৰ্গত কাহীবাৰীৰ এজেণ্ট দ্বীপেন বৰ্মনে এজেণ্টৰ দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ পাছত গ্ৰাহকসকলক আন এজেণ্ট ছিদ্দিক গোৱালৰ পৰা সামগ্ৰী লোৱাৰ বাবে নিৰ্দেশ দিয়ে। তাৰ পাছতে সমবায় কৰ্তৃপক্ষই নতুন এজেণ্ট নিয়োগৰ বাবে জাননী জাৰি কৰে। সেইমতে অঞ্চলটোৰ পৰা চাৰি-পাঁচজন লোকে এজেণ্টৰ বাবে আবেদন কৰে। কিন্তু সমবায় কৰ্তৃপক্ষই ৰহস্যজনকভাৱে এমাহ পূৰ্বে আবেদন কৰা হাছমত আলীৰ নামটো মহকুমা খাদ্য আৰু অসামৰিক যোগান বিভাগৰ কাৰ্যালয়লৈ পঠিয়ায়। পাছত গ্ৰাহকৰ আপত্তিৰ পাছতো হাছমতক এজেণ্টৰ অনুজ্ঞাপত্ৰ দিয়ে। সেয়ে আজি গ্ৰাহকসকলে হাছমত আলীৰ অনুজ্ঞা পত্ৰ বাতিলৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰি এক উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। উল্লেখ্য যে নতুনকৈ নিযুক্ত হাছমতৰ পৰা ১৪৫ গৰাকী গ্ৰাহকে সামগ্ৰী ক্ৰয় কৰাৰ ক্ষেত্ৰত দুৰ্ঘোৰ আপত্তি দৰ্শাই আজি পুনৰ মহকুমা খাদ্য আৰু অসামৰিক যোগান বিভাগৰ লগতে সৃজনগ্ৰাম সমবায় সমিতি আৰু স্থানীয় পঞ্চায়তত আবেদন জনায়।

নলবাৰীৰ দৌলগোবিন্দপুৰত তিনিদিনীয়াকৈ দৌল উৎসৱ

অগ্ৰদূত বাৰ্তা

নলবাৰী, ১৪ মাৰ্চ ঃ নলবাৰী জিলাৰ ঐতিহ্যমণ্ডিত দৌলগোবিন্দপুৰত এইবেলিও মহাপ্ৰভু শ্ৰীকৃষ্ণৰ দৌল উৎসৱ আৰু মাৰ্চত আয়োজন কৰা হৈছে। ইতিমধ্যে সমাজকৰ্মী গণেশ তামুলীক সভাপতি ,ৰূপিন চন্দ্ৰ কলিতাক কাৰ্যকৰী সভাপতি আৰু দিলজিৎ বৰ্মনক সাধাৰণ সম্পাদক হিচাপে লৈ গঠিত নলবাৰী দৌল উৎসৱ সমিতিয়ে ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে। কাৰ্যসূচী অনুসৰি সভাপতি গণেশ তামুলীয়ে ধৰ্মধ্বজা উত্তোলন কৰাৰ পাছত দৌল উৎসৱৰ স'তে জড়িত ব্যক্তিৰ স্মৃতিচাৰণ কৰিব দৌলগোবিন্দপুৰ নাগৰিক সমাজৰ সভাপতি নগেন দত্ত, ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ ক্ষেত্ৰ সংঘচালক ডাঃ উমেশ চক্ৰৱৰ্তী , নলবাৰী জিলা মহিলা সমিতিৰ উপ-সভানেত্ৰী নীৰা বৰুৱা আৰু সমাজকৰ্মী লাবন্য বৰকাকতিয়ে। দৌলমন্দিৰৰ আধাৰশিলা স্থাপন কৰিব গুৱাহাটী, কৰ্ণাচলৰ বিশিষ্ট জ্যোতিষবিদ সিদ্ধেশ্বৰ শৰ্মাই। বিয়লি খাটাবাৰীৰ ভকতপাৰাস্থিত পদ্মনাভ গোসাঁই নামঘৰৰ পৰা আৰম্ভ হব লগা ধৰ্মীয় শোভাযাত্ৰা উদ্বোধন কৰিব বিশিষ্ট অভিনেতা ধীৰেন কুমাৰ বৰ্মনে। মাংগলিক কাৰ্যসূচী 'গন্ধ সবাহ' বিজেপি ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য মধুৰাম ডেকাই মুকলি কৰাৰ পাছত দৌল উৎসৱ উদ্বোধন কৰিব বিজেপিৰ ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মাই । অনুষ্ঠানত মুখ্য অতিথি হিচাপে গুৱাহাটী উন্নয়ন প্ৰাধিকৰনৰ অধ্যক্ষ নাৰায়ন ডেকা আৰু বিশিষ্ট অতিথি হিচাপে 'ভোগালী জলপান'ৰ পৰিচালন সঞ্চালক অজিত শৰ্মা বৰুৱা , সমাজকৰ্মী শান্তনু কলিতাই অংশগ্ৰহণ কৰিব । গধূলি ধমধমা, মহিনাৰ পাঠক সৰ্বেশ্বৰ কলিতাৰ নাগাৰা নাম উদ্বোধন কৰিব নলবাৰী উন্নয়ন প্ৰাধিকৰনৰ অধ্যক্ষ বনদীপ ডেকাই। ১৮ মাৰ্চত নলবাৰী হৰিমন্দিৰ চ'কত অনুষ্ঠিত হ'ব লগা 'ৰাজহুৱা হোলী' উদ্বোধন কৰিব বিশিষ্ট সংগীত শিল্পী মৃনালকান্তি মেধিয়ে। আবেলি ৰমেন বৰুৱা সোঁৱৰণী মঞ্চ উদ্বোধন কৰিব বিজেপি ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য কমল হাজৰিকাই। সংবাদসেৱী গিৰিশ মজুমদাৰ সোঁৱৰণী ধৰ্মীয় গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব অসম নাট্য সন্মিলন, নলবাৰী জিলাৰ সম্পাদক দিগন্ত মিশ্ৰই। 'সনাতন হিন্দু ধৰ্মৰ সংহতি আৰু বিস্তৃতি' শীৰ্ষক চোহনলাল জৈন বক্তৃতানুষ্ঠানত বক্তব্য ৰাখিব বিশিষ্ট অৰ্থনীতিবিদ ড° দেবজিৎ মহন্তই। গধূলি সমাজসেৱক নবীন চন্দ্ৰ তামুলী সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব সমাজকৰ্মী তথা ব্যৱসায়ী হৰেন মহন্তই ।ভাৰতৰত্ন কোকিলকণ্ঠী লতা মাংগেশকাৰ স্মৃতিচাৰণ সুমধুৰ গীতৰ অনুস্থানত আমন্ত্ৰিত শিল্পীৰ লগতে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক প্ৰদ্যুৎ ভূঞা , অগপ নেতা ডঃ ৰবীন দাস আৰু সমাজকৰ্মী ৰাজু বৰুৱাই অংশগ্ৰহণ কৰিব। ১৯ মাৰ্চত সমাজসেৱী হৰেন্দ্ৰ বৰ্মণ সোঁৱৰণী চিত্ৰাংকণ প্ৰতিযোগিতা অধ্যক্ষ অজিত শৰ্মাই উদ্বোধন কৰিব। সুৰেৰী 'গোসাই ভ্ৰমণ' উদ্বোধন কৰিব বীৰেণ ৰাজবংশীয়ে। আবেলি সাহিত্যিক ৰমেশ চন্দ্ৰ শৰ্মা সোঁৱৰণী হোলী-গীত প্ৰতিযোগিতা উদ্বোধন কৰিব অভিযন্তা মহেন্দ্ৰ মোহন দাসে ।

ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ছাত্ৰীক শাস্তি দিয়া ঘটনাত শিক্ষয়িত্ৰীক অব্যাহতি

বিশেষ সংবাদদাতা

পাঠশালা, ১৪ মাৰ্চ ঃ বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ এগৰাকী ঠিকাভিত্তিক প্ৰবক্তাই এগৰাকী ছাত্ৰীক কাণত ধৰি উঠা-বহাৰ নিৰ্দেশ দিয়াৰ উপৰি সেই ঘটনা ম'বাইল ফোনত ৰেকৰ্ডিং কৰি ভাইৰেল কৰা বিষয়টোক লৈ পাঠশালাত আজিও অব্যাহত আছে প্ৰতিক্ৰিয়া। সামাজিক মাধ্যমত বিষয়টোৱে চৰ্চা লাভ কৰাৰ লগতে শিক্ষয়িত্ৰীগৰাকীৰ কাৰ্যক সকলোৱে একেমুখে ধিক্কাৰ দিছে। এনে পৰিস্থিতিত আজি ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ পৰিষদৰ আহ্বানত বিষয়টো সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়। সভাত বিশ্ববিদ্যালয় ছাত্ৰ কল্যাণ পৰিষদ, ছাত্ৰ একতা সভাৰ সভাপতি, সম্পাদক সমন্বিতে নেতৃত্ব আৰু প্ৰতিটো বিভাগৰে মুৰব্বী অধ্যাপকৰ মাজত সমগ্ৰ বিষয়টো সন্দৰ্ভত আলোচনা কৰি সৰ্বসন্মতি ক্ৰমে ঠিকাভিত্তিক প্ৰবক্তা জয়শ্ৰী দাসক অব্যাহতি দিয়াৰ প্ৰস্তাৱ গ্ৰহণ কৰে আৰু সেই প্ৰস্তাৱ বিশ্ববিদ্যালয় উপাচাৰ্যলৈ প্ৰেৰণ কৰে। ইয়াৰ পাছতে উপাচাৰ্যই ঠিকাভিত্তিক প্ৰবক্তা দাসক তাৎক্ষণিকভাৱে বলৱৎ হোৱাকৈ বিশ্ববিদ্যালয়খনৰ পৰা অব্যাহতি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে।

কণমানি সন্তানক এৰি একেলগে

তিনি পৃষ্ঠাৰ পৰা মৃতদেহ। মৃত টিংকুমণি দাস (২২) আৰু দীপিকা দাস (২০)ৰ এটি চাৰি বছৰীয়া কণমানি সন্তান আছে। ঘটনাস্থলীত পলাশবাৰী আৰক্ষী আৰু বিজয়নগৰ আৰক্ষীয়ে উপস্থিত হৈ তদন্ত চলাই আছে। পৰিয়ালকেন্দ্ৰিক সংঘাতৰ বাবে দম্পতীয়ে আত্মহত্যা কৰাৰ সন্দেহ প্ৰকাশ কৰিছে স্থানীয় লোকে।

দুমাহৰ ভিতৰত গৃহৰক্ষীৰ সমস্যা

তিনি পৃষ্ঠাৰ পৰা আজি আবেলি জনতা ভৱনস্থিত বিভাগৰ আলোচনা কক্ষত প্ৰতিবাদী গৃহৰক্ষীসকলৰে হোৱা এক বৈঠকৰ অন্তত অসম চৰকাৰৰ হৈ এই প্ৰতিশ্ৰুতি প্ৰদান কৰা হয়। ফলস্বৰূপে আজি সম্পূৰ্ণ ছদিনৰ অন্তত সদৌ অসম গৃহৰক্ষী স্বেচ্ছাসেৱক কল্যাণ সন্থাই অনিৰ্দিষ্টকালীন প্ৰতিবাদী কাৰ্যসূচী প্ৰত্যাহাৰ কৰে।

উল্লেখ্য যে সন্থাৰ উদ্যোগত শতাধিক গৃহৰক্ষী জোৱানে যোৱা ন মাৰ্চৰ পৰা অনিৰ্দিষ্টকালীনভাৱে মহানগৰীৰ ভিআইপি ৰোডৰ চচলস্থিত নিৰ্ধাৰিত ধৰ্ণাস্থলীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি আহিছিল। সন্থাৰ মূল দাবীসমূহ হ'ল— ১৯৪৭ৰ অসম গৃহৰক্ষী আইন ২০১৫ত সংশোধিত নিয়মাৱলী পুনৰ সংশোধন ঘটাই কৰ্মৰত গৃহৰক্ষী স্বেচ্ছাসেৱকসকলৰ চাকৰি নিয়মীয়াকৰণ কৰা, উচ্চতম ন্যায়ালয় আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ে প্ৰদান কৰা ৰায় অনুসৰি সমান কামৰ সমান মজুৰি প্ৰদান কৰা আৰু অসম গৃহৰক্ষী স্বেচ্ছাসেৱকসকলক কৰ্তব্যত মকৰলৰ ক্ষেত্ৰত 'হোমগাৰ্ড ডেপ্লইমেণ্ট ছফ্টৰেৰ ছিষ্টেম' বন্ধ কৰা। সন্থাৰ সভাপতি ৰঞ্জিত লয়িঙে 'দৈনিক অগ্ৰদূত'ক জানিবলৈ দিয়ে যে আজি বৈঠকত কোনো কাৰণতে ৫০ শতাংশ পদৰ সংখ্যা হ্ৰাস কৰা নহয় বুলিও প্ৰতিবাদী গৃহৰক্ষী জোৱানসকলক চৰকাৰৰ তৰফৰ পৰা জানিবলৈ দিয়া হয়। সন্থাৰ সভাপতি লয়িঙে কয়, 'আমি সন্মুখীন হৈ অহা সকলো মৌলিক সমস্যাৰ সমাধান অহা দুমাহৰ ভিতৰত কৰি দিয়াৰ প্ৰতিশ্ৰুতি সংশ্লিষ্ট কৰ্তৃপক্ষই আজি আমাক প্ৰদান কৰিছে। একপ্ৰকাৰ আমাৰ দাবী মানি লৈছে। কিন্তু আমাৰ সিদ্ধান্ত স্পষ্ট, যদিহে অসম চৰকাৰে প্ৰতিশ্ৰুতি পূৰণ কৰাত ব্যৰ্থ হয়, আমি পুনৰ জংগী আন্দোলন আৰম্ভ কৰিম। প্ৰতিশ্ৰুতি অনুসৰি এই মুহূৰ্তত আমি প্ৰতিবাদী কাৰ্যসূচী সাময়িকভাৱে বাতিল কৰিছো।'

নিজৰ কৰ্তব্যত দিন-ৰাতি একাকাৰ কৰি চৰকাৰৰ প্ৰতিটো গুৰুত্বপূৰ্ণ বিভাগৰ কাৰ্যালয়ত কৰ্তব্যত নিয়োজিত হৈ, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান , ব্যক্তিগত খণ্ডৰ কাৰ্যালয়, দেশৰ প্ৰতিটো জৰুৰী অৱস্থাত, প্ৰাকৃতিক দুৰ্যোগৰ সময়ত, গোষ্ঠী সংঘৰ্ষৰ সময়ত, প্ৰতিটো গণতান্ত্ৰিক নিৰ্বাচনত প্ৰত্যক্ষভাৱে ৰাজ্যৰ ২৪,৬৯৬ গৃহৰক্ষী জোৱান নিয়োজিত হৈ আহিছে বুলি উল্লেখ কৰি সন্থাৰ সভাপতি লয়িঙে লগতে কয়, 'বিশ্বব্যাপী ভয়াৱহ ৰূপ ধাৰণ কৰা কৰ'না মহামাৰীৰ গণ সংক্ৰমণক প্ৰতিৰোধ কৰাত ডাক্তৰ, নাৰ্ছ, আশাকৰ্মী, সাংবাদিক আৰু অসম আৰক্ষী বাহিনীৰ লগত ২৪ ঘণ্টাই গৃহৰক্ষী জোৱানেও মৃত্যুক আঁকোৱালি ল'ব লগা হ'ল। কিন্তু এই প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী স্বেচ্ছাসেৱক জোৱানসকলৰ দৈনিক মজুৰি মাত্ৰা মাত্ৰ তিনিশ টকা। নাই কোনো চৰকাৰী সুবিধা। আমি ন্যায় পাম ক'ত?'

কন্দলৰ পৰিণতিত অন্তঃসত্বা পত্নীক

তিনি পৃষ্ঠাৰ পৰা উল্লেখ্য যে ডিব্ৰুগড় সদৰ আৰক্ষী থানাৰ চৌহদতে এই হত্যাকাণ্ড সংঘটিত হয়। আৰক্ষী থানাখনৰ চৰকাৰী আবাসত সংঘটিত ঘটনাটোত নিশাৰ নিৰ্জনতা ভেদ কৰি আকস্মিক গুলিৰ শব্দত প্ৰতিবেশীসকলে সাৰ পাই ওলাই আহি ঘটনাটো দেখি কিংকৰ্তব্যবিমূঢ় হৈ পৰে। স্থানীয় আবাসী আৰক্ষীসকলে জনোৱা মতে, যোৱা নিশা পতি-পত্নী দুয়ো অকলশৰে আছিল। সন্ধিয়াৰে পৰা তেওঁলোকৰ কাজিয়াৰ সূত্ৰপাত হৈছিল যদিও দুয়ো এবাৰ চৌহদৰ বাহিৰলৈ ওলাই গৈছিল।নিশাৰ ভাগতো বিকীয়ে এবাৰ অকলশৰে নিজৰ মটৰচাইকেলৰে ওলাই গৈছিল যদিও ক'লৈ গৈছিল সেয়া আবাসীসকলে জনা নাছিল। পুৱতি নিশা প্ৰায় এক বজাত দুটাকৈ গুলিৰ শব্দ শুনি সকলো আতংকিত হৈ পৰে আৰু নিজ নিজ আবাসৰ পৰা ওলাই আহি আৰক্ষী কনিষ্টবল বিকীৰ আবাসৰ মজিয়াত তেজৰ নৈ বোৱা প্ৰত্যক্ষ কৰে। আনহাতে, ৰক্তাক্ত শৰীৰেৰে জয়শ্ৰী বিছনাত পৰি থকাৰ বিপৰীতে উদ্যত মাৰণাস্ত্ৰ লৈ বিকী কাষতে থিয় হৈ থকা দেখি সকলো আতংকিত হৈ আৰক্ষীক খবৰ দিয়ে। লগে লগে এক বৃহৎ আৰক্ষীৰ দলে ঘটনাস্থলীত উপস্থিত হৈ বিকীক গ্ৰেপ্তাৰ কৰাৰ লগতে ৰক্তাক্ত অৱস্থাত পৰি থকা জয়শ্ৰীক ততাতৈয়াকৈ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। অৱশ্যে জয়শ্ৰীৰ ঘটনাস্থলীতেই মৃত্যু ঘটিছিল বুলি আৰক্ষীয়ে জনাইছে। আৰক্ষীয়ে লগতে বিকীৰ কাৰ্বাইনটো জব্দ কৰে।

ঘটনাৰ সন্দৰ্ভত আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰই সাংবাদিকৰ আগত কয়, 'পতি-পত্নীৰ মাজৰ কাজিয়াই ঘটনাৰ মূল কাৰণ। এয়া সম্পূৰ্ণ ঘৰুৱা কন্দলৰ পৰিণতি। কোনো কোনোৱে আৰক্ষীৰ আগত প্ৰকাশ কৰিছে যে পূৰ্বৰে পৰাই তেওঁলোকৰ মাজত পাৰিবাৰিক দ্বন্দ্ব চলি আছিল। পতি-পত্নীৰ কাজিয়াৰ বাহিৰে আন কি কাৰণ থাকিব পাৰে, সেয়া তদন্তত ওলাই পৰিব। অৱশ্যে তেনে কোনো কাৰণ বিচাৰি পোৱা নাই।' আৰক্ষী অধীক্ষকজনে লগতে জনায় যে হত্যাত জড়িত আৰক্ষী জোৱান বিকীক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে আৰু আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা দুটা খালী কাৰ্টিজ উদ্ধাৰ কৰিছে। লগতে মৃতদেহটো ইতিমধ্যে মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে। আৰক্ষী অধীক্ষকজনে লগতে জনায় যে তদন্তৰ বাবে বিকীক আৰক্ষীৰ জিম্মাত ল'বলগীয়া একো নাছিল। সেয়ে তেওঁক ইতিমধ্যে আদালতত হাজিৰ কৰাই ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছে।

ইপিনে, এই লোমহৰ্ষক ঘটনাক কেন্দ্ৰ কৰি আজি এক উত্তাল পৰিস্থিতিৰ সৃষ্টি হয় ডিব্ৰুগড় সদৰ আৰক্ষী থানাত। মৃতা জয়শ্ৰীৰ পিতৃগৃহৰ লোকে ডিব্ৰুগড় সদৰ আৰক্ষী থানাৰ চৌহদত অভিযুক্ত বিকীৰ ফাঁচিৰ দাবীত বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। জয়শ্ৰীৰ পিতৃগৃহৰ লোকৰ লগতে একাংশ প্ৰতিবাদী লোকে এই হত্যাকাণ্ডৰ উচিত ন্যায় দাবী কৰাৰ লগতে বিকীৰ ফাঁচিৰ দাবীত পুৱাৰে পৰা প্ৰায় পাঁচ ঘণ্টা সদৰ আৰক্ষী থানা ঘেৰাও কৰি ৰাখে যদিও এজনো উচ্চপদস্থ আৰক্ষী বিষয়া উপস্থিত নোহোৱাত পৰিৱেশ অধিক উত্তাল হৈ পৰে। প্ৰতিবাদকাৰীয়ে আনকি আৰক্ষীয়ে বিকীক ৰক্ষণাবেক্ষণ দিয়াৰো গুৰুতৰ অভিযোগ কৰিছে। অৱশেষত ডিব্ৰুগড়ৰ আৰক্ষী অধীক্ষক মিশ্ৰ, অতিৰিক্ত আৰক্ষী অধীক্ষক বিতুল চেতিয়াই উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰি ৰাইজক আশ্বস্ত কৰে। আৰক্ষীয়ে ইতিমধ্যে ভাৰতীয় দণ্ড বিধিৰ ৩০২ ধাৰা আৰু ২৭(১) অস্ত্ৰ আইনৰ অধীনত ডিব্ৰুগড় সদৰ আৰক্ষী থানাত ১৬১/২০২২ নম্বৰত গোচৰ পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰাখিছে।

উল্লেখ্য যে ডিব্ৰুগড় বিদেশী ন্যায়াধিকৰণৰ এজন সদস্যৰ দেহৰক্ষীৰূপে নিয়োজিত বিকীক নিশাই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে যদিও তেওঁ কেনেকৈ নিজগৃহলৈ গুলিভৰ্তি ছাৰ্ভিচ কাৰ্বাইন নিছিল সেয়া ৰহস্যজনক বুলি একাংশ লোকে মন্তব্য কৰিছে। ইফালে, নিশাই আৰক্ষীয়ে কনিষ্টবল বিকীৰ চৰকাৰী আবাসটো ছীল কৰি দিয়ে। ঘটনা সন্দৰ্ভত আজি জয়শ্ৰীৰ পিতৃগৃহৰ লোকে এজাহাৰ দাখিল কৰিছে। পিতৃগৃহৰ লোকে জনোৱা মতে, উল্লেখ্য যে হত্যাৰ বলি হোৱা জয়শ্ৰী তিনি মাহৰ অন্তঃসত্বা আছিল। তিনি বছৰীয়া প্ৰেমৰ সম্পৰ্কৰ পাছত বিগত চাৰি বছৰৰ পূৰ্বে বিকী আৰু জয়শ্ৰী বিবাহপাশত আবদ্ধ হৈছিল। চাবুৱাৰ ডংগৰচুকৰ নিবাসী চতুকন চেতিয়া আৰু কৃষ্ণামণি চেতিয়াৰ তৃতীয়া কন্যা জয়শ্ৰীৰ হত্যাৰ প্ৰকৃত কাৰণ এতিয়াও সদৰী হোৱা নাই।

ৰাছিয়াত বন্ধ হ'ল মেকড'নাল্ডছৰ ৮৫০ খন ৰেস্তোৰাঁ, অন্তিমবাৰৰ বাবে খাদ্যৰ জুতি ল'বলৈ গ্ৰাহকৰ ভিৰ

নিউজ ব্যুৰ', মস্কো, ১৪ মাৰ্চ ঃ ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত যুদ্ধ অব্যাহত থকাৰ সময়তে ৰাছিয়াৰ বিৰুদ্ধে পশ্চিম বিশ্বৰ কে'বাখনো দেশে কঠোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। কালি মেকড'নাল্ডছে ৰাছিয়াত থকা প্ৰতিষ্ঠানটোৰ ৮৫০ খন ৰেস্তোৰাঁ বন্ধ কৰিলে। আমেৰিকাৰ বিখ্যাত ৰেস্তোৰাঁ প্ৰতিষ্ঠানটোৱে অলপতে যুদ্ধৰ পৰিপ্ৰেক্ষিতত ৰাছিয়াত ব্যৱসায় বন্ধ কৰাৰ সিদ্ধান্ত লৈছিল। মেকড'নাল্ডছৰ এইসমূহ প্ৰতিষ্ঠান বন্ধ হোৱাৰ পূৰ্বে কালি অভূতপূৰ্ব সংখ্যক গ্ৰাহকে ৰেস্তোৰাঁসমূহত ভিৰ কৰিছিল। মেকড'নাল্ডছৰ বিখ্যাত বাৰ্গাৰসহ অন্যান্য খাদ্যৰ জুতি ল'বলৈ এইসকল গ্ৰাহকে প্ৰতিষ্ঠানটোৰ বিপণীৰ বাহিৰত দীঘল শাৰী পাতি থিয় দিছিল। উল্লেখ্য যে মেকড'নাল্ডছৰ লগতে ষ্টাৰ বক্স, কোকাক'লা, পেপ্‌ছি, কে এফ চি, বাৰ্গাৰ কিং আদি আন্তৰ্জাতিক ৰেস্তোৰাঁ প্ৰতিষ্ঠানেও ৰাছিয়াত ব্যৱসায় বন্ধ কৰিলে। ষ্টাৰ বক্সে ১৩০, বাৰ্গাৰ কিঙে ৮০০, কে এফ চিয়ে ৭০ আৰু পিজ্জা হাটে ৫০ খন ৰেস্তোৰাঁ ইতিমধ্যে ৰাছিয়াৰ বিভিন্ন অঞ্চলত বন্ধ কৰিলে। মেকড'নাল্ডছে ঘোষণা কৰা অনুসৰি তেওঁলোকে ৰাছিয়াত সম্প্ৰতি সকলোবোৰ ৰেস্তোৰাঁ বন্ধ কৰিলে যদিও এইসমূহ বিপণীত কৰ্মৰত ৬২,০০০ জন কৰ্মচাৰীক বেতন প্ৰদান কৰি যাব। স্মৰ্তব্য যে ১৯৯০ৰ ৩১ জানুৱাৰীত ৰাছিয়াত মেকড'নাল্ডছে প্ৰথমখন ৰেস্তোৰাঁ মুকলি কৰিছিল।

২৪ ঘণ্টাত চীনত ৩,৪০০ জন হ'ল ক'ভিড আক্ৰান্ত, কঠোৰ নিষেধাজ্ঞা প্ৰশাসনৰ

নিউজ ব্যুৰ', বেইজিং, ১৪ মাৰ্চ ঃ যোৱা ২৪ ঘণ্টাত চীনত পুনৰ নতুনকৈ ৩,৪০০ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল।

২০২০ বৰ্ষৰ পাছত এয়ে প্ৰথমবাৰ দেশখনত ইমান অধিক সংখ্যক লোক এদিনতে কৰ'নাত সংক্ৰমিত হ'ল। কৰ'নাৰ নতুন সংক্ৰমণ বৃদ্ধিৰ লগে লগে চীনত ক'ভিডকেন্দ্ৰিক উদ্বেগ বৃদ্ধি পাইছে। ইতিমধ্যে প্ৰশাসনে দেশখনৰ একাধিক চহৰত সম্পূৰ্ণ তলাবন্ধ ঘোষণা কৰিছে। প্ৰকাশিত বাতৰি অনুসৰি চীনৰ কমেও ১৮ খন প্ৰদেশত ডেল্টা আৰু অ'মিক্ৰন প্ৰজাতিৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। ক'ভিড সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত সম্প্ৰতি চাংহাইত শিক্ষানুষ্ঠানসমূহ বন্ধ ৰখা হৈছে। দেশখনৰ উত্তৰ-পূবৰ চেনজেনসহ একাধিক চহৰত তলাবন্ধ ঘোষণা কৰা হৈছে। আজি প্ৰশাসনে ইয়ানজি চহৰতো সাত লাখ লোকক তলাবন্ধ কৰে।

ভাৰতত পাইকাৰী মুদ্ৰাস্ফীতি ১৩.১১ শতাংশলৈ বৃদ্ধি

নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ মাৰ্চ ঃ যোৱা ফেব্ৰুৱাৰীত ভাৰতৰ পাইকাৰী বজাৰত মুদ্ৰাস্ফীতি ১৩.১১ শতাংশলৈ বৃদ্ধি পালে। ইয়াৰ পূৰ্বৰ জানুৱাৰীত দেশৰ পাইকাৰী মুদ্ৰাস্ফীতি আছিল ১২.৯৬ শতাংশ। একেদৰে যোৱা ডিচেম্বৰত দেশৰ মুদ্ৰাস্ফীতি আছিল সৰ্বাধিক ১৩.৫৬ শতাংশ। ২০২১ৰ নৱেম্বৰত দেশৰ পাইকাৰী বজাৰত মুদ্ৰাস্ফীতিৰ হাৰ আছিল ১৪.৮৭ শতাংশ। শেহতীয়াভাৱে খাৰুৱা তেল, প্ৰাকৃতিক গেছ, ধাতৰ সামগ্ৰী, ৰাসায়নিক দ্ৰব্যৰ ব্যাপক মূল্যবৃদ্ধিৰ ফলত ভাৰতৰ বজাৰতো পাইকাৰী মুদ্ৰাস্ফীতি বৃদ্ধি পাইছে। ইফালে, দেশত উৎপাদিত পণ্যৰ মুদ্ৰাস্ফীতি ৯.৮৪ শতাংশ হৈছে।

কৰ'নাত আক্ৰান্ত আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি অ'বামা

নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৪ মাৰ্চ ঃ আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বাৰাক অ'বামা ক'ভিড-১৯ত সংক্ৰমিত হ'ল। যোৱা নিশা অ'বামাই নিজে টুইট কৰি এই কথা প্ৰকাশ কৰে। আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতিজনে টুইটত তেওঁৰ শৰীৰত ক'ভিডৰ সংক্ৰমণ ধৰা পৰাৰ কথা প্ৰকাশ কৰাৰ লগতে জনোৱা অনুসৰি তেওঁ ডিঙিত সামান্য অস্বস্তি অনুভৱ কৰিছে। চিকিৎসকে প্ৰকাশ কৰা কৰা অনুসৰি অ'বামা ক'ভিড আক্ৰান্ত হ'লেও তেওঁৰ শৰীৰত ক'ভিডৰ তেনে বিশেষ উপসৰ্গ প্ৰত্যক্ষ হোৱা নাই। অ'বামাৰ পত্নী মিচেল অ'বামা অৱশ্যে কৰ'নাত আক্ৰান্ত হোৱা নাই। উল্লেখ্য যে অ'বামাই ক'ভিড প্ৰতিষেধক সম্পূৰ্ণকৈ গ্ৰহণ কৰাৰ পাছতো কৰ'নাত সংক্ৰমিত হ'ল।

২০১৭ বৰ্ষৰ তুলনাত এইবাৰ যোগীৰ ৰাজ্যত ১৫ শতাংশ অধিক দাগী প্ৰাৰ্থীৰ জয়, কোটিপতি বিধায়কৰ সংখ্যাও বাঢ়িল

উত্তৰ প্ৰদেশৰ নৱ নিৰ্বাচিত বিধায়কৰ ৫১ শতাংশই দাগী অপৰাধী

নিউজ ব্যুৰ' লক্ষ্নৌ, ১৪ মাৰ্চ ঃ উত্তৰ প্ৰদেশত গঠন হ'ব লগা ১৮ সংখ্যক বিধানসভালৈ নিৰ্বাচিত হোৱা অৰ্দ্ধেকাংশ বিধায়কে হৈছে দাগী অপৰাধী। এইসকল বিধায়কৰ বিৰুদ্ধে বিভিন্ন ধৰণৰ অপৰাধৰ গোচৰ আছে। এইবাৰৰ বিধানসভালৈ নিৰ্বাচিত হোৱা ৩৬৬ বিধায়ক হৈছে কোটিপতি। এছ'চিয়েচন ফ'ৰ ডেম'ক্ৰেটিক ৰিফৰ্মছ (এ ডি আৰ) আৰু ইউ পি ইলেকচন ৱাচ্‌ছৰ প্ৰতিবেদনত ৰাজ্যখনৰ নৱ নিৰ্বাচিত ৪০৩ জন বিধায়কৰ শপতনামাৰ তথ্য বিশ্লেষণ কৰা হৈছে। এ ডি আৰৰ তথ্য অনুসৰি ৪০৩ বিধায়কৰ ২০৫ জন বিধায়কৰ বিৰুদ্ধে অপৰাধৰ গোচৰ আছে। ২০১৭ত নিৰ্বাচনত উত্তৰ প্ৰদেশ বিধানসভালৈ নিৰ্বাচিত হোৱা ১৪৩ জন বিধায়কৰ বিৰুদ্ধে অপৰাধৰ গোচৰ আছিল। এইবাৰ ৰাজ্যখনৰ বিধানসভালৈ হত্যাত অভিযুক্ত আৰু হত্যাৰ অপচেষ্টা চলোৱাৰ গোচৰত অভিযুক্ত লোকেও বিধায়ক নিৰ্বাচিত হ'ল। নৱ নিৰ্বাচিত ছয় বিধায়কৰ বিৰুদ্ধে মহিলাক অত্যাচাৰ, এজনৰ বিৰুদ্ধে ধৰ্ষণৰ গোচৰ আছে। বিজেপিৰ ২৫৫ জন বিধায়কৰ ১১১ জনলৈ বিৰুদ্ধে আৰু সমাজবাদী পাৰ্টিৰ ১১১ বিধায়কৰ ৭১ জনৰ বিৰুদ্ধে অপৰাধৰ গোচৰ আছে। আনহাতে, আপনা দল (এছ)ৰ তিনি, ৰাষ্ট্ৰীয় লোকদলৰ সাতজন, নিষাদ পাৰ্টিৰ চাৰিজন, কংগ্ৰেছৰ দুজন, জনসত্তা দল লোকতান্ত্ৰিকৰ দুজন, সমাজবাদী পাৰ্টিৰ একমাত্ৰ বিধায়কৰ বিৰুদ্ধে অপৰাধৰ গোচৰ আছে।

এইবাৰ উত্তৰ প্ৰদেশ বিধানসভালৈ নিৰ্বাচিত হোৱা প্ৰতি ১০ জন বিধায়কৰ নজনেই হৈছে কোটিপতি। মুঠ ৪০৩ বিধায়কৰ ৩৬৬ জন বিধায়কে শপতনামাত নিজকে কোটিপতি বুলি ঘোষণা কৰিছে। বিজেপিৰ ২৩৩,

সমাজবাদী পাৰ্টিৰ এশ, আপনা দলৰ নজন, ৰাষ্ট্ৰীয় লোকদলৰ সাতজন বিধায়ক কোটিপতি। এইবাৰৰ নিৰ্বাচনত মেৰথ কেণ্টৰ পৰা বিজেপিৰ টিকটত জয়লাভ কৰা অমিত আগৰৱাল হৈছে সবাতোকৈ ধনী বিধায়ক। আগৰৱালৰ সম্পত্তিৰ পৰিমাণ হৈছে ১৪৮ কোটি টকা। আনহাতে, সমাজবাদী পাৰ্টিৰ টিকটত চিত্ৰকূটৰ পৰা জয়লাভ কৰা অনিল কুমাৰ অনিল প্ৰধানৰ সম্পত্তিৰ পৰিমাণ হৈছে ৩৬,৪৯৬ টকা আৰু প্ৰধানে হৈছে এইবাৰৰ নিৰ্বাচনত বিধায়ক নিৰ্বাচিত হোৱা সবাতোকৈ দুখীয়া প্ৰাৰ্থী।

বিধায়ক নিৰ্বাচিত হোৱা ৩০৫ জনৰ শিক্ষাগত অৰ্হতা হৈছে স্নাতক ডিগ্ৰীধাৰী। আনহাতে, তিনিজনে শপতনামাত উল্লেখ কৰা অনুসৰি তেওঁলোকৰ শিক্ষাগত অৰ্হতা হৈছে ডিপ্ল'মাধাৰী। ৮৭ জনে নিজৰ শৈক্ষিক অৰ্হতা অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে অধ্যয়ন কৰা বুলি উল্লেখ কৰিছে। সাতজন বিধায়কে নিজকে কেৱল সাক্ষৰ বুলি ঘোষণা কৰিছে। এইবাৰ উত্তৰ প্ৰদেশৰ বিধানসভালৈ অধিক সংখ্যক মহিলা নিৰ্বাচিত হ'ল। ২০১৭ৰ বিধানসভাৰ নিৰ্বাচনত ৪০ গৰাকী মহিলা বিধায়ক নিৰ্বাচিত হোৱাৰ বিপৰীতে এইবাৰ ৰাজ্যখনত মহিলা বিধায়কৰ সংখ্যা ৪৭ গৰাকীলৈ বৃদ্ধি পালে। নতুন বিধানসভাত স্থান লাভ কৰা ১৬৯ বিধায়কৰ বয়স হৈছে ২৫-৫০ বছৰৰ ভিতৰত। আনহাতে, ২৩২ বিধায়কৰ বয়স হৈছে ৫১-৮০ বছৰৰ ভিতৰত। উত্তৰ প্ৰদেশ বিধানসভালৈ এইবাৰ ৮০ৰ উৰ্দ্ধৰ বয়সৰ দুজন বিধায়কো নিৰ্বাচিত হৈছে।

কানাডাত ট্ৰেক্টৰ-ট্ৰেলাৰৰ মুখামুখি সংঘৰ্ষত নিহত পাঁচ ভাৰতীয় ছাত্ৰ

নিউজ ব্যুৰ' টৰণ্টো, ১৪ মাৰ্চ ঃ যোৱা শনিবাৰে কানাডাৰ টৰণ্টো চহৰৰ ওচৰৰ সংঘটিত হোৱা এক ভয়াৱহ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে পাঁচজন ভাৰতীয় ছাত্ৰই। এই ঘটনাত আন দুজন লোক আহত হৈছে। ট্ৰেক্টৰ আৰু ট্ৰেলাৰৰ মুখামুখি সংঘৰ্ষৰ ফলত হৰপ্ৰীত সিং, জাচপিন্দৰ সিং, কৰণপাল সিং, মোহিত চৌহান আৰু পৱন কুমাৰ নামৰ ভাৰতীয় ছাত্ৰকেইজনৰ মৃত্যু হয়। ছাত্ৰকেইজনৰ বয়স ২১ৰ পৰা ২৪ৰ ভিতৰত আছিল।

ইউক্ৰেইনত ৰুছ সেনাৰ গুলিত নিহত মাৰ্কিন সাংবাদিক ব্ৰেণ্ট ৰিনাড

নিউজ ব্যুৰ', কীভ, ১৪ মাৰ্চ ঃ ৰাছিয়া-ইউক্ৰেইন যুদ্ধত প্ৰাণ হেৰুৱালে আমেৰিকাৰ এজন সাংবাদিকে। কালি সংবাদ সংগ্ৰহ কৰিবলৈ যোৱা ব্ৰেণ্ট ৰিনাড নামৰ আমেৰিকাৰ সাংবাদিক এজন ইউক্ৰেইনত ৰুছ সৈনিকৰ গুলিত নিহত হয়। এই ঘটনাত আন এজন লোক গুৰুতৰভাৱে আহত হয়।

'নিউ য়ৰ্ক টাইমছ' কাকতৰ বাতৰি অনুসৰি মৃত সাংবাদিকজন তেওঁলোকৰ প্ৰতিষ্ঠানৰ প্ৰাক্তন কৰ্মী আছিল। ইৰপিনত ৰিনাডৰ লগতে তেওঁ এজন সহকৰ্মী ৰুছ সেনাৰ গুলিত আহত হৈছিল আৰু পাছত ৰিনাডে শেষনিশ্বাস ত্যাগ কৰে।

এইবাৰ ক'ভিড প্ৰতিষেধক লাভ কৰিব ১২-১৪ বছৰৰ কিশোৰে, ৬০ৰ উৰ্দ্ধ্বকো দিয়া হ'ব বুষ্টাৰ টিকা

নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ মাৰ্চ ঃ কৰ'নাৰ সংক্ৰমণ ভাৰতত ক্ৰমে হ্ৰাস পাবলৈ ধৰিছে যদিও টিকাকৰণৰ ক্ষেত্ৰত শিথিলতা অৱলম্বন কৰিবলৈ বিচৰা নাই কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী চৰকাৰে। আজি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে ঘোষণা কৰা অনুসৰি, অচিৰে দেশৰ ১২-১৪ বছৰ বয়সীয়া কিশোৰ-কিশোৰীসকলক ক'ভিডৰ প্ৰতিষেধক প্ৰদান কৰা হ'ব। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী মনসুখ মাণ্ডব্যই আজি টুইটাৰত এই কথা ঘোষণা কৰি লগতে কয় যে দেশৰ ৬০ৰ উৰ্দ্ধ্বৰ লোকসকলকো অচিৰে ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক প্ৰদান কৰা হ'ব। উল্লেখ্য যে চলিত বৰ্ষৰ আৰম্ভণিৰে পৰা দেশত ১৫-১৮ বছৰ বয়সীয়া লোকসকলক ক'ভিডৰ প্ৰতিষেধক প্ৰদান কৰা হৈছিল। অহা বুধবাৰৰ পৰা দেশজুৰি নতুন টিকাকৰণ কৰ্মসূচী আৰম্ভ কৰা হ'ব বুলি মাণ্ডব্যই আজি টুইটত উল্লেখ কৰিছে।

পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ প্ৰৱৰ্তনৰ দাবী ৰেলৱে কৰ্মীৰ

নিউজ ব্যুৰ' লক্ষ্নৌ, ১৪ মাৰ্চ ঃ উত্তৰ প্ৰদেশৰ সদ্যসমাপ্ত বিধানসভাৰ নিৰ্বাচনত পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ প্ৰৱৰ্তনৰ প্ৰসংগতো বহুলভাৱে চৰ্চিত হৈছিল। নিৰ্বাচনৰ পাছত এইবাৰ ৰেলৱে কৰ্মচাৰীয়ে দেশত পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ প্ৰৱৰ্তনৰ দাবী উত্থাপন কৰিলে। ৰেল কৰ্মচাৰীয়ে আজি দেশজুৰি নতুন পেঞ্চন আঁচনি প্ৰত্যাহাৰ কৰি পুনৰ পেঞ্চন আঁচনি পুনৰ প্ৰৱৰ্তনৰ দাবী উত্থাপন কৰে। অল ইণ্ডিয়া ৰেলৱে ফেডাৰেচনৰ আহ্বানত ৰেল কৰ্মচাৰীসকলে আজি উত্তৰ প্ৰদেশৰ চাৰবাগ, লক্ষ্নৌ, এছবাগসহ আন কে'বাটাও স্থানত দেশত পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ প্ৰৱৰ্তনৰ দাবীৰে শ্ল'গান দিয়ে। ফেডাৰেচনে ঘোষণা কৰি কয় যে চৰকাৰে অচিৰে পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ প্ৰৱৰ্তন নকৰিলে এই দাবীৰে ব্যাপক আন্দোলন গঢ়ি তোলা হ'ব।

উত্তৰ প্ৰদেশৰ বিধানসভালৈ পুনৰ নিৰ্বাচিত এই ২৯ মহাবলী নেতা

নিউজ ব্যুৰ', লক্ষ্নৌ, ১৪ মাৰ্চ ঃ উত্তৰ প্ৰদেশৰ ১৭ সংখ্যক বিধানসভাত চাৰি বা ততোধিকবাৰ ধাৰাবাহিক জয়ৰ জৰিয়তে বিধায়ক নিৰ্বাচিত হোৱা ২৯ গৰাকী মহাবলী নেতাই এইবাৰৰ নিৰ্বাচনতো জয়লাভ কৰিলে। এই ২৯ মহাবলী নেতাৰ এজনে দশমবাৰৰ বাবে, দুজনে নৱেম্বৰৰ বাবে, চাৰিজনে অষ্টমবাৰৰ বাবে, তিনিজনে সপ্তমবাৰৰ বাবে আৰু পাঁচজনে ষষ্ঠবাৰৰ বাবে ৰাজ্যৰ বিধানসভালৈ বিধায়ক নিৰ্বাচিত হ'ল। একেদৰে আন ১৪ জন মহাবলী নেতাই ৰাজ্যখনত পঞ্চমবাৰলৈ বিধায়ক নিৰ্বাচিত হৈছে। ৰামপুৰ সমষ্টিৰ পৰা সমাজবাদীৰ টিকটত দশমবাৰলৈ বিধায়ক নিৰ্বাচিত হ'ল আজম খান। একাধিকবাৰ বিধায়ক নিৰ্বাচিত হোৱা এই ২৯ মহাবলী নেতাৰ মাজত খানৰ লগতে আছে সুৰেশ খান্না, দুৰ্গাপ্ৰসাদ যাদৱ, সতীশ মহানা, ৰমাপতি শাস্ত্ৰী, জয়প্ৰতাপ সিং, ৰামপাল বৰ্মা, ৰঘুৰাজ প্ৰতাপ সিং, ইকবাল মহমুদ, ফতেহ বাহাদুৰ সিং, শিৱপাল সিং যাদৱ, লালজি বৰ্মা, ৰামঅচল ৰাজবৰ, মহবুব আলী, চেতৰাম, সূৰ্যপ্ৰতাপ চাহি, লক্ষ্মী নাৰায়ণ চৌধুৰী, ধৰ্মপাল সিং, শ্ৰীৰাম চৌহান, বাবন সিং, অৰবিন্দগিৰি, আলমবদি, ময়ংকেশ্বৰ চৰণসিং, ৰামচন্দ্ৰ যাদৱ, পূৰণপ্ৰকাশ, গোলাপ দেৱী, জ্ঞানেন্দ্ৰ সিং, শ্যামপ্ৰকাশ আৰু ৰামকৃষ্ণ ভাৰ্গৱ।

ভাৰতত বাংলাদেশী সন্ত্ৰাসবাদীৰ জাল, ভূপালত ধৃত চাৰি জে এম বি সদস্য

নিউজ ব্যুৰ', ভূপাল, ১৪ মাৰ্চ ঃ নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠন জামাত-ই-মুজাহিদীন-বাংলাদেশ (জে এম বি)ৰ চাৰিজন সদস্যক কালি আৰক্ষীয়ে ভূপালৰ দুই পৃথক স্থানৰ পৰা গ্ৰেপ্তাৰ কৰে। মধ্যপ্ৰদেশৰ সন্ত্ৰাস বিৰোধী স্কোৱাড (এ টি এছ)ৰ এটি দলে কালি বিয়লি বেলা আইচবাগ আৰু কৰোণ্ড অঞ্চলৰ পৰা গোপন তথ্যৰ ভিত্তিত অভিযান চলাই চাৰিজন জে এম বিৰ সদস্যক গ্ৰেপ্তাৰ কৰে। ধৃত জেহাদীকেইজন হৈছে ফজহাৰ আলী, মহম্মদ আকিল, জাদুৰউদ্দিন পাঠান আৰু ফজহাৰ জয়নুল আবদিন। ধৃত চাৰিওজনে বাংলাদেশৰ বাসিন্দা। জে এম বিৰ এই চাৰি সদস্যই ভাৰতত বাংলাদেশী সন্ত্ৰাসবাদী সংগঠনৰ হৈ জাল বিস্তাৰ কৰিছিল।

অস্কাৰজয়ী হলিউড অভিনেতা উইলিয়াম হৰ্টৰ কৰ্কট ৰোগত মৃত্যু

নিউজ ব্যুৰ', হলিউড, ১৪ মাৰ্চ ঃ অস্কাৰজয়ী হলিউডৰ জনপ্ৰিয় অভিনেতা উইলিয়াম হৰ্টৰ মৃত্যু হ'ল। নিজৰ ৭২ সংখ্যক জন্মদিন পালনৰ পূৰ্বে হলিউডৰ এইজন বৰ্ষীয়ান অভিনেতাই কালি শেষ নিশ্বাস ত্যাগ কৰে। হৰ্টে 'কিছ অব দ্য স্পাইডাৰ ৱমেন', 'ব্লেক উইডো', 'কেপ্টেইন আমেৰিকা ঃ চিভিল ৱাৰ', 'দ্য ইনক্ৰেডিবল হল্ক', 'দ্য হোষ্ট'ৰ হলিউডৰ বিখ্যাত ছবিত অভিনয় কৰিছিল। অভিনেতা হিচাপে হৰ্টে তিনিবাৰকৈ শ্ৰেষ্ঠ অভিনেতাৰ অস্কাৰ বঁটা লাভ কৰিছিল। ২০১৮তে কৰ্কট ৰোগত আক্ৰান্ত হোৱা হৰ্টে অৱশেষত দেওবাৰে শেষ নিশ্বাস ত্যাগ কৰে।

প্ৰধানমন্ত্ৰী মোদীক পুনৰ প্ৰশংসা থাৰুৰৰ, প্ৰিয়ংকাৰ সন্দৰ্ভত কি ক'লে ?

নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ মাৰ্চ ঃ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা তিৰুঅনন্তপুৰমৰ সাংসদ শশী থাৰুৰে আকৌ এইবাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰশংসা কৰিলে। এইবাৰ কংগ্ৰেছ সাংসদজনে মোদীক এজন 'গতিশীল' নেতা বুলি অভিহিত কৰে। থাৰুৰে উত্তৰ প্ৰদেশসহ চাৰি ৰাজ্যত বিজেপিয়ে লাভ কৰা নিৰ্বাচনী সফলতাৰ বাবেও প্ৰধানমন্ত্ৰী মোদীক কৃতিত্ব দিয়ে। জয়পুৰ সাহিত্য মহোৎসৱত অংশ লৈ কংগ্ৰেছ সাংসদজনে কয় যে কংগ্ৰেছে উত্তৰাখণ্ড আৰু গোৱাত অধিক পাৰদৰ্শিতা প্ৰদৰ্শনৰ সুযোগ আছিল। থাৰুৰে লগতে কয় যে প্ৰিয়ংকা গান্ধী ভদ্ৰাই কংগ্ৰেছ দলৰ হৈ এইবাৰৰ নিৰ্বাচনত উল্লেখনীয় আৰু অনুপ্ৰেৰণামূলক প্ৰচাৰ চলাইছিল। 'মই নাভাবো যে কংগ্ৰেছত কোনো এজন ব্যক্তিৰ প্ৰচাৰৰ আধাৰত দোষাৰোপ কৰিব পাৰি। প্ৰিয়ংকা গান্ধী ভদ্ৰাই আটাইকেইখন ৰাজ্যতে সৰ্বাধিক প্ৰচাৰ চলাইছিল। আনকি উত্তৰ প্ৰদেশ আৰক্ষীয়ে এক-দুবাৰ তেওঁক গ্ৰেপ্তাৰো কৰিছিল।' থাৰুৰে এইদৰে কয়।

'দ্য কাশ্মীৰ ফাইলছ' প্ৰসংগত কেৰালা কংগ্ৰেছৰ মন্তব্য ঃ ৩৯৯ পণ্ডিতৰ বিপৰীতে ১৫,০০০ মুছলমানৰ জম্মু-কাশ্মীৰত হৈছিল মৃত্যু

নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ মাৰ্চ ঃ বিবেক অগ্নিহোত্ৰী পৰিচালিত সদ্যমুক্তিপ্ৰাপ্ত হিন্দী চলচ্চিত্ৰ 'দ্য কাশ্মীৰ ফাইলছ'-এ দেশৰ চিত্ৰগৃহত চলচ্চিত্ৰপ্ৰেমীৰ বিপুল সঁহাৰি লাভ কৰাৰ লগতে সমালোচকৰো উচ্চ প্ৰশংসা লাভ কৰিছে। এই ছবিখনত কাশ্মীৰ উপত্যকাত কাশ্মীৰী পণ্ডিতৰ নৰসংহাৰৰ কাহিনী প্ৰদৰ্শন কৰা হৈছে। 'দ্য কাশ্মীৰ ফাইলছ'ৰ প্ৰসংগত এইবাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে কংগ্ৰেছে। কেৰালা কংগ্ৰেছে টুইটাৰত 'দ্য কাশ্মীৰ ফাইলছ' ছবিখনক সমালোচনা কৰি কয় যে জম্মু-কাশ্মীৰত মৃত্যু হোৱা পণ্ডিততকৈ মুছলমানৰ সংখ্যা অধিক। কেৰালা কংগ্ৰেছে টুইটত কয়, 'তেওঁলোক সন্ত্ৰাসবাদী আছিল যিসকলে কাশ্মীৰী পণ্ডিতক লক্ষ্য হিচাপে লৈছিল। বৰ্ষ ১৯৯০ৰ পৰা ২০১৭ৰ সময়ছোৱাত ১৭ বছৰত সন্ত্ৰাসবাদী আক্ৰমণত ৩৯৯ পণ্ডিতক হত্যা কৰা হৈছিল। এই সময়ছোৱাত সন্ত্ৰাসবাদীয়ে ৰাজ্যখনত ১৫ হেজাৰ মুছলমানক হত্যা কৰিছিল।' কেৰালা কংগ্ৰেছে টুইটত পুনৰ কয় যে কাশ্মীৰ উপত্যকাৰ পৰা কাশ্মীৰী পণ্ডিতক পলায়ন কৰিবলৈ তদানীন্তন ৰাজ্যপাল জগমোহনে নিৰ্দেশ দিছিল আৰু এই জগমোহন আছিল আৰ এছ এছৰ সদস্য। কেৰালা কংগ্ৰেছে লগতে কয় যে কাশ্মীৰ পণ্ডিতৰ পলায়ন বিজেপি সমৰ্থিত বি পি সিং চৰকাৰৰ দিনত আৰম্ভ হৈছিল।

এ টি এম জালিয়াতিৰ পৰা হাত সাৰিবলৈ এছ বি আইৰ গ্ৰাহকক পৰামৰ্শ

নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ মাৰ্চ ঃ আপুনি ভাৰতীয় ষ্টেট বেংক (এছ বি আই)ৰ এ টি এমৰ পৰা ধন উলিয়াই নেকি? তেন্তে জালিয়াতিৰ পৰা হাত সাৰিবলৈ তলত দিয়া উপায়সমূহ অৱলম্বন কৰক। দেশজুৰি এ টি এম কাৰ্ডৰ জালিয়াতিৰ ঘটনা বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি এছ বি আয়ে গ্ৰাহকসকললৈ বিশেষ কেতবোৰ পৰামৰ্শ আগবঢ়াইছে। এছ বি আয়ে ২০২০ৰ পহিলা জানুৱাৰীৰ পৰা এ টি এমৰ লেনদেন অধিক সুৰক্ষিত কৰিবলৈ অ' টি পি ভিত্তিক লেনদেন ব্যৱস্থা আৰম্ভ কৰিছিল। এই ব্যৱস্থা এ টি এমৰ পৰা ১০ হেজাৰ বা ততোধিক ধন উলিয়ালে প্ৰযোজ্য হ'ব। গ্ৰাহকৰ একাউণ্টৰ স'তে সংযোজিত ম'বাইললৈ এটি অ' টি পি বেংকে প্ৰেৰণ কৰে আৰু উক্ত অ' টি পি এ টি এমত ব্যৱহাৰ কৰি গ্ৰাহকে ১০ হেজাৰ বা ততোধিক টকা উলিয়াব পাৰে। এছ বি আয়ে গ্ৰাহকক পৰামৰ্শ দি কয় যে এ টি এমৰ লেনদেন অধিক সুৰক্ষিত কৰিব বিচাৰিলে সদায়ে যাতে গ্ৰাহকে অ' টি পিৰ মাধ্যমেৰে লেনদেন সম্পন্ন কৰে। অ' টি পি ব্যৱহাৰ কৰি এ টি এমৰ পৰা ধন উলিয়ালে কেতিয়াও এ টি এম কাৰ্ডৰ জালিয়াতিৰ বলি হ'ব নালাগে বুলিও এছ বি আয়ে গ্ৰাহকক পৰামৰ্শ দিয়ে।

২,৫০৩ জনলৈ হ্ৰাস দেশৰ দৈনিক সংক্ৰমণ, মৃত্যু কমিল ২৭ জনলৈ

নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ মাৰ্চ ঃ ক'ভিড সংক্ৰমণৰ পৰা ক্ৰমে মুক্ত হোৱাৰ পথত অগ্ৰসৰ হৈছে ভাৰত। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত নতুনকৈ ২,৫০৩ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। আনহাতে, বিগত এদিনত দেশত পুনৰ ২৭ জন লোকৰ প্ৰাণ কাঢ়িলে এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে। যোৱা ২৪ ঘণ্টাত দেশত সুস্থ হৈ উঠিল ৪,৩৭৭ জন ক'ভিড ৰোগী। এই মুহূৰ্তত ভাৰতত ৩৬,১৬৮ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

নগাঁৱত আৰক্ষী বিষয়াৰ ঘৰতে চুৰি

বিশেষ সংবাদদাতা

নগাঁও, ১৪ মাৰ্চ ঃ 'বেজৰ নাকত খৰ' এই আপ্ত বাক্যশাৰী সত্যত প্ৰমাণিত কৰি যোৱা নিশা নগাঁও চহৰৰ দক্ষিণ হয়বৰগাঁও, নামঘৰ পথত ভাড়াতীয়াৰূপে এজন আৰক্ষী বিষয়াৰ ঘৰত চোৰে লুটপাট কৰা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। নামঘৰ পথৰ হৰিপ্ৰসাদ শইকীয়াৰ ঘৰত ভাড়াতীয়াৰূপে থকা নগাঁও জিলা আৰক্ষী বিভাগৰ ৰহা চক্ৰৰ চক্ৰ পৰিদৰ্শক পুষ্পেন্দ্ৰ মহন্তৰ ভাড়াঘৰত যোৱা নিশা চোৰে চুৰি কাৰ্য সংঘটিত কৰে। আৰক্ষী বিষয়াজনে কালি পৰিয়ালসহ তেজপুৰৰ আত্মীয়ৰ ঘৰলৈ থকাকৈ গৈছিল। ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি চোৰৰ দলে মহন্তৰ ভাড়াঘৰৰ দুৱাৰৰ তলা ভাঙি ভিতৰত প্ৰৱেশ কৰি লুটপাট চলাই। চোৰৰ দলটোৱে প্ৰায় চাৰিলাখ টকাৰ আ- অলংকাৰকে ধৰি বিভিন্ন সামগ্ৰী লুট কৰাৰ লগতে নগদ ধনো লৈ যায়। চোৰৰ দলটোৱে আচবাবসমূহ লণ্ডভণ্ড কৰি থৈ যায়। আজি পুৱা ঘৰৰ মালিকে মহন্তৰ ভাড়াঘৰৰ দুৱাৰ খুলি থকা প্ৰত্যক্ষ কৰি চুৰি কাৰ্য সংঘটিত হোৱাৰ বিষয়ে অৱগত হয়। লগে লগে তেওঁ আৰক্ষী বিষয়াজনক খবৰ দিয়াত আৰক্ষী বিষয়াজনে ঘৰলৈ আহি চোৰে লুটপাট চলাই লণ্ডভণ্ড কৰি থৈ যোৱা ঘৰটোৰ কোঠাসমূহ দেখি হতবাক হৈ পৰে । চুৰি কাৰ্য সংঘটিত হোৱা সন্দৰ্ভত আৰক্ষী বিষয়াজনে হয়বৰগাঁও আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰিছে। ইতিমধ্যে ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ ঘটনাৰ অনুসন্ধান আৰম্ভ কৰিছে। আৰক্ষীয়ে চোৰৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে যদিও বাতৰি লিখা সময়লৈকে চোৰৰ দলটোক কৰায়ত্ত কৰিব পৰা নাই।

ড্ৰাগছ সৰবৰাহত জড়িতক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

বাইহাটা চাৰিআলি, ১৪ মাৰ্চ ঃ কামৰূপ জিলাৰ ৰঙিয়া মহকুমা আৰক্ষী বিষয়াৰ নেতৃত্বত বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত নগাঁও-কলাজলত যোৱা নিশা অভিযান চলাই হেৰ'ইনৰ ব্যৱসায় চলাই অহা তিনিজন যুৱকক গ্ৰেপ্তাৰ কৰা হয়। প্ৰাপ্ত তথ্য অনুসৰি এই অভিযানত ১০.৪৮ গ্ৰাম সন্দেহযুক্ত হেৰ'ইনসহ আঠটা কণ্টেইনাৰ উদ্ধাৰ হোৱাৰ লগতে এখন মটৰ চাইকেল আৰু তিনিটা ম'বাইল ফোনো জব্দ কৰা হয়। ধৃত যুৱক কেইজন ক্ৰমে একেখন থানাৰ অন্তৰ্গত নগাঁৱৰ প্ৰয়াত মতলেব আলীৰ পুত্ৰ ৰেকিব আহমেদ ওৰফে বাবু (৩৫), কমলপুৰ থানাৰ অন্তৰ্গত জালিমূৰাৰ মহতাজ আলীৰ পুত্ৰ ৰেকিবুদ্দিন আহমেদ ওৰফে ডাঙৰ আপা (৩৩) আৰু জালিমূৰা-বন্নুৰ চাহিদিন আলীৰ পুত্ৰ ছাদ্দাম হুছেইন (৩০) ।

আমগুৰি পৌৰসভা গঠনক লৈ মিত্ৰজোঁটত মহাজঁট

অগপক একাষৰীয়া কৰি এককভাৱে পৌৰসভা গঠনৰ অংক বিজেপিৰ ঃ কংগ্ৰেছৰ বিজয়ী প্ৰাৰ্থীক কাষলৈ অনাৰ বাবে তৎপৰতা ঃ সতৰ্কতা অৱলম্বন কৰিছে কংগ্ৰেছেও

অগ্ৰদূত বাৰ্তা,

আমগুৰি, ১৪ মাৰ্চ ঃ সদ্যঘোষিত পৌৰসভা নিৰ্বাচনত বিজেপিৰ জয়জয়কাৰ হোৱাৰ সময়তে শিৱসাগৰ জিলাৰ আমগুৰি পৌৰসভা গঠনক লৈ এক অনিশ্চয়তাৰ পৰিৱেশে বিৰাজ কৰিছে। বিশেষকৈ পৌৰসভা গঠন কৰাক কেন্দ্ৰ কৰি এতিয়া মিত্ৰজোঁটৰ মাজতে চিপৰাং মৰা ৰাজনীতি পৰিলক্ষিত হৈছে। যাৰ বাবে মিত্ৰজোঁটৰ দুই দলে নিজাকৈ আমগুৰি পৌৰসভা গঠনৰ বাবে তৎপৰতা আৰম্ভ কৰা বুলি বিশেষ সূত্ৰই দাবী কৰিছে। এই ক্ষেত্ৰত অগপক একাষৰীয়া কৰি বিজয়ী কংগ্ৰেছ প্ৰাৰ্থীক ক্ৰয়েৰে বিজেপিয়ে পৌৰসভা গঠনত অধিক তৎপৰতা দেখুৱাইছে। ইয়াৰ বাবে সম্প্ৰতি কংগ্ৰেছৰ বিজয়ী প্ৰাৰ্থী ক্ৰয়ৰ বাবে বিজেপিয়ে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

পৌৰসভাখনৰ সাত নম্বৰ ৱাৰ্ডৰ নৱ নিৰ্বাচিত কংগ্ৰেছ ৱাৰ্ড সদস্য অনিল কেওটক নানা কৌশলেৰে নিজৰ শিবিৰলৈ অনাৰ বাবে বিজেপিৰ এজন তথা এজন জিলা পৰ্যায়ৰ নেতাই পৃথকে প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই দুই বিজেপি নেতাৰ জৰিয়তে কেওটৰ লগতে আন দুই বিজয়ী কংগ্ৰেছ প্ৰাৰ্থীক নিজৰফলীয়া কৰি অগপৰ সহায় অবিহনে আমগুৰিত বিজেপিয়ে পৌৰসভা গঠনৰ কুচকাৱাজ চলাই থকা বুলি ঘনিষ্ঠ সূত্ৰই জনাইছে। ইফালে, পৌৰসভাখনত জয়ী হোৱা এজন নিৰ্দলীয় প্ৰাৰ্থীয়ে অগপত যোগদানৰ বাবে যোজা চলোৱাৰো চৰ্চা চলিছে। অৱশ্যে নিৰ্দলীয় প্ৰাৰ্থীজনে দেখদেখকৈ অগপত যোগদান কৰাত সম্প্ৰতি কিছু বাধা আহি পৰিছে। কিয়নো পৌৰসভাখনৰ তিনি নম্বৰ ৱাৰ্ডত নিৰ্দলীয় প্ৰাৰ্থীজনৰ কাৰণেই বিজেপিৰ প্ৰাৰ্থীয়ে মুখথেকেচা খাবলগীয়া হৈছিল। আনহাতে, অগপই এই নিৰ্দলীয় প্ৰাৰ্থীজনক উপ-পৌৰপতিৰ বিষয়বাব দিয়াৰ কাৰণে উঠিপৰি লগাৰ পাছতো তেওঁক মুকলি সমৰ্থন দিব নোৱৰাটোৱে সম্প্ৰতি পৌৰসভা গঠনৰ ক্ষেত্ৰত জটিলতাৰ সৃষ্টি কৰিছে। উল্লেখ্য যে আমগুৰি পৌৰসভাত বিজেপিৰ তিনি নিৰ্দলীয় প্ৰাৰ্থীৰ বাবেই অগপ দলে বেয়াকৈ মুখঠেকেচা খাব লগা হয়। আনহাতে, অগপৰ কাৰণে বিজেপিয়ে এটা ৱাৰ্ড হেৰুৱাবলগীয়া হয়। এনে অৱস্থাত আমগুৰিত বিজেপি-অগপৰ মিত্ৰতাত সম্প্ৰতি বিশ্বাসহীনতাই দেখা দিয়াত পৌৰসভা গঠনৰ পৰিকল্পনাও গেথেলা মাৰিছে। ইপিনে, বিজেপিয়ে যাতে বিজয়ী কংগ্ৰেছ প্ৰাৰ্থীক নিজৰ শিবিৰলৈ নিব নোৱাৰে, তাৰ বাবে কংগ্ৰেছেও তৎপৰতা আৰম্ভ কৰিছে। এই ক্ষেত্ৰত দলৰ বিজয়ী প্ৰাৰ্থীক গোপন স্থানত ৰাখিছে কংগ্ৰেছে। লক্ষ্যণীয়ভাৱে আমগুৰি পৌৰসভা গঠনক লৈ অগপ-বিজেপিৰ নিমিলা অংক আৰু সঘন ৰণনীতিৰ পৰিৱৰ্তনৰ মাজতে কংগ্ৰেছেও আৰম্ভ কৰিছে নিজা তৎপৰতা। উল্লেখ্য যে সৰ্বাধিক চাৰিটা ৱাৰ্ডত বিজয় সাব্যস্ত কৰিছে কংগ্ৰেছে। সেয়ে আন দলৰ পৰা দুই প্ৰাৰ্থীক নিজৰ ফলীয়া কৰি পৌৰসভা গঠন কৰিবলৈ কংগ্ৰেছেও অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে। আনকি পৌৰপতি, উপ-পৌৰপতিৰ আসন উপহাৰ দি নিৰ্দলীয় আৰু অগপ-বিজেপিৰ পৰা দুজন ৱাৰ্ড সদস্য নিজৰ ফলীয়া কৰিবৰ কাৰণে কংগ্ৰেছে চেষ্টা চলাই আছে। অৱশ্যে কংগ্ৰেছৰ এই অংক কিমানদূৰ সফল হ'ব সেয়া এতিয়াই ক'ব নোৱাৰি। কিয়নো অগপ-বিজেপিৰ শীৰ্ষ নেতৃত্বৰ নিৰ্দেশত দল দুটাই যৌথভাৱে পৌৰসভা গঠন কৰাৰে সম্ভাৱনা অধিক।

অভিলেখ গঢ়িলে কাগজ কলৰ শ্ৰমিকৰ

ছয় পৃষ্ঠাৰ পৰা বুলি উল্লেখ কৰি নেতাদ্বয়ে কয় যে মোদী চৰকাৰৰ শাসনকালত এনেকুৱা কলংকিত অধ্যায় লিপিবদ্ধ হৈয়ে থাকিব।

বিবৃতিটোত জাক্ৰুৰ নেতাদ্বয়ে আৰু কয়, '২০১৪ৰ পৰা ২০২২লৈকে প্ৰায় ন বছৰৰ 'অমৃত কাল'ত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ ডবল ইঞ্জিনৰ চৰকাৰ। এইটো সত্য যে তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কাৰ্যকালত ৮৫জন আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালতো নগাঁও আৰু কাছাৰ কাগজ কলৰ ১৬জন কৰ্মীয়ে অকাল মৃত্যুক সাৱটি ল'বলগীয়া হৈছে। কাগজ কল দুটাৰ অকালতে মৃত্যু হোৱা শ্ৰমিকৰ সংখ্যা ১০১ হৈছেগৈ। এই ১০১টা মৃত্যুৰ দায়িত্বভাৰ ডাবল ইঞ্জিন চৰকাৰৰ কৰ্ণধাৰসকলে ল'ব লাগিব।' বিবৃতিটোত তেওঁলোকে লগতে আৰু কয় যে বিগত বৰ্ষৰ ২৮ ছেপ্টেম্বৰত মুখ্যমন্ত্ৰী শৰ্মাৰ নেতৃত্বত অসম চৰকাৰে এক ত্ৰাণ চুক্তি সম্পাদিত কৰিছিল যদিও আজি পৰ্যন্ত ইয়াক কাৰ্যকৰী কৰা পৰিলক্ষিত হোৱা নাই। গতিকে আৰু কিমানজনৰ মৃত্যু হ'ব তাক কোৱা কঠিন বুলি উল্লেখ কৰি নেতাদ্বয়ে কয়, 'কাগজ কলত মৃত্যুৰ সংখ্যাই শতক পাৰ কৰিলে আৰু বাচি থকাখিনিয়েও মৃত্যুৰ ক্ষণ গণি আছে। তাৰ বাবে আমি জাক্ৰুৱে প্ৰধানমন্ত্ৰীক ধন্যবাদ জনাইছো। এই মৃত্যু যাত্ৰা শেষ নোহোৱালৈকে অধিকাৰ আদায়ৰ যুঁজ অব্যাহত থাকিব।'

প্ৰাকৃতিক পাম ব্যৱস্থাপনাৰে কৃষিখণ্ডৰ

ছয় পৃষ্ঠাৰ পৰা শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক ড° প্ৰশান্ত মিশ্ৰৰ সঞ্চালনাত অনুষ্ঠিত উক্ত আলোচনাত অসম কৃষি বিশ্ববিদ্যালয় আৰু কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানীসকলে কৃষকৰ স'তে মুখামুখি বাৰ্তালাপ কৰি কৃষকসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যা সমাধানকল্পে পৰামৰ্শ আগবঢ়ায়। উক্ত অনুষ্ঠানৰ পাছতে অনুষ্ঠিত মেলাৰ সামৰণি অনুষ্ঠানত ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ যুটীয়া সঞ্চালক সুধীৰ কুমাৰে অংশগ্ৰহণ কৰে । ভাষণ প্ৰসংগত তেওঁ কয় যে ভাৰত চৰকাৰে প্ৰাকৃতিক কৃষি তথা কৃষি উদ্যোগীৰ সৃষ্টিৰ জৰিয়তে দেশৰ কৃষি ক্ষেত্ৰৰ উন্নতি সাধনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে । ইয়াৰ সদপ্ৰয়োগৰ জৰিয়তে কৃষি আৰু আনুষংগিক দিশৰ লগত জড়িত সকলো উপকৃত হ'ব পাৰিব । আঞ্চলিক মেলাৰ জৰিয়তে কৃষকৰ উপৰি উদ্যমী উদ্যোগীকো প্ৰেৰণা দি সকলোকে অধিক উজ্জীৱিত কৰিব । উক্ত সভাত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুত চন্দন ডেকাই কয় যে দেশৰ ভৱিষ্যত কৃষিয়ে নিৰ্ধাৰণ কৰি পাৰে । সেয়ে কৃষি উদ্যোগীৰ জৰিয়তে সামগ্ৰিকভাৱে কৃষিক আগবঢ়াই নিবলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছে । আঞ্চলিক কৃষি মেলাৰ জৰিয়তে কৃষি আৰু আনুষংগিক ক্ষেত্ৰৰ লগত জড়িত সকলে নতুন পৰিৱেশৰ নতুন ধাৰণা লাভ কৰাৰ লগতে মনলৈ অহা ধাৰণাসমূহ কেনেকৈ ৰূপায়ণ কৰিব সেই দিশত অভিজ্ঞতা অৰ্জন কৰিব পাৰে । উৎপাদন আৰু বিক্ৰীৰ দিশত গুৰুত্বপূৰ্ণ লাভালাভো অৰ্জন কৰিব পাৰে সকলোৱে । অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠকে আঁতধৰা অনুষ্ঠানটোত খানাপাৰাৰ গৱেষণা সঞ্চালকশ্চ পশু চিকিৎসক ডা° নিৰঞ্জন কলিতা, কৃষি বিজ্ঞানগুৰু ড° জয়ন্ত ডেকা, স্নাতকোত্তৰ শিক্ষা সঞ্চালক ড° অজিত বৈশ্য, ছাত্ৰ কল্যাণ সঞ্চালক ড° অজিত বৈশ্য , ড° জ্যেষ্ঠ সম্প্ৰসাৰণ বিশেষজ্ঞ ড° মনোৰঞ্জন নেওগেও বক্তব্য আগবঢ়ায় । মেলাখনত অংশগ্ৰহণ কৰা বিপণীৰ ভিতৰত কলিয়াবৰৰ তাঞ্জিল নাৰ্জাৰী, শিৱসাগৰ নাজিৰাৰ লিনাজ হ'ম মেড পিকলছ আৰু ইম্ফলৰ কেন্দ্ৰীয় কৃষি বিশ্ববিদ্যালয়ক পুৰস্কাৰ প্ৰদান কৰা হয়। উল্লেখ্য যে তিনিদিনীয়া এই মেলাৰ স'তে সংগতি ৰাখি উত্তৰ পূৰৰ কৃষি আৰু ইয়াৰ আনুসংগিক ক্ষেত্ৰৰ উন্নয়নকল্পে কৃষক, কৃষি উদ্যোগী আৰু উদ্ভাৱকক লৈ কে'বালানিও বিশেষ আলোচনাচক্ৰ অনুষ্ঠিত হোৱাৰ উপৰি দুটা নিশা উত্তৰ-পূৰ ভাৰতৰ বিভিন্ন সংস্কৃতি প্ৰদৰ্শনেৰে বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয় ।

গোসাঁইগাঁৱত শহুৰেকৰ হাতত

ছয় পৃষ্ঠাৰ পৰা ইতিমধ্যে আৰক্ষীয়ে মহিলাগৰাকীৰ স্বামীক আটক কৰিছে।

আৰক্ষী সূত্ৰই জনোৱা মতে, যৌতুক দাবী কৰি দীৰ্ঘদিনৰ পৰা স্বামীৰ পৰিয়ালে চলাই আহিছিল নিৰ্যাতন। কিছুদিনৰ পূৰ্বে বোৱাৰীগৰাকীক পিতৃগৃহৰ পৰা ৩০ হেজাৰ টকা আনিবলৈ কৈছিল। অৱশ্যে দৰিদ্ৰ পিতৃয়ে সেই টকা দিবলৈ অক্ষম হোৱাত কালি সন্ধিয়া প্ৰায় সাত বজাত শহুৰেক কুৰবান আলীয়ে পিতৃগৃহৰ পৰা ৩০ হেজাৰ টকা কিয় অনা নাই বুলি বোৱাৰীয়েকৰ ওপৰত খৰ্গহস্ত হৈ পৰে। ইয়াক লৈ শহুৰেক আৰু স্বামীয়ে মিলি বোৱাৰীগৰাকীৰ ওপৰত অমানুষিক অত্যাচাৰ আৰম্ভ কৰে। কাজিয়া চলি থকা অৱস্থাতে শহুৰেক কুৰবানে এডাল কাঠৰ বাটামেৰে বোৱাৰীগৰাকীৰ মূৰত আঘাত কৰাত তেওঁ থিতাতে নিহত হয়। নিহত অন্তঃসত্ত্বা মহিলাগৰাকী গোসাঁইগাঁও মহকুমাৰ দুই নম্বৰ বুঢ়িচাটাম গাঁৱৰ নিবাসী মহম্মদ শ্বেইখৰ কন্যা নাজিমা বিবি বুলি আৰক্ষীয়ে জনাইছে। ইপিনে, হত্যাকাণ্ড সংঘটিত কৰিয়ে শহুৰেকে পলায়ন কৰে। পৰৱৰ্তী সময়ত খবৰ লাভ কৰি ভাওৰাগুৰী আৰক্ষী চকীৰ আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰে। লগতে হত্যাকাণ্ডৰ তদন্ত আৰম্ভ কৰি আৰক্ষীয়ে মৃতাৰ স্বামী মফিজুৰ ৰহমানক আটক কৰে। অৱশ্যে মূল অভিযুক্ত কুৰবানক এতিয়ালৈকে আটক কৰিব পৰা নাই। মৃতা মহিলাগৰাকীৰ পিতৃগৃহৰ লোকে ইতিমধ্যে ভাওৰাগুৰী আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰিছে।

নতুন শক্তি লৈ পুনৰ সংগঠিত

ছয় পৃষ্ঠাৰ পৰা বড়োই দিল্লীত গৈ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি ড° জাকিৰ হুছেইনক প্ৰথম স্মাৰকপত্ৰ প্ৰদান কৰিছিল। ইতিহাস সোঁৱৰি নেতাজনে কয় যে তেতিয়াই জনজাতিসকলৰ মাজত নতুন জাগৰণ সৃষ্টি হৈছিল আৰু সংগঠনৰ শক্তি বৃদ্ধি হৈছিল । ১৯৬৭তে গঠন হোৱা অসম ভৈয়াম জনজাতি পৰিষদে তিনিখনকৈ বড়ো চুক্তিতে সন্তুষ্ট নহয় বুলি দোহাৰি সংগঠনটোৱে পুণৰ সক্ৰিয় ৰূপত সুকীয়া ৰাজ্যৰ দাবীত গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি মত প্ৰকাশ কৰে। ষষ্ঠ অনুসূচীৰ জনজাতিসকল পৰ্যাপ্ত পৰিমাণৰ সা-সুবিধাৰ পৰা আজিও বঞ্চিত হোৱাৰ লগতে তেওঁলোকৰ উন্নয়ন হোৱা নাই বুলি অভিযোগ কৰে। সংবাদমেলত প্ৰস্তাবিত উদয়াচল ৰাজ্যই ষষ্ঠ অনুসূচীৰ পৰিষদসমূহৰ কোনোধৰণৰ ক্ষতি নকৰে বুলি স্পষ্ট কৰি দিয়ে সংগঠনটোৱে। ইয়াৰ উপৰি দীৰ্ঘদিন ধৰি নিস্ক্ৰিয় হৈ থকা সংগঠনটোৱে পৃথক উদয়াচল ৰাজ্যৰ দাবীত কাৰ্যক্ষম কৰাৰ মানসেৰে যোৱা ২৭ ফেব্ৰুৱাৰীত গুৱাহাটীৰ বাথৌপুৰীত এখন সাধাৰণ সভা আহ্বান কৰি এখন প্ৰস্তুতি সমিতি গঠন কৰে বুলি সদৰী কৰে। সংগঠনটোৱে জনজাতিৰ লগতে জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলো বৌদ্ধিক শ্ৰেণীৰ লোকক দলীয় আদৰ্শৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি দলীয় কাম-কাজ আগবঢ়াই নিয়াত সহায় কৰিবলৈ আহ্বান জনায়। সংবাদমেলত উপস্থিত থাকে পিটিচিএৰ প্ৰস্তুতি কমিটীৰ সভাপতি ফাৰ্মিনাচ নাৰ্জাৰী, উপ-সভাপতি বদন স্বৰ্গীয়াৰী, গোবিন্দ বড়ো আৰু মুখ্য আহ্বায়ক নোৱাজ বসুমতাৰীকে ধৰি ভালেকেইগৰাকী পিটিচিএৰ নেতা।

চামগুৰিৰ ৰঙাগড়াত পথ

ছয় পৃষ্ঠাৰ পৰা আৰু দীপক গৌড় (২০) নামৰ যুৱক দুজনে এএছ-০২ এক্স -৩৭৭৫ নম্বৰৰ মটৰ চাইকেলখনৰে চামগুৰি দিশৰ পৰা আমনিৰ নিজ গৃহলৈ বুলি গৈ থাকোতে ৰঙাগড়াত পথ নিৰ্মাণকাৰী কোম্পানীয়ে পেলাই থোৱা শিলগুটিৰ দ'মত খুন্দিওৱাৰ ফলত মটৰ চাইকেল আৰোহী বিজয় থিতাতে নিহত হোৱাৰ লগতে দীপক আহত হয়। পৰৱৰ্তী সময়ত চাৰিলেনযুক্ত পথ নিৰ্মাণকাৰী সংস্থা ছিমপ্লেক্সৰ কোম্পানীৰ আসোঁৱাহ পূৰ্ণ কামৰ বাবেই প্ৰায়েই দুৰ্ঘটনা সংঘটিত হোৱাৰ অভিযোগ কৰি স্থানীয় ৰাইজে ঘাইপথ অৱৰোধ কৰে। দুৰ্ঘটনাটোক কেন্দ্ৰ কৰি স্থানীয় ৰাইজে পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰা সময়ত ঘটনাস্থলীত চামগুৰি আৰক্ষী থানাৰ আৰক্ষীৰ লগতে চামগুৰি ৰাজহ চক্ৰৰ চক্ৰ বিষয়া উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত হোৱা দীপক গৌড়ক স্থানীয় ৰাইজৰ সহযোগত চিকিৎসাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে নিহত যুৱকজনৰ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

মৰিগাঁৱত নিশাৰ ভিতৰতে বৃদ্ধি ইউৰিয়া সাৰৰ দাম

অগ্ৰদূত বাৰ্তা

মৰিগাঁও, ১৪ মাৰ্চ ঃ ৰিগাঁৱত কৃষকে ৰাসায়নিক সাৰ বিচাৰি হাহাকাৰ কৰি থকাৰ সময়তেই জিলাখনৰ খান্দাজানস্থিত 'বিশ্বাস ফাৰ্টিলাইজাৰ' নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানখনত সংঘটিত হৈছে বৃহৎ কেলেংকাৰি। মৰিগাঁৱৰ 'বিশ্বাস ফাৰ্টিলাইজাৰ' প্ৰতিষ্ঠানখনে ২৬৬ টকীয়া ইউৰিয়া সাৰ ৫০০ টকাতকৈ অধিক দামত বিক্ৰী কৰি কৃষকৰ পৰা লুণ্ঠনৰাজ চলোৱা কাণ্ডই জিলাখনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মৰিগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ কৃষকসকলে যোৱা কে'বাদিনো ধৰি ইউৰিয়া সাৰ বিচাৰি হাবাথুৰি খোৱাৰ লগতে মূৰে-কপালে হাত দিবলগীয়া পৰিস্থিতিৰ সন্মুখীন হৈছে। তেনে সময়তেই কৃষকক ৰামটাঙোন দিবলৈ মৰিগাঁৱৰ খান্দাজানত থকা 'বিশ্বাস ফাৰ্টিলাইজাৰ' প্ৰতিষ্ঠানখনে ২৬৬ টকাৰ সাৰ ৫০০তকৈও অধিক মূল্যত বিক্ৰী কৰি ৰমৰমীয়া ব্যৱসায় চলাই থকাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ যে কৃষকসকলৰ বাবে অহা সাৰ নাই বুলি নিশাৰ ভিতৰতে অধিক মূল্যত প্ৰতিষ্ঠানটোৱে বিক্ৰী কৰি কৃষকৰ ওপৰত লুণ্ঠনৰাজ চলাই যোৱা 'বিশ্বাস ফাৰ্টিলাইজাৰ' নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানটোৱে প্ৰতি বেগ ইউৰিয়া সাৰৰ বিপৰীতে ভিটামিন ল'বলৈও বাধ্য কৰাইছে কৃষকসকলক। ইফালে, অবৈধভাৱে কৃষকৰ ওপৰত এই প্ৰতিষ্ঠানটোৱে ইউৰিয়া সাৰ অত্যধিক মূল্যত বিক্ৰী কৰি লুণ্ঠন চলোৱাৰ সন্দৰ্ভত আজি জিলা কৃষি বিষয়াই গা এৰা মনোভাবেৰে কয় যে প্ৰতিষ্ঠানটোৱে অধিক মূল্যত সাৰ বিক্ৰী কৰাৰ উপযুক্ত প্ৰমাণ পালে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। তেওঁৰ এই মন্তব্যৰ পাছতে কৃষকসকলে টায়াৰ জ্বলাই ক্ষোভ উজাৰি প্ৰতিবাদ কৰাত কৃষি বিভাগৰ লোক আৰু দণ্ডাধীশ উপস্থিত হৈ জব্দ কৰে প্ৰতিষ্ঠানটোত অবৈধভাৱে লুকুৱাই ৰখা বৃহৎ পৰিমাণৰ সাৰ। ইপিনে, মৰিগাঁৱৰ খান্দাজানত থকা 'বিশ্বাস ফাৰ্টিলাইজাৰ' নামৰ বিতৰ্কিত প্ৰতিষ্ঠানটোৱে কাৰ সাহসত এনেদৰে কৃষকৰ ওপৰত অবৈধভাৱে লুণ্ঠনৰাজ চলাই আছে, তাক লৈ জিলাখনত এক ৰহস্যৰ সৃষ্টি হৈছে।

কৃষক ৰাইজৰ প্ৰতিবাদ

ঋণগ্ৰস্ত মহিলাক চৰকাৰৰ প্ৰৱঞ্চনা

ছয় পৃষ্ঠাৰ পৰা তেওঁলোকে সৰ্বনিম্ন তিনি হেজাৰ পাঁচশৰ পৰা প্ৰায় ন হেজাৰ টকা পাইছে। ফলত তেওঁলোকে আনৰ পৰা ধাৰ লৈ ঋণগ্ৰস্ত হৈ পৰিছে। ৰাজ্যিক জীৱন জীৱিকা অভিযানৰ পৰা পাব লগা ঋণ মাইক্ৰ'ফাইনেন্সৰ ঋণ আদায় নকৰাৰ বাবে বহু গোটক ঋণ প্ৰদানৰ পৰা বঞ্চিত কৰি ৰাখিছে আনফালে আকৌ উদগনিমূলক ধন বিতৰণত কোনোবাই তিনিটা কিস্তি দিবলৈ আছেই। কিন্তু তেওঁলোকে ২২ হেজাৰ। কোনোৱে ১৩ টা কিস্তি দিবলৈ আছে তেওঁলোকক প্ৰদান কৰা হৈছে ২৫ হেজাৰ টকা। ইপিনে, চৰকাৰখনে কৰা প্ৰৱঞ্চনা আৰু বৈষম্যৰ বিৰুদ্ধে আজি মাইক্ৰ'ফাইনেন্স শোষণ বিৰোধী যৌথ সংগ্ৰামী মঞ্চৰ নগাঁও আৰু হোজাই জিলা সমিতিৰ এখনি যৌথ কাৰ্যনিৰ্বাহক সভা চমুৱাগাঁওস্থিত শংকৰদেৱ চিত্ৰকলা বিদ্যালয়ত অনুষ্ঠিত হয়। উক্ত সভাত সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ নগাঁও জিলাৰ মুখ্য আহ্বায়ক স্বপন হাজৰিকা আৰু যৌথ সংগ্ৰামী মঞ্চৰ মুখ্য আহ্বায়ক তথা সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক অৰূপ কুমাৰ মহন্তই বৈঠকত অংশগ্ৰহণ কৰি চৰকাৰৰ প্ৰৱঞ্চনা আৰু বৈষম্যৰ বিৰুদ্ধে সজাগ আৰু সংগঠিত হৈ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ আহ্বান জনায়। সভাই অহা ১৭ মাৰ্চৰ পৰা পযেকজোৰা জাগৰণ সভা অনুষ্ঠিত কৰা আৰু ১১ এপ্ৰিলত নগাঁৱত গণ বিক্ষোভ কাৰ্যসূচী গ্ৰহণৰ সিদ্ধান্ত গ্ৰহণ কৰে বুলিও বিবৃতিটোত উল্লেখ কৰে। লগতে অহা ২৮ আৰু ২৯ মাৰ্চত সৰ্বভাৰতীয় শ্ৰমিক সংগঠনসমূহে আহ্বান জনোৱা দেশজোৰা ধৰ্মঘট কাৰ্যসূচীৰ প্ৰতি সমৰ্থন আৰু অংশগ্ৰহণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

Engagement in Kasturba Gandhi Balika Vidyalaya, Tapattary under SSA, Bongaigaon

No.SSA/ENGN/Asstt.03/KGBV/Engagement/264P41/2011/400

Date : 10.03.2022

Application are invited from the eligible candidate for engagement is the Kasturba Gandhi Balika vidyalaya, Tapattary (residential school for Girls) under Samagra Siksha, Bongaigaon District, purely on contractual basis for 11 months which may be extended on condition.

Name and No. of Post

Name of KGBV	Full time Asstt. Teacher (Arts). (Reverved for Female only)	Head Teacher. (Reserved for Female only)	Account Assistant cum caretaker
Tapattary Type-III	3	1	1

Qualification, Experience and Honorarium

Sl. No	Position	Qualification and Experience	Honorarium per month	Age limit
1	Full time Asstt. Teacher (English)	Minimum Educational qualification Master degree in English with B.Ed. and Higher Secondary TET qualified. Preference: Experience in teaching in UP/HS/ HSS level. On not availability of Higher secondary TET qualified candidate Minimum Educational Qualification: Master degree in English with B.Ed. Preference: Experience is teaching in UP/HS/ HSS level.	Rs. 22,000.00 per month for TET qualified. Rs. 20,000.00 per month for Non-TET	Below 45 years as on 01.01.2022
2	Full time Asstt. Teacher (Logic & Philosophy)	Minimum Educational qualification Master degree in Logic&Philosophy with B.Ed. and Higher Secondary TET qualified. Preference: Experience in teaching in UP/HS/ HSS level. On not availability of Higher secondary TET qualified candidate Minimum Educational Qualification: Master degree in Logic& Philosophy with B.Ed. Preference: Experience is teaching in UP/HS/ HSS level.	Rs. 22,000.00 per month for TET qualified. Rs. 20,000.00 per month for Non-TET	Below 45 years as on 01.01.2022
3	Full time Asstt. Teacher (Political Science)	Minimum Educational qualification Master degree in Political Science with B.Ed. and Higher Secondary TET qualified. Preference: Experience in teaching in UP/HS/ HSS level. On not availability of Higher secondary TET qualified candidate Minimum Educational Qualification: Master degree in Political Science with B.Ed. Preference: Experience is teaching in UP/HS/ HSS level.	Rs. 22,000.00 per month for TET qualified. Rs. 20,000.00 per month for Non-TET	Below 45 years as on 01.01.2022
4	Head Teacher (Social Science)	Minimum Educational qualification Master degree in Social Science with B.Ed. and Higher Secondary TET qualified. Preference: Experience in teaching in UP/HS/ HSS level. On not availability of Higher secondary TET qualified candidate Minimum Educational Qualification: Master degree in any subject with B.Ed. Preference: Experience is teaching in UP/HS/ HSS level.	Rs. 24,000.00 per month for TET qualified. Rs. 22,000.00 per month for Non-TET	Below 45 years as on 01.01.2022
5	Account Assistant cum Caretaker	(i) Graduate from recognized university. prefer ability from commerce background. (ii) The candidate should have a caring personality and willing to work hard in a mission mode	Rs. 18,000/- per month	Below 45 years as on 01.01.2022

How to apply:

- * One candidate can apply for one post only.
- * Warden cum AT and Full time AT woring in KGBV need not apply.
- * If Non-TET candidates are selected for the teachers, they will have to qualify Higher Secondary TET within 3 consecutive TET.
- * Applicaiton in plain paper stating (i) Name of Applicant, (ii) Age, (iii) Date of Birth, (iv) Gender, (v) Social Category, (vi) Name of Father, (vii) Name of Mother, (viii) Name of Husband (if married), (ix) Permanent Address, (x) Address for communication, (xi) Contact Telephone/Mobile No, (xii) Ecucational Qualification (xiii) Working Experience along with one passport size Photograph with self attested copies of Testimonials relating to Educational Qualification and Experience should be submitted to the O/O the undersigned by 19.03.2022 during office hours addressing to the District Mission Coordinator, Samagra Siksha, Deuripara, Bongaigaon.
- * The list of short listed candidate, date and venue for documents verification cum interview will be displayed on the Notice Board at O/O the undersigned on 23.03.2022. The short listed candidates will have to appear in the verification cum interview with all origianl documents relating to educational qualification, experience and other. No separate call letter will be issued No TA/DA will be paid for attending the verification cum interview.
- * The candidates selected and engaged will have no claim for any sort of regular appointment in any school and department in future.

Sd/-
District Mission coordinator
Samagra Siksha, Bongaigaon

Janasanyog/DF/2871/21

No. BRLA-16/2021/149

CORRIGENDUM

The General Notice issued vide No BRLA.16/2021/86-87 dated 15th February 2022 to notify the owners/pattadars/occupants of the land that the **District Level Land Purchase Committee, Barpeta** had decided to acquire the patta land measuring **57B-3K-5.5L** out of total proposed land measuring 70B-2K-19L at the following villages under the Kalgachia Revenue Circle through direct purchase by way of negotiated settlement for the Anti Erosion Works of Beki River under the " **Integrated Flood and Erosion Management of Manas and Beki River in the District of Barpeta in Brahmaputra Valley within Assam (review)**"as per the procedures notified by Govt. of Assam vide Notification **No WR(G) 123/2020/9 dated 02/02/2022** is partially modified for correction of the total land to be acquired under the aforesaid Circle Office. The total land area to be acquired should be 70B-2K-0.5L instead of land measuring 70B-2K-19L, where the total area of patta land is **57B-2K-6.5L instead of 57B-3K-5.5L.** After due correction of the same, the table of the detail land is shown below.

Sl No	Name of Revenue Village	Mouza	Revenue Circle	Area of Proposed Land		
				Patta Land	Govt. Land	Total
1	Jamerkur	Rupshi	Kalgachia	10B-0K-14L	0B-0K-15L	10B-1K-09L
2	Bardanga	Rupshi	Kalgachia	6B-3K-07L	0B-1K-10L	6B-4K-17L
3	Mowamari	Rupshi	Kalgachia	8B-4K-12L	3B-3K-1L	12B-2K-13L
4	Guileza	Rupshi	Kalgachia	15B-2K-07L	0B-3K-10L	16Ba-0K-17L
5	Amguri	Rupshi	Kalgachia	14B-1K-16.5L	0B-0K-0L	14B-1K-16.5L
6	Showpur	Titapani	Kalgachia	1B-4K-10L	8B-0K-18L	10B-0K-08L
			Total	57B-2K-6.5L	12B-4K-14L	70B-2K-0.5L

All the terms and conditions will remain same as mentioned in the original notice.

Chairman
District Level Land Purchase Committee
Barpeta District

Janasanyog/DF/2879/21

উমপানাইত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নতুন সংমণ্ডল কাৰ্যালয়ৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

ডংকামোকাম, ১৪ মাৰ্চ ঃ 'পানীয়েই হৈছে প্ৰাণীৰ প্ৰাণ'। সেয়ে জনসাধাৰণক এটুপি বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ মানসেৰে কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ চৰকাৰখনে পশ্চিম কাৰ্বি আংলং জিলাত এটা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নতুন সংমণ্ডল আৰু দুটাকৈ উপ-সংমণ্ডল কাৰ্যালয়ৰ উদ্বোধন কৰে কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী সদস্য প্ৰদীপ ৰংপিয়ে। পাৰ্বত্য জিলাখনৰ পশ্চিম কাৰ্বি আংলং জিলা গঠনৰ পূৰ্বৰে পৰা একমাত্ৰ সংমণ্ডলেৰে জিলাখনৰ বৃহৎ অঞ্চলত তিনিটা উপ-সংমণ্ডলেৰে জিলাবাসীক পানী যোগান ধৰি আহিছিল। ইপিনে, জিলাখনত আৰু অধিক উন্নয়নৰ লক্ষ্যৰে আৰু এটা নতুনকৈ সংযোজন হ'ল জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সংমণ্ডলৰ লগতে আন দুটাকৈ নতুন উপ-সংমণ্ডলৰ। ইপিনে, তিনি নম্বৰ চিণ্ঠং পৰিষদীয় সমষ্টি জনপ্ৰতিনিধিগৰাকীয়ে জনসাধাৰণক উদ্দেশি কয়, 'কাৰ্বি আংলং স্বায়ত্ত পৰিষদে উলুকুঞ্চিত এখন আৰু আমটেৰেঙত এখন জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উপ-সংমণ্ডল স্থাপিত কৰাৰ লগতে চিণ্ঠং সমষ্টিবাসীৰ উন্নয়নেই হৈছে মূল লক্ষ্য। এই আঁচনিৰ শুভ উদ্বোধনত ৰংপিক সহযোগ কৰে দুই নম্বৰ আমৰি পৰিষদীয় সমষ্টি স্থানীয় জনপ্ৰতিনিধি ডি উফিং মাচলাই, কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ যুটীয়া সচিব চিউম তাৰ আৰু হামৰেণ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা তৰ'ণি ৰংপি উপস্থিত থাকে। উল্লেখ্য যে এই আঁচনিৰ জৰিয়তে বিশেষকৈ পাহাৰীয়া অঞ্চলৰ ৰাইজে জান-জুৰিৰ পানী সেৱনৰ পৰা দুখীয়া লোকসকল যথেষ্ট উপকৃত হ'ব বুলি কয় কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰদীপ ৰংপিয়ে।

নাৰী সমাজৰ সৃষ্টিৰ শক্তি স্বৰূপ

■ ৰাজস্থানৰ মাউন্ট আবুৰ গীতা বাইদেউ

বিশেষ সংবাদদাতা

ৰঙাপৰা, ১৪ মাৰ্চ ঃ শোণিতপুৰ জিলাৰ ৰঙাপৰা আগৰৱাল সমিতিৰ প্ৰেক্ষাগৃহত কালি বিয়লি চাৰি বজাত আন্তৰ্জাতিক নাৰী দিৱসৰ স'তে সংগতি ৰাখি এক গাম্ভীৰ্যপুৰ্ন অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটোৰ আঁতধৰে ৰঙাপৰা ঈশ্বৰীয় ব্ৰহ্মাকুমাৰী বিদ্যালয়ৰ সুমীয়ে। অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰে মুখ্য অতিথি তথা সদৌ অসম লেখিকা সমাৰোহৰ সম্পাদিকা, মনোমতী কুৰ্মি, ৰঙাপৰা মহাবিদ্যালয়ৰ বানিজ্য বিভাগৰ সহকাৰী অধ্যাপক ড° মমতা বৰঠাকুৰ, মহাবিদ্যালয়ৰ মুখ্য সহায়য়িকা স্বপ্না মহন্ত, কলপ্ৰদুম একাডেমীৰ অধ্যক্ষা গৌৰী মণ্ডল দও, ৰঙাপৰা জাতীয় বিদ্যালয়ৰ সঞ্চালিকা জয়া দাস শইকীয়া, শংকৰদেৱ শিশু নিকেতন শিক্ষয়ত্ৰী ৰিনি মিশ্ৰ, দিপালী বুঢ়াগোহাঁই, অনুৰাধা দেই । উল্লেখ্য যে বিশ্বৰ ১৪০ খন দেশত এই বিশ্ববিদ্যালয়ই সেৱা আগবঢ়ায় আহিছে আৰু ৯০০০ সেৱা কেন্দ্ৰ আছে যত বহুতো যুৱক-যুৱতীয়ে শিক্ষা গ্ৰহণ কৰি আছে । ৰাজস্থানৰ মাউন্ট আবুৰ ব্ৰহ্মকুমাৰী গীতাই কয় যে পৃথিৱীৰ সাতখন মহাদেশৰ ভিতৰত ৬০ খন দেশত প্ৰজাপতি ব্ৰহ্মাকুমাৰীত ঈশ্বৰীয় সেৱা তেওঁ আগবঢ়াইছে। উল্লেখ্য যে ১৯৮৯ৰ পৰাই এই সেৱাত তেওঁ নিয়োজিত হৈ আহিছে। সভাত নৱ নিৰ্বাচিত পৌৰ সভাৰ ৱাৰ্ড সদস্য-সদস্যাসকলক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়।

একত্ৰীকৃত উচ্চ-নিম্ন বিদ্যালয়ৰ স্নাতক শিক্ষকৰ পদ উন্নীতকৰণ সন্দৰ্ভত সভা

অগ্ৰদূত বাৰ্তা

চিনামৰা, ১৪ মাৰ্চ ঃ অসম চৰকাৰৰ শিক্ষা ক্ষেত্ৰ আঁচনি আৰু অন্যান্য আঁচনিৰ জৰিয়তে অসমৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ লগত একত্ৰীকৰণ কৰা উচ্চ আৰু নিম্ন প্ৰাথমিক বিদ্যালয়সমূহৰ কৰ্মৰত নিম্ন স্নাতক পদৰ স্নাতক ডিগ্ৰীধাৰী সহশিক্ষকসকলৰ পদসমূহ চৰকাৰে আজি পৰ্যন্ত স্নাতক পৰ্যায়লৈ উন্নীত নকৰাৰ সন্দৰ্ভত অৰ্হতাসম্পন্ন শিক্ষকৰ সমস্যা সমাধান দাবী সমিতিয়ে এখন প্ৰতিনিধিমূলক সাধাৰণ সভা অহা ২০ মাৰ্চত ধেমাজি জিলাৰ ধেমাজি উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত আয়োজন কৰিছে। তদুপলক্ষে সদৌ অসম একত্ৰীকৃত মাধ্যমিক বিদ্যালয়ৰ অৰ্হতাসম্পন্ন শিক্ষকৰ সমস্যা সমাধান দাবী সমিতিৰ যোৰহাট জিলাৰ সভাপতি দিলীপ বৰা, সম্পাদক প্ৰদীপ চন্দ্ৰ বৰাই কাকতলৈ প্ৰেৰণ কৰা বিজ্ঞপ্তিত উল্লেখ যে একে বিদ্যালয়ত কৰ্মৰত উচ্চ প্ৰাথমিকৰ প্ৰধান শিক্ষকসকলক উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী প্ৰধান শিক্ষক পদলৈ পদোন্নতি দি এচাম উপযুক্ত শিক্ষকক প্ৰতাৰণা কৰাৰ লগতে মৰ্যাদা হানি কাৰ্যৰে শিক্ষকৰ মাজত চৰকাৰে বিভাজন কৰিছে বুলি উল্লেখ কৰে। লগতে সহ শিক্ষকসকলে উচ্চ মাধ্যমিক বিদ্যালয়ৰ অন্যান্য সহকাৰী স্নাতক শিক্ষকৰ দৰে উচ্চ শাখা শ্ৰেণীত পাঠদান কৰি চৰকাৰৰ নিৰ্দেশক সন্মান জনাব লগা বুলি উল্লেখ কৰে। সেয়েহে শিক্ষকৰ সমস্যা সমাধানৰ কল্পে আৰু উচিত কাৰ্যপন্থা গ্ৰহণৰ অৰ্থে ৰাজ্যখনৰ প্ৰতি জিলাৰ ১০জনকৈ প্ৰতিনিধিয়ে উক্ত দিনা ধেমাজিত অনুষ্ঠিত হ'ব লগা প্ৰতিনিধিত্ব সভাত অংশগ্ৰহণ কৰি সভাখন সাফল্যমণ্ডিত কৰিবলৈ অৰ্হতাসম্পন্ন স্নাতক পদত কাৰ্যনিৰ্বাহ কৰি থকা শিক্ষক-শিক্ষয়িত্ৰীসকলক আহ্বান জনাইছে। সবিশেষ জানিবলৈ আহ্বায়ক আনন্দ দত্ত, ৬০০২৪০৬০৯৭, হীৰেন বৰুৱা ৯৬৭৮৩৯৬৩৪৬ নম্বৰত যোগাযোগ কৰিবলৈ জনাইছে।


সাংস্কৃতিক শোভাযাত্ৰা
মহাপুৰুষ শ্ৰীমৎ দেৱদামোদৰ দেৱৰ ৫৩৪ তম
জন্ম জয়ন্তী এদিনীয়া বিস্তৃত কাৰ্যসূচীৰে উদযাপন

শ্ৰীমৎ দেৱদামোদৰ দেৱৰ জন্মজয়ন্তী উপলক্ষে শোভাযাত্ৰা।

নৰনাৰায়ণ সেতুৰ নাম পৰশুৰাম ৰাভা হ'ব লাগে ঃ ড° ৰাভা হাকাচাম

■ ৰংখাটি মধ্যাঞ্চল ৰাভা জাতীয় পৰিষদৰ অধিৱেশনৰ সামৰণি

অগ্ৰদূত বাৰ্তা

আগিয়া, ১৪ মাৰ্চ ঃ 'ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত থকা গোৱালপাৰা বঙাইগাঁও জিলা সংযোগী নৰনাৰায়ণ সেতুৰ নাম ৰাভা বীৰ যোদ্ধা পৰশুৰাম ৰাভাৰ নামেৰে নামকৰণ হ'ব লাগে।' এই মন্তব্য গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° উপেন ৰাভা হাকাচামৰ। গোৱালপাৰা জিলাৰ মেঘালয় সীমান্তৱৰ্তী ধামখুলী প্ৰাথমিক বিদ্যালয় খেলপথাৰত ১২ মাৰ্চৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ৰংখাটি মধ্যাঞ্চল ৰাভা জাতীয় পৰিষদৰ চতুৰ্থ সংখ্যক ত্ৰি-বাৰ্ষিক অধিৱেশনৰ কালি অনুষ্ঠিত মুকলি সভাত গ্ৰন্থ উন্মোচন কৰি ড° ৰাভা হাকাচামে কয় যে দক্ষিণ গোৱালপাৰা অসম বুৰঞ্জী বৰ্জিত অঞ্চল। ১৭ বাৰকৈ মোগলক প্ৰত্যাহ্বান জনোৱা বীৰ যোদ্ধা পৰশুৰাম ৰাভা সম্পৰ্কত অসম বুৰঞ্জী নিমাত। সেয়ে বীৰযোদ্ধাজনৰ নাম চিৰস্মৰণীয় কৰি ৰাখিবলৈ নৰনাৰায়ণ সেতুৰ নাম পৰশুৰাম ৰাভা বুলি নামকৰণৰ দাবী জনোৱাৰ লগতে প্ৰতিটো স্বজাতীয় দল-সংগঠনকে উক্ত দাবী জনাবলৈ আহ্বান জনায়। লগতে ৰাভা সমাজত প্ৰচলিত বহু এলান্ধুকলীয়া নিয়ম-নীতিৰ সমালোচনা কৰি তাৰ পৰিৱৰ্তনৰ জৰিয়তে সমাজ প্ৰগতিশীল কৰি তুলিবলৈ ৰাইজলৈ আহ্বান জনায় ড° হাকাচামে। তেওঁ

'আঞ্চলিক সমিতিৰ সামাজিক আইন আৰু দণ্ড বিধি' নামৰ গ্ৰন্থখন উন্মোচনৰ পাছতে স্মৃতিগ্ৰন্থ 'ৰংখাটি' উন্মোচন কৰে নিখিল ৰাভা জাতীয় পৰিষদৰ প্ৰাক্তন সম্পাদক বাণীকান্ত ৰাভাই। উন্মোচনী ভাষণত ৰাভাই স্মৃতিগ্ৰন্থখন অধ্যয়ন কৰিবলৈ ৰাইজক আহ্বান জনোৱাৰ লগতে গ্ৰন্থ, আলোচনী, বাতৰি কাকত ক্ৰয় কৰি অধ্যয়ন কৰিবলৈ আহ্বান জনায়। সমেশ্বৰ ৰাভাৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা তৃতীয়খন গ্ৰন্থ 'সংবিধান' উন্মোচন কৰি সাহিত্যিক চাৰুমোহন ৰাভাই লিপিবদ্ধ আইন তথা নিয়ম-নীতিৰ মাজেৰে পৰিচালিত হ'লে সমাজখন সৰ্বাংগসুন্দৰ হ'ব বুলি আশা প্ৰকাশ কৰে। যুগল ৰাভাৰ সভাপতিত্বত আৰু বিচিত্ৰ ৰাভাই উদ্বোধন কৰা মুকলি সভাত ভাষণ প্ৰদান কৰি নিখিল ৰাভা জাতীয় পৰিষদৰ সভাপতি নৰেন কুমাৰ ৰাভাই কয় যে ১৯২৬ তে গঠন হোৱা নিখিল ৰাভা জাতীয় পৰিষদ ৰাভা ৰাইজৰ পিতৃ সংগঠন। স্বজাতীয় ৰীতি-নীতিয়ে সমাজখন পৰিচালনা কৰাৰ উপৰি ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক সকলো দিশতে নজৰ ৰাখি ৰাভা জাতিটো শৃংখলাবদ্ধ জাতিৰূপে পৰিচিতিৰ বাবে সংগঠনটোৱে কাম কৰি আহিছে বুলিও কয় নৰেন কুমাৰ ৰাভাই। উক্ত অধিৱেশনৰ প্ৰতিনিধি সভাত পুৰণি সমিতি ভংগ কৰি বদুশ্বৰ ৰাভাক সভাপতি আৰু কৈলাশ ৰাভাক সম্পাদক নিৰ্বাচিত কৰি আগন্তুক তিনিবছৰীয়া কাৰ্যকালৰ বাবে ৪১ জনীয়া ৰংখাটি মধ্যাঞ্চল ৰাভা জাতীয় পৰিষদৰ নতুন সমিতি গঠন কৰা হয়।

৯০ বছৰ অতিক্ৰম কৰা জ্যেষ্ঠ লোকক সম্বৰ্ধনা

ছয়গাঁও, ১৪ মাৰ্চ ঃ কামৰূপ জিলাৰ পলাশবাৰী সমষ্টিৰ তিনি নম্বৰ আমতলা গাঁৱৰ এজন সাধাৰণ যুৱকে যোৱা ১২ মাৰ্চত গাঁৱৰে জ্যেষ্ঠ লোকসকলক ঘৰলৈ নিমন্ত্ৰণ কৰি এসাঁজ খুওৱাৰ লগতে সম্বৰ্ধনা জনোৱা কাৰ্যত যুৱকজনক বহু লোকে প্ৰশংসা কৰে। একশৰণ ভাগৱতী সমাজৰ অন্তৰ্গত তৰুণ বিদ্যাৰ্থী সমাজৰ জিলা সম্পাদক অচ্যুত দাস নামৰ যুৱকজনে বিশেষকৈ ৯০ বছৰ অতিক্ৰম কৰা গাঁৱৰ জ্যেষ্ঠ ভকত ৰাধিৰাম দাস আৰু জ্যেষ্ঠ মহিলা সন্বেৰী দাসৰ লগতে কে'বাজনো ভকতক সম্বৰ্ধনা জনাই আশীৰ্বাদ লয়। অনুষ্ঠানৰ পূৰ্বে ঘৰতে তেওঁ গুৰু আসন প্ৰতিষ্ঠা কৰে।

জানাগাঁৱত পালছাৰ মটৰ চাইকেল চুৰি

অগ্ৰদূত বাৰ্তা

গৰুভাষা, ১৪ মাৰ্চ ঃ জানাগাঁৱত পালছাৰ মটৰ চাইকেল চুৰি হয়। ডিমলগাঁও নিবাসী খজিন চন্দ্ৰ ৰায়ৰ পুত্ৰ অভিমুন্য ৰায়ে কলা ৰঙৰ এছ-১৬ বি-৪১৮৬ নম্বৰৰ মটৰ চাইকেলখন পথৰ কাষত গছৰ ছাঁত ৰাখি এডোখৰ নতুনকৈ ক্ৰয় কৰা মাটিৰ জোখ-মাখত ব্যস্ত আছিল। কাম সমাধা কৰি ঘূৰি আহি নিজৰ মটৰ চাইকেলখন নেদেখি চাৰিওফালে বিচাৰি চলাথ কৰে। অৱশেষত মটৰ চাইকেলখনৰ কোনো শুংসূত্ৰ উলিয়াব নোৱাৰি কোকৰাঝাৰ থানাত এজাহাৰ দাখিল কৰে। অঞ্চলটোত সঘনাই যেতিয়াই-তেতিয়াই মটৰ চাইকেল, স্কুটী, চাইকেল চুৰি হৈ থকাত চৰম নিৰাপত্তাহীনতাত ভুগিছে মটৰ চাইকেল, স্কুটী, চাইকেলৰ গৰাকীয়ে।

নামৰূপত অগ্নিকাণ্ডত ভস্মীভূত গৃহ, সোমবাৰে।

বাগ্‌সাৰ ভোটেপোৱাবড়ীত দৌল মহোৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

জালাহ, ১৪ মাৰ্চ ঃ বাগ্‌সা ভোটেপোৱাবড়ীত থকা শ্ৰীশ্ৰীনৰসিংহ গোসাঁই ঘৰ প্ৰাংগণত অহা ১৭ মাৰ্চৰ পৰা পাঁচদিনীয়াকৈ ১২২ সংখ্যক শ্ৰীশ্ৰীকৃষ্ণৰ দৌল মহোৎসৱৰ আয়োজন কৰা হৈছে। দৌল মহোৎসৱৰ প্ৰথমদিনা সন্ধিয়া ব্যৱসায়ী কিশোৰ কাকতিয়ে মুখ্য তোৰণ উদ্‌ঘাটন কৰিব। ইয়াৰ পাছতে লক্ষ্মীনাথ বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অশ্বিনী দাসে মঞ্চ উদ্বোধন, দৌল মহোৎসৱ সমিতিৰ প্ৰাক্তন সভাপতি বিহাৰী প্ৰসাদ দাসে বন্তি প্ৰজ্বলন আৰু সম্পাদক বসন্ত কলিতাই স্মৃতিতৰ্পণ কৰিব। সন্ধিয়া ৭-৩০ বজাত গোসাঁইৰ দৌল আৰোহণ কৰোৱা হ'ব। আনহাতে, নিশা ৮-৩০ বজাত নাট প্ৰদৰ্শন কৰা হ'ব। অহা ১৮ মাৰ্চত ধৰ্মধ্বজা উত্তোলন, মাংগলিক জলাৰোহণ, হোম-যজ্ঞ, ভাগৱত পাঠ, নাম-প্ৰসংগ আৰু দুপৰীয়া বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। অহা ১৯ মাৰ্চত চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতা, ওজাপালি প্ৰদৰ্শন আৰু সন্ধিয়া সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব।

গোৱালপাৰাত অখিল ভাৰতীয় গ্ৰাহক পঞ্চায়তৰ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৩ মাৰ্চ ঃ গোৱালপাৰা চহৰৰ অসম ক্লাবত কালি কীৰ্তি নাৰায়ণ দাসৰ পৌৰোহিত্যত অখিল ভাৰতীয় গ্ৰাহক পঞ্চায়ত সম্পৰ্কে সজাগতা কৰা আৰু জিলা সমিতি গঠনৰ উদ্দেশ্যে এখন সভা অনুষ্ঠিত হয়। উত্তৰ অসম প্ৰান্তৰ সদস্য হিতেশ কুমাৰ দাসে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত অসম প্ৰান্তৰ সচিব প্ৰধান মুনীন্দ্ৰ নাথ শৰ্মা, প্ৰান্তীয় প্ৰচাৰক তথা মুখ্য বক্তা ৰামচন্দ্ৰ চেইনী, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ প্ৰাক্তন উপ-সভাপতি অসম প্ৰান্ত ড° হেমন্ত কুমাৰ কলিতা, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা তনুশ্ৰী দেৱী আৰু গোৱালপাৰা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক যশোৱন্ত ৰায়ে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে । উল্লেখ্য যে ১৯৭৪ৰ ছেপ্টেম্বৰত বিন্দু মাধৱ যোশীৰ তত্ত্বাৱধানত গ্ৰাহক পঞ্চায়ত প্ৰতিষ্ঠা হয় আৰু ১৯৭৫ৰ ২৩ ফেব্ৰুৱাৰীত পুনেত ন্যায়মূৰ্তি মহম্মদ কৰিম ভাই ছাগলাৰ আশীৰ্বাদত দেশৰ সৰ্বসাধাৰণ ৰাইজৰ বাবে উপভোক্তা সংগঠন গ্ৰাহক পঞ্চায়ত স্থাপন কৰে। বিগত ৪৬ বছৰত অগণন কাৰ্যকৰ্তাৰ অক্লান্ত পৰিশ্ৰম, ত্যাগ আৰু প্ৰখৰ ন্যায় নিষ্ঠাৰ ফল স্বৰূপে ভাৰতৰ গ্ৰাহক আন্দোলনে জনযাত্ৰাৰ ৰূপ ধাৰণ কৰিছে। বৰ্তমানে দেশব্যাপী অসংখ্য ঠাল-ঠেঙুলিৰে অখিল ভাৰতীয় গ্ৰাহক পঞ্চায়ত ফুলে-ফলে জাতিষ্কাৰ হৈ পৰিছে। কম মূল্যৰ পৰিৱৰ্তে উচিত মূল্যত সামগ্ৰী ক্ৰয়ৰ পক্ষপাতী, সকলো সামগ্ৰীৰ উৎপাদন মূল্য জনাটো গ্ৰাহকৰ অধিকাৰ, গ্ৰাহক হ'ল গণতন্ত্ৰৰ মূল আধাৰ, চহৰৰ পৰা গাঁৱলৈ গ্ৰাহকক সচেতন সংগঠিত কৰি তাৰ আধাৰত শোষণমুক্ত সমাজ নিৰ্মাণেই গ্ৰাহক আন্দোলনৰ মূল লক্ষ্য বুলি কেঁবাগৰাকী বক্তাই ভাষণ প্ৰদান কৰে। সভাখনত ভালেসংখ্যক সচেতন তথা জ্যেষ্ঠ নাগৰিকে অংশগ্ৰহণ কৰে।

ডিব্ৰুগড় জিলা লেখিকা সমাজৰ সভা সম্পন্ন

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ১৪ মাৰ্চ ঃ 'ডিব্ৰুগড় জিলা লেখিকা সমাজ'ৰ প্ৰথমখন সভা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ শংকৰদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। জিলা লেখিকা সমাজৰ সভানেত্ৰী মল্লিকা বেগমে সভাপতিত্ব কৰা সভাখনৰ প্ৰাৰম্ভণিতে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা জিলা সমাজৰ উপদেষ্টা শশীকান্ত শইকীয়াই বন্তি প্ৰজ্জ্বলনেৰে আৰম্ভ কৰা সভাত অনিতা গগৈয়ে আঁত ধৰে। ডিব্ৰুগড় জিলাভিত্তিক 'অনুভৱৰ একলম' শীৰ্ষক প্ৰতিযোগিতা, জিলা সমাজৰ শিশু শিতান 'লৰিয়লি'ৰ শিশুসকলৰ বাবে, সৰ্বভাৰতীয় জ্যোতি-সংগীতৰ প্ৰতিযোগিতা আৰু অসম ভিত্তিক জ্যোতি কবিতা আবৃত্তিৰ পুৰস্কৃতসকলক পুৰস্কৃত কৰা হয়। বিশিষ্ট সমাজসেৱী মধুমিতা দত্ত মুখ্য অতিথিৰূপে উপস্থিত থকা সভাখনৰ সৌষ্ঠৱ বৃদ্ধি কৰে শিল্পী পেঞ্চনাৰ সূৰ্য ভাগৱতী, সাংস্কৃতিক সঞ্চালকালয়ৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত শিল্পী ভুৱন গগৈ, কানৈ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক আদিত্য দাহাল আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি বক্তব্য আগবঢ়ায়।

ঘগ্ৰাপাৰত বিহুনাচ-বিহুবাদ্য আৰু বিহুনামৰ কৰ্মশালা

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ১৪ মাৰ্চ ঃ নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত 'ৰাইজিং ষ্টাৰ আৰ্ট এণ্ড কালচাৰেল স্কুল'ৰ উদ্যোগত বিহুনাচ, বিহুবাদ্য আৰু বিহুনামৰ এখন কৰ্মশালা অহা আঠ এপ্ৰিলৰ পৰা এসপ্তাহ জুৰি ঘগ্ৰাপাৰ উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হ'ব। কৰ্মশালাত মুখ্য প্ৰশিক্ষকৰূপে উপস্থিত থাকিব বিহু সাম্ৰাজ্ঞী মৌচুমী বৰা। প্ৰতিদিনে আবেলি তিনি বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া কৰ্মশালাত ভৰ্তি মাচুল ৫০০ টকা বুলি আয়োজক সমিতিয়ে জানিবলৈ দিছে। উদ্যোক্তা সমিতিয়ে সবিশেষ জানিবলৈ ইচ্ছুক প্ৰশিক্ষাৰ্থীসকলৰ লগতে অভিভাৱকসকলক ম'বাইল নম্বৰ ৮৬৩৮০৮৭০৯৯, ৭৩৯০৫০২০৯, ৮৭২০৯০১৭৩০ যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

জামুগুৰিহাটত বাৰেচহৰীয়া ৰাইজ সভাৰ কেন্দ্ৰীয় নামঘৰৰ ভূমি উন্নয়নৰ কাম আৰম্ভ

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ১৪ মাৰ্চ ঃ শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ পকামুৱা পথাৰত যোৱা ১১ মাৰ্চত ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ৰাইজ সভাৰ কেন্দ্ৰীয় নামঘৰ নিৰ্মাণৰ বাবে ভূমি উন্নয়নৰ কাম আৰম্ভ কৰে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। এই উপলক্ষে বাৰেচহৰীয়া ৰাইজ সভাৰ ভকত-বৈষ্ণৱসকলৰ উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানৰ আৰম্ভণিতে জামুগুৰিহাটৰ ৰাইজ গোপিনী সমন্বিতে গায়ন-বায়নে খোল, তালৰে আদৰণি জনায় বিধায়কজনক। অনুষ্ঠানত বিধায়কজনে আগন্তুক ২০২৩ত অনুষ্ঠিত হ'বলগীয়া বাৰেচহৰীয়া ভাওনা মহোৎসৱৰ পূৰ্বে বাৰেচহৰীয়া ৰাইজ সভাৰ কেন্দ্ৰীয় নামঘৰৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিব বুলি মন্তব্য কৰে। অনুষ্ঠানত বিধায়ক হাজৰিকাৰ লগতে বাৰেচহৰীয়া ভাওনা সমিতিৰ সভাপতি ভৱ গোস্বামী, সম্পাদক জয়ন্ত বৰা, নদুৱাৰ ৰাজহ চক্ৰ বিষয়া আকাশদ্বীপ কাকতি, বিশিষ্ট সমাজকৰ্মী জগত বৰাসহ বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ উপৰি অঞ্চলটোৰ বহু সংখ্যক ৰাইজ উপস্থিত থাকে। এই অনুষ্ঠানতে জামুগুৰিহাটত প্ৰথমবাৰৰ বাবে গঠন হ'বলগীয়া জামুগুৰি পৌৰসভাৰ নৱ নিৰ্বাচিত ১০ গৰাকী ৱাৰ্ড কমিচনাৰক বাৰেচহৰীয়া ভাওনা কমিটীৰ ফালৰ পৰা একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়।

গহপুৰত ভাৰতীয় জীৱন বীমা নিগমৰ শাখা কাৰ্যালয় মুকলি

গ্ৰাহক ৰাইজৰ সকাহ

অগ্ৰদূত বাৰ্তা

গহপুৰ, ১৪ মাৰ্চ ঃ গহপুৰ মহকুমাৰ গহপুৰ নগৰৰ পুৰুপবাৰীত ভাৰতীয় জীৱন বীমা নিগমৰ এটা শাখা কাৰ্যালয় যোৱা ন মাৰ্চত মুকলি কৰা হয়। গহপুৰ মহকুমাৰ গ্ৰাহকসকলৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি সঁহাৰি জনাই ভাৰতীয় জীৱন বীমা নিগমে ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথৰ কাষেতে স্থাপন কৰা শাখা কাৰ্যালয়টো উদ্বোধন কৰে ভাৰতীয় জীৱন বীমা নিগমৰ জ্যেষ্ঠ মাণ্ডলিক বিষয়া বিশ্বজিৎ দাসে। ইয়াৰ পাছতে কাৰ্যালয়টোৰ উদ্বোধন উপলক্ষে এখন সভা অনুষ্ঠিত হয়। ভাৰতীয় জীৱন বীমা নিগমৰ বিশ্বনাথ চাৰিআলি শাখাৰ সহকাৰী শাখা প্ৰৱন্ধক উৎপল জ্যোতি দত্তই আঁত ধৰা সভাত চমু বক্তব্য প্ৰদান কৰি উদ্বোধক বিশ্বজিৎ দাসে শাখা কাৰ্যালয়টোৰ জৰিয়তে ভাৰতীয় জীৱন বীমা নিগমৰ গহপুৰ মহকুমাৰ গ্ৰাহকসকল যথেষ্ট পৰিমাণে উপকৃত হ'ব বুলি মন্তব্য কৰে। গ্ৰাহকসকলে কাৰ্যালয়টোৰ জৰিয়তে আশানুৰূপ সেৱা লাভ কৰিবলৈ সক্ষম হ'ব বুলিও জ্যেষ্ঠ মাণ্ডলিক বিষয়াজনে আশা ব্যক্ত কৰে। গহপুৰ মহকুমাৰ একাংশ গ্ৰাহক, এজেন্ট আৰু গহপুৰৰ মহকুমা প্ৰশাসনৰ দুগৰাকী বিষয়াসহ দ্বি-শতাধিক ব্যক্তি উপস্থিত থকা সভাত চমু বক্তব্য প্ৰদান কৰি ভাৰতীয় জীৱন বীমা নিগমৰ কাৰ্যালয় সেৱা প্ৰৱন্ধক বাবুল কুমাৰ নাথ, বিক্ৰম প্ৰৱন্ধক জয়দীপ ঠাকুৰ আৰু বিশ্বনাথ চাৰিআলি শাখাৰ শাখা প্ৰৱন্ধক খালেদ আখতাৰে গহপুৰত স্থাপন কৰা শাখাটোৰ জৰিয়তে জীৱন বীমা নিগমৰ সুবিধাসমূহ গ্ৰহণ কৰিবৰ বাবে গহপুৰ মহকুমাৰ গ্ৰাহক তথা

টিহুত বিহু নাচ-জেং বিহু নাচৰ প্ৰশিক্ষণ শিবিৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা

টিহু, ১১ মাৰ্চ ঃ 'বিহু অসমীয়াৰ পবিত্ৰ অনুষ্ঠান। বিহু জাতীয় সংস্কৃতিৰ আধাৰ। বিহু অসমীয়া জাতিৰ প্ৰাণ। বিহুৰ শক্তি কি, বিহুৰ ভক্তি কি, বিহুৰ পৱিত্ৰতা কি, বিহুৰ মাজত থকা মৰমৰ তানক জানিব লাগিব। কিন্তু বহু সময়ত আমি বিহুৰ পৱিত্ৰতা ৰক্ষা কৰিব নোৱাৰাটো আমাৰ বাবে এতি পৰিতাপৰ বিষয়।' টিহুৰ জাতীয় বিদ্যালয়ত যোৱা ১১ মাৰ্চৰ পৰা আৰম্ভ হোৱা এমহীয়া বিহু নাচ আৰু জেং বিহু নাচ প্ৰশিক্ষণ শিবিৰ উদ্বোধন কৰি এই মন্তব্য আগবঢ়ায় নাট্য-সাংস্কৃতিক কৰ্মী কুমুদ ভট্টাচাৰ্যই। তেওঁ পুনৰ কয় যে কোনো প্ৰতিযোগিতাত বঁটা বাহন লাভৰ আশাৰে বিহু নাচৰ প্ৰশিক্ষণ ল'ব নালাগে। বিহুক মৰ্মে মৰ্মে উপলব্ধি কৰি এনে ধৰণৰ প্ৰশিক্ষণবোৰৰ দ্বাৰা সাম্প্ৰতিক বতাহত উৰি ফুৰা জাতীয় ক্ষয়িষ্ণু পৰিৱেশক প্ৰত্যাহ্বান জনাব লাগিব। টিহুৰ জাতীয় বিদ্যালয়ৰ উদ্যোগত আয়োজিত এই প্ৰশিক্ষণ শিবিৰ কাৰ্যসূচী মুকলি কৰে জনপ্ৰিয় সংগীত শিল্পী আৰু প্ৰবীণ ঢুলীয়া হেমন্ত তালুকদাৰে। অনুষ্ঠানটোত টিহু জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক ধৰণী ডেকাই শুভেচ্ছামূলক ভাষণ প্ৰদানেৰে সকলো শিক্ষাৰ্থী আৰু অভিভাৱকক বিহু শুদ্ধ ৰূপত শিকি আগুৱাই যোৱাৰ আশা প্ৰকাশ কৰি অসমীয়া কৃষ্টি-সংস্কৃতিৰ বিষয়ে বিদ্যালয়ৰ শিক্ষাৰ্থীসকলক হাতে-কামে কেনেদৰে শিকোৱা হয় সেই সন্দৰ্ভতো ব্যাখ্যা আগবঢ়ায়।

ড° নৃপেন্দ্ৰ নাথ শৰ্মাক মৰাপাগলাদিয়া সাহিত্য বঁটা

বৰমা, ১৪ মাৰ্চ ঃ প্ৰতি বছৰৰ দৰে এইবেলিও বাস্কা প্ৰেছ ক্লাব বৰমাৰ উদ্যোগত প্ৰদান কৰা হয় কৃতী শিক্ষক আবজল আলী সোঁৱৰণী মৰাপাগলাদিয়া সাহিত্য বঁটা। বাস্কা প্ৰেছ ক্লাবৰ উদ্যোগত বৰমাত যোৱা ১২ মাৰ্চত বৰমাৰ বিশিষ্ট সাহিত্যিক, গৱেষক ড° নৃপেন্দ্ৰ নাথ শৰ্মাক প্ৰদান কৰা হয় এই বঁটা। বাস্কা প্ৰেছ ক্লাবৰ সভাপতি ধ্ৰুৱ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত অসম বাৰ্তাজীৱী সংঘৰ সম্পাদক মুকুটৰাজ শৰ্মাই প্ৰকৃত সাহিত্যিকক সন্মান জনোৱাটো আমাৰ সমাজৰ লক্ষ্য হোৱা উচিত বুলি মন্তব্য কৰে। অসমৰ প্ৰতিগৰাকী সাহিত্যিকে অসমৰ সাহিত্যৰ ভঁৰাল চহকী কৰি ৰখা বুলি মন্তব্য কৰি বৰমা অঞ্চলৰ নীৰৱ সাধক ড° শৰ্মাক দেশৰ সম্পদ বুলি মন্তব্য কৰে। সভাত বৰমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক দিলীপ কুমাৰ শৰ্মাই মৰাপাগলাদিয়া সাহিত্য বঁটাৰ তাৎপৰ্য ব্যাখ্যা কৰি বৰমাৰ মাজেৰে বৈ যোৱা মৰাপাগলাদিয়া নৈখন বৰমাৰ ৰাইজৰ সাহিত্য সৃষ্টিৰ সমল বুলি মন্তব্য কৰি এই বঁটাই পাগলাদিয়া নৈৰ স্মৃতি সজীৱ কৰি ৰাখিব বুলি মন্তব্য কৰে। অনুষ্ঠানত নিমন্ত্ৰিত অতিথিৰূপে বৰমা ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী অৰ্চনা গোস্বামীয়ে প্ৰয়াত কৃতী শিক্ষক আবজল আলী আৰু বঁটাপ্ৰাপক ড° শৰ্মাৰ জীৱন, কৰ্ম আৰু সৃষ্টিৰাজিৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত বাগ্‌সা জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা প্ৰবীৰ কুমাৰ অধিকাৰী, মুছলপুৰ জিলা ইউপিপিএলৰ সম্পাদক দয়াল শৰণীয়া, শৰণীয়া কছাৰী উন্নয়ন পৰিষদৰ প্ৰাক্তন অধ্যক্ষ ৰমেশ চন্দ্ৰ দাস, বৰমাৰ বিশিষ্ট ব্যক্তি ড° ফণীধৰ তালুকদাৰ, বিষয় শিক্ষক ভাৰত চন্দ্ৰ তালুকদাৰে আবজল আলী সোঁৱৰণী মৰাপাগলাদিয়া সাহিত্য বঁটা সম্পৰ্কত বক্তব্য ৰাখে। লগতে ডাষ্টবিনত পৰিণত হোৱা মৰাপাগলাদিয়া নৈখনক চিৰ প্ৰবাহমান গতিধাৰা ধৰি ৰাখিবলৈ সকলোকে আগবাঢ়ি আহিবলৈ আহ্বান জনায় ড° ফণীধৰ তালুকদাৰে। বাস্কা প্ৰেছ ক্লাবৰ মুখ্য উপদেষ্টা দিলীপ কুমাৰ হালৈয়ে উদ্বোধন কৰা মুকলি সভাত ক্লাবৰ সম্পাদক অনুপম তালুকদাৰে আঁত ধৰে আৰু শলাগৰ শৰাই আগবঢ়ায় বাস্কা প্ৰেছ ক্লাবৰ উপ-সভাপতি ভাৰত ৰাজবংশীয়ে। ইয়াৰ আগতে পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বিভিন্ন প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে ক্ৰমে ধ্ৰুৱ শৰ্মা, ৰজত চৌধুৰী, দিতুমণি গোস্বামী আৰু কামাল ইৰছাদ জাহাংগীৰে।

খুমটাইত মাটি কঢ়িওৱা ট্ৰেক্টৰ দৌৰাত্ম্য

■ কথমপি প্ৰাণ ৰক্ষা মটৰ চাইকেল আৰোহীৰ

খুমটাই ১৪ মাৰ্চ ঃ খুমটাইত মাটি কঢ়িওৱা ট্ৰেক্টৰ আৰু ডাম্পাৰ গাড়ীৰ বাবে ৰাইজৰ জীৱনৰ লগতে স্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। উল্লেখ্য যে অঞ্চলটোত যিসকলে ট্ৰেক্টৰ বা ডাম্পাৰেৰে মাটি কঢ়িয়াই ব্যৱসায় কৰি আহিছে সেইসকলৰ একাংশৰ গাড়ী, ট্ৰেক্টৰ টেইলৰ পৰা পথত মাটি পৰি পথছোৱা ধূলিময় পৰিবেশ সৃষ্টি আৰু পিছল হৈ পৰাত ৰাইজৰ শ্বাস-প্ৰশ্বাস লোৱাত কষ্টকৰ হৈ পৰাৰ লগতে দুৰ্ঘটনাৰ আশংকা আহি পৰিছে । স্থানীয় লোকসকলে ট্ৰেক্টৰ আৰু ডাম্পাৰ চালক, মালিক পক্ষক পথত মাটি নপৰাকৈ আৰু তীব্ৰ গতিত চলাচল নকৰিবলৈ অনুৰোধ জনাই আহিছে যদিও গা লৰা নাই । ইফালে, গোলাঘাট জিলাৰ বিভিন্ন স্থানত পৰিবহণ বিভাগে তালাচী অব্যাহত ৰাখিছে যদিও খুমটাইৰ ইয়াৰ প্ৰভাৱ পৰা নাই। কালি খুমটাই থকা আৰক্ষী চকীৰ অন্তৰ্গত হালধিবাৰীত তীব্ৰ বেগী এখন ট্ৰেক্টৰে টেইলৰত মাটি ভৰ্তি কৰি তীব্ৰ গতিত গৈ থকা অৱস্থাত নিয়ন্ত্ৰণ হেৰুৱাই খুমটাইৰ হালধিবাৰী নামঘৰৰ সন্মুখত পথৰ ওপৰত বাগৰি পৰে। ইফালে, এই দুৰ্ঘটনাত উক্ত পথেৰে গৈ থকা এগৰাকী মটৰ চাইকেল আৰোহী কথমপি ৰক্ষা পৰে। দুৰ্ঘটনা পতিত কৰিয়েই চালকজনে পুনৰ খৰতকীয়াকৈ ট্ৰেক্টৰৰ টেইলৰটো উঠাই সেই স্থানৰ পৰা পলায়ন কৰে । অনভিজ্ঞৰ লগতে চালকৰ অনুজ্ঞাপত্ৰ নথকা মাটি কঢ়িওৱা ট্ৰেক্টৰ চালকৰ দৌৰাত্ম্যৰ বাবে খুমটাই বিভিন্ন অঞ্চলত সৰ্বসাধাৰণ ৰাইজক ত্ৰাহি মধুসূদন দেখুৱাইছে।

দুৰ্নীতিগ্ৰস্ত বিষয়াৰ বিৰুদ্ধে শাস্তিৰ বিপৰীতে পদোন্নতিৰ ফাইলহে

তিনি পৃষ্ঠাৰ পৰা ফাইট এগেইনষ্ট ইনজাষ্টিছ অব এপিএছ চি'য়ে। তদন্ত আয়োগক বিভিন্ন ধৰণে সহযোগ আগবঢ়াই অহা ২০১৩ৰ পৰীক্ষাৰ্থী সকলেৰে গঠিত সংগঠনটোৱে আজি আয়োগক সাক্ষাৎ কৰি তদন্ত প্ৰক্ৰিয়াৰ অগ্ৰগতি তথা প্ৰতিবেদন দাখিলৰ সন্দৰ্ভত আলোচনা কৰে। সংগঠনটোৰ বিষয়ববীয়া মানস প্ৰতিম বৰুৱাই আয়োগৰ তদন্তত বহু বিস্ফোৰক তথ্য উন্মোচিত হোৱা বুলি জানিবলৈ দিয়ে। তেওঁ কয়, 'আয়োগৰ কাৰ্যকাল সমাপ্ত হোৱাৰ পূৰ্বে তদন্তৰ অগ্ৰগতি তথা প্ৰতিবেদন দাখিলৰ সম্পৰ্কত বুজ লোৱাৰ উদ্দেশ্যে আজি আয়োগক সাক্ষাৎ কৰো। ৩১ মাৰ্চৰ ভিতৰত আয়োগে প্ৰতিবেদন দাখিল কৰিব। এই কেলেংকাৰি মধ্যপ্ৰদেশৰ 'ভ্যাপাম' কেলেংকাৰিতকৈ ব্যাপক আৰু ভয়ংকৰ আছিল; কিন্তু এতিয়া প্ৰশ্ন হৈছে আয়োগৰ এই প্ৰতিবেদন এইবাৰো ধোঁৱাচাঙত উঠিব নেকি? বিগত ছয়-সাত মাহে আয়োগে পৰীক্ষাৰ বিসংগতি, জালিয়াতি সন্দৰ্ভত ২০১৩ ৰ প্ৰাৰ্থীসকলক মাতি নি বিভিন্ন প্ৰশ্নৰে থকা সৰকা কৰিছে। কিন্তু ইয়াৰ বিপৰীতে অসম পুলিচৰ তদন্ত স্থবিৰ হৈ পৰা দেখা গৈছে। সেই সময়ৰ বহু প্ৰাৰ্থীৰ জালিয়াতি আয়োগৰ চকুত ধৰা পৰিছে। চৰকাৰে বহু পূৰ্বেই সেইসকল প্ৰাৰ্থীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিলেহেতেঁন; কিন্তু নকৰিলে।' শেহতীয়াকৈ অন্য এক ভয়ংকৰ তথ্য লাভ কৰিছে বুলি বৰুৱাই উল্লেখ কৰি পুনৰ কয় যে ২০১৩ত দুৰ্নীতিত লিপ্ত হৈ যিমান সংখ্যক প্ৰাৰ্থী এচিএছ বিষয়া হ'ল, সেইসকলৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণৰ বিপৰীতে এতিয়া তেওঁলোকৰ পদোন্নতিৰ ফাইলহে সাজু কৰিছে দিছপুৰে। 'তথাপি আমি ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনক লৈ আশাবাদী। এই প্ৰতিবেদনে দুৰ্নীতিগ্ৰস্ত বিষয়াসকলৰ মুখা খুলিব। চৰকাৰে তেওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিলে কেৱল ২০১৩ত অৱতীৰ্ণ হোৱা ৪২ হেজাৰ প্ৰাৰ্থীকেই নহয়, বৰঞ্চ অসমৰ সাধাৰণ জনতাক ন্যায় প্ৰদান কৰিব। কিয়নো এইসকল বিষয়াই এতিয়া অসমৰ সমাজ ব্যৱস্থা, শাসন ব্যৱস্থাক উঁই পোকৰ দৰে খুলি খাইছে। যোৱা ছয়-সাত বছৰে কে'বাজনো বিষয়াই কয়লা কেলেংকাৰিত গ্ৰেপ্তাৰ হৈছে, নিলম্বিত হৈছে। পুলিচ বিষয়া, পৰিবহণ বিষয়া নিলম্বিত হৈছে। যদি এনে বিষয়া আগন্তুক ২০-২৫ বছৰলৈ চাকৰি কৰি থাকে তেনেহ'লে অসমৰ সমাজ ব্যৱস্থা পংগু হৈ যোৱাটো নিশ্চিত।' বৰুৱাই এইদৰে কয়। তেওঁ আয়োগে দাখিল কৰিবলগীয়া প্ৰতিবেদনৰ পৰামৰ্শ ন্যায়সংগত আৰু পক্ষপাতহীনভাৱে বিচাৰ কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনায়। তেনেদৰে ২০১৪ৰ কেলেংকাৰিৰ ক্ষেত্ৰতো ন্যায়িক তদন্তৰ ঘোষণা কৰিবলৈ মুখ্যমন্ত্ৰীক অনুৰোধ জনায়। তেওঁ কয়, 'ডিব্ৰুগড় আৰক্ষীয়ে ২০১৩ বৰ্ষৰ ৩৯ জন প্ৰাৰ্থী আৰু ২০১৪ৰ ২১ জন প্ৰাৰ্থীক গ্ৰেপ্তাৰ কৰিছিল। কেলেংকাৰিত জড়িত দুয়োটা বৰ্ষৰ গ্ৰেপ্তাৰ হোৱা প্ৰাৰ্থীসকলক বিশেষ আদালতত দুটা ভিন্ন বৰ্ষৰ হিচাপে নেদেখুৱাই সকলোকে একেলগ কৰে। কিন্তু লক্ষ্যণীয় বিষয় যে ন্যায়িক তদন্ত আয়োগ কেৱল ২০১৩ৰ বাবেহে গঠন কৰি দিয়া হয়। যিহেতু দুয়োটা বৰ্ষৰ কেলেংকাৰিত একেখিনি মানুহেই জড়িত হৈ আছিল, একে ধৰণৰ বিসংগতিয়ে হৈছিল, তেনেস্থলত ২০১৩ বৰ্ষৰ বাবেহে তদন্ত আয়োগ কিয়? ২০১৪ৰ বাছনিভুক্ত হোৱা প্ৰাৰ্থী এগৰাকীৰ পিতৃ আছিল প্ৰিন্সিপাল কণ্ট্ৰ'লাৰ নন্দবাবু সিন্হা। যাৰ হাতত আছিল 'কনফিডেন্সিয়েল' ৰূমৰ চাবিকাঠি। তেনেদৰে বাছনিভুক্ত হৈছিল সহকাৰী প্ৰিন্সিপাল কণ্ট্ৰ'লাৰ পবিত্ৰ কৈৱৰ্তৰ দুই-তিনিজন আত্মীয়। ২০১৩ত গ্ৰেপ্তাৰ হৈছিল নিশামণি ডেকা। আনহাতে, পাছৰ বৰ্ষত অৰ্থাৎ ২০১৪ ত গ্ৰেপ্তাৰ হৈছিল তেওঁৰ স্বামী বিকাশ কুমাৰ। এই দুয়োটা বৰ্ষৰ কেলেংকাৰিত বহু ভিতৰুৱা যোগসূত্ৰ থকা বুলি তেওঁ উল্লেখ কৰি দুয়োটা বৰ্ষ একেলগে চোৱাৰ থল আছিল বুলি কয়। লগতে ২০১৪ৰ পৰীক্ষাৰ ক্ষেত্ৰতো বিপ্লৱ শৰ্মাৰ ন্যায়িক তদন্ত আয়োগকেই দায়িত্ব দিবলৈ অনুৰোধ জনায়।

শীঘ্ৰে চৰকাৰৰ তৃতীয়-চতুৰ্থ বৰ্গৰ ২৭

তিনি পৃষ্ঠাৰ পৰা টে'ট এম্পায়াৰ কমিটী আৰু ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি ব'ৰ্ড।

ৰাজ্যপালৰ ভাষণৰ বিৰোধিতা কৰাটো বিধানসভাত বিৰোধীৰ এক পৰম্পৰা সদৃশ হৈ আহিছে; কিন্তু যোৱাবাৰৰ দৰে এইবাৰো বিৰোধীয়ে ৰাজ্যপালৰ ভাষণত সহযোগিতা কৰে। তাৰ বাবে ভাষণৰ আৰম্ভণিতে বিৰোধী দলপতি দেবব্ৰত শইকীয়াই ঘোষণা কৰে যে তেওঁলোকে ৰাজ্যপালক ভাষণ প্ৰদানত সহযোগিতা কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্যপাল মুখীয়ে ৫৭ মিনিটতৈও অধিক সময় তেওঁৰ লিখিত ভাষণ পাঠ কৰিবলৈ সক্ষম হয়। একমাত্ৰ ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে কেইটামান বিষয়ত ভাষণ চলি থকাৰ মাজত বিৰোধিতা কৰে। চৰকাৰে বিগত দিনবোৰত বিভিন্ন শিতানত লাভ কৰা সফলতাৰ ব্যাখ্যাই এই ভাষণত স্থান লাভ কৰে। স্বাস্থ্য খণ্ডত ৰাজ্যপালে ঘোষণা কৰে যে জাপান আন্তঃৰাষ্ট্ৰীয় সহযোগিতা সংস্থা (জাইকা)ৰ সমৰ্থনতো অসমত স্বাস্থ্য সম্পৰ্কীয় প্ৰকল্প হাতত লোৱা হৈছে। স্বাস্থ্য খণ্ডত তৃতীয় স্তৰৰ পৰিচৰ্যা উন্নত কৰা আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে জাইকা আৰু ভাৰত চৰকাৰৰ সমৰ্থনত কমেও ৩,৮০০ কোটি টকাৰ এক বৃহৎ প্ৰকল্প হাতত লোৱা হৈছে। এই প্ৰকল্পৰ জৰিয়তে শিলচৰ, তেজপুৰ, যোৰহাট, বৰপেটা, ডিফু আৰু লখিমপুৰৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালকেইখনত ছুপাৰ স্পেচিয়েলিটি শাখা নিৰ্মাণ-উন্নয়ন আৰু শিলচৰ, ওদালগুৰি, হোজাই, হাইলাকান্দি, দৰং, ডিমা হাছাওত থকা জিলা চিকিৎসালয়কেইখনৰ আন্তঃগাঁথনি উন্নয়নৰ লগতে কাৰ্যদক্ষতা বৃদ্ধি কৰা।

লাচিত বৰফুকনৰ চাৰিশ সংখ্যক জন্মবৰ্ষৰ পৰিপ্ৰেক্ষিতত ৰাজ্যপালে তেওঁৰ ভাষণত বীৰগৰাকীক বিশেষভাৱে স্মৰণ কৰি চৰকাৰে গ্ৰহণ কৰা পদক্ষেপবোৰৰ বিষয়েও উল্লেখ কৰে। তেওঁৰ ভাষণত কেন্দ্ৰীয় চৰকাৰৰ সম্পূৰ্ণ সহযোগত অসম চৰকাৰে বিকাশৰ নতুন গতি লাভ কৰা বুলি মন্তব্য কৰা হয়।

মুখ্যমন্ত্ৰীৰ ধন্যবাদ

যোৱাবাৰৰ দৰে এইবাৰো ৰাজ্যপালক ভাষণ প্ৰদানত সহযোগিতা কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিৰোধীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয়, 'একাদিক্ৰমে দুবছৰ ৰাজ্যপালক ভাষণ প্ৰদানত বিৰোধীয়ে সহযোগিতা কৰাটোৱে গণতন্ত্ৰক অধিক শক্তিশালীকৰণত বৰঙণি যোগাব। মই বিৰোধীক ইয়াৰ বাবে কৃতজ্ঞতা জনাইছো।'

বিৰোধিতা কৰি বহিষ্কৃত অখিল গগৈ

ৰাজ্যপালক ভাষণ প্ৰদানত সহযোগিতা কৰা হ'ব বুলি বিৰোধী দলপতি দেবব্ৰত শইকীয়াই প্ৰকাশ কৰিলেও অখিল গগৈয়ে কে'বাটাও বিষয়ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ৰাজ্যপালে ভাষণ দি থকাৰ সময়তে তাৎক্ষণিকভাৱে বিষয়বোৰত গগৈয়ে কৰা প্ৰতিক্ৰিয়াক লৈ সাধাৰণভাৱে হুলস্থুলীয়া পৰিৱেশৰো সৃষ্টি হয়। অসম চৰকাৰে নিযুক্তি প্ৰক্ৰিয়াত লাভ কৰা সফলতাৰ তথ্য দাঙি ধৰাৰ সময়ত অখিল গগৈয়ে হাতত প্লেকাৰ্ড লৈ এক লাখ নিযুক্তি কেতিয়া দিয়া হ'ব বুলি প্ৰশ্ন কৰে। তাৰপাছত বনাঞ্চলৰ আৰু গুৱাহাটীৰ পাহাৰ অঞ্চলৰ ৰাইজক মাটিৰ পট্টা কেতিয়া দিয়া হ'ব বুলি প্ৰশ্ন কৰে। অসমত ৰূপায়ণ হৈ থকা জল জীৱন মিছন আঁচনিৰ সফলতাক লৈ ৰাজ্যপালে ভাষণ দিয়াৰ সময়ত গগৈয়ে আঁচনিখনৰ বৃহৎ কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগ তুলি চৰকাৰৰ পৰা স্পষ্টীকৰণ বিচাৰে। কৃষকৰ পৰা ধান ক্ৰয়ৰ প্ৰক্ৰিয়াও এক প্ৰহসন বুলি বিধায়কজনে ৰাজ্যপালে বিষয়টোক লৈ চৰকাৰৰ সফলতাৰ তথ্য দাঙি ধৰাৰ সময়ত মন্তব্য কৰে। যেতিয়া ৰাজ্যপালে সদৰী কৰে যে অতি শীঘ্ৰে অসম চৰকাৰে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ ২৭ হেজাৰ পদত নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিব, সেই সময়ত বিধায়ক গগৈয়ে এক লাখ নিযুক্তিৰ নামত চৰকাৰে আভুৱা ভাঁৰা বুলি সৰৱ হয়। ইয়াৰ ফলত সদনত কিছু হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। তেতিয়াই অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বিধায়ক গগৈক দিনটোৰ বাবে বিধানসভাৰ পৰা বহিষ্কাৰ কৰা বুলি ঘোষণা কৰে। লগে লগে মাৰ্ছালৰ দ্বাৰা গগৈক হাতত ধৰি বিধানসভা কক্ষৰ পৰা উলিয়াই নিয়ে। তাৰ মাজতো বিধায়কজনে এক লাখ নিযুক্তিৰ দাবী জনাই লিখা প্লেকাৰ্ড প্ৰদৰ্শন কৰাৰ উপৰি 'জয় আই অসম' ধ্বনি দিয়ে।

অৱশ্যে দিনটোৰ বাবে বহিষ্কাৰ কৰিলেও ৰাজ্যপালৰ ভাষণৰ পাছত আয়োজিত চাহ মেলৰ শেষত পুনৰ আৰম্ভ হোৱা বিধানসভাৰ কাম-কাজৰ সময়ত গগৈৰ বিৰুদ্ধে গ্ৰহণ কৰা সিদ্ধান্ত প্ৰত্যাহাৰ ঘোষণা কৰে।

আসন সলনি শ্বেৰমান আলীৰ

কংগ্ৰেছৰ বিধায়ক হিচাপে বিধানসভাত শ্বেৰমান আলীৰ আসনখন অধ্যক্ষৰ আসনৰ বাঁওদিশে থকা প্ৰধান বিৰোধী দলটোৰ আসনৰ লগতে আছে। আজি সেই আসনত বিধায়কজনক দেখা পোৱা নগ'ল। তাৰ পৰিৱৰ্তে তেওঁ অধ্যক্ষৰ আসনৰ সন্মুখৰ বাওঁদিশেহে আজি বহে। বিধানসভাৰ বাহিৰত ইয়াৰ কাৰণ দৰ্শাই বিধায়ক আলীয়ে কয়, 'মই অধ্যক্ষক কৈছো যে কংগ্ৰেছৰ লগত এতিয়া আৰু একেলগে বহিব পৰা নাযাব। কংগ্ৰেছে মোক নিলম্বন কৰিছে। সেইকাৰণে মোৰ আসন সলনি কৰিব লাগে।'

ভুবন গামৰ শপতগ্ৰহণ

মাজুলীৰ উপ-নিৰ্বাচনত বিজয়ী হৈ আজি বিধানসভাত প্ৰৱেশ কৰে ভুবন গামে। ৰাজ্যপালৰ ভাষণৰ পাছত নৱনিৰ্বাচিত বিধায়কজনৰ শপতগ্ৰহণ অনুষ্ঠিত হয়। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে গামক শপতবাক্য পাঠ কৰায়।

ইউক্ৰেইনৰ বৃহৎ মহানগৰীসমূহ নিজৰ

তিনি পৃষ্ঠাৰ পৰা চীনক লক্ষ্য কৰি ভুল তথ্য বিয়পাইছে। আজি বেইজিঙত এক নিয়মিত সংবাদমেলত চীনা বৈদেশিক মন্ত্ৰণালয়ে এইদৰে কয়। উল্লেখ্য যে চীনে ইউক্ৰেইনৰ বিৰুদ্ধে ৰাছিয়াৰ আগ্ৰাসনৰ সন্দৰ্ভত ভ্লাডিমিৰ পুটিনক পোনপটীয়াকৈ সমালোচনা কৰাৰ পৰা বিৰত আছে। ইয়াৰ বিপৰীতে মাৰ্কিন নেতৃত্বাধীন নাটোৱে পূব অভিমুখী সম্প্ৰসাৰণ ঘটাই দুই ৰাষ্ট্ৰৰ মাজৰ উত্তেজনাৰ পৰিস্থিতি অধিক শোচনীয় কৰি তোলা বুলি অভিযোগ কৰি আহিছে।

ৰুছ বাহিনীয়ে ইউক্ৰেইনৰ কে'বাখনো মহানগৰী চাৰিওপিনৰ পৰা ঘেৰি ধৰাৰ পাছত মস্কোৱে সকীয়নি দিয়ে যে এইসমূহক সম্পূৰ্ণ নিয়ন্ত্ৰণলৈ ইচ্ছা কৰিলে আনিব পাৰে। ক্ৰেমলিনৰ মুখপাত্ৰ পেছক'ভে আজি কয় যে ইচ্ছা কৰিলে ৰাছিয়াই এতিয়াও ইউক্ৰেইনৰ বৃহৎ মহানগৰীসমূহৰ নিয়ন্ত্ৰণ নিজ হাতলৈ আনিব পাৰে। তেওঁ কয় যে ইউক্ৰেইনৰ কে'বাখনো আগশাৰীৰ নগৰাঞ্চলৰ দিশলৈ দৃঢ়তাৰে আগবাঢ়িছে। 'পুটিনে বৃহৎ মহানগৰীসমূহত তাৎক্ষণিকভাৱে আক্ৰমণ স্থগিত ৰাখিবলৈ নিৰ্দেশ দিছে, কিয়নো বৃহৎসংখ্যক নাগৰিকৰ ক্ষয়-ক্ষতি হ'ব।' এইদৰে মুখপাত্ৰজনে কয়। অৱশ্যে তেওঁ লগতে এইদৰেও প্ৰকাশ কৰে যে প্ৰতিৰক্ষা মন্ত্ৰণালয়ে ৰুছ বাহিনীয়ে ইতিমধ্যে সম্পূৰ্ণৰূপে ঘেৰি ধৰা বৃহৎ মহানগৰীসমূহক পূৰ্ণ নিয়ন্ত্ৰণলৈ অনাৰ সম্ভাৱনা নুই কৰা নাই। যিসমূহ অঞ্চলক মানৱীয় কৰিড'ৰৰূপে ঘোষণা কৰা হৈছে সেইসমূহ অঞ্চলক অৱশ্যে সকাহ দিয়া হ'ব বুলি পেছক'ভে ঘোষণা কৰে। তেওঁ কয়, 'মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ইউৰোপীয় ইউনিয়নৰ নেতৃত্বই ইউক্ৰেইনৰ বৃহৎ মহানগৰীসমূহত আক্ৰমণৰ দিশলৈ ৰাছিয়াক ঠেলি দি নাগৰিকৰ মৃত্যুৰ বাবে আমাক দায়ী কৰাৰ চেষ্টা চলাইছে যেন ধাৰণা হয়।' একেসময়তে পেছক'ভে কয় যে চীনৰ পৰা ৰাছিয়াই কোনো সাহায্য বিচৰা নাই। 'এই অভিযান অব্যাহত ৰাখিবলৈ ৰাছিয়াৰ নিজস্ব সম্পদ আছে।' ৰুছ বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰজনে এইদৰে কয়।

ভিডিঅ' বৈঠকৰ জৰিয়তে দুই দেশৰ মাজত চতুৰ্থলানি আলোচনাৰ সময়তে ক্ৰেমলিনে ইউক্ৰেইনৰ মহানগৰীসমূহত পূৰ্ণ নিয়ন্ত্ৰণ সাব্যস্ত কৰাৰ এই সকীয়নি প্ৰদান কৰে। কিয়েভৰ মূল আলোচক আৰু ৰাষ্ট্ৰপতি জেলেন'স্কীৰ সহযোগী মিখাইলো পদ'লিয়াকে টুইটাৰযোগে ভিডিঅ' বৈঠকৰ ছবি প্ৰকাশ কৰে। আজিৰ এই আলোচনা যথেষ্ট কঠিন বুলিও কয় পড'লিয়াকে। ইউক্ৰেইনে আজি কয় যে তেওঁলোকে তাৎক্ষণিক যুদ্ধবিৰতিৰ পক্ষত দৃঢ়ভাৱে অৱস্থান কৰিব। পড'লিয়াকে এক ভিডিঅ' বাৰ্তাত কয় যে শান্তি, তাৎক্ষণিক যুদ্ধবিৰতি আৰু ৰাছিয়া বাহিনীৰ সম্পূৰ্ণৰূপে প্ৰত্যাহাৰৰ দাবী ইউক্ৰেইনৰ। ইয়াৰ পাছতে আঞ্চলিক সম্পৰ্ক আৰু ৰাজনৈতিক মতপাৰ্থক্যৰ বিষয়ে আলোচনা কৰাটো সম্ভৱপৰ।

বিদ্যালয়লৈ যোৱা ছাত্ৰৰ নৈত মৃত্যুক

তিনি পৃষ্ঠাৰ পৰা পৰিস্থিতিৰ সৃষ্টি হয়। এজন লোকে অকৰ্তৃত্বশীলভাৱে একাংশ ছাত্ৰক বিদ্যালয়ৰ পৰা গা ধুবলৈ নিয়াৰ ফলতে এই শোকাবহ ঘটনাটো সংঘটিত হোৱাৰ অভিযোগ উঠিছে। এই অভিযোগতে আজি ৮১৪ নম্বৰ ছেদামাৰী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা স্থানীয় লোক-অভিভাৱকে ঘটনাৰ ন্যায় বিচাৰি বিদ্যালয়ৰ সন্মুখত ধৰ্ণা কাৰ্যসূচী পালন কৰে। উল্লেখ্য যে ছেদামাৰী বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি লক্ষীৰাম হাছদাই অভিভাৱকৰ বিনা অনুমতিত কালি বিদ্যালয়খনৰ একাংশ ছাত্ৰক চম্পাৱতী নদীত গা ধুৱাবলৈ নিয়ে। কোনো ধৰণৰ লাইফ জেকেট অবিহনে চম্পাৱতী নদীৰ বুকুত গা ধুবলৈ নামোতেই উক্ত অঘটনটো সংঘটিত হয় আৰু হঠাৎ নদীখনৰ গভীৰ পানীত পৰি যোৱাৰ ফলত দুৰ্ভাগ্যজনকভাৱে পঞ্চম শ্ৰেণীৰ ছাত্ৰ ভৰেন মুৰ্মুৰ মৃত্যু হয়।

এই ঘটনাক সহজভাৱে মানি ল'ব পৰা নাই পৰিয়ালৰ লগতে স্থানীয় লোকে। স্থানীয় লোকে অভিযোগ কৰে যে দীৰ্ঘদিনৰ পৰাই প্ৰধান শিক্ষকৰ নেতৃত্বত অভিযুক্ত হাছদাই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বিভাগীয় কৰ্তৃপক্ষৰ বিনা অনুমতিত বিভিন্ন কাম-কাজত ব্যৱহাৰ কৰি আহিছে। সেইদৰে কালিও অভিভাৱকক নজনোৱাকৈ তেওঁ ছাত্ৰসকলক চম্পাৱতী নদীত গা ধুৱাবলৈ লৈ যোৱাৰ ফলতেই শিশু ছাত্ৰজনৰ মৃত্যু হ'বলৈ পালে বুলি স্থানীয় লোকে অভিযোগ কৰে। এই অভিযোগতে আজি ঘটনাৰ ন্যায় বিচাৰি আৰু দোষীৰ শাস্তিৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ হয়। ধৰ্ণাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে 'প্ৰধান শিক্ষক গ' বেক', 'আমাক ন্যায় লাগে', 'দোষীক ফাঁচি দিয়ক' আদি ধ্বনি দি বিদ্যালয়ৰ সন্মুখত পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীয়ে উক্ত ঘটনাৰ তদন্ত কৰি দোষীক উচিত শাস্তি প্ৰদান কৰিবলৈ চৰকাৰক দাবী জনায়। ইপিনে, একমাত্ৰ সন্তানক হেৰুৱাই আজিও স্বাভাৱিক হ'ব পৰা নাই শিশু ছাত্ৰজনৰ মাতৃ ধুনু মাৰ্ডী। দুৰ্ভগীয়া মাতৃগৰাকীয়ে চিঞৰি চিঞৰি কান্দি কয় যে জৱাহৰ নৱোদয় বিদ্যালয়ৰ প্ৰৱেশ পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই আছিল তেওঁৰ শিশু সন্তানটিয়ে। 'সেই কাৰণেই পুৱা টিউছন আছিল যদিও নদীত গা ধুব নগ'লে প্ৰধান শিক্ষক কৃষ্ণ ছাৰে মাৰিব বুলি কৈ সি নদীৰ ফালে ওলাই গৈছিল। সেই যে গ'ল আৰু ঘূৰি নাহিল।' দুৰ্ভগীয়া মাতৃগৰাকীয়ে এইদৰে কোৱাৰ লগতে ক্ৰন্দনত ভাঙি পৰি কয়, 'মোৰ ল'ৰাই পানীত পৰি ঢোকে ঢোকে পানী খাই থকা সত্বেও তাক কোনেও নবচালে।' এই ঘটনাক হত্যাকাণ্ড বুলি দাবী কৰি পুত্ৰহন্তাক কঠোৰ শাস্তিৰো দাবী উত্থাপন কৰিছে দুৰ্ভগীয়া মাতৃয়ে। আনহাতে, বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি লক্ষণ হেমব্ৰমে ঘটনাটো দুখজনক আখ্যা দি ন্যায় প্ৰদানৰ দাবী জনায়।

ইপিনে, ঘটনাৰ দায়সৰা মন্তব্যহে কৰিলে ছেদামাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক কৃষ্ণকান্ত দাসে। আজি সাংবাদিকৰ আগত প্ৰধান শিক্ষকজনে কয় যে কালি দেওবাৰ হোৱা সত্বেও তেওঁ বিদ্যালয়ত কিছু ছাত্ৰক পাঠদান কৰাইছিল নৱোদয় পৰীক্ষাৰ কিতাপৰ সন্দৰ্ভত। পাঠদানৰ অন্তত তেওঁ ছাত্ৰসকলক ছুটী দিয়ে আৰু নিজে এফালে ওলাই গৈছিল বুলি প্ৰধান শিক্ষকজনে কয়। প্ৰসংগক্ৰমে প্ৰধান শিক্ষকজনে লগতে কয়, 'যিজন ছাত্ৰৰ মৃত্যু হৈছে, সেইজন ল'ৰাই যোৱা শনিবাৰৰ দিনাও একেই ঠাইত গা ধুবলৈ গৈ শিলৰ চেপাত সোমাইছিল যদিও একো অঘটন ঘটা নাছিল। ছাত্ৰসকলৰ লগত লক্ষীৰাম হাছদা নামৰে গাঁওখনৰ এজন লোক ঘটনাস্থলীত উপস্থিত আছিল। অৱশ্যে ঘটনাটো ঘটি যোৱাৰ পাছত তেওঁৱেই ফোনযোগে মোক জনাইছিল।' আনহাতে, ঘটনাস্থলীত উপস্থিত থকা তথা ছাত্ৰসকলক বিনা অনুমতিত গা ধুবলৈ নিয়াৰ অভিযোগ উঠা হাছদাই সাংবাদিকৰ আগত কয় যে তেওঁতকৈ আগতেই নদীত গা ধুবলৈ ছাত্ৰকেইজন গৈছিল। ছাত্ৰকেইজনে নদীত নামি গৈ লাহে লাহে পানীৰ দ সোঁতৰ ফালে গৈছিল। ফলত ভৰেন পানীৰ তলত সোমাই পৰাত তেওঁ মৃত্যুমুখত পৰে। ঘটনাস্থলীত বিদ্যালয়ৰ প্ৰধান শিক্ষকজন উপস্থিত নাছিল আৰু বিদ্যালয়ৰ কৰ্তৃপক্ষৰ ফালৰ পৰাও অনুমতি লৈ তেওঁলোক নদীলৈ যোৱা নাছিল বুলিও হাছদাই স্বীকাৰ কৰে।

বন্ধুক ঘুচিয়াই হত্যাৰ অভিযোগত

তিনি পৃষ্ঠাৰ পৰা নিশা মূল অভিযুক্ত শ্ৰীমন্ত দাসক ছয়গাঁও আৰু কুকুৰমাৰা আৰক্ষীয়ে কামাখ্যা-যোগীঘোপা ব্ৰডগজ ৰেলপথৰ পৰা কৰায়ত্ত কৰে। উল্লেখ্য যে কালি শ্ৰীমন্তই ঘৰৰ পৰা মাটি নি নিজগৃহৰ নঙলাৰ সমুখতে ঘোচা শোধোৱাৰ লগতে শিলেৰে প্ৰহাৰ কৰাত মৃত্যু হৈছিল গাঁৱৰে বন্ধু জিতুল দাস ওৰফে পাপুৰ। ইয়াৰ পাছতে হত্যাকাৰীক গ্ৰেপ্তাৰ নকৰা পৰ্যন্ত মৃতদেহ গ্ৰহণ নকৰাৰ হুংকাৰ দিছিল জিতুলৰ পৰিয়ালে। নিশাই তীব্ৰ অভিযান চলাই আৰক্ষীয়ে অভিযুক্ত শ্ৰীমন্তক আটক কৰিলেও পৰিস্থিতি উত্তেজনাপূৰ্ণ হোৱাৰ আশংকাত নিশাই ছয়গাঁৱৰ পৰা পলাশবাৰী আৰক্ষী থানালৈ স্থানান্তৰিত কৰে।

ইপিনে, আজি জিতুলৰ মৃতদেহ ঘৰলৈ আহি পোৱাৰ লগে লগে অগণন লোকৰ সমাগম হয়। পৰিস্থিতি উত্তপ্ত হোৱাৰ আশংকাত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থাও কৰা হৈছিল। পাছত শোকাকুল পৰিৱেশৰ মাজতে জিতুলৰ মৃতদেহ সংকাৰ কৰা হয়।

সেনাৰ বোমা লক্ষ্যভ্ৰষ্ট হৈ পৰিল

তিনি পৃষ্ঠাৰ পৰা পৰাত এক আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়। এই ঘটনাত কথমপি প্ৰাণৰক্ষা পৰে শিশু-মহিলাসহ কে'বাজনো লোকৰ। আৰক্ষী সূত্ৰই জনোৱা মতে, তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ শুকানজুলী ফায়াৰিং ৰেঞ্জত আজি ভাৰতীয় সেনাৰ ২২২ ৰেজিমেণ্টৰ আৰ্টিলাৰী গোটৰ তত্বাৱধানত পঞ্জাৱ ৰেজিমেন্টৰ সেনাৰ জোৱানসকলৰ অস্ত্ৰ-শস্ত্ৰৰ প্ৰশিক্ষণ চলি আছিল। প্ৰশিক্ষণ চলি থকা অৱস্থাতে ফায়াৰিং ৰেঞ্জৰ সমীপতে থকা এক নম্বৰ পাহাৰপুৰ গাঁওখনৰ অনন্ত ৰামচিয়াৰীৰ ঘৰত এটি ১০৫ এমএম স্ম'ক বোমা দিকভ্ৰষ্ট হৈ মুধচত পৰে। ফলত বাসগৃহৰ বেৰ ফুটি বাৰাণ্ডাৰ মাটিত দ গাঁতৰ সৃষ্টি হয়। ঘটনাটো সংঘটিত হোৱাৰ সময়ত ৰামছিয়াৰীৰ এগৰাকী বোৱাৰীয়ে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি কণমানি শিশুসহ শুই আছিল। অৱশ্যে সৌভাগ্যক্ৰমে প্ৰাণৰক্ষা পৰে শিশু-বোৱাৰীৰ উপৰি পৰিয়ালটোৰ আন পাঁচ সদস্যৰ। ইফালে, ঘটনাৰ খবৰ পোৱাৰ লগে লগে সেনাৰ উচ্চপদস্থ বিষয়া, তামুলপুৰ মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি কলিতা আৰু দৰংগামেলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াসহ এটি আৰক্ষী দল উপস্থিত হৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰে। উল্লেখ্য যে যোৱা তিনি ফেব্ৰুৱাৰীতো এক নম্বৰ পাহাৰপুৰৰ পৰমেশ্বৰ হাছদা নামৰ লোকজনৰ চৰকাৰী আবাসগৃহত সেনাৰ প্ৰশিক্ষণৰ সময়ত ব্যৱহাৰ কৰা মৰ্টাৰ দিকভ্ৰষ্ট হৈ আহি বিস্ফোৰিত হোৱাত সম্পূৰ্ণৰূপে ধ্বংস হৈছিল আবাসগৃহটো। ইয়াৰ পূৰ্বেও সেনাৰ লক্ষ্যভ্ৰষ্ট গুলি, ৰকেটৰ আঘাতত একাধিক স্থানীয় লোকৰ মৃত্যু হৈছে। শেহতীয়াকৈ শুকানজুলী ফায়াৰিং ৰেঞ্জত চলি থকা সেনাবাহিনীৰ গোলা-বাৰুদ, অস্ত্ৰ চালনাৰ অনুশীলনৰ সময়ত সঘনাই বোমা, ৰকেট আদি দিকভ্ৰষ্ট হৈ জনবসতি অঞ্চলত বিস্ফোৰিত হোৱাত ফায়াৰিং ৰেঞ্জৰ সমীপত থকা গাঁওসমূহৰ বাসিন্দাই প্ৰাণহানি হোৱাৰ আশংকাত ভুগিবলগীয়া হৈছে।

সদনৰ কাৰ্যসূচী সম্প্ৰচাৰ কৰা

তিনি পৃষ্ঠাৰ পৰা প্ৰচাৰ ব্যৱস্থাৰ ক্ষতিসাধন কৰাৰ ঘটনা সংঘটিত হৈছে। বিধানসভাৰ বাজেট অধিবেশনৰ প্ৰস্তুতি চলি থকাৰ মাজতে সংঘটিত এই ঘটনাক লৈ কালি বিধানসভাৰ নজৰত বিভাগৰ যুটীয়া সচিবে দিছপুৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। এই সন্দৰ্ভত আজি বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এক সংবাদমেলত কয়, 'প্ৰথমতে যোৱা ন মাৰ্চত দুষ্কৃতিকাৰীয়ে বিধানসভাৰ কাৰ্যসূচী পোনপটীয়াকৈ প্ৰচাৰত ব্যৱহাৰ হোৱা কেবল কাটি দিয়ে। সেইখিনি মেৰামতি কৰাৰ পাছত কালি পুনৰ একে ঘটনা সংঘটিত হয়। পুৱতি নিশা এই ঘটনা সংঘটিত কৰা হয়। কালিৰ ঘটনাটো বিধানসভাৰ কক্ষৰ ভিতৰতো আৰু বাহিৰতো দুষ্কৃতিকাৰীয়ে সংঘটিত কৰে। দুষ্কৃতিকাৰীয়ে কাৰ্যসূচী সম্প্ৰচাৰ কৰা কেবল কাটি দিয়ে।' এজাহাৰৰ বিষয়ে এই তথ্য সদৰী কৰাৰ উপৰি কেবলৰ ক্ষতিসাধন কৰি থকা অৱস্থাত চি চি টিভি কেমেৰাত বন্দী হোৱা কে'বাটাও ভিডিঅ' অধ্যক্ষই সাংবাদিকক দেখুৱায়। অৱশ্যে এই কাৰ্যত কোন জড়িত আছে অধ্যক্ষই সদৰী নকৰিলে।

পৰ্যটনত জীৱিকা হেৰুৱালে

তিনি পৃষ্ঠাৰ পৰা ১৮০ কোটি পালি ক'ভিড প্ৰতিষেধক প্ৰদানৰ পাছত চৰকাৰ আশাবাদী যে পৰ্যটন খণ্ডত উন্নয়ন সাধন হ'ব। এই খণ্ডক সহায় কৰিবলৈ ভ্ৰমণ আৰু পৰ্যটন খণ্ডৰ অংশীদাৰসকলক ১০ লাখ পৰ্যন্ত আৰু ভ্ৰমণ সাৰথিসকলক এক লাখ টকা পৰ্যন্ত সুতবিহীন ঋণ প্ৰদান কৰা হৈছে। তেওঁ যি প্ৰকাৰে সম্ভৱ পৰ্যটন খণ্ডক সহায় কৰিবলৈ সকলো ৰাজ্য চৰকাৰক আহ্বান জনায়। মন্ত্ৰীজনে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰৰ পৰ্যটকমুখী পদক্ষেপৰ বাবে বিশ্বৰ ভিতৰতে পৰ্যটন লক্ষ্যস্থলীৰূপে ভাৰতে প্ৰায় ২০টা স্থান ওপৰলৈ গৈছিল। ২০১৩ত ৫২ স্থানত থকা ভাৰতে ২০১৯ত ৩২ সংখ্যক স্থানত উপনীত হ'বলৈ সক্ষম হৈছিল। তেওঁ কয় যে আন্তৰ্জাতিক পৰ্যটকক উৎসাহিত কৰিবলৈ চৰকাৰে ইতিমধ্যে প্ৰথম পাঁচ লাখ আগমনকাৰীৰ ভিছাৰ মাচুল সকাহ দিবলৈ সিদ্ধান্ত লৈছিল। ৰেড্ডীয়ে দাঙি ধৰা তথ্য অনুসৰি অতিমাৰীৰ প্ৰকোপ আৰম্ভ হোৱাৰ পৰা ২০২২ৰ সাত মাৰ্চ পৰ্যন্ত ভাৰতে ৫১ হেজাৰ ৯৬০খন নিয়মীয়া ভিছা আৰু ১.৫৭ ই-ভিছা প্ৰদান কৰিছিল।

পাৰ্শ্বজ্যোতি

তিনি পৃষ্ঠাৰ পৰা গতিকে যিটোকে ভাল ভাবো সেইটোৱে কৰিব পাৰো।' ৰাজ্যৰ আগন্তুক ৰাজ্যসভাৰ নিৰ্বাচনৰ প্ৰসংগতে বিধায়কজনে তেওঁ এতিয়া মুক্ত বুলি ঘোষণা কৰে।

বিধায়কৰ লাজ

বিধানসভা চলি থকা সময়ত বিধায়কসকলে চৰকাৰী আৱাসৰ পৰা অহা-যোৱা কৰিব পৰাকৈ আজিৰ পৰা বিধানসভা চৌহদত কে'বাখনো গ'ল্ফ কাৰ্ট চলোৱা হয়। প্ৰতিখনত ছয়ৰ পৰা সাত লাখ টকা ব্যয় হোৱা ছখন এনে বাহন বিধানসভা চৌহদলৈ অনা হৈছে। আজি এই বাহনকেইখনৰ চলাচল আৰম্ভ হয় যদিও বেছিভাগ বিধায়কে ইয়াৰ ব্যৱহাৰ নকৰিলে। বহুতে নিজৰ গাড়ীৰে সদনলৈ আহে। শাসক-বিৰোধীৰ যিসকল বিধায়ক পুৱা গ'ল্ফ কাৰ্টৰে আৱাসৰ পৰা বিধানসভালৈ আহে তেওঁলোকৰো মুখত এক সলাজ ভাৱ লাগি থাকে।

দলীয় গণতন্ত্ৰ নোহোৱা বাবে

তিনি পৃষ্ঠাৰ পৰা তেওঁ কয় যে ৰাইজে পৰিয়ালতান্ত্ৰিক ৰাজনীতি ভাল নাপায়। অৱশ্যে এইদৰেও কয় যে কোনো মন্ত্ৰী, সাংসদ, বিধায়কৰ সন্তানে ৰাজনৈতিক ক্ষেত্ৰত পৰিশ্ৰম কৰি আগবাঢ়িলে ক'বলগীয়া নাথাকে; কিন্তু এটা দলৰ সভাপতি এটা পৰিয়ালতে বছৰ বছৰ ধৰি ন্যস্ত হৈ থকাটো গণতান্ত্ৰিক দেশৰ ৰাজনৈতিক দলৰ প্ৰমূল্যবোধ হ'ব নোৱাৰে। মন্ত্ৰী হাজৰিকাই কয় যে ২০০৯ৰ পৰা কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতিৰ পদত ছোনিয়া গান্ধী অধিষ্ঠিত হৈ আছে আৰু ইয়াৰ মাজতে কিছুদিন এই দায়িত্ব তেওঁৰ পুত্ৰ ৰাহুল গান্ধীয়ে চম্ভালিছিল। বিধানসভাৰ অধিৱেশনৰ আজি প্ৰথমদিনা মন্ত্ৰীজনে অধিৱেশনৰ অন্ত পৰাৰ পাছত সাংবাদিকক এইদৰে কয়। ইপিনে, সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত দোহাৰে যে কংগ্ৰেছত গণতন্ত্ৰৰ অভাৱৰ বাবে ৰাইজৰ দ্বাৰা নস্যাৎ হৈছে। আনহাতে, অহা এপ্ৰিলত খালী হ'বলগীয়া ৰাজ্যসভাৰ দুয়োখন আসনতে বিজেপি জয়ী হ'ব বুলি তেওঁ দাবী কৰে। কংগ্ৰেছমুক্ত ভাৰত নিৰ্মাণৰ সন্দৰ্ভত সাংবাদিকে প্ৰশ্ন কৰাত মন্ত্ৰীজনে কয় যে বিজেপি চৰকাৰে ভাল কাম কৰিলে ৰাইজে নিৰ্মাণ কৰিব কংগ্ৰেছমুক্ত ভাৰত। ভাল কাম কৰাটোৱে বিজেপি চৰকাৰৰ লক্ষ্য বুলি তেওঁ স্পষ্ট কৰে। আনহাতে, সম্প্ৰতি চৰ্চাত থকা বলিউদৰ সদ্য মুক্তি প্ৰাপ্ত ছবি 'দ্য কাশ্মীৰ ফাইলছ' নামৰ ছবিখন কাইলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ মন্ত্ৰী-বিধায়কসকলে সন্ধিয়া উপভোগ কৰিব বুলিও তেওঁ জনায়।

কাগজ কলৰ কৰ্মচাৰীৰ বাবে ৭৫০ কোটি

তিনি পৃষ্ঠাৰ পৰা কংগ্ৰেছৰ বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থই কাগজ কল দুটাৰ কৰ্মচাৰীসকলক এই পৰ্যন্ত প্ৰতিশ্ৰুতি অনুসৰি চৰকাৰে ধন আদায় নিদিয়া বুলি অভিযোগ কৰে। সেই সময়ত বিধানসভাত উপস্থিত থকা মুখ্যমন্ত্ৰীয়ে বিষয়টোৰ হস্তক্ষেপ কৰি উক্ত তথ্য সদৰী কৰাৰ লগতে কয় যে উদ্যোগ দুটাৰ কৰ্মচাৰীৰ লগত কৰা চুক্তি অনুসৰি শীঘ্ৰে ৰাজ্য চৰকাৰে ৭৫০ কোটি টকা মোকলাই দিব। কংগ্ৰেছৰ বিধায়কজনে অভিযোগ কৰে যে উক্ত পুঁজি আদায় দিব বুলি কোৱাৰ ছমাহেই হ'ল; কিন্তু চৰকাৰে আজিও মোকলাই দিয়া নাই। তেতিয়া মুখ্যমন্ত্ৰীয়ে কয়, 'আমি যিধৰণে কথা দিছো তেনেকৈয়ে কথা ৰাখিম। ধন আদায় দিয়াৰ সময়সীমা নিৰ্ধাৰিত সময়তকৈ এমাহ বেছি হৈছে। আমাৰ ধৈৰ্য সিমানেই।'

ইপিনে, বিধানসভাৰ ভিতৰৰ লগতে বাহিৰতো চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি এক লাখ নিযুক্তি দিয়াত ব্যৰ্থ হোৱাৰ যিবোৰ অভিযোগ উঠিছে সেই সন্দৰ্ভতো মুখ্যমন্ত্ৰীয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰে। বিধানসভাৰ ভিতৰত ৰাজ্যপালৰ ভাষণ চলি থকাৰ সময়ত বিষয়টোক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছিল ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে। মুখ্যমন্ত্ৰীয়ে ভাষণ দি থকাৰ সময়তো বিধায়কজনে এক লাখ নিযুক্তিৰ কি হ'ল বুলি প্ৰশ্ন কৰে। তেতিয়া মুখ্যমন্ত্ৰীয়ে কয়, 'এক লাখ চাকৰিত নিযুক্তিক লৈ আপোনাৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ ধৃষ্টতা আমাৰ নাই। নিযুক্তিপত্ৰ বিতৰণৰ দিনা আপোনাকো মাতিম। আপোনাৰ বাবে এখন চকী সংৰক্ষিত কৰি ৰাখিম। আহিব।'

ইপিনে, মুখ্যমন্ত্ৰীয়ে বিধানসভাৰ বাহিৰত আগন্তুক ৰাজ্যসভা নিৰ্বাচনৰ সন্দৰ্ভত সাংবাদিকৰ আগত কয়, 'দুয়োখন আসনত বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী থাকিব। নিৰ্বাচনত হৰা-জিকাটো ভোটগ্ৰহণৰ পাছত গণনাত স্পষ্ট হ'ব।'

কংগ্ৰেছ সন্দৰ্ভত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে কয় যে গান্ধী পৰিয়ালক লৈ কংগ্ৰেছে ওপৰলৈ যাবলৈ বিচাৰে নে তললৈ যাবলৈ বিচাৰে সেইটো তেওঁলোকৰ সিদ্ধান্ত। পৌৰসভা নিৰ্বাচনতো দলটো বিচাৰি নোপোৱা অৱস্থা হৈছে।

দুবছৰৰ মূৰত আজিৰ পৰা মেট্ৰিক

তিনি পৃষ্ঠাৰ পৰা মাধ্যমিক শিক্ষা সংসদে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাসমূহ অনুষ্ঠিত কৰিবলৈ সম্পূৰ্ণ সাজু হৈছে। অৱশ্যে ক'ভিডৰ বাবে শ্ৰেণীসমূহ নিয়মীয়াকৈ অনুষ্ঠিত নোহোৱাত মেট্ৰিকৰ ৪০ শতাংশ পাঠ্যক্ৰম কৰ্তন কৰি পৰীক্ষা অনুষ্ঠিত হ'ব। ইয়াৰ বিপৰীতে উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা সম্পূৰ্ণ পাঠ্যক্ৰম সামৰি অনুষ্ঠিত হ'ব। এইবেলি মেট্ৰিকত অৱতীৰ্ণ হ'বলগীয়া পৰীক্ষাৰ্থীৰ সংখ্যা হ'ল ৪,২১,৫৮৭ গৰাকী। আনহাতে, অসম হাইমাদ্ৰাছা পৰীক্ষাত অৱতীৰ্ণ হ'ব ১১,৩০৬ গৰাকী পৰীক্ষাৰ্থী। ৰাজ্যজুৰি মুঠ ৯০৩ টা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব। উল্লেখ্য যে মেট্ৰিক পৰীক্ষা বিগত বৰ্ষৰ প্ৰশ্নকাকতৰ ভিত্তিত অনুষ্ঠিত হ'ব। ২০২১ত ছেবাই পৰীক্ষাৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিও ক'ভিডৰ বাবে অনুষ্ঠিত কৰিব নোৱাৰিলে। যাৰ বাবে পুনৰ নতুনকৈ প্ৰশ্নকাকত প্ৰস্তুত নকৰি যোৱাবাৰৰ কাকতৰেই পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াকে লৈ বিতৰ্কৰো সৃষ্টি হৈছিল।

ইপিনে, বিজ্ঞান-কলা-বাণিজ্য আৰু বৃত্তিমুখী পাঠ্যক্ৰমৰ ২,১৫,০২২ গৰাকী ছাত্ৰ-ছাত্ৰী উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব। শিক্ষা সংসদৰ সচিব ৰুক্ম গোহাঁই বৰুৱাই জনোৱা মতে, পৰীক্ষাৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মুঠ ৭৯৬ টা কেন্দ্ৰত সম্পূৰ্ণ সুৰক্ষিত ব্যৱস্থাৰ মাজত পৰীক্ষা অনুষ্ঠিত হ'ব। বৰুৱাই সদৰী কৰে যে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা সম্পূৰ্ণ পাঠ্যক্ৰম সামৰি অনুষ্ঠিত হ'ব বুলি যোৱা অক্টোবৰত জাননী জাৰি কৰিছিল। সেইমতে, পৰীক্ষা অনুষ্ঠিত হ'ব। শিক্ষা সংসদে পৰীক্ষা অনুষ্ঠিত নহ'লেও বিগত বৰ্ষৰ প্ৰশ্নকাকত আৰু উত্তৰ বহীৰ পৰিৱৰ্তে নতুন প্ৰশ্নকাকত আৰু উত্তৰ বহীৰে পৰীক্ষা পাতিছে বুলিও তেওঁ জনায়। মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শুভেচ্ছা জনাইছে। সদৌ অসম ছাত্ৰ সন্থায়ো সকলো পৰীক্ষাৰ্থীক শুভেচ্ছা জ্ঞাপন কৰিছে। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ সমূহ পৰীক্ষাৰ্থীলৈ অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ কৰ্মী সন্থায়ো শুভেচ্ছা জনোৱাৰ লগতে পৰীক্ষা সুকলমে পৰিচালিত হ'ব বুলি কামনা কৰিছে।

অভিনৱ উৎসৱ

তিনি পৃষ্ঠাৰ পৰা সমাজৰ দাবীও।

সেই অতীজত, গুহাত থাকোতেও মানুহে আঁক-বাঁক কৰি কিবাকিবি লিখিছিল। সেই তেতিয়াৰ পৰাই মানুহে লিখিয়েই আছে। লিখিয়েই থাকিব। কিছুমানক আনে কয় কি লিখিব লাগে; আন বহুতে নিজৰ মনৰ কথাৰেই লিখে।

মই পিছে আজি আনে লিখিবলৈ কোৱা মতে লিখা মানুহৰ কথাহে ক'বলৈ ওলাইছো। বহুত নাটক-চিনেমাৰ কাহিনী বা চিত্ৰনাট্য, প্ৰযোজক বা পৰিচালক বা ষ্টাৰ-অভিনেতা-অভিনেত্ৰী বা টকা দিওঁতা মানুহৰ মতে ৰচিত হয়। এইবিলাক নিতান্তই সৰল ৰৈখিক কথা। যি বিচাৰে তেওঁলোকৰ মতে খাপে খাপে কথাবোৰ বা চৰিত্ৰবোৰ খাপ খুৱাই দিলেই হ'ল। দৰ্শকে বা শ্ৰোতাই কি ভাল পাব বা পছন্দ কৰিব তাৰ এটা সম্ভাব্য ছবি এখন অংকন কৰি লৈয়েই মানুহে এই কামবোৰ কৰে। এইবিলাক হ'ল ব্যৱসায়িক সমীকৰণ। সেই কাৰণেই গুলজাৰে 'বিড়ি জ্বলাইলে জিগৰ মে পিয়া' গান লিখে। গান ছুপাৰহিট হৈ যায়— সংগীত, সুৰ আৰু গায়কীৰ প্ৰকোপত।

ভাৰতীয় সমাজত নাৰীক কোমলতা-নমনীয়তা-ত্যাগৰ লেতু-সেতু প্ৰতীক বুলি থকা এটা শিথিল ধাৰণাক বিশ্বাসত পৰিণত কৰোৱা হ'ল কোনোবা কুক্ষণৰ পৰাই। নাৰীক ব্যক্তিত্বহীন যৌনতাৰ প্ৰতীক বুলিয়েই চিত্ৰায়িত কৰি ৰখা হ'ল। পুৰুষেতো ভাল পালেই, নাৰীয়েও সেইবিলাককে ভাল পাবলৈ ধৰিলে। নাপাই উপায়ো নাই— বিকল্পও যে নাই!

মুকেশে গোৱা এটা গানলৈ মন কৰক— 'হাঁ তুম বিলকুল ৱেচী হ', জেইজা মেনে চ'চা থা।' ডেকাৰ মনৰ মানুহজনী কেনেকুৱা? শুনক। 'না চিকুৰে হেই না ৰাদে হেই, না কচমে হেই না ৰশ্মে হেই, দেখে না ৰ' খোৱাব মেহলো কা, মেৰে দিলমে ৰহনা চাহে'— অৰ্থাৎ যাৰ কেতিয়াও কোনো নিজৰ মতামত নাই, কেতিয়াও কোনো অভিযোগ নাই, যি কেতিয়াও কোনো ডাঙৰ সপোন নেদেখে, যি কেৱল সদায় যুৱকজনৰ মনৰ মাজতে থাকিব বিচাৰে, যাৰ নিজৰ কোনো পণ নাই, লক্ষ্য নাই, জীৱনৰ উদ্দেশ্য ব্যাখ্যা নাই— অৰ্থাৎ কেৱল গিৰিয়েকটোৰ পিছে পিছে গৈ থকা এজনী অন্ধ মানুহ, গিৰিয়েকৰ অৰ্থাৎ গাধৰ বীৰ্য ধাৰণ কৰি আন এপাল গাধ জন্ম দিয়া এটা যন্ত্ৰ— সেইজনী মানুহকহে ডেকাক লাগে! সেই সময়ৰ মানুহৰ বাবে ছুপাৰ হিট গান! মুকেশৰ এক অনবদ্য সাংগীতিক উপহাৰ! আজি ৪০/৫০ বছৰ ধৰি মানুহৰ মন-মগজু প্ৰক্ষালন কৰি কৰি এসোপা বদমাছ-দগাবাজ মানুহে এই গানবোৰকেই ভাৰতত জন্ম দি আছে। ভাৰতত প্ৰতিদিনে হৈ থকা অজস্ৰ ধৰ্ষণ, ঘৰুৱা হিংসা, যৌতুকজনিত হত্যা, নাৰী অপমান আদিৰ অধিকভাগ কাৰণ হ'ল এইবিলাক গান। নহয় বুলি কোনেও ক'ব নোৱাৰে। পুৰুষবিলাকক যেতিয়াই মন যায়, তেতিয়াই পিটিব পৰা, যৌন সম্ভোগ কৰিব পৰা নাৰীকহে যেন সিহঁতক লাগে। লাগে মাথোন সজাই থ'ব পৰা presentable পুতলা আৰু ঘৰখনৰ সমগ্ৰ কাম কৰা এজনী বিনা বেতনৰ চাকৰণী!

এই গানবিলাক, সমাজে লিখিবলৈ কৈছে বুলি, গীতিকাৰগৰাকীক দেখাত কোনেও কোৱা নাই। হয় গীতিকাৰগৰাকীক প্ৰযোজক-বিত্ত যোগানকাৰী কোনোবাই কৈছে নহয় তেওঁ নিজে নিজেই লিখিছে। যি কাৰণতেই নহওক কিয়, তেওঁক গীতিকাৰ বুলি ক'বলৈ মোৰ সৎ নাযায়। মোৰ দৃষ্টিত তেওঁ শিল্পীতো নহয়েই, বৰঞ্চ সামাজিক অপৰাধীহে!

এদিন মই জালুকবাৰীত ৰাস্তা পাৰ হ'বলৈ ৰৈ আছিলো। ৰাস্তা পাৰ হ'বলৈ বিচৰা মানুহবিলাকে এখোজ-দুখোজকৈ ৰাস্তাৰ মাজৰ ফালে গৈ থাকে। ফলত বহুত গাড়ী-বাইক-চাইকেল-ৰিক্সাচালকে বৰ কষ্ট পায়।

সেইদিনাও তেনে হৈছিল। ৰাস্তা পাৰ হ'বলৈ মোৰ নিচিনাকৈ প্ৰায় ৩০/৪০ জনমান মানুহ এখোজ-দুখোজকৈ আগবাঢ়িছিল। তাৰ ভিতৰতে এজন টুপী পিন্ধা-গোৰোহাৰ ওপৰলৈকে পায়জামা পিন্ধা মুছলমান ডেকাও আছিল আৰু তেওঁৰ লগত পিছে পিছে আপাদমস্তক বোৰ্খা পিন্ধা এজনী মানুহো আছিল। এইটো আজিৰ পৰা ১০/১২ বছৰৰ আগৰ কথা। অসমীয়া মুছলমানৰ মাজলৈ আৰবীয় অপসংস্কৃতি অহা আৰম্ভ হোৱা সময়ৰ কথা।

খপজপ কৰোতে মানুহজনীয়ে উজুটি খাই পৰিল নহয়। মতাজন পাৰ হৈ গ'ল। ওচৰতে মই আছিলো। স্বতঃস্ফূৰ্ত প্ৰতিক্ৰিয়াত মই মানুহজনীক ধৰিলোগৈ। তেওঁৰ মুখৰ পৰ্দা আঁতৰ হৈ পৰিল। এজনী ধুনীয়া ১৯/২০ বছৰীয়া ছোৱালীৰ মৰম লগা মুখ এখন ওলাই পৰিল। তেওঁ মোলৈ চাই হাঁহি এটা মাৰিলে। ময়ো হাঁহিলো; কিন্তু পিছ মুহূৰ্ততে তেওঁ ভয় খাই উঠিল। হঠাৎ গিৰিয়েকলৈ চকু গ'ল— যাৰ চকু জ্বলি আছিল খঙৰ ভমকত। গিৰিয়েকটো কিন্তু আগবাঢ়ি নাহিল। ময়ে মানুহগৰাকীক হাতত ধৰি পাৰ কৰাই দিলো। গিৰিয়েকটোৱে মোলৈ অগ্নিবৰষা দৃষ্টিৰে চালে আৰু ঘৈণীয়েকক কিবা-কিবি গালি পাৰিবলৈ ধৰিলে আৰু এটা পাকত 'মই ঘৈণীয়েক বুলি ভবা মানুহজনীক' এপাট চৰ মাৰি দিলে।

এই ঘটনাক আক্ষৰিক (literary) আৰু ৰূপক (figurative) দুয়ো অৰ্থতে চাব পাৰি। মুকেশৰ গানটো যেন এই ঘটনাটোৰেই বহিঃপ্ৰকাশ বা প্ৰতিৰূপ। এই গান বা এই ঘটনা সমাজে কিমান সৃষ্টি কৰিছে বা মানুহে কিমান সৃষ্টি কৰিছে বা পৰিৱেশে কিমান সৃষ্টি কৰিছে কোৱা টান।

মই যদি গীতিকাৰগৰাকীৰ (আনন্দ বক্সী) কথালৈ আহো, তেতিয়া মই ভাগৰি পৰো। ইমান আয়োজনৰ পাছত, ইমান প্ৰস্তুতিৰ অন্তত তেওঁৰ কলমেদি এনেকুৱা শব্দ কেনেকৈ নিৰ্গত হ'ল— ভাবিয়েই মই তবধ মানিলো। তেওঁৰ ব্যক্তিগত শিক্ষা-দীক্ষা, তেওঁৰ বন্ধু-বান্ধৱৰ সাহচৰ্য, তেওঁৰ পিতৃ-মাতৃৰ চেষ্টা, তেওঁৰ শিক্ষক-শিক্ষয়িত্ৰীৰ কষ্ট, তেওঁৰ পৰিয়ালৰ আৱেগ-অনুভূতিৰ বন্ধন, তেওঁৰ দেশ-পৰিৱেশৰ ইতিহাস, তেওঁৰ জীৱন এষণা সকলো মিলি উবুৰি খাই পৰিছিলহি কলমটোৰ নিবটোৰ ওপৰত। স্তূপীকৃত বা প্ৰৱহমান ভাব-অনুভৱৰ সমাহাৰত জধে-মধে সেই শব্দপুঞ্জ সৃষ্টি হোৱা নাছিল। তেওঁ নিশ্চয় এক পৰিশীলিত আৰু সংস্কৃত চৰ্চাৰ মাজেৰেহে মুকলি আকাশৰ তললৈ সেই সুশৃংখলিত শব্দটো এৰি দিছিল। প্ৰত্যেক শিল্পীয়ে নিজৰ সৃষ্টিকে সৰ্বোত্তম বুলি পতিয়ন যোৱাৰ দৰে তেৰোঁ নিশ্চয় আত্মসন্তুষ্টিৰ হাঁহি মাৰিছিল। কোনো শিল্পী নিজৰ কামত সম্পূৰ্ণকৈ সন্তুষ্ট নোহোৱাৰ দৰে তেৰোঁ চাগে ভাবিছিল পাছৰ লেখাটো-গানটো-কবিতাটো চকু-কোণ মসৃণ কৰি বেলেগকৈ লিখিব। মনৰ ভিতৰতে কিমান যে যুঁজ বাগৰৰ তোলপাৰ তেওঁলোকৰ! এই আয়োজন অভিনৱ। এই আয়োজন উৎসৱৰ। এই আয়োজন শিল্পীৰ— কথাৰ, কবিতাৰ, গীতৰ, চিত্ৰৰ, ভাস্কৰ্যৰ বা তেনে কোনো সুকুমাৰ কলাৰ। সৃষ্টিৰ এই নীৰৱ আয়োজন বা নীৰৱ উৎসৱৰ এই দলদোপ হেন্দোলদোপ আচলতে কেতিয়াও কদৰ্য-কুৎসিত হ'ব নোৱাৰে। এজন গীতিকাৰ এক সমন্বিত প্ৰচেষ্টাৰ প্ৰকাশ মাত্ৰ। শিল্পী-গায়ক-গীতিকাৰ-চিত্ৰকৰ-সুৰকাৰৰ কাম কাইলৈৰ পৃথিৱীখন আজিৰ পৃথিৱীখনতকৈ অধিক সুন্দৰ ৰূপত পাবলৈ বিচৰা। অহৰ্নিশে তেওঁলোক তাতেই ব্ৰতী। অন্ততঃ সেই ব্ৰতত তেওঁলোক নিবদ্ধ বুলি সমাজে ভাবি থাকে। সেয়ে সমাজে তেওঁলোকক এৰি দিছে সমাজৰ অন্য কাম নকৰিলে হ'ব বুলি। যেনেকৈ শিক্ষকক এৰি দিয়া হৈছে— 'তোমালোকে অন্য কাম নকৰিলেও হ'ব— আমাৰ ল'ৰা-ছোৱালীকেইটাকে ভালদৰে গঢ় দিয়াচোন' বুলি। সেয়ে লেখক-শিল্পী-গীতিকাৰ-কবি-শিক্ষক সকলোকে এবিধ বিশেষ স্বাধীনতা দিয়া হৈছে— creative liberty। Freedomৰ স্বাধীনতা আৰু Libertyৰ স্বাধীনতা একে কথা নহয়। Liberty is self defined freedom– Freedom is given by others. গতিকে লিবাৰ্টিত আত্মসংযমৰ কথা আছে। অধিক দায়বদ্ধতাৰ কথা আছে। বিয়া এখন পাতি দৰা-কইনাক বৰ ধুমধামেৰে বহু আয়োজনেৰে উৎসৱৰ মাজেৰে আচলতে সমাজলৈ উলিয়াই দিয়া হয়— সমাজৰ উত্তৰণত নিজৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবৰ বাবে। নহ'লে ইমান শুভেচ্ছা-শুভাশিসৰ কি প্ৰয়োজন! অত দূৰ-দূৰণিৰ পৰা মিতিৰ-কুটুম, ইষ্ট-মিত্ৰ সকলোবোৰ কেৱল কি খাবলৈকে আহে নেকি! তেওঁলোক ভোকত আতুৰ হৈ থাকে নেকি!

নহয়। এই আয়োজন তাতকৈ বহুত বহল উপলক্ষ্যৰ। আপাতদৃষ্টিত মানুহে ইয়াক প্ৰজনন-সন্তান উৎপাদন-বংশ ৰক্ষা-লগ আদি বহুত কথাৰে বুজাব পাৰে; কিন্তু আচলতে ই দুটা মন ওচৰ চাপি আহি মানৰ সভ্যতাক অধিক সুন্দৰভাৱে সমৃদ্ধ কৰাৰহে পদক্ষেপ।

গীতিকাৰজনো সেই একেই অলিখিত অংগীকাৰৰ আলিংগনত আবদ্ধ। তেওঁৰ কোনো জয় নাই, পৰাজয় নাই; বাধা বা সন্দেহৰ প্ৰাচীৰক তেওঁ হেলাৰঙে অতিক্ৰম কৰি যায়; মৃত্যুমুখী মনক তেওঁ সঞ্জীৱনী সুধা পান কৰোৱায় শব্দাৰ্থৰ অভিধাৰে।

গতিকে গীতিকাৰজনৰ সৃষ্টিৰ জন্মৰ শুভ মুহূৰ্তত প্ৰকৃতি উদগ্ৰীৱ হৈ থাকে। কি বা লিখে! কি বা বুজায়! এবাৰতো নিঃসৰিত হ'লে আৰু উপায় নাই— তাক ঘূৰাই আনিব নোৱাৰি। গতিকে ৰুদ্ধশ্বাসে 'বায়বীয় সমাজ' ৰৈ থাকে— প্ৰাৰ্থনাত নিমগ্ন হৈ। গীত-কবিতা-শিল্প ভূমিষ্ঠ হোৱাৰ লগে লগে কৰুণাময় প্ৰকৃতি উৰুলিকৃত হৈ উঠে— এক প্ৰচণ্ড সম্ভাৱনীয়তাৰ বিস্ফোৰণ শুনিবলৈ। বহুত গীতিকাৰে এই প্ৰাৰ্থনা শুনে; কিন্তু বহুতে নুশুনে।

সেয়ে যদি সমাজ তাৰ পৰা অপকৃত হয়, আমিবোৰ ম্ৰিয়মাণ হৈ পৰো। প্ৰথমে ক্ষন্তেকৰ বাবে বা কিছুদিনৰ বাবে সি মনক আনন্দিত বা আলোড়িত কৰিব পাৰে বা কোনোবা স্থূলৰুচিক আহ্লাদিত কৰিব পাৰে; কিন্তু সময়ৰ তুলাচনীত সি কিমানদিন বা কেনেকৈ টিকি থাকেগৈ সেইটোহে বিচাৰ্য। সকলো সৃষ্টিয়েই যে চিৰন্তন শাশ্বত ৰূপ পৰিগ্ৰহ কৰিবগৈ তাৰ কোনো মানে নাই। বহুত সৃষ্টি নিতান্তই সাধাৰণ হৈয়েই থাকিব পাৰে; কিন্তু ই অন্ততঃ ক্ষতিকাৰক হ'ব নালাগে। কবিতা-শিল্প এনে অপৰাধত অভিযুক্ত হোৱাৰ সম্ভাৱনা কম; কিন্তু গীত মানুহৰ মাজলৈ সুৰ-গায়কী-সংগীতৰ মায়াজালৰ পোছাক পিন্ধি জনপ্ৰিয় হ'বলৈ সদৰ্পে আগবাঢ়ি যায়। গীতিকাৰজনৰ কথাতকৈ বাকী পোছাক-অলংকাৰ-আতৰৰ সুগন্ধিয়ে মানুহৰ মন গহনত বেছিকৈ আলোড়ন তোলে। আভৰণৰ জোৰত সি বৃহৎ সংখ্যক মানুহৰ মাজত সোমাই পৰে। কবিতা মানুহে নিজে পঢ়ি পঢ়ি হৃদয়ংগম কৰিহে তাৰ ৰস আস্বাদন কৰে। পাৰিবও পাৰে বা নোৱাৰিবও পাৰে। সি বেছি মানুহক ধুৱাই নিব নোৱাৰে।

কিন্তু গান একোটা নিমিষতে বহুদূৰ পায়গৈ। কাক কেনেকৈ কোবাই নিয়ে ধৰা টান। সেয়ে শব্দৰ মাজত যদি 'বিহ' সোমাই থাকে তেন্তে সুন্দৰ সুৰৰ মাজত বহি থাকিও নিমাখিত শব্দই সমাজ সংহাৰ কৰি পেলাব পাৰে।

এইটো এটা অত্যন্ত গভীৰ বিষয়। বিভিন্ন ধৰণে এই কথাক পৰ্যালোচনা কৰিব পাৰি; কিন্তু নিৰপেক্ষ বিচাৰত গীতিকাৰজন— সৃষ্টিৰ বিশাল আৰু অভিনৱ উৎসৱ অথলে যোৱাটো মুঠেই বাঞ্ছনীয় নহয়। এই উৎসৱ সাধাৰণ মানুহে দেখা নাপায়— নুশুনে-নুবুজে। এয়া এক অভিনৱ আয়োজন নিঃশব্দে-নীৰৱে-দৃষ্টিৰ অগোচৰত। ইয়াৰ মাদকতা অনন্য।

ফোন ঃ ৯৮৬৪০-৪৪৪৭০

বহিখোৱা গণকআটি প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তী সামৰণি অনুষ্ঠানৰ আয়োজন

অগ্ৰদূত বাৰ্তা

বোকাখাত, ১৪ মাৰ্চ ঃ বোকাখাতৰ সমীপৰ বহিখোৱা গণকআটি প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উদ্‌যাপন সমিতিয়ে জনোৱা মতে অহা এক, দুই আৰু তিনি এপ্ৰিলত অনুষ্ঠিত হ'ব। ১৯৭২ত স্থাপন হোৱা দুই নম্বৰ বহিখোৱা মিচিং গাঁৱৰ বিদ্যালয়খনত বৃক্ষৰোপণ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ, পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, সমূহীয়া চাফাই, সাংস্কৃতিক অনুষ্ঠান, কবি সন্মিলন, পৰম্পৰাগত সাজপাৰ প্ৰদৰ্শন, শোভাযাত্ৰা, মুকলি সভা, স্মৃতিগ্ৰন্থ উন্মোচন, সম্বৰ্ধনা অনুষ্ঠান, বিভিন্ন প্ৰতিযোগিতাৰ বঁটা বিতৰণ আদি অনুষ্ঠিত হ'ব। খগেন পেগুৰ সঞ্চালনাত 'নতুন শিক্ষা নীতিৰ আধাৰত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰ মাধ্যমৰূপে থলুৱা জনগোষ্ঠীয় ভাষাৰ প্ৰাসংগিকতা' শীৰ্ষক আলোচনাচক্ৰত মেলামৰা মহাবিদ্যালয়ৰ অধ্যাপক ড° দুৰ্লভ বৰি, জেডিএছজি মহাবিদ্যালয়ৰ অধ্যাপিকা ড° ৰুবী বৰাই অংশগ্ৰহণ কৰিব। মুকলি সভাত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, কলিয়াবৰ লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ, বোকাখাতৰ মহকুমাধিপতি ডাঃ নেহা যাদব, প্ৰাক্তন বিধায়ক বলোভদ্ৰ তামুলী, জেডিএছজি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়ন্ত গগৈ, মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙীয়া আদিক নিমন্ত্ৰণ জনোৱা হৈছে। সাংস্কৃতিক সন্ধিয়াত শিল্পী জিণ্টি পাংগিং, মিনুতা মিলি, পবা গৌৰৱ, ৰিয়ান ৰাজ আদিয়ে অনুষ্ঠান পৰিৱেশন কৰিব। আকাশ মিলিক সভাপতি, প্ৰভু কুটুমক সম্পাদক হিচাপে লৈ গঠন কৰা উদ্‌যাপন সমিতিয়ে ৰাইজৰ সহযোগিতা কামনা কৰিছে।

যমুনামুখত ব্ৰাউন ছুগাৰসহ ড্ৰাগছ সৰবৰাহকাৰী আৰক্ষীৰ জালত

অগ্ৰদূত বাৰ্তা

যমুনামুখ, ১৪ মাৰ্চ ঃ হোজাইৰ যমুনামুখত যোৱা ১২ মাৰ্চৰ নিশা আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ ড্ৰাগছসহ এজন যুৱকক আটক কৰে। তথ্য অনুসৰি হোজাই জিলা আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থৰ নিৰ্দেশত বিশেষ সূত্ৰৰ পম খেদি যমুনামুখ আৰক্ষীয়ে নিশা বৰঝাৰিমাজ গাঁৱৰ পৰা অভিযান চলাই আহমেদ নামৰ এজন যুৱকক আটক কৰে। ধৃত যুৱকজনৰ পৰা প্ৰায় লক্ষাধিক টকাৰ ব্ৰাউন ছুগাৰ, ড্ৰাগছৰ ২৩০ টা খালী কণ্টেইনাৰ, তিনিটাকৈ ম'বাইল ফোন, এখন এটিএম কাৰ্ড, এখন ড্ৰাগছ জোখা ডিজিটেল পাল্লা আৰু নগদ প্ৰায় ৩১ হেজাৰ টকা উদ্ধাৰ হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰী যুৱকজনক নিশা আৰক্ষীয়ে জেৰা চলোৱৰ অন্তত ভাৰতীয় দণ্ড বিধিৰ অধীনত ২১ (বি) ধাৰাত যমুনামুখ আৰক্ষী থানাৰ ১৯/২০২২ নম্বৰত এটি গোচৰ পঞ্জীয়ন কৰি গ্ৰেপ্তাৰ কৰে। পাছত যুৱকজনক হোজাই শংকৰদেৱ নগৰ আদালতত হাজিৰ কৰাই জেললৈ প্ৰেৰণ কৰে।

ঐতিহ্যমণ্ডিত গোলাঘাট কেন্দ্ৰীয় বিহু সন্মিলনৰ উদ্‌যাপন সমিতি গঠন

বিশেষ সংবাদদাতা

গোলাঘাট ১৪ মাৰ্চ ঃ গোলঘাট ঐতিহ্যমণ্ডিত ৬১ সংখ্যক বৰ্ষত পদাৰ্পণ কৰা গোলাঘাট কেন্দ্ৰীয় বিহু সন্মিলন উদ্‌যাপনৰ সন্দৰ্ভত যোৱা ১২ মাৰ্চত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। গোলাঘাট দল-সংগঠন, অনুষ্ঠান-প্ৰতিনিধি, বিশিষ্ট নাগৰিকৰ উপস্থিতিত অনুষ্ঠিত ৰাজহুৱা সভাত সৰ্বসন্মতিক্ৰমে বিশিষ্ট সমাজকৰ্মী, গোলাঘাট সন্মিলিত বাছ মালিক সন্থাৰ সভাপতি পূৰ্ণ ৰাজখোৱাক সভাপতি, অধ্যাপক, গোলাঘাট প্ৰেছ ক্লাবৰ সভাপতি দেৱজিৎ ফুকনক কাৰ্যকৰী সভাপতি, জ্যেষ্ঠ সাংবাদিক, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া দিগন্ত কুমাৰ ভূঞা আৰু সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰঞ্জন সোণোৱালক যুটীয়া সম্পাদকৰূপে লৈ গোলাঘাট কেন্দ্ৰীয় বিহু সন্মিলনৰ উদ্‌যাপন সমিতি গঠন কৰা হয়। গোলাঘাট জিলা ছাত্ৰ সন্থাৰ কাৰ্যালয় ছহিদ ভৱনত বিগত কাৰ্যকালৰ উদ্‌যাপন সমিতিৰ সভাপতি, বিশিষ্ট সাংবাদিক দ্বীপেন দত্তৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে নিৰঞ্জন সোণোৱালে। সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে উদ্‌যাপন সমিতিৰ বিগত কাৰ্যকালৰ যুটীয়া সম্পাদক পাৰ্থজ্যোতি বৰাই। সভাত অধ্যাপক দেৱজিৎ ফুকন, পূৰ্ণ ৰাজখোৱা, অসম ক্ৰিকেট সন্থাৰ সভাপতি পৰীক্ষিত দত্ত, অৱসৰপ্ৰাপ্ত অভিযন্তা দ্বীজেন বৰা, প্ৰাক্তন ছাত্ৰ সন্থা ৰাজু ফুকন, জ্যেষ্ঠ নাগৰিক প্ৰখ্যাত দুৰৰা আদিয়ে বক্তব্য প্ৰদান কৰি বিভিন্ন পৰামৰ্শ আগবঢ়ায়। সভাত গোলাঘাট কেন্দ্ৰীয় বিহু সন্মিলনৰ একনিষ্ঠ কৰ্মী, তোৰণ সম্ৰাট প্ৰয়াত হিমেন দাসৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে সমবেত ৰাইজে মৌনব্ৰত অৱলম্বন কৰে।

তামুলপুৰত শ্ৰদ্ধাঞ্জলি গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ১৪ মাৰ্চ ঃ তামুলপুৰ জিলা সদৰ ভকতপাৰাৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তথা একালৰ সু-অভিনেতা, অসম নাট্য সন্মিলন, অসম সাহিত্য সভাৰ আজীৱন সদস্য, অসম আন্দোলনৰ সক্ৰিয় কৰ্মী প্ৰয়াত সুৰেশ চন্দ্ৰ পাঠকৰ প্ৰথম মৃত্যু বাৰ্ষিকীৰ দিনটোতে যোৱা ১২ মাৰ্চত পুত্ৰ হেমচন্দ্ৰ পাঠকৰ সম্পাদনাৰে প্ৰকাশ কৰি উলিওৱা 'আজীৱন শিক্ষক, কৰ্মযোগী, অফুৰন্ত হাঁহিৰ সঁফুৰা, সুৰেশ চন্দ্ৰ পাঠক, মন আৰু মানুহজন' শীৰ্ষক এক শ্ৰদ্ধাঞ্জলি গ্ৰন্থ উন্মোচন কৰা হয়। পৰিয়াল-আত্মীয় স্বজন আৰু বহুসংখ্যক গুণমুগ্ধৰ উপস্থিতিত এক মাংগলিক পৰিৱেশত গ্ৰন্থখন উন্মোচন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক, তামুলপুৰ পৌৰসভাৰ অধ্যক্ষ প্ৰফুল্ল চন্দ্ৰ মহন্তই। গ্ৰন্থ উন্মোচন কৰি মহন্তই সুৰেশ পাঠকৰ বাল্যকালৰ কে'বাটাও দিশ শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। শ্যামল দাসে আঁতধৰা শ্ৰদ্ধাৰ্ঘ গ্ৰন্থ উন্মোচনী সভাত অফুৰন্ত হাঁহিৰ ভঁৰাল সুৰেশ চন্দ্ৰ পাঠকৰ শিক্ষকতা কৰা সময়ৰ বহুকেইটা দিশ উল্লেখ কৰি তেওঁৰ আত্মাক বৈকুণ্ঠগামী হোৱাৰ কামনা কৰে শিক্ষক মহেশ বৈশ্যই। সভাত পাঠকৰ ভ্ৰাতৃ দিবাকৰ পাঠক, দেৱেন পাঠক আৰু সমাজকৰ্মী তথা তামুলপুৰ উন্নয়ন খণ্ডৰ গাণনিক অনিল মেধিয়েও প্ৰয়াত পাঠকৰ গুণৰাজি শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। গ্ৰন্থ উন্মোচনৰ পূৰ্বে সুৰেশ পাঠকৰ প্ৰতিকৃতিত পুষ্পাঞ্জলি প্ৰদান কৰি প্ৰফুল্ল চন্দ্ৰ মহন্ত, গুঞ্জলতা পাঠক, দিবাকৰ পাঠক, অনিল মেধি আদিয়ে প্ৰয়াত পাঠকলৈ শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত পৰিয়াল পৰিজনৰ উপৰিও তামুলপুৰ প্ৰেছ ক্লাবৰ সভাপতি দীপক কুমাৰ পাঠক, সম্পাদক গুণজিৎ দাস প্ৰমুখ্যে বহুসংখ্যক স্থানীয় লোক উপস্থিত থাকে।

■ শ্লুইচ গেট নিৰ্মাণক লৈ ৰাইজৰ প্ৰতিক্ৰিয়া ঃ উপায়ুক্তক স্মাৰকপত্ৰ

হোলা-পথাৰত খেতিয়কক ভাতে মৰাৰ চেষ্টা

অগ্ৰদূত বাৰ্তা,

চিনামৰা,১৪ মাৰ্চ ঃ যোৰহাট বিধানসভা সমষ্টিৰ অন্তৰ্গত কুঁৱৰী পুখুৰীৰ কৃষিপ্ৰধান অঞ্চল ক্ৰমে বাঘমৰীয়া, উজনি জামুগুৰি, চেতিয়া গাঁও, বাঘচোং আদিকে বিভিন্ন চুক চুবুৰিৰ বহুহেৰ কৃষিভূমিৰে সামৰা হোলাপথাৰত অসম কৃষি বিশ্ববিদ্যালয়ৰ সমীপত এটা পকী বান্ধসহ শ্লুইছ গেট নিৰ্মাণ কৰি হোলাৰ পানী বন্ধ কৰি ৰাখিব খোজা কাৰ্যত কৃষক ৰাইজে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। তেওঁলোকে অসম কৃষি বিশ্ববিদ্যালয়ৰ দ্বাৰা হোলা পথাৰত খেতিয়কক ভাতে মৰাৰ প্ৰস্তুতি বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি জিলা উপায়ুক্তক স্মাৰক পত্ৰ প্ৰদান কৰে। উল্লেখ্য যে কৃষিপ্ৰধান অঞ্চলটোৰ শালি খেতিৰ হোলা নামৰ মূল পথাৰখনৰ পানী বাৰিষা অসম কৃষি বিশ্ববিদ্যালয়ৰ মাজেদি বৰভেটা পাব্লিক হাইস্কুলৰ কাষেদি বাগৰি গৈ ৰবৈয়া জানত পৰিছে। উক্ত হোলাতেই কৃষি বিশ্ববিদ্যালয়ৰ মাজৰ অংশত বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই হোলাটোৰ পানী ওলাই যাব নোৱাৰাকৈ ওখকৈ পকী বান্ধ নিৰ্মাণ কৰাত বিশেষকৈ উজনি জামুগুৰি আৰু চেতিয়া গাঁৱৰ কৃষক ৰাইজৰ শালি খেতি নষ্ট হোৱাৰ আশংকাত ভুগিছে। তদুপৰি হোলাটোত বান্ধ মাৰিলে বাৰিষা কৃত্ৰিম বানৰ সৃষ্টি হৈ গ্ৰাম্য পথসমূহ বুৰাই যাতায়াতৰ ব্যাঘাত সৃষ্টি কৰিব বুলি ৰাইজে অভিযোগ কৰিছে। এই সন্দৰ্ভত উজনি জামুগুৰি আৰু চেতিয়া গাঁৱৰ কৃষক ৰাইজে যোৱা সাত মাৰ্চত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক ৰাজহুৱা আভিযোগ পত্ৰ দাখিল কৰে। অভিযোগ পত্ৰ গ্ৰহণ কৰি উপাচাৰ্যই বিষটো গুৰুত্ব সহকাৰে গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰে। কিন্তু পাছতে উপাচাৰ্যই এই কাম বন্ধ কৰাৰ বিপৰীতে পকী বান্ধত এখন শ্লুইছ গেট নিৰ্মাণ কৰাতহে গুৰুত্ব দিয়া বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। পথাৰৰ খেতিয়কসকলৰ মতে বান্ধেই হওক বা শ্লুইছ গেটেই হওক ইয়াৰ পৰা কৃষকৰ সমস্যা সমাধান নহয়। বাৰিষা শালিখেতিৰ বতৰত বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ অনুমতি লৈহে হোলাত শালি খেতি কৰিব লাগিব আৰু তেওঁলোক শ'লঠেকত পৰিব বুলি আশংকা প্ৰকাশ কৰিছে। উল্লেখ্য যে যুগ যুগ ধৰি বৃহত্তৰ অঞ্চলৰ কৃষকে উক্ত হোলা মাটিতে কৃষিকৰ্ম কৰি পৰিয়াল ভৰণ-পোষণ দি আহিছে। কিন্তু শেহতীয়াকৈ বিশ্ববিদ্যালয়ৰ দ্বাৰা উদ্ভৱ পৰিস্থিতিত নিজা কৃষি ভূমিত খেতি কৰাৰ সময়ত বিশ্ববিদ্যালয়ৰ অনুমতি লোৱাৰ তেওঁলোক মুঠেও পক্ষপাতী নহয় বুলি স্পষ্ট কৰি দিছে খেতিয়কসকলে। আধুনিক প্ৰযুক্তিৰ কৃষি শিক্ষাৰে মানৱ সম্পদ গঢ় দিয়া অনুষ্ঠানেই কৃষকৰ স্বাধীনতা খৰ্ব কৰি প্ৰাকৃতিকভাৱে বৈ যোৱা হোলাৰ পানী বন্ধ কৰা প্ৰকল্পৰ কাৰ্য স্থগিত ৰাখিবৰ বাবে যোৱা ১৫ ফেব্ৰুৱাৰীত ৰাইজে জিলা উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰো।

ছয়গাঁৱৰ চিকমিক ক্লাবৰ নতুন সমিতি গঠন

ছয়গাঁও, ১৪ মাৰ্চ ঃ ছয়গাঁৱৰ অগ্ৰণী সামাজিক সাংস্কৃতিক অনুষ্ঠান চিকমিক ক্লাবৰ এখন সাধাৰণ সভা যোৱা ১৩ মাৰ্চত অনুষ্ঠিত হয়। ছয়গাঁও চৰকাৰী মজলীয়া বিদ্যালয় প্ৰাংগণত মুকুল দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত ক্লাবটোৰ ভৱিষ্যৎ কাৰ্যপন্থা সম্পৰ্কে আলোচনা কৰি বিভিন্ন সামাজিক আৰু সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ১৯৯৬ তে জন্মলাভ কৰা এই ক্লাবটোৰ আগন্তুক কাৰ্যকালৰ বাবে মুকুল দাসক সভাপতি আৰু ৰঞ্জন কলিতাক সম্পাদকৰূপে লৈ ৪০ জনীয়া নতুন সমিতিখনো গঠন কৰা হয়।

শ্বাহ চুফী আদিল চাহ আউলীয়া শ্বৰীফত উৰুছ মোবাৰক সম্পন্ন

অগ্ৰদূত বাৰ্তা

দুমুনিচকী, ১৪ মাৰ্চ ঃ কামৰূপ জিলাৰ পাত্ৰপুৰস্থিত শ্বাহ চুফী হজৰত আদিল চাহ আউলীয়াৰ মাজাৰ শ্বৰীফ প্ৰাংগণত দেওবাৰে দিবা-নৈশ কাৰ্যসূচীৰে উৰুছ মোবাৰক সম্পন্ন কৰা হয় ।প্ৰতিবছৰৰ দৰে এইবেলিও ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হিন্দু-মুছলিম ধৰ্মাৱলম্বী অসংখ্য ভক্তৰ সমাগম হয় উৰুছ প্ৰাংগণত। উৰুছৰ কাৰ্যসূচী অনুসৰি পুৱা কোৰান শ্বৰিফ পাঠ, সমূহীয়া জিয়াৰাত, আবেলি অনুষ্ঠিত মুকলি সভাত কে'বাজনো গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে। নিশা আমন্ত্ৰিত শিল্পীৰ দ্বাৰা বাউল পৰিৱেশন কৰা হয় এই উৰুছ মোবাৰক) মাজাৰ । নিয়াজ বিতৰণৰ পাছতে বিশ্ব শান্তিৰ বাবে আখেৰি দোৱাৰে উৰুছ মোবাৰকৰ কাৰ্যসূচীৰ নিশা সামৰণি পৰে ।

অসম আৰক্ষীৰ ডাটা সম্বলিত এপ মুকলি

দেৰগাঁও, ১৪ মাৰ্চ ঃ যোৱা ১৩ মাৰ্চৰ দিনটো অসম আৰক্ষীৰ বাবে চিহ্নিত হৈ ৰ'ব এক গুৰুত্বপূৰ্ণ দিন হিচাপে। দেৰগাঁৱৰ আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়ৰ সভাকক্ষত আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই উন্মোচন কৰে এটা এপ। এই এপটোত সন্নিৱিষ্ট থাকিব অসম আৰক্ষীত কৰ্মৰত প্ৰতিজন কৰ্মচাৰীৰ প্ৰতিটো তথ্য। 'পিআইএমএছ' নামৰ এই এপটো প্ৰতিজন আৰক্ষীৰ কৰ্মচাৰী তথা জোৱানে প্লে' ষ্ট'ৰৰ পৰা ডাউনলোড কৰি নিজৰ ম'বাইলৰ পৰাই সবিশেষ জানিব পাৰিব। নিজপ ছুটীৰ বাবেও সকলো ম'বাইলতে কৰিব পাৰিব।

গোসাঁইগাঁও পৌৰসভাৰ সোণালী জয়ন্তী পালন সম্পৰ্কত সভা

অগ্ৰদূত বাৰ্তা

গোসাঁইগাঁও, ১৪ মাৰ্চ ঃ গোসাঁইগাঁও নগৰ সমিতি এইবেলি ৫০ বছৰত পদাৰ্পণ কৰিলে। ১৯৭২ৰ ২০ মাৰ্চত গঠন হোৱা গোসাঁইগাঁও নগৰ সমিতিয়ে সম্প্ৰতি সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়াত এই সোণালী জয়ন্তীবৰ্ষ উদ্‌যাপন সম্পৰ্কে আলোচনাৰ্থে যোৱা ১২ মাৰ্চত এখন সভা অনুষ্ঠিত হয়। গোসাঁইগাঁও নগৰ সমিতিৰ আমন্ত্ৰণ ক্ৰমে কাৰ্যালয়ৰ সভাকক্ষত পৌৰপতি প্ৰফুল্ল ঈশ্লৰীৰ পৌৰোহিত্যত আয়োজিত সভাত নগৰখনৰ বিভিন্ন প্ৰান্তৰ কে'বাগৰাকী জ্যেষ্ঠ নাগৰিক উপস্থিত থাকে। সভাত স্থানীয় বিধায়ক জিৰণ বসুমতাৰীয়ে গোসাঁইগাঁও পৌৰসভাই ৫০ বছৰ অতিক্ৰম কৰাত শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে সোণালী জয়ন্তী উদ্‌যাপনৰ ক্ষেত্ৰত নগৰ সমিতিয়ে পদক্ষেপ গ্ৰহণ কৰা কাৰ্যত সন্তোষ প্ৰকাশ কৰাৰ বাবে আদৰণি জনায়। তেওঁ জনসাধাৰণৰ স'তে সমিলমিলেৰে লগ লাগি সোণালী জয়ন্তী উদ্‌যাপনৰ হকে কাৰ্যসূচী লোৱাৰ সপক্ষে বিভিন্ন দিহা-পৰামৰ্শ প্ৰদান কৰে। গোসাঁইগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ পদ্মশ্ৰী ড° কামেশ্বৰ ব্ৰহ্মই গোসাঁইগাঁও পৌৰসভাৰ জন্ম লগ্নৰ কথা সোঁৱৰণ কৰাৰ লগতে পৌৰসভাখনৰ প্ৰথমাৰ্ধৰ প্ৰয়াত পৌৰপতিসকল ক্ৰমে যোগেন্দ্ৰ লাল চৌধুৰী, মহাবীৰ প্ৰসাদ আগৰৱালাৰ লগতে দেবেন্দ্ৰ দেৱ বসুমতাৰী, মনীন্দ্ৰ সাহা আদি ব্যক্তিসকলৰ লগতে পৰৱৰ্তী সময়ত প্ৰয়াত ৰাজেন্দ্ৰ নাথ নাৰ্জাৰী আৰু অন্যান্যসকলৰ সান্নিধ্যৰ কথা সোঁৱৰণ কৰে। তেওঁ নগৰখনৰ বিভিন্ন সমস্যাৰ ওপৰত আলোকপাত কৰাৰ লগতে সেইসমূহৰ নিৰাময়ৰ ওপৰতো যুক্তিসংগত পৰামৰ্শ আগবঢ়ায়। সভাত প্ৰাক্তন বিধায়ক তথা ক্ৰীড়া সংগঠক হেমেন্দ্ৰ নাথ ব্ৰহ্ম, প্ৰাক্তন পৌৰপতি ধ্ৰুৱ কুমাৰ ব্ৰহ্ম নাৰ্জাৰী, সমাজসেৱক খনীন্দ্ৰ নাথ দাস আদি ব্যক্তিসকলে গোসাঁইগাঁও পৌৰসভাই সোণালী জয়ন্তী পালন কৰিবলৈ ওলোৱা কাৰ্যক একে মুখে আদৰণি জনায়।

হাইস্কুল, হাইমাদ্ৰাছা, উচ্চতৰ মাধ্যমিকত অৱতীৰ্ণ শিক্ষাৰ্থীক শুভেচ্ছা

অগ্ৰদূত বাৰ্তা

বাহাৰঘাট, ১৪ মাৰ্চ ঃ সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত বাহাৰঘাট আঞ্চলিক ছাত্ৰ সন্থাই আগন্তুক হাইস্কুল শিক্ষান্ত, হাইমাদ্ৰাছা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ বৃহত্তৰ বাহাৰঘাট অঞ্চলৰ সাতখন বিদ্যালয়ৰ প্ৰায় তিনি শতাধিক পৰীক্ষাৰ্থীৰ ঘৰে ঘৰে গৈ শুভেচ্ছা জ্ঞাপন কাৰ্যসূচী গ্ৰহণ কৰিছে। আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা তথা সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক বিকি শৰ্মাই সদৰী কৰা মতে যোৱা ১২ মাৰ্চত সন্ধিয়া পৰা আৰম্ভ কৰি আজিলৈ প্ৰতিখন গাঁৱৰ প্ৰতিগৰাকী শিক্ষাৰ্থীৰ গৃহত আছুৰ প্ৰতিনিধি দলে খবৰ লয়। প: ব: অম্বাপ্ৰিয়া ছোৱালী হাইস্কুল, শংকৰদেৱ বিদ্যা নিকেতন বাহাৰঘাট, সিদ্ধি শৰ্মা হাইস্কুল, প: ব: ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ ঘৰত গৈ কলমেৰে শুভেচ্ছা জ্ঞাপন কৰে। পৰীক্ষাত অৱতীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ কাষত থিয় হৈ খবৰ লোৱা আছুৰ এনেকুৱা পদক্ষেপে প্ৰতিগৰাকী অভিভাৱকৰ লগতে ৰাইজৰ মৰম বুটলিব সক্ষম হৈছে।আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি আকাশ বৰুৱা, সাধাৰণ সম্পাদক মইনুল হক, উপদেষ্টাদ্বয় ঋত্বিক আলী, জেহৰুল ইছলাম, শিক্ষা সম্পাদক জাহিৰ হুছেইন, সহকাৰী সাধাৰণ সম্পাদক মইদুল হক, প্ৰচাৰ সম্পাদক বিজু কলিতাই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

ঘগ্ৰাপাৰত কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন

■ স্মৃতিগ্ৰন্থ বৰদৈচিলাৰ বাবে লেখা আহ্বান

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ১৪ মাৰ্চ ঃ এইবেলি নলবাৰী জিলাৰ ঘগ্ৰাপাৰত ৩৭ সংখ্যক কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনখন দুদিনীয়াকৈ উদ্‌যাপনৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। অহা ১৯ আৰু ২০ এপ্ৰিলত অনুষ্ঠিতব্য বিহুৰ লগত সংগতি ৰাখি ঘগ্ৰাপাৰ অঞ্চলৰ আৰ্থ-সামাজিক, সাহিত্য-সংস্কৃতিৰ প্ৰতিচ্ছবি প্ৰতিফলিত কৰাৰ লক্ষ্যৰে এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ যো-জা চলোৱা হৈছে। তপন কুমাৰ দাসৰ সম্পাদনাত 'বৰদৈচিলা' নামৰ প্ৰকাশ হ'ব লগা স্মৃতিগ্ৰন্থখনৰ সৌষ্ঠৱ আৰু কলেৱৰ বৃদ্ধিৰ বাবে তত্ত্বগধুৰ বিশ্লেষণাত্মক প্ৰৱন্ধ, গল্প, কবিতা আদি লেখা সাহিত্যানুৰাগী ৰাইজৰ পৰা বাবে বিচৰা হৈছে। লেখাসমূহ অহা ১০ দিনৰ ভিতৰত তপন কুমাৰ দাস, সম্পাদক স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি, ঘগ্ৰাপাৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন, ডাকঘৰ- ঘগ্ৰাপাৰ, জিলা-নলবাৰী, পিন - ৭৮১৩৬৯ নতুবা ৯৯৫৪০-৯৪৩৯০ ফোন নম্বৰত হোৱাটছএপ যোগে পঠাবলৈ সম্পাদনা সমিতিয়ে আহ্বান জনাইছে।

যুগৰ স'তে চলিব পৰাকৈ শিক্ষা ব্যৱস্থা আগবঢ়াই নিব লাগিব

■ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ বিদায় সভা

অগ্ৰদূত বাৰ্তা

দেওমৰনৈ, ১৪ মাৰ্চ ঃ 'স্মাৰ্ট পৃথিৱীৰ যুগত ছাত্ৰ-ছাত্ৰীসকলক জীৱনৰ বাবে প্ৰস্তুত কৰাৰ আখৰা শ্ৰেণীকোঠাত হয়। শিক্ষকসকলো ইয়াৰ বাবে সাজু হ'ব লাগে।' এই মন্তব্য হোজাই মৰিয়ম মহাবিদ্যালয়ৰ অধ্যাপক তথা ৰাষ্ট্ৰীয় শিক্ষক ৰত্ন বঁটা প্ৰাপক ৰাজীৱ হুছেইনৰ। দৰং জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান লেংগেৰীয়াঝাৰ কৃষক হাইস্কুলৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক হবিবুৰ ৰহমানৰ ৰাজহুৱা বিদায় সম্বৰ্ধনা সভাত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি হুছেইনে কয় যে বৰ্তমান যুগৰ লগত চলিব পৰাকৈ শিক্ষা ব্যৱস্থা আগবঢ়াই নিব লাগিব। পিতৃ-মাতৃক সন্মান কৰিব পৰা, কাৰো লগত বিশ্বাসঘাতক নকৰা, উচ্চ পদবীত থাকি ৰাজহুৱা ধন আত্মসাৎ নকৰা, সমাজৰ হকে সেৱাৰ মনোভাৱ থকা ছাত্ৰ-ছাত্ৰীহে আমাক লাগে বুলি তেওঁ উল্লেখ কৰি কয়, 'কিতাপ পঢ়া মানুহ ধুনীয়া হয়, সেয়েহে কিতাপ পঢ়িব লাগে।'

উল্লেখ্য যে বিদ্যালয়খন আপ্ৰাদেশিকীকৃত অৱস্থাতে যোৱা ১৯৮৩ৰ দুই নৱেম্বৰত বিজ্ঞান শিক্ষকৰূপে শিক্ষকতা আৰম্ভ কৰি হবিবুৰ ৰহমানে বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক (একাডেমিক) পদৰ পৰা চৰকাৰী নিয়ম অনুসৰি যোৱা ৩১ জানুৱাৰীত অৱসৰ গ্ৰহণ কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি চক্ৰধৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাখন উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত কৃতী বিজ্ঞান শিক্ষক হৰনাথ ডেকাই। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা অভিনন্দন গ্ৰন্থখনখন মুকলি কৰি দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক সংৰাম ডেকাই শিক্ষকসকলক নিজে অধিক অধ্যয়নপুষ্ট হ'বলৈ আহ্বান জনায়। তেওঁ শিক্ষা ব্যৱস্থা ফলপ্ৰসূ কৰি তুলিবলৈ শিক্ষকে চাকৰি কৰা মনোবৃত্তিৰ বিপৰীতে শিক্ষকতাৰ মনোভাৱ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। সভাখনত ডাঁহী গাঁত পঞ্চায়তৰ সভাপতি অনিমা ডেকা, বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিপিন চন্দ্ৰ বৰুৱা, দেওমৰনৈ বৰ্ধিত মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক নিকুঞ্জ কাশ্যপ, দীঘিৰপাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পৰেশ ডেকা, কমলা কুঁৱৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰবীন্দ্ৰ বৰুৱা, কৈকৰা আৰু লোজোৱা গাঁৱৰ গাঁও প্ৰধান ক্ৰমে বিচিত্ৰ কুমাৰ বৰুৱা আৰু হৰিচন্দ্ৰ বৰুৱা, অৱসৰপ্ৰাপ্ত শিক্ষক ধীৰেশ্বৰ বৰুৱা আদি উপস্থিত থাকে। সভাখনৰ আঁত ধৰে সহকাৰী শিক্ষক ভাস্কৰ শৰ্মাই।

ডিগবৈ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বিহু নাচৰ কৰ্মশালা

ডিগবৈ, ১৪ মাৰ্চ ঃ সদৌ অসম ছাত্ৰ সন্থা ডিগবৈ আঞ্চলিক সমিতিৰ উদ্যোগত আৰু সমূহ ডিগবৈবাসী ৰাইজৰ সহযোগত ডিগবৈ পৰাগধৰ চলিহা প্ৰেক্ষাগৃহত এলানি বিহুনাচ কৰ্মশালা অনুষ্ঠিত কৰাৰ দিহা কৰিছে। অহা দুইৰ পৰা ১১ এপ্ৰিললৈ অনুষ্ঠিত হ'ব লগা বিহুনাচ কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰিব ২০১৬ৰ লতাশিল বিহু কুঁৱৰী, ২০১৭ৰ লতাশিল বিহুৰাণী, ২০১৯ৰ চান্দমাৰি অসম বিহুৱতীৰ খিতাপ দখল কৰিবলৈ সক্ষম হোৱা শিৱসাগৰৰ ৰাজশ্ৰী নাথে। বিহুনাচ কৰ্মশালাৰ বাবে উদ্যোক্তা সমিতিয়ে নামভৰ্তিৰ প্ৰ-পত্ৰ প্ৰদানৰ দিহা ইতিমধ্যে আৰম্ভ কৰিছে। কৰ্মশালাত অংশগ্ৰহণ কৰিবলৈ আগ্ৰহী ইচ্ছুক প্ৰতিযোগীয়ে ৮১৩৫০৬০৩১২, ৬০০০১৯৫৯২৯, ৬৯০১০৫১৭৭২ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তা সমিতিয়ে আহ্বান জনাইছে।

এছএছবিৰ শিক্ষামূলক ভ্ৰমণৰ সামৰণি

অগ্ৰদূত বাৰ্তা

জালাহ, ১৪ মাৰ্চ ঃ সীমান্তত বসবাস কৰা জনসাধাৰণৰ দক্ষতাৰ বিকাশ, মানৱ সম্পদৰ উন্নয়ন আৰু ভাৰত চৰকাৰৰ বিভিন্ন আঁচনিৰে জনতাৰ উন্নয়নৰ লক্ষ্যৰে 'আজাদী কা অমৃত মহোৎসৱ'ৰ অধীনত এছএছবিৰ ২৭ বেটেলিয়নৰ লক্ষ্মীবজাৰ শিবিৰে ছাত্ৰ-ছাত্ৰীৰ এক শিক্ষামূলক ভ্ৰমণ যোৱা আঠ মাৰ্চৰ পৰা আৰম্ভ কৰে। বাগ্‌সা জিলাৰ আৰ্থিকভাৱে দুৰ্বল বিভিন্ন বিদ্যালয়ৰ ১৮ গৰাকী শিক্ষাৰ্থীক এছএছবিয়ে এই শিক্ষামূলক ভ্ৰমণৰ বাবে নিৰ্বাচিত কৰে। ইয়াৰে ১৫ গৰাকী আছিল ছাত্ৰী। শিক্ষাৰ্থীসকলক প্ৰথমে গুৱাগাছালৈ লৈ গৈ এছএছবিৰ উদ্যোগত আয়োজিত বিশ্বনাৰী দিৱসৰ কাৰ্যসূচীত যোগদান কৰায়। ইয়াৰ পৰা কমাণ্ডেণ্ট অভিষেক আনন্দৰ নেতৃত্বত যোৱা ন মাৰ্চত শিক্ষাৰ্থীসকলক ব্ৰহ্মপুত্ৰত নৌকাবিহাৰ কৰায়। শিক্ষাৰ্থীসকলে নৌকাবিহাৰ কৰিবলৈ পাই আনন্দত উৎফুল্লিত হৈ পৰে। লগতে যোৱা ১২ মাৰ্চত এছএছবিয়ে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ স'তে সাক্ষাতৰ ব্যৱস্থা কৰে। বিধানসভাৰ অধ্যক্ষই শিক্ষাৰ্থীৰ দলটোক উৎসাহিত কৰে আৰু উচ্চ আকাংক্ষাৰ ডেউকা ওপৰলৈ মেলি দিবলৈ আহ্বান জনায়। ভ্ৰমণ কালত এছএছবিয়ে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তৰ স'তে সাক্ষাতৰ ব্যৱস্থা কৰে। ইয়াৰ পাছতে শিক্ষাৰ্থীসকলক তাৰকাগৃহ প্ৰদৰ্শন কৰায়। শিক্ষাৰ্থীসকলক পশু চিকিৎসা মহাবিদ্যালয়লৈ নি হস্তী মানৱৰূপে খ্যাত পদ্মশ্ৰী ড° কে কে শৰ্মাৰ স'তে সাক্ষাৎ কৰায়। শেষত এছএছবিৰ ফ্ৰণ্টিয়াৰ হেডকোৱাৰ্টাৰলৈ শিক্ষাৰ্থীসকলক লৈ গৈ মহা পৰিদৰ্শক এছ এইছ সঞ্জীৱ শৰ্মাৰ স'তে সাক্ষাতৰ ব্যৱস্থা কৰায়। এই ভ্ৰমণ শিক্ষাৰ্থীসকলৰ বাবে অবিস্মৰণীয় অভিজ্ঞতা হৈ ৰ'ব বুলি এছএছবিৰ ২৭ বেটেলিয়নৰ লক্ষ্মীবজাৰ কেম্পৰ বিষয়াজনে জনাইছে।

ৰুচেংৰী সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত আমগুৰিত ১০দিনীয়া বিহু কৰ্মশালা

অগ্ৰদূত বাৰ্তা

আমগুৰি, ১৪ মাৰ্চ ঃ আমগুৰি অঞ্চলৰ অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান ৰুচেংৰী সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত, বিহু কৃষ্টি পৰিষদ অসমৰ শিৱসাগৰ জিলা সমিতি তথা আমগুৰিবাসীৰ সহযোগত আমগুৰিৰ দুৰ্গাবাৰী প্ৰাংগণত অহা ১৬ মাৰ্চৰ পৰা ১০দিনীয়াকৈ এক বিহু কৰ্মশালাৰ আয়োজন কৰা হৈছে। কৰ্মশালাত অসমৰ কে'বাগৰাকী জনপ্ৰিয় বিহুৱা-বিহুৱতীয়ে সমল ব্যক্তি হিচাপে বিহুনাচ আৰু ঢোলবাদন বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰিব। বিয়লি ২-৩০ বজাৰ পৰা আৰম্ভ হ'বলগীয়া কৰ্মশালাখনত অংশগ্ৰহণ মাচুল তিনিশ টকা ধাৰ্য কৰা হৈছে। ইচ্ছুক প্ৰশিক্ষাৰ্থীসকলে নামভৰ্তিৰ বাবে নৱদ্বীপ হাজৰিকা, সম্পাদক ৰুচেংৰী সাংস্কৃতিক গোষ্ঠী, ফোন নম্বৰ ৭০০২২-৩৮৪৫৫ত যোগাযোগ কৰিব পাৰিব। কৰ্মশালাৰ সফল ৰূপায়ণৰ বাবে সমূহ বিহুপ্ৰেমী ৰাইজৰ সহায়-সহযোগিতা উদ্যোক্তা সমিতিয়ে বিশেষভাৱে কামনা কৰিছে।

নলবাৰীৰ নামকোনা সত্ৰত তিনিদিনীয়াকৈ শ্ৰীকৃষ্ণৰ দৌল উৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

নলবাৰী, ১৪ মাৰ্চ ঃ নলবাৰী জিলাৰ এলেংগী দলৰ নামকোনা সত্ৰৰ শ্যামৰায় মন্দিৰ প্ৰাংগণত অহা ১৭-১৯ মাৰ্চলৈ শ্ৰীকৃষ্ণৰ দৌল উৎসৱৰ আয়োজন কৰা হৈছে। ইতিমধ্যে প্ৰতুল হালৈক সভাপতি, সতীশ ৰাজবংশীক সাধাৰণ সম্পাদকৰূপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হয়। কাৰ্যসূচী মতে ১৭ মাৰ্চৰ পুৱা শ্যামৰায় মন্দিৰ সমিতিৰ পতাকা উত্তোলন কৰিব উপদেষ্টা নবীন হালৈয়ে। ইয়াৰ পাছত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব মৌজাদাৰ জ্যোৎস্নাৰাণী দেৱী চৌধুৰীয়ে। ইয়াৰ পাছতে দৌল পূজাৰ অধিবাস। নিশা নাগাৰা নাম পৰিৱেশন কৰিব লোকশিল্পী কমলকৃষ্ণ কাকতিয়ে। ১৮ মাৰ্চত দৌল পূজা, আয়তীৰ নাম, মহাশান্তি প্ৰদান। সন্ধিয়া লোকশিল্পী নিশামণি হালৈ আৰু হিমাক্ষী ডেকাই নাগাৰা নাম পৰিৱেশন কৰিব। ১৯ মাৰ্চত খেল-ধেমালি প্ৰতিযোগিতা, শ্ৰীকৃষ্ণৰ হোলী উৎসৱ, আয়তীৰ নাম। আবেলি গোপালথান যজ্ঞভূমি উন্নয়ন সমিতিৰ সাধাৰণ সম্পাদক প্ৰশান্ত কুমাৰ চৌধুৰী আঁত ধৰিব লগা সম্বৰ্ধনা অনুষ্ঠানত কে'বাগৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱা হ'ব। সন্ধিয়া লোকশিল্পী বলোৰাম ডেকা আৰু চণ্ডি পাটোৱাৰীয়ে নাগাৰা নাম পৰিৱেশন কৰিব। উল্লেখ্য যে ২০ মাৰ্চত শ্যামৰায় গোসাঁই সুঁৱৰি উৎসৱেৰে অনুষ্ঠানৰ সামৰণি পৰিব।

টীয়কৰ এফআৰইউত ৰাষ্ট্ৰীয় পৰ্যায়ৰ মূল্যায়নকাৰী দল

অগ্ৰদূত বাৰ্তা

জাঁজী, ১৪ মাৰ্চ ঃ যোৰহাট জিলা টীয়ক এফআৰইউত আজি ভাৰত চৰকাৰৰ স্বাস্থ্য বিভাগৰ এটি দল চিকিৎসালয়খনত উপস্থিত হৈ প্ৰসূতিসকলে লাভ কৰিবলগীয়া সা-সুবিধা সন্দৰ্ভত বুজ লয়। দলটোৰ লক্ষ্য চৰকাৰে প্ৰৱৰ্তন কৰা প্ৰকল্পৰ অধীনত মূলতঃ প্ৰসূতিসকলে চিকিৎসালয়খনত কি কি সা-সুবিধা লাভ কৰিছে সেই সম্পৰ্কে চোৱা-চিতা কৰি মূল্যায়নৰ ব্যৱস্থা কৰিব। উল্লেখ্য যে এই মূল্যায়ন প্ৰক্ৰিয়াৰ প্ৰথম পৰ্যায়ত নগাঁৱত জিলাৰ ভোগেশ্বৰী অসামৰিক চিকিৎসালয়, তিনিচুকীয়াৰ অসামৰিক চিকিৎসালয় আৰু যোৰহাট জিলাৰ টীয়ক এফআৰইউ মূল্যায়নৰ বাবে নিৰ্বাচিত হৈছে। মূল্যায়ণৰ দলটোত আছে ডাঃ ভি এন ব্যাস আৰু ডা: সুনিতা পালিৱান। ইপিনে, দলটোৰ মূল্যায়নৰ পাছত অভাৰৰ সীমা নাইকিয়া টীয়কৰ একমাত্ৰ চিকিৎসালয়খনে সা-সুবিধা লাভ কৰাৰ আশা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। টীয়ক এফআৰইউৰ ভাৰপ্ৰাপ্ত উপ-অধীক্ষক ডাঃ দুলুমণি কলিতাৰ নেতৃত্বত ইতিমধ্যে সজাই-পৰাই আটকধুনীয়া কৰি তুলিছে চিকিৎসালয়খনৰ চৌহদ।

খুমটাইৰ শেনচোৱাৰ ৰাজহুৱা নামঘৰত চুৰি

খুমটাই, ১৪ মাৰ্চ ঃ গোলাঘাট জিলাৰ ঢেকিয়াল আৰক্ষী চকীৰ অন্তৰ্গত দুই নম্বৰ শেনচোৱাৰ ৰাজহুৱা নামঘৰত যোৱা নিশা এক চুৰিকাণ্ড ঘটনা সংঘটিত হয়। উল্লেখ্য যে বুৰঞ্জী প্ৰসিদ্ধ ধোদৰ আলিৰ কাষত থকা দুই নম্বৰ শেনচোৱাৰ ৰাজহুৱা নামঘৰত নিশা চোৰে নামঘৰৰ খিৰিকীৰ ৰড কাটি দানপাত্ৰৰ ধন নিয়াৰ উপৰি নামঘৰৰ মূল সিংহাসন লণ্ডভণ্ড কৰাৰ লগতে মূল্যবান সা-সামগ্ৰী লৈ যায়। পুৱা স্থানীয় লোকে নামঘৰৰ খিৰিকী খোলা দেখি চুৰিকাণ্ড সংঘটিত হোৱা কথা জানিব পাৰি আৰক্ষীক খবৰ দিয়ে। চিন্তনীয় বিষয় যে বৃহত্তৰ খুমটাই অঞ্চলৰ লগতে চিনাতলি অঞ্চলতে চোৰে ১০ টাতকৈ অধিক নামঘৰ মন্দিৰত চুৰিকাণ্ড সংঘটিত কৰিছে যদিও কুম্ভকৰ্ণ নিদ্ৰাত আছে গোলাঘাট জিলাৰ আৰক্ষী প্ৰশাসন। ইফালে, বৃহত্তৰ অঞ্চলটোত গাঁওৰক্ষী বাহিনীসমূহে নিশা পহৰাৰ ব্যৱস্থা কৰিছে যদিও একাংশ গাঁওৰক্ষী বাহিনীৰ ভূমিকাত চিন্তিত হৈ পৰিছে সৰ্বসাধাৰণ ৰাইজ।

উন্নতি সভাৰ সাধাৰণ সম্পাদকৰ মৃত্যু

অগ্ৰদূতবাৰ্তা

নদুৱাৰ, ১৪ মাৰ্চ ঃ জামুগুৰিহাটৰ পূব জামুগুৰি হাইস্কুলৰ সহকাৰী শিক্ষক, অসম উন্নতি সভাৰ জামুগুৰি আঞ্চলিকৰ সাধাৰণ সম্পাদক নৱ শৰ্মা (৪৮)ৰ আজি হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। ১৯৭৩ত জন্মগ্ৰহণ কৰা শৰ্মাই শিক্ষকতাৰ সামন্তৰালকৈ উন্নতি সভাৰ জামুগুৰি আঞ্চলিকৰ সম্পাদকৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠানৰ উপৰি আধ্যাত্মিক অনুষ্ঠানৰ স'তে জড়িত আছিল। তেওঁ মৃত্যুৰ বাতৰি বিয়লি পৰাৰ পাছতে ভাগৰতীচুকস্থিত তেওঁৰ বাসগৃহত জামুগুৰি ছাত্ৰ সন্থা, উন্নতি সভাৰ জামুগুৰি আঞ্চলিক সমিতি, জামুগুৰি সাহিত্য সভা, বিজেপিৰ নদুৱাৰ মণ্ডল, পূব জামুগুৰি হাইস্কুলৰ লগতে ২০ টাৰো অধিক অনুষ্ঠান- প্ৰতিষ্ঠানৰ বিষয়ববিয়া উপস্থিত হৈ পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুগৰাকী কন্যাক ইহসংসাৰত এৰি থৈ যায়।

ধনশিৰি মহকুমাৰ চুকীয়াপথাৰত সাধনী দিৱসৰ আয়োজন

সৰুপথাৰ, ১৪ মাৰ্চ ঃ বুৰঞ্জীৰ বুকুত স্বৰ্ণলিপিৰে খোদিত হৈ থকা অসমীয়া বীৰাংগনাৰ এটি অন্যতম নাম সতীসাধনী। চুতীয়া জাতিৰ মহীয়সী ৰাণী সতীসাধনীৰ মৃত্যু তিথি সাত ব'হাগৰ দিনটোত সমগ্ৰ ৰাজ্যতে সাধনী দিৱসৰূপে পালন কৰা হয়। দেশপ্ৰেম, আত্মবলিদান, মৃত্যুঞ্জয়ী আদৰ্শ আৰু বীৰত্বৰে মহীয়ান বীৰাংগনা নাৰী সতী সাধনীক স্মৰণ কৰাৰ মানসেৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ধনশিৰি মহকুমাতো ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাই অহা সাত ব'হাগত চুকীয়া পথাৰ গাঁৱত সাধনী দিৱস অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি চলাইছে। সৰুপথাৰ অঞ্চলৰ চুকীয়া পথাৰ আৰু গন্ধকৈ গাঁৱৰ ৰাইজৰ সহযোগত ছহিদ কুশল কোঁৱৰ হাইস্কুল খেলপথাৰত এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হ'ব এই সাধনী দিৱস। সাধনী দিৱস সুকলমে অনুষ্ঠিত কৰিবলৈ ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ চুতীয়াৰ সভাপতিত্বত ছহিদ কুশল কোঁৱৰ হাইস্কুলৰ

১৩ *পৃষ্ঠাত চাওক*

শিমলুগুৰিত অসম কুডু সন্থাৰ ৰাষ্ট্ৰীয় পৰ্যায়ত বঁটা প্ৰাপক খেলুৱৈক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

শিমলুগুৰি, ১৪ মাৰ্চ ঃ আজি শিমলুগুৰি ছহিদ ভৱনত অসম কুডু সন্থাৰ এখন সংবাদমেল প্ৰচাৰ সম্পাদক ভাস্কৰজ্যোতি মহন্তই যোৱা ১৪ ফেব্ৰুৱাৰীৰ পৰা ১৯ ফেব্ৰুৱাৰীলৈকে ভাৰত চৰকাৰে হিমাচল প্ৰদেশৰ এল, আৰ বিশ্ববিদ্যালয়ত আয়োজিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ কুডু প্ৰতিযোগিতাত অসম কুডু সন্থাৰ তৰফৰ পৰা এঘাৰজনীয়া দলে অংশগ্ৰহণ কৰিছিল।

উক্ত প্ৰতিযোগিতাত স্বাৰশ্বত দাসে ৰূপৰ পদক, তনিষ্ঠা দত্তই দুটা ইভেণ্টত ব্ৰঞ্জৰ পদক, অংকিতা গগৈয়ে দুটা ইভেণ্টত ব্ৰঞ্জ পদক, মণিকৰ্ণিকা গগৈ ব্ৰঞ্জৰ পদক, ভাস্বতী গগৈয়ে ব্ৰঞ্জৰ পদক, দেৱাশীষ ফুকনে ব্ৰঞ্জৰ পদক লাভ কৰে। আজি অসম কুডু সন্থাই সম্বৰ্ধনা জ্ঞাপন কৰে। উক্ত অনুষ্ঠানত অসম কুডু সন্থাৰ সভাপতি নয়নমণি গগৈ আৰু সম্পাদক মুচেংফা গগৈয়ে কুডু খেলৰ জৰিয়তে যুৱ প্ৰজন্মই কিদৰে নিজৰ প্ৰতিভা বিকাশ কৰি ভৱিষ্যত উজ্জ্বল কৰিব পাৰে সেই বিষয়ে বক্তব্য আগবঢ়ায়।

'অসমীয়া গীতি-সাহিত্য-পৰিচয় আৰু পৰ্যালোচনা' শীৰ্ষক গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

ছিপাঝাৰ, ১৪ মাৰ্চ ঃ ছিপাঝাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড° প্ৰসন্ন কুমাৰ নাথৰ নৱতম গ্ৰন্থ 'অসমীয়া গীতি সাহিত্য-পৰিচয় আৰু পৰ্যালোচনা' শীৰ্ষক গ্ৰন্থ কালি সন্ধিয়া ছিপাঝাৰ বীণাপাণি পুথিভঁৰাল প্ৰেক্ষাগৃহত উন্মোচন কৰে জনতা মহাবিদ্যালয়ৰ অধ্যক্ষ, কবি, ছিপাঝাৰ সাহিত্য সভাৰ উপ-সভাপতি হৰেন ডেকাই। সাহিত্যিক-সমালোচনক কনক চন্দ্ৰ নাথৰ সঞ্চালনাত অনুষ্ঠিত গ্ৰন্থ উন্মোচন আৰু বক্তৃতানুষ্ঠানত সমাজ সেৱক যতীন্দ্ৰ কুমাৰ নাথ, নাট্যকাৰ তপন কুমাৰ নাথ, দেৱজিৎ নাথ, সাংবাদিক গগন কুমাৰ নাথ আদি ভালেমান লোক উপস্থিত থাকে। গ্ৰন্থ উন্মোচনী ভাষণ প্ৰসংগত উন্মোচকে গ্ৰন্থখন গ্ৰন্থকাৰৰ দীঘলীয়া সময়ৰ গৱেষণালব্ধ চিন্তাৰ নান্দনিক ফচল বুলি মন্তব্য কৰে। গ্ৰন্থখনত অসমীয়া গীতি-সাহিত্য অৰু আধুনিক গীতি-সাহিত্যৰ

১৩ *পৃষ্ঠাত চাওক*

■ তিতাবৰ প্ৰেছ ক্লাবৰ একাদশ দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন

বিধায়কৰ কাম-কাজ নিৰীক্ষণ কৰিবলৈ আহ্বান

তিতাবৰ , ১৪ মাৰ্চ ঃ তিতাবৰ প্ৰেছ ক্লাবৰ একাদশ দ্বি- বাৰ্ষিক অধিৱেশন কালি এদিনীয়া কাৰ্যসূচীৰে মেলামাটি চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ত অনুষ্ঠিত হয়। ক'ভিড নিয়মৰ বাবে সীমিত কাৰ্যসূচীৰে অধিৱেশন অনুষ্ঠিত কৰা হয়। এই উপলক্ষে তিতাবৰ প্ৰেছ ক্লাবৰ ভাৰপ্ৰাপ্ত সভাপতি দিলীপ খাউণ্ডে পতাকা উত্তোলন কৰি অধিৱেশনৰ কাৰ্যসূচী আৰম্ভ কৰে। স্মৃতি তৰ্পন অনুষ্ঠান মুকলি কৰে প্ৰেছ ক্লাবৰ উপদেষ্টা বিমান শইকীয়াই। তিতাবৰ সমষ্টিৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই সমূহীয়া বৃক্ষৰোপন কাৰ্যসূচী উদ্বোধন কৰি তিতাবৰ প্ৰেছ ক্লাবক তেওঁৰ কাম কাজক কঠোৰ ভাৱে নিৰীক্ষণ কৰি সকিয়াই দিবলৈ সাংবাদিক সকলক আহ্বান জনায়। প্ৰেছ ক্লাবৰ সম্পাদক দুলাল কলিতাই আঁতধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত আদৰণি জনায় অভ্যৰ্থনা সমিতিৰ উপ-সভাপতি অনন্ত খনিকৰে। সভাত সম্পাদক দুলাল কলিতাই প্ৰেছ ক্লাবৰ বিগত কাৰ্যকালৰ প্ৰতিবেদন পাঠ কৰাৰ পাচতে আৰু হিচাপ পৰীক্ষক শশাংক দত্তই হিচাপ পৰীক্ষকৰ প্ৰতিবেদন পাঠ কৰে। প্ৰতিনিধি সভাই দুয়োখন প্ৰতিবেদন সৰ্বসন্মতিক্ৰমে গৃহীত কৰে। সভাৰ আৰম্ভণিতে প্ৰেছ ক্লাবৰ তৰফৰ পৰা সকলো প্ৰতিনিধিকে আদৰণি জনোৱা হয়। প্ৰতিনিধি সভাত পুৰণি সমিতিখনে পদত্যাগ কৰাৰ পাছতে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে বিষয় বাছনি সভা অনুষ্ঠিত হয়। নিৰ্বাচনী বিষয়া ৰমেন বৰাই পৰিচালনা কৰা ভোট দান প্ৰক্ৰিয়াৰ শেষত নিৰ্বাচনী বিষয়াই ফলাফল ঘোষণা কৰে। ভোটদান প্ৰক্ৰিয়াৰে সম্পন্ন হোৱা নিৰ্বাচনত আগন্তুক দুবছৰীয়া কাৰ্যকালৰ বাবে বিমান শইকীয়া সভাপতি, শশাংক দত্ত উপ-সভাপতি, দুলাল কলিতা সম্পাদক, সহকাৰী সম্পাদক তীৰ্থ শইকীয়া, সাহিত্য সম্পাদক প্ৰসেনজিৎ ৰাজখোৱা, কাৰ্যালয় সম্পাদক দুদুল বৰা, কাৰ্যনিৰ্বাহক সদস্য অনন্ত খনিকৰ আৰু তৰুণ দত্তক নিৰ্বাচিত কৰে।

সাংবাদিক ৰাজেন শৰ্মাক সম্বৰ্ধনা

প্ৰতিনিধি সভাতে তিতাবৰ প্ৰেছ ক্লাবে বৰ্ষীয়ান সাংবাদিক তথা তিতাবৰ প্ৰেছ ক্লাবৰ বিগত কাৰ্যকালৰ সভাপতি ৰাজেন শৰ্মা তামুলীক সঁফুৰা, গামোচা, এযোৰ কাপোৰ সাঁজ আৰু এখন প্ৰশস্তি পত্ৰেৰে আন্তৰিক সম্বৰ্ধনা জ্ঞাপন কৰে। প্ৰতিনিধি সভাতে আগন্তুক কাৰ্যকালৰ বাবে ৰাজেন শৰ্মা তামুলীক প্ৰেছ ক্লাবৰ মুখ্য উপদেষ্টা হিচাপে ৰখাৰ পৃষ্ঠপোষকতা কৰে প্ৰতিনিধি সভাই।

বিৰাটচুবা নৱনিৰ্মিত নামঘৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

ছিপাঝাৰ, ১৪ মাৰ্চ ঃ বৃহত্তৰ ছিপাঝাৰ বৰদৌলগুৰিৰ বিৰাটচুবা নৱনিৰ্মিত দুমহলীয়া নামঘৰ কালি উদ্বোধন কৰা হয়। এই উপলক্ষে পুৱা ছয় বজাত ধৰ্মধ্বজা উত্তোলন কৰে নামঘৰ পৰিচালনা সমিতিৰ সভাপতি হৰেন্দ্ৰ নাথে। ইয়াৰ পাছত বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰে তিলকচন্দ্ৰ নাথে। আনহাতে বৃক্ষৰোপণ কৰে ক্ৰমে-সমাজ সেৱক পদ্মধৰ নাথ, বিশ্বনাথ নাথ, বিজয় কুমাৰ নাথ, মিনাৰাম নাথ আৰু গাঁওবুঢ়া জয়চন্দ্ৰ নাথে। নামঘৰৰ মূল চাকি স্থাপন কৰে শুক্লেশ্বৰ নাথ, নৰেশ্বৰ নাথে। অনুষ্ঠান উদ্বোধন কৰে অচ্যুত নাথে। ইপিনে, বাৰেবৰণীয়া শোভাযাত্ৰ উদ্বোধন কৰে জীৱৰাম নাথে। ভাগৱত পাঠ আৰু আয়তী নামৰ পাছতে দিনৰ দুই বজাৰ পৰা গ্ৰন্থ উন্মোচনী অনুষ্ঠান অনুষ্ঠিত হয়। মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক ভৈৰৱ চন্দ্ৰ নাথে আঁতধৰা অনুষ্ঠানাত স্মৃতিগ্ৰন্থ 'বিৰাথে' উন্মোচন কৰে ছিপাঝাৰ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° প্ৰসন্ন কুমাৰ নাথে। ইফালে জীৱৰাম নাথৰ 'নামঘৰৰ আত্মকথা' উন্মোচন কৰে ডাঃ ইন্দ্ৰ কুমাৰ হাজৰিকাই। আবেলি ধৰ্মেশ্বৰ নাথ ওজাৰ ব্যাসৰ ওজাপালি প্ৰদৰ্শন হয়।

ভি আই পি'ত বিনামূলীয়া চিকিৎসা শিবিৰ

অগ্ৰদূত বাৰ্তা

আজাৰা, ১৪ মাৰ্চ ঃ আজাৰা আৰক্ষী থানাৰ ভি আই পি'ত অজি এক বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। ভি আই পি আঞ্চলিক বিকাশ সমিতিৰ সৌজন্যত টাটা মেমোৰিয়েল হাস্পতালৰ সহযোগত ড° বি বৰুৱা কেঞ্চাৰ ইনষ্টিটিউটৰ জৰিয়তে ৩০ বৰ্ষোধিক লোকৰ বিভিন্ন পৰীক্ষা কৰা হয়। বিকাশ সমিতিৰ কাৰ্যালয় প্ৰাংগণত দিৰজোৰাকৈ অয়োজিত শিবিৰত বিনামূলীয়াকৈ মুখ গহ্বৰ পৰীক্ষা আৰু দন্ত সজাগতাৰ বিষয়ে দিহা-পৰামৰ্শ প্ৰদান কৰাৰ উপৰি ব্লাড ছুগাৰৰ লগতে ব্লাড প্ৰেচাৰো পৰীক্ষ কৰা হয়। শিবিৰত শতাধিক লোকৰ বিভিন্ন পৰীক্ষা কৰা হয়। বিকাশ সমিতিৰ সভাপতি আৰু সম্পাদক ক্ৰমে অনিল কুমাৰ মালী অৰু প্ৰদীপ ঠাকুৰীয়াই সদৰী কৰা মতে, ভি আই পি আঞ্চলিক বিকাশ সমিতিৰ উদ্যোগত পৰৱৰ্তী সময়ত বিভিন্ন ৰোগৰ বিনামূলীয়া পৰীক্ষা শিবিৰৰ আয়োজন কৰাৰ উপৰি বিভিন্ন উন্নয়মূলক কাৰ্যসূচীৰ চিন্ত-চৰ্চা কৰা হৈছে।

মেলামৰা মহাবিদ্যালয়ত ই আলোচনী 'ৰিজদম' উন্মোচন

খুমটাই, ১৪ মাৰ্চ ঃ গোলাঘাট জিলাৰ উচ্চ শিক্ষানুষ্ঠান মেলামৰা মহাবিদ্যালয়ত আজি ই আলোচনী ৰিজদমৰ উন্মোচনী সভা অনুষ্ঠিত হয়। উল্লেখ্য যে মেলামৰা মহাবিদ্যালয়ৰ প্ৰৱক্তা বিশ্বজিৎ বৰা আৰু ছাত্ৰ লক্ষীৰাম কুৰ্মীৰ সম্পাদনাত প্ৰকাশ পোৱা আলোচনী ৰিজদম' মহাবিদ্যালয়খনৰ অধ্যক্ষ সঞ্জীৱ কুমাৰ বৰুৱাই উন্মোচন কৰে। আনহাতে, মহাবিদ্যালয়খনৰ পৰা প্ৰথমবাৰৰ বাবে প্ৰকাশিত হোৱা ই আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক দিশত উপকৃত হোৱাৰ উপৰি শাৰীৰিক, মানসিক বৌদ্ধিক প্ৰতিভা বিকাশৰ অন্যতম মাধ্যম হ'ব বুলি অধ্যক্ষই উল্লেখ কৰে। সভাত মহাবিদ্যালয়ৰ উপাধ্যক্ষা জুৰি বৰুৱা, সমূহ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

মানসিক শক্তিয়ে ৰোগাক্ৰান্তক সুস্থ অৱস্থালৈ ঘূৰাই অনাত সহায় কৰে ঃ ডাঃ শৰ্মা

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ১৪ মাৰ্চ ঃ মানুহ সদায় আত্মনিৰ্ভৰশীল হ'ব লাগে। পৰনিৰ্ভৰশীল বা চৰকাৰ মুখপেক্ষী হ'লে মানুহ নামৰ অৰ্থৰ কোনো মূল্য নাথাকিব। আজিৰ মানুহে নিজৰ যে কিবা কৰণীয় আছে সেইটো পাহৰি চৰকাৰে কিবা কৰাৰ আশাত হাত সাবটি বহি থাকে। ইয়ে মানুহৰ জীৱন ধাৰণত সাংঘাতিক ধৰণে পৰিৱৰ্তন আনিছে। আনকি দুডাল গছপুলি পুতিবলৈও চৰকাৰলৈ অপেক্ষা কৰি থাকে। এই মন্তব্য লণ্ডনৰ বিশিষ্ট চিকিৎসক তথা অসম স্বাস্থ্য সেৱা সমবায়ৰ উপ-সভাপতি ডাঃ জয়ন্ত বিশ্ব শৰ্মাৰ। কালি দিনৰ ১১ বজাত শুৱালকুছিস্থিত কবি কৃষ্ণ দূৰ চিকিৎসা

১৩ *পৃষ্ঠাত চাওক*

গোৰ্খা সন্মিলনৰ জিলা সমিতিৰ বাৰ্ষিক অধিবেশনৰ সামৰণি

অগ্ৰদূত বাৰ্তা

টেঙাখাত, ১৪ মাৰ্চ ঃ অসম গোৰ্খা সন্মিলন, ডিব্ৰুগড় জিলা সমিতিৰ ২২ সংখ্যক ত্ৰি-বাৰ্ষিক অধিবেশনখন ১২ আৰু ১৩ মাৰ্চত টিংৰাই চাৰিআলি উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। সমূহিয়া চাফাই কাৰ্যসূচীৰ পাছতে গোৰ্খা সন্মিলনৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি মোহন উপাধ্যায় আৰু অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিয়ে পতাকা উত্তোলন কৰি প্ৰথমদিনাৰ কাৰ্যসূচী আৰম্ভ কৰে। বন্তি প্ৰজ্বলন কাৰ্যসূচী মুকলি কৰে সন্মিলনৰ সাধাৰণ সম্পাদক লাল কুমাৰ তামাং আৰু অভ্যৰ্থনা সমিতিৰ সম্পাদক দিবাকৰ শৰ্মাই। আনহাতে, বৃক্ষৰোপণ সমাপনৰ পাছতে অনুষ্ঠিত প্ৰতিনিধি সভাখন উদ্বোধন কৰে টিংৰাই চাৰিআলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্যামল সেনাপতিয়ে। ডিব্ৰুগড় জিলাৰ ৩৪ খন আঞ্চলিক সমিতিৰ তিনিজনকৈ বিষয়ববীয়াৰ উপস্থিতিত অনুষ্ঠিত প্ৰতিনিধি সভাৰ অন্তত কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াৰ উপস্থিতি অনুষ্ঠিত বিষয় বাছনি সভাত মোহন উপাধ্যায়ক সভাপতি আৰু লাল কুমাৰ তামাংক সাধাৰণ সম্পাদকৰূপে লৈ ২১ জনীয়া ডিব্ৰুগড় জিলা গোৰ্খা সন্মিলনৰ নতুন সমিতি গঠন কৰা হয়।

নতুন সমিতি গঠন

কালি বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে সমাজকৰ্মী জাপান থাপাই। অধিবেশনৰ স'তে সংগতি ৰাখি অনুষ্ঠিত কৰা মুকলি সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা। গোৰ্খাসকলে অসমীয়া সংস্কৃতিলৈ আগবঢ়াই অহা অৱিহণাৰ সন্দৰ্ভত আলোচনা কৰি বক্তব্য আগবঢ়ায় ছাত্ৰ নেতাজনে। সন্মিলনৰ নৱনিৰ্বাচিত সভাপতি মোহন উপাধ্যায়ৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত সন্মিলনৰ কেন্দ্ৰীয় আৰু জিলাৰ বিষয়ববীয়াকে ধৰি কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। নিশালৈ স্থানীয় শিল্পীসকলৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

সমাজকৰ্মী সিংহেশ্বৰ গগৈৰ গ্ৰন্থ 'মায়া প্ৰশান্তি' উন্মোচন

অগ্ৰদূত বাৰ্তা

চিনামৰা, ১৪ মাৰ্চ ঃ দক্ষিণ যোৰহাটৰ কুঁৱৰী পুখুৰী চৰ্দাৰ আলি তিমতিমীয়া গাঁৱৰ পঞ্চায়তৰ সভাপতি জ্যোতিষবিদ সিংহেশ্বৰ গগৈৰ 'মায়া প্ৰশান্তি' নামৰ গ্ৰন্থখন কালি নিজা গৃহত উন্মোচন কৰা হয়। তদুপলক্ষে বিয়লি অনুষ্ঠিত উন্মোচনী সভাত পৌৰোহিত্য কৰে অৱসৰপ্ৰাপ্ত উপাচাৰ্য মণিৰাম লাহনে। লেখক গগৈয়ে উদ্দেশ্য ব্যাখ্যা আৰু আদৰণি ভাষণ প্ৰদান কৰা সভাৰ আঁত ধৰে আত্মপ্ৰকাশ দৰ্শনৰ মুখ্য সম্পাদক বিনোদ গগৈয়ে। যোৰহাট জিলাৰ সাৰ্বজনীন আঞ্চলিক ভাগৱত পাঠৰ সভাপতি ভোলাৰাম গগৈ আৰু ধৰ্মপ্ৰাণা ব্যক্তি হীৰেন বৰুৱাই বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানটোত দক্ষিণ যোৰহাট কুঁহি কলম প্ৰকাশনে প্ৰকাশ কৰা গ্ৰন্থখন উন্মোচন কৰে যোৰহাট জিলা সাহিত্য সভাৰ সম্পাদক মাধৱ মহন্তই। উল্লেখ্য যে গগৈৰ জ্যেষ্ঠপুত্ৰ প্ৰয়াত সঞ্জীৱ কৃষ্ণ গগৈৰ সোঁৱৰণত গ্ৰন্থখন ৰচনা কৰা হয়। উক্ত সভাত বিশিষ্ট অতিথিৰূপে জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক প্ৰফুল্ল ভূঞা, সমাজকৰ্মী হৰিনাৰায়ণ বৰগোহাঁই, আনন্দ ৰাম গগৈ, প্ৰাক্তন প্ৰধান শিক্ষক লক্ষীৰাম বৰা, পঞ্চায়তৰ সভানেত্ৰী গীতিকা শইকীয়া, গুবীন শৰ্মা, ডিম্বেশ্বৰ টুংখুঙীয়া, মাখন নেওগ, প্ৰধান শিক্ষয়িত্ৰী বিনীতা গগৈ, অধ্যাপক ৰাণাজিৎ গগৈ আদিয়ে ভাষণ আগবঢ়ায়।

নগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত তিনিখন গ্ৰন্থ উন্মোচন

গ্ৰন্থই সমাজলৈ ইতিবাচক বাৰ্তা কঢ়িয়াই আনে

বিশেষ সংবাদদাতা

নগাঁও, ১৪ মাৰ্চ ঃ নগাঁও জিলা সাহিত্য সভাৰ কমলা দেৱী তোদী ভৱনত কালি অনুষ্ঠিত এক অনুষ্ঠানত তিনিখন গ্ৰন্থ উন্মোচন কৰা হয়। জিলা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানত লেখিকা লখিমী মহন্তৰ 'সমাহাৰ প্ৰৱন্ধমালা', ধৰ্মেশ্বৰী বৰাৰ 'সাথৰ' আৰু যোগী অনিল নাথৰ 'যোগাসন-প্ৰাণায়াম অনুশীলন' নামৰ গ্ৰন্থ কেইখন উন্মোচন কৰে ক্ৰমে নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱা, গল্পকাৰ ভদ্ৰেশ্বৰ ৰাজখোৱা আৰু নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নিত্যানন্দ বৰাই। গ্ৰন্থ উন্মোচন কৰি জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাই কয়, 'গ্ৰন্থই সমাজলৈ সদায় ইতিবাচক বাৰ্তা কঢ়িয়াই আনে। গ্ৰন্থই মানুহৰ জ্ঞানৰ প্ৰসাৰ ঘটায়। নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰেৱত হাজৰিকাই আঁতধৰা অনুষ্ঠানত জিলা সাহিত্য সভাৰ উপ-সভাপতি থগিত মহন্তকে ধৰি কে'বাজনো লোক উপস্থিত থাকে। উল্লেখ্য যে নগাঁও জিলা সাহিত্য সভাৰ সোণালী জয়ন্তী উৎসৱ উপলক্ষে জিলা সাহিত্য সভাই ৫০ খন গ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ অংশৰূপে আজি এই গ্ৰন্থ কেইখন উন্মোচন কৰা হয়।

অৰ্ধশতাধিক আটাছু নেতা-কৰ্মীৰ যোগদান ঃ নতুন সমিতি গঠন

বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ নাজিৰা মহকুমা সমিতিৰ সাধাৰণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

শিমলুগুৰি, ১৪ মাৰ্চ ঃ বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ নাজিৰা মহকুমা সমিতিৰ সাধাৰণ সভা এখন নাজিৰা নগৰত যোৱা ১২ মাৰ্চত অনুষ্ঠিত হয়। সংগঠনটোৰ শিৱসাগৰ জিলা সমিতিৰ সচিব প্ৰধান বিকাশ কোঁচৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাখনত সদৌ তাই আহোম ছাত্ৰ সন্থা 'আটাছু'ৰ অৰ্ধশতাধিক নেতা-কৰ্মীয়ে যোগদান কৰে। উক্ত সভাতেই বিকাশ দুৱৰা , পলাশ বৰা, লক্ষীপ্ৰসাদ গগৈক উপদেষ্টা , ভাস্কৰ গগৈক সভাপতি, ঋতুৰাজ বৰুৱাক কাৰ্যকৰী সভাপতি, পৰাগ গগৈক সচিব প্ৰধান, ৰণ্টু গগৈ আৰু প্ৰতিম বৰাক সহকাৰী সচিবৰূপে লৈ ৫১ জনীয়া কাৰ্যকৰী সদস্যৰে বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ নাজিৰা মহকুমা সমিতিখন গঠন কৰা হয়। উক্ত সভাত সংগঠনটোৰ শিৱসাগৰ জিলা সমিতিৰ উপদেষ্টা তথা কেন্দ্ৰীয় সমিতিৰ প্ৰতিনিধি আকাশ শইকীয়া, পংকজ বৰা, শিৱসাগৰ জিলা সমিতিৰ সহকাৰী সচিব অঞ্জন গগৈ, সাংগঠনিক সচিব ঋতুৰাজ বৰগোঁহাই, শিৱসাগৰ নগৰ সমিতিৰ বিষ্ণু শইকীয়াকে ধৰি নাজিৰা মহকুমা আৰু আঞ্চলিক সমিতিৰ অৰ্ধশতাধিক বিষয়ববীয়াই অংশগ্ৰহণ কৰা উক্ত সভাত নাজিৰা মহকুমাৰ নৱ গঠিত সমিতিখনে আগন্তুক সময়ত মহকুমাটোৰ সৰ্বাংগীণ উন্নয়ন আৰু সমস্যাৰাজি সমাধানৰ ক্ষেত্ৰত আগভাগ ল'বলৈ অংগীকাৰবদ্ধ হয়।

পথৰ দুৰৱস্থাৰ বাতৰি পৰিৱেশনেই কাৰণ

ৰঙাপৰাৰ সাংবাদিকৰ বাসগৃহত দুষ্কৃতিকাৰীৰ শিলাবৰ্ষণ

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১৪ মাৰ্চ ঃ শোণিতপুৰৰ ৰঙাপৰা খেৰণি বস্তি নিবাসী তথা সংবাদকৰ্মী জয় কিশোৰ ঝাৰ বাসগৃহত যোৱা, প্ৰায় এপষেক ধৰি দুৰ্বৃত্তই নিশা শিলাবৰ্ষণ কৰি অহা ঘটনাক লৈ অতিষ্ঠ হৈছে। ৰঙাপৰাৰ এক নম্বৰ ৱাৰ্ডৰ অঞ্চলটোত থকা পৰিয়ালটোৰ ঘৰত বিগত সময়ছোৱাত ধাৰাবাহিকভাৱে শিলাবৰ্ষণৰ ঘটনা সংঘটিত হৈ আছে অৰু এই ঘটনাত আনকি সাংবাদিক ঝাৰ পৰিবাৰ অৰু পুত্ৰও আঘাতপ্ৰাপ্ত হৈছে। ঘটনা সন্দৰ্ভত যোৱা ২২ ফেব্ৰুৱাৰীত সাংবাদিক ঝাই ৰঙাপৰা আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। এজাহাৰ লাভ কৰাৰ পাছত অৰক্ষীয়ে ঘটনাৰ অনুসন্ধান আৰম্ভ কৰাৰ লগতে এই সন্দৰ্ভত সন্দেহজনক লোকক সোধা-পোছ কৰাৰ পাছতো শিলাবৰ্ষণ বন্ধ হোৱা নাই। আনকি আৰক্ষীৰ উপস্থিতিতে এনে ঘটনা সংঘটিত হৈছে। উল্লেখ্য যে বিভিন্ন আকাৰৰ শিলৰ লগতে কেটেপাৰ সহায়তো ঝাৰ বাসগৃহলৈ সন্ধিয়া

১৩ *পৃষ্ঠাত চাওক*

ঘগ্ৰাপাৰৰ বৰখালাত ১০৭ সংখ্যক সাৰ্বজনীন দৌল যাত্ৰা উৎসৱ

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ১৪ মাৰ্চ ঃ নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বৰখালাত ১০৭ সংখ্যক সাৰ্বজনীন কৃষ্ণৰ দৌল যাত্ৰা উৎসৱ অহা ১৭ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ বৰ্ণিল কাৰ্যসূচীৰে উদ্‌যাপন কৰা হ'ব। ইতিমধ্যে কৃষ্ণৰ দৌল যাত্ৰা উৎসৱ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে সমাজকৰ্মী ভূপেন বুজৰবৰুৱা, উপ-সভাপতি নগেন বুজৰবৰুৱা, সম্পাদক দ্বীজেন চন্দ্ৰ দাস, সহ সম্পাদকদ্বয় ক্ৰমে ধৰ্মেন্দ্ৰ শৰ্মা আৰু ভাস্কৰ বৈশ্যক লৈ এখন পৰিচালনা সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি, ১৭ মাৰ্চত ধৰ্মধ্বজা উত্তোলন কৰিব পৰিচালনা সমিতিৰ সভাপতি ভূপেন বুজৰবৰুৱাই। স্মৃতি তৰ্পণ কৰিব অৱসৰপ্ৰাপ্ত চিকিৎসক ডাঃ অৰুণ শৰ্মাই। সন্ধিয়া টোপধ্বনি অনুষ্ঠান উদ্বোধন কৰিব দেহাৰকুছি গাঁও পঞ্চায়তৰ সভাপতি যোগেশ্বৰ শৰ্মাই। নিশা কৃষ্ণৰ পূজাৰম্ভ। মন্দিৰৰ দ্বাৰ উন্মোচন কৰিব অৱসৰপ্ৰাপ্ত শিক্ষাবিদ অনিৰুদ্ধ দেৱ শৰ্মাই। পাছত কৃষ্ণৰ মূৰ্তি দৌল মণ্ডপত প্ৰৱেশ আৰু বেদীত স্থাপন। দ্বিতীয় দিনা পূজা আৰম্ভ। দুপৰীয়া স্থানীয় আয়তীৰ নাম প্ৰদৰ্শন। আবেলি নাগাৰা নাম প্ৰদৰ্শন কৰিব আল্লিয়া জিলা পৰিষদৰ সদস্যা মাধৱ ৰাজবংশীয়ে। নাগাৰা নাম পৰিবেশন কৰিব ক্ৰমে বিশিষ্ট পাঠিকা নাওকাটাৰ গীতামণি নাথ আৰু উত্তৰ গুৱাহাটীৰ পুষ্পাঞ্জলি দাসে। ১৯ মাৰ্চক কৃষ্ণৰ পূজা আৰম্ভ, সামূহিক শান্তি প্ৰদান, প্ৰসাদ আৰু ভোগ বিতৰণ। দিনৰ তিনি বজাত কৃষ্ণৰ মূৰ্তি লৈ গাঁও ভ্ৰমণ আৰু বৰলীয়া নৈত মূৰ্তি স্নান। নিশা ৰাজহুৱা নামঘৰত নাম-প্ৰসংগ আৰু টেঙাপানী গ্ৰহণ।

জামুগুৰিৰ গৰখীয়া থানত দৌলোৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

বেবেজীয়া, ১৪ মাৰ্চ ঃ নগাঁও জিলাৰ বেবেজীয়াৰ সাঁতি-কাৰবীয়া ইতিহাসপ্ৰসিদ্ধ জামুগুৰি গাঁৱৰ ঐতিহ্যমণ্ডিত সাৰ্বজনীন গৰখীয়া থানৰ ২৯ সংখ্যক বাৰ্ষিক দৌলোৎসৱ অনুষ্ঠানভাগ বিগত বছৰসমূহৰ দৰে এইবাৰো অহা ১৭ মাৰ্চৰ পৰা ২০ মাৰ্চলৈ চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজনৰ প্ৰস্তুতি চলিছে বুলি উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি শুকুৰাম বৰুৱা, সম্পাদক অনিল নাথ, সাৰ্বজনীন গৰখীয়া থান পৰিচালনা সমিতিৰ সভাপতি ধানেশ্বৰ নাথ আৰু সম্পাদক প্ৰমোদ চন্দ্ৰ নাথে জনাইছে। নগাঁও জিলাৰ ভিতৰতে এখন পুৰাতন থান ৰূপে নিজৰ সজীৱ স্মৃতিৰে জীৱন্ত হৈ থকা থানখনৰ বিভিন্ন সময়ত বিভিন্ন উৎসৱ-পাৰ্বণ উদ্‌যাপন কৰি আহিছেও বছৰৰ তিনিটা বিশেষ অনুষ্ঠানে থানখনৰ গৰিমা বৃদ্ধি কৰি আহিছে । এই তিনিটা উৎসৱৰ ভিতৰত 'মাঘ বিহুৰ উৰুকা নিশা', 'শৰাইৰ এদিন আৰু গৰখীয়া সবাহ' আৰু 'দৌলোৎসৱ' উদ্‌যাপন থানখনৰ অন্য এক আকৰ্ষণৰূপে চিহ্নিত হৈ আহিছে। এইবাৰো নাম-প্ৰসংগ, শৰাই-শলিতা, নৈবেদ্য, নাট-ভাওনা আদি উৎসৱৰ উদ্‌যাপনক অনুষ্ঠিত কৰিবলৈ আগবঢ়া দৌলোৎসৱ উদ্‌যাপন সমিতিৰ পৰা জনোৱা মতে, প্ৰথমদিনা অৰ্থাৎ ১৭ মাৰ্চত পুৱাবেলা পৰিৱেশ নিকাকৰণ, বৃক্ষৰোপণ, ভক্তগণ ৰাইজৰ দান-বৰঙণি আৰু শৰাই সংগ্ৰহ, চিকিৎসা শিবিৰকৰ পৰা দুপৰীয়া প্ৰসংগ, মহাভাগৱত পাঠ, আপ্যায়ন, বিয়লি দলপাত্ৰ সংগ্ৰহ, ভাগৱত পাঠ সামৰণি আৰু প্ৰসাদ বিতৰণ, ৫-৩০ বজাত সমূহীয়া বন্তি প্ৰজ্বলন আৰু সন্ধিয়া ৬-৩০ বজাত সমূহীয়া প্ৰসংগ আৰু মংগল ধ্বনি । ১৮ মাৰ্চৰ দিনা পুৱাবেলা মণিকূট আৰু দৌল মন্দিৰত বন্তি প্ৰজ্বলন, আমন্ত্ৰিত নামঘৰৰ বিষয়ববীয়াসকলৰ পৰিচালনাত অঞ্চলৰ ২৯ ভাগ নামঘৰৰ পৰা ধৰ্মধ্বজা আৰু জল কলচি লৈ থানলৈ যাত্ৰা, ধৰ্মধ্বজা উত্তোলন, শাস্ত্ৰ পুষ্পেন্দ্ৰ হাজৰিকাৰ গৰখীয়া থানৰ ধ্বজা ভাগৰ উত্তোলন, স্মৃতি তৰ্পণ, গোসাই স্থান, স্থাপন আৰু ভকতক নিৰ্মালি প্ৰদান, খোল প্ৰসংগ আৰু নাম-প্ৰসংগ, দুপৰীয়া প্ৰসাদ বিতৰণ আৰু আপ্যায়ন, এক বজাত দিহানাম পৰিবেশন, সন্ধিয়া ছয় বজাত সমূহীয়া বন্তি প্ৰজ্বলন, মংগল ধ্বনি আৰু সন্ধিয়া প্ৰসংগ, আঠ বজাত সম্বৰ্ধনা, সাহায্য আৰু শৈক্ষিক বঁটা প্ৰদান অনুষ্ঠান, চাৰে আঠ বজাত আপ্যায়নৰ পাছতে নিশা ন বজাত শেতালি গাঁৱৰ মহিলাসকলৰ দ্বাৰা 'দ্ৰৌপদীৰ দৰ্প চূৰ্ণ' ভাওনা মঞ্চস্থ । তৃতীয় দিনা ১৯ মাৰ্চৰ পুৱা বেলা ২৬ অভিযান, পবিত্ৰ হোলী খেলা অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলে বগা বস্ত্ৰ পৰিধানেৰে গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত সেৱকীক ফাকু প্ৰদান, প্ৰসংগ, ভাগৱত পাঠ, দুপৰীয়া চাৰে ১২ বজাত আপ্যায়ন, বিয়লি আঠে বজাত দিহা নাম পৰিবেশন, সন্ধিয়া ছয় বজাত সন্ধিয়া প্ৰসংগ, আঠ বজাত আদৰণি আৰু সম্বৰ্ধনা অনুষ্ঠান, চাৰে আঠ বজাত সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাৰ দ্বাৰা ভক্তিমূলক গীতৰ অনুষ্ঠান উদ্বোধন, চাৰে ন বজাত আপ্যায়ন আৰু নিশা ১২ বজাত সমূহীয়া ঘোষাৰে দৌল জিকিৰি । অনুষ্ঠানৰ অন্তিম দিনা অৰ্থাৎ ২০ মাৰ্চত পুৱাবেলা পৰিবেশ নিকাকৰণ, সু-সজ্জিত হৈ দৌল গোৱিন্দৰ গোসাই ভ্ৰমণ, প্ৰসংগ আৰু বিয়লি দুই বজাৰ পৰা নিশা অনুষ্ঠিত হ'বলগীয়া মহিলাৰ মুকলি নামৰ অন্তত সন্ধিয়া ছয় বজাত ধৰ্মধ্বজা অৱনমন আৰু সমূহীয়া ঘোষাৰে চাৰিদিনীয়া দৌলোৎসৱৰ কাৰ্যসূচীৰ সামৰণি পৰিব।

মানসিক শক্তিয়ে ৰোগাক্ৰান্তক সুস্থ অৱস্থালৈ ঘূৰাই

১২ পৃষ্ঠাৰ পৰা সেৱা কেন্দ্ৰত ৰোগী আৰু স্বাস্থ্য কৰ্মীসকলৰ উপকাৰৰ বাবে 'চিকিৎসা সেৱা আৰু সত্ৰ সংযোজন' সম্পৰ্কে আয়োজন কৰা আলোচনাচক্ৰত মুখ্য বক্তাৰূপে অংশ লৈ বিশিষ্ট চিকিৎসকজনে কয় যে একোজন ৰোগাক্ৰান্ত ব্যক্তি যদি মানসিকভাৱে শক্তিশালী হয় আৰু সমাজিকভাৱেও যদি মানসিক শক্তিৰ সমৰ্থন লাভ কৰে তেনে ৰোগাক্ৰান্ত ব্যক্তি সুস্থ অৱস্থালৈ সোনকালে ঘূৰি অহাৰ প্ৰচুৰ সম্ভাৱনা থাকে। গতিকে মানুহ যিকোনো ৰোগতে আক্ৰান্ত হ'লে সমাজে তাক ঘৃণাৰ চকুৰে নাচাই ৰোগীজনৰ ওচৰত গৈ বিভিন্ন প্ৰকাৰে মানসিক শক্তি জন্মাব লাগে। আনহাতে, ৰোগ হ'লেই মানুহে হতাশ হ'ব নালাগে। বৰঞ্চ মানসিক শক্তিৰে ৰোগৰ পৰা মুক্ত হ'বলৈ চেষ্টা কৰিব লাগে। তেওঁ পুনৰ কয় যে বৰ্তমান সময়ত শিশুৰ মুখত পশু-পক্ষী, গছ-গছনি, নদী, বিল, ফল-ফুল বা পৰিৱেশ সম্পৰ্কীয় কোনো কথাই শুনা নাপায়, তাৰ পৰিৱৰ্তে শিশুৰ মুখত শুনিবলৈ পায় যুদ্ধ, হত্যা, লুণ্ঠন, ভাৰত-পাকিস্তান আদি অপ্ৰাসংগিক কথাবোৰ । ইয়াৰ বাবে তেওঁ অৱশ্যে একাংশ অভিভাৱকক দোষাৰোপ কৰে। কাৰণ নিজৰ পৰিয়ালবোৰত আজিকালি অপ্ৰাসংগিক কথাই বেছি চৰ্চিত হয়। তাৰ পৰা শিশুসকলে আয়ত্ত কৰে। চিকিৎসকজনে পুনৰ কয় যে উন্নয়ন এটা জটিল প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়া যিকোনো সময়ত বা তৎকালেই কৰি দিয়া বস্তু নহয়। মন্ত্ৰী-বিধায়ক হ'ল বুলিয়ে যে মানুহে বিচৰা ধৰণে তেওঁলোকে উন্নয়ন কৰিব সেইটো সম্ভৱপৰ নহয়। বৰ্তমান সময়ত বিশ্বত উষ্ণতা বৃদ্ধি পোৱা আৰু প্লাষ্টিকৰ অপব্যৱহাৰে মানুহৰ জীৱনলৈ এক ভয়াৱহতা নমাই আনিব বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ মানুহে দকৈ চিন্তা কৰাৰ প্ৰয়োজন। শক্তিশালী মনৰ মানুহক কোনো প্ৰতিবন্ধকতাই আগবাঢ়ি যোৱাত বাধাৰ প্ৰচীৰ হ'ব নোৱাৰে বুলি উল্লেখ কৰি তেওঁ কয যে বৰ্তমান অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সকলো প্ৰতিবন্ধকতা পাৰ হৈ বীৰদৰ্পে আগবাঢ়ি যোৱাটো ইয়াৰ এটা উদাহৰণ । তেওঁ কয় যে বহুত চিকিৎসক আৰু পৰীক্ষাগাৰে ৰোগীৰ পৰা কমিছন লৈ চিকিৎসা সেৱাত ব্ৰতী হৈ আছে । অসম স্বাস্থ্য সেৱা সমবায়ে ইয়াক নিৰ্মূল কৰাৰ প্ৰচেষ্টা হাতত লৈছে। এই ক্ষেত্ৰত অসমৰ ৰাইজৰ পৰা তেওঁ সহায় বিচাৰিছে। কিয়নো অসম স্বাস্থ্য সেৱা সমবায়ে দেশ-ৰাজ্যৰ বহুকেইখন আগশাৰীৰ চিকিৎসালয়ৰ লগত বুজাবুজিৰ চুক্তি কৰি ৰাইজক সকাহ দিয়াৰ চেষ্টা চলাই আছে। আলোচনাচক্ৰত উপস্থিত থাকি কৰ্কট ৰোগৰ গবেষক, বিশেজ্ঞ ডাঃ বিকুল দাসে মানুহে একতাৰে ৰোগৰ বিৰুদ্ধে অৱতীৰ্ণ হ'লে ক'ভিডৰ দৰে ৰোগৰ সৃষ্টি হ'ব নোৱাৰে বুলি উল্লেখ কৰি সাহস আৰু শক্তি ৰোগ নিৰাময়ৰ উত্তম পথ বুলি দোহাৰে। পূৰ্বে সত্ৰসমূহৰ জৰিয়তে নেটৱৰ্ক গঢ়ি তুলি সত্ৰাধিকাৰ বা সত্ৰৰ দায়িত্বত থকাসকলে যিদৰে কাম-কাজ আগবঢ়াই নিছিল ঠিক সেইদৰে বৰ্তমান সময়ত ডিজিটেল হেল্‌থ কেয়াৰৰ জৰিয়তে মানুহে নিজৰ ঘৰতে বহি চিকিৎসা গ্ৰহণ কৰিব পাৰিব বুলি কয়। তেওঁ পুনৰ কয় যে এতিয়া এজন চিকিৎসকে এদিনত কমেও ডিজিটেল মাধ্যমৰে ১৫০০ গৰাকী ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰি ঔষধ আদি বা বিভিন্ন দিহা-পৰামৰ্শ দিব পাৰিব। ফলত চিকিৎসকৰো প্ৰয়োজন কমি আহিব। কবি কৃষ্ণ দূৰ চিকিৎসা সেৱা কেন্দ্ৰৰ কৰ্মকৰ্তাসকলে বিগত ক'ভিড কালত ১৫০০ গৰাকী ক'ভিড ৰোগীক বিভিন্ন প্ৰকাৰে সুস্থ কৰি তোলাৰ কথাও ভাষণত উল্লেখ কৰে। তেওঁ শুৱালকুছিৰ কৰ্কট ৰোগত আক্ৰান্ত হোৱাসকলক মানসিক শক্তি বৃদ্ধি কৰাৰ উদ্দেশ্যে মুগা গৱেষণাগাৰ মুকলি কৰাৰ কথায়ো দোহাৰে। আলোচনাচক্ৰত ডিজিএম তথা অইলৰ সঞ্চালক দীপক কুমাৰ পাঠক, কাৰ্বন লিমিটেডৰ জি এম শৈয়ানাল ভট্টাচাৰ্য, এছএছইউএইছএমৰ পঞ্জীয়ক তথা মুখ্য কাৰ্যবাহী বিষয়া সুজিৎ বৰধান আৰু কবি কৃষ্ণ দূৰ চিকিৎসা কেন্দ্ৰৰ বিষয়ববীয়া আৰু কৰ্মকৰ্তাসকলৰ লগতে কিছুসংখ্যক স্বাস্থ্যকৰ্মী উপস্থিত থাকে। গুৱাহাটী আইআইটিৰ গবেষক ছাত্ৰী লেখিকা পাঠকে আঁত ধৰা উক্ত আলোচনাচক্ৰৰ অন্তত বিশিষ্ট চিকিৎসক ডাঃ জয়ন্ত বিশ্ব শৰ্মাই শুৱালকুছিৰ ঐতিহাসিক মুগালেটাৰ পৰা মুগা সূতা উৎপাদন কাৰ্যও পৰিদৰ্শন কৰি বিষয়টো সন্দৰ্ভত ডাঃ বিকুল দাসৰ পৰা বুজ লয়।

অসমীয়া গীতি

১২ পৃষ্ঠাৰ পৰা এক তুলনামূলক অধ্যয়ন বিশ্লেষণ আগবঢ়াইছে। অসমৰ কবিতা আৰু লোকবিশ্বাস, অসমীয়া আধুনিক গীতৰ গতি-প্ৰগতিৰ সম্পৰ্কে আলোকপাত কৰাৰ লগতে অসমীয়া আধুনিক গীতৰ উত্তৰণৰ ক্ষেত্ৰত সত্যনাথ বৰাৰ গীতাৱলী অসমীয়া আধুনিক গীতৰ প্ৰচাৰ-প্ৰসাৰত আকাশবাণীৰ ভূমিকা, সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱাৰ 'সংগীতকোষ' লক্ষ্মীনাথ বেজবৰুৱাৰ গীত, বিষ্ণুপ্ৰসাদ হাজৰিকাৰ গীত, জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতৰ, পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীত, ড° নিৰ্মলপ্ৰভা বৰদলৈৰ গীত, ড° ভূপেন হাজৰিকাৰ গীত, ৰুদ্ৰ বৰুৱাৰ গীত, নৱকান্ত বৰুৱাৰ গীত, কেশৱ মহন্তৰ গীত, হেমাংগ বিশ্বাসৰ গীত, হীৰেন ভট্টাচাৰ্যৰ গীত, ইদ্ৰিছ আলীৰ গীত আৰু আধুনিক অসমীয়া গীত, জয়ন্ত হাজৰিকাৰ গীত সম্পৰ্কে গ্ৰন্থকাৰে পৰিশীলিতভাৱে আলোচনা কৰিছে। গ্ৰন্থখন প্ৰকাশ কৰিছে জ্যোতি প্ৰকাশনে। অনুষ্ঠানত গ্ৰন্থকাৰৰ গ্ৰন্থ আঁৰৰ কথা বৰ্ণনা কৰে।

ধনশিৰি মহকুমাৰ চুকীয়াপথাৰত সাধনী দিৱসৰ

১২ পৃষ্ঠাৰ পৰা প্ৰেক্ষাগৃহত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰি সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনক মুখ্য পৃষ্ঠপোষক, বিপিন বৰাক সভাপতি, বিদ্যুৎ শইকীয়াক কাৰ্যকৰী সভাপতি, সাধাৰণ সম্পাদক ৰক্তিম হাজৰিকা, সহকাৰী সম্পাদক কুলেশ বৰা, চন্দন শইকীয়া, পৃষ্ঠপোষক ড° সিদ্ধেশ্বৰ বৰা, মাধুৰ্য শইকীয়া, জীৱন চুতীয়া, মুকুট শইকীয়া, গিৰিণ চুতীয়া, দ্বীপেন বৰা, উপ-সভাপতি তোযেশ্বৰ বৰা, দেৱজ্যোতি শইকীয়া, ৰাতুল বৰা, কোষাধ্যক্ষ ৰবীন বৰা, অনুপজ্যোতি বৰা আৰু প্ৰচাৰ বিভাগৰ সভাপতি হেমন্ত তামুলী আৰু সম্পাদক বিতোপন বৰাক লৈ এখন উদ্‌যাপন সমিতিও গঠন কৰে। অনুষ্ঠানৰ দিনা পুৱা পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ, শোভাযাত্ৰা, সাধনী প্ৰতিচ্ছবিত মাল্যাৰ্পণ, দেওকুবেৰ শলিতা লগোৱা সকাম আদি কাৰ্য সমাপন কৰা হ'ব। অনুষ্ঠানৰ লগত সংগতি ৰাখি চিত্ৰাংকন, কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে এখন মুকলি সভাও অনুষ্ঠিত কৰিব। মুকলি সভাত উপস্থিত থাকিব সাহিত্যিক ময়ূৰ বৰা, কৃষি মন্ত্ৰী অতুল বৰা, বিধায়ক বিশ্বজিত ফুকন আৰু সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি মহেন বৰা। সাধনী দিৱসৰ দিনা নিশালৈ অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী কৃষ্ণমণি চুতীয়াৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠানৰো ব্যৱস্থা কৰিছে। সাধনী দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰিবলৈ লোৱা প্ৰতিযোগিতাসমূহত যোগদান কৰিবলৈ উদ্‌যাপন সমিতিয়ে ৮৬৩৮৭০৮৮৮২ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

ৰঙাপৰাৰ সাংবাদিকৰ বাসগৃহত দুষ্কৃতিকাৰীৰ

১২ পৃষ্ঠাৰ পৰা ৬.৩০ বজাৰ পৰা নিশা ১০ বজালৈকে বিভিন্ন দিশৰ পৰা অব্যাহত থাকে এই শিলাবৰ্ষণ। ইতিমধ্যেই হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে সাজু হোৱা ঝাৰ পুত্ৰই আঘাটত পোৱাৰ লগতে অধ্যয়নৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হোৱাৰ বিষয়ে সদৰী কৰি সাংবাদিক ঝাই দুষ্কৃতিকাৰীয়ে এই দুষ্কাৰ্য দল বান্ধি কৰাৰ আশংকা প্ৰকাশ কৰিছে। তেওঁ লগতে কয় যে ৰঙাপৰাৰ এক নম্বৰ ৱাৰ্ডটোৰ এটা পথৰ দুৰ্দশাৰ বাতৰি পৰিৱেশন কৰাৰ পাছৰে পৰাই তেওঁৰ ঘৰত এনে আক্ৰমণ সংঘটিত হ'বলৈ ধৰে। ৰঙাপৰাৰ অতি পিছপৰা এক নম্বৰ ৱাৰ্ডত বিশুদ্ধ খোৱাপানীকে ধৰি বাট পথৰ আৱস্থা অতিশয় শোচনীয়। আনকি জৰুৰীকালীন সেৱাৰ এম্বুলেন্স বস্তিৰ শেষৰ প্ৰায় আধাকিলোমিটাৰ অংশ প্ৰৱেশ কৰিব নোৱাৰে জৰাজীৰ্ণ পথৰ বাবে। এনে কাৰণতে আনকি অঞ্চলটোত এগৰাকী প্ৰসূতিৰো ইতিমধ্যে মৃত্যু ঘটা বুলি ৰাইজে কৰা অভিযোগত ভিত্তিত ঝাই বাতৰি পৰিৱেশন কৰাৰ পাছতে একেটা অঞ্চলৰ বাসিন্দা সাংবাদিকজনৰ বাসগৃহত শিলাবৰ্ষণৰে নিৰ্যাতন চলোৱা অৰম্ভ হয়। সাংবাদিকজনে অঞ্চলটোৰ উন্নয়নৰ প্ৰকৃত ছবিখন তুলি ধৰাত ন্যস্তস্বাৰ্থ বিঘ্নিত হোৱা একাংশ দুষ্কৃতিকাৰীয়েই শিলাবৰ্ষণৰ ঘটনাৰে জড়িত থকা বুলিও ভুক্তভোগী সাংবাদিকজনে শংকা প্ৰকাশ কৰিছে।

অসম লোকসেৱা আয়োগ
ASSAM PUBLIC SERVICE COMMISSION
Jawaharnagar, Khanapara, Guwahati-781 022

No. 4SPSC/CON/Exam-29/2020-2021 Dated Guwahati the 14th March, 2022

RESULT

The Assam Public Service Commission hereby declares today, the 14th March, 2022, the result of the recruitment to the post of ***Junior Engineer (Civil) under Public Health Engineering Department*** (Advt No. 14/2020 Dtd. 28/12/2020), the Screening Test for which was held on 31/10/2021. The Commission completed the process of selection and recommended the following candidates for the said post on the basis of merit:

No. of Post: 171 Nos. (RFW: 51 Nos.)

Break-up: OC: 53 RFW: 16, OBC/MOBC: 54 RFW:16, SC: 7 RFW: 2, STP:18 RFW:5, STH:22 RFW:7, EWS: 17 RFW: 5, PWD: OH: 2, VI: 2, HI: 2, AUTISM: 1

Position	Roll No.	Name of the candidate	Category	Gender	PWD	Vacancy relating to reservation
1	12197	MUKTADIR HUSSAIN CHOUDHURY	GEN	Male		OPEN CATEGORY
2	10426	AZHAR MEHMOD BARLASKAR	EWS	Male		OPEN CATEGORY
3	11799	LAKHYAJIT DEURI	STP	Male		OPEN CATEGORY
4	11429	JAHIDA ANAM MAZUMDER	GEN	Female		OPEN CATEGORY
5	10824	DEBAJIT BARMAN	EWS	Male		OPEN CATEGORY
6	13456	SIDDHARTH BORAH	MOBC	Male		OPEN CATEGORY
7	11494	JINKU KEOT	GEN	Male		OPEN CATEGORY
8	12375	NILOTPAL CHAKRABORTY	EWS	Male		OPEN CATEGORY
9	12576	PARTHA PROTIM HAZARIKA	GEN	Male		OPEN CATEGORY
10	13336	SUBHANKAR KARMAKAR	OBC	Male		OPEN CATEGORY
11	10796	CHIRANJEET GOSWAMI	GEN	Male		OPEN CATEGORY
12	12346	NIHAR RANJAN KALITA	EWS	Male		OPEN CATEGORY
13	11021	DILIP KUMAR NATH	OBC	Male		OPEN CATEGORY
14	11361	IBADUR RAHMAN CHOUDHURY	EWS	Male		OPEN CATEGORY
15	12284	MUMINA AKTHER CHOUDHURY	EWS	Female		OPEN CATEGORY
16	13058	ROHIT CHAUHAN	OBC	Male		OPEN CATEGORY
17	10410	ASRARUL ARAFATH BARBHUIYAN	GEN	Male		OPEN CATEGORY
18	13502	SONALI PAUL	OBC	Female		OPEN CATEGORY
19	11018	DILIP CHAUHAN	EWS	Male		OPEN CATEGORY
20	10986	DIBYAJYOTI TALUKDAR	EWS	Male		OPEN CATEGORY
21	10958	DHRUBAJYOTI BARUAH	OBC	Male		OPEN CATEGORY
22	10849	DEBASISH DUTTA	GEN	Male		OPEN CATEGORY
23	11890	MANAS JYOTI KALITA	GEN	Male		OPEN CATEGORY
24	12771	PRODIP DAS	SC	Male		OPEN CATEGORY
25	13397	SHAIFUL ISLAM	GEN	Male		OPEN CATEGORY
26	12743	PRIYANKA DEBNATH	OBC	Female		OPEN CATEGORY
27	12737	PRIYAKSHI KALITA	GEN	Female		OPEN CATEGORY
28	12959	RATUL KALITA	OBC	Male		OPEN CATEGORY
29	13050	ROBIN GOGOI	OBC	Male		OPEN CATEGORY
30	13774	WARISHAH SEHNAJ HUSSAIN	GEN	Female		OPEN CATEGORY
31	12906	RAKESH KUMAR SINGH	GEN	Male		OPEN CATEGORY
32	12471	PALLAB BORA	OBC	Male		OPEN CATEGORY
33	12124	MOON GOGOI	OBC	Male		OPEN CATEGORY
34	11840	MADHURIMA DIHINGIA	MOBC	Female		OPEN CATEGORY
35	10924	DHIRAJ KUMAR MISRA	GEN	Male		OPEN CATEGORY
36	11842	MADHURJYA GOSWAMI	EWS	Male		OPEN CATEGORY
37	12271	NAKIBUR RAHMAN	GEN	Male		OPEN CATEGORY
38	13760	UTTAM SAIKIA	MOBC	Male		OPEN CATEGORY
39	11142	FARSHID DILUWAR HUSSAIN	GEN	Male		OPEN CATEGORY
40	11396	INTAJUL JAMAN	EWS	Male		OPEN CATEGORY
41	10978	DIBYA JYOTI SAIKIA	OBC	Male		OPEN CATEGORY
42	11384	IMRAN HUSSAIN MAZUMDER	EWS	Male		RESERVED
43	12541	PARISHMITA DAS	GEN	Female		OPEN CATEGORY
44	11379	IMDADUR RAHMAN LASKAR	EWS	Male		RESERVED
45	12373	NILIM KALITA	EWS	Male		RESERVED
46	10207	AMIT DAS	SC	Male		RESERVED
47	11926	MANISHA DAS	SC	Female		OPEN CATEGORY
48	11022	DILIP KUMAR PRASAD	OBC	Male		RESERVED
49	10754	CHAMPAK MEDHI	OBC	Male		RESERVED
50	12212	MUNU DEORI	STP	Male		RESERVED
51	12874	RAJESH RISHI	SC	Male		RESERVED
52	12599	PINKU KURMI	OBC	Male		RESERVED
53	13766	VIKRAMJIT HAZARIKA	SC	Male		RESERVED
54	11397	INUWARA BEGUM	EWS	Female		OPEN CATEGORY
55	12953	RATAN AICH	OBC	Male		RESERVED
56	11059	DIPANKAR DAS	EWS	Male		RESERVED
57	12248	NABAJYOTI KALITA	EWS	Male		RESERVED
58	10614	BIJOY LIMBU	OBC	Male		RESERVED
59	11932	MANJIT DAS	SC	Male		RESERVED
60	10547	BHASKAR JYOTI SAIKIA	SC	Male		RESERVED
61	12943	RANUJ KONWAR	OBC	Male		RESERVED
62	12649	PRANAB HALOI	EWS	Male		RESERVED
63	12591	PIJUSH ROY	OBC	Male		RESERVED
64	12055	MISHITA DUTTA HAZARIKA	OBC	Female		OPEN CATEGORY
65	13644	SYEDA TAJKYA PARBIN	GEN	Female		OPEN CATEGORY
66	11481	JHAPHOR SHARIF KHAN	EWS	Male		RESERVED
67	10360	ARNAB SAIKIA	OBC	Male		RESERVED
68	10552	BHASKAR PAUL	OBC	Male		RESERVED
69	12192	MUKESH SHAH	OBC	Male		RESERVED
70	10673	BISHAL DUTTA	OBC	Male		RESERVED
71	10004	AAKASH LAKRA	MOBC	Male		RESERVED
72	12388	NIPA PAUL	OBC	Female		OPEN CATEGORY
73	12196	MUKTADIR HUSSAIN	MOBC	Male		RESERVED
74	12938	RANJITA DAS	SC	Female		OPEN CATEGORY
75	11625	KALYANI MAZUMDER BASUMATARY	OBC	Female		OPEN CATEGORY
76	10645	BINAY DEKA	EWS	Male		RESERVED
77	10081	ABINASH PHUKON	OBC	Male		RESERVED
78	13358	SAURAV MUKHERJEE	EWS	Male		RESERVED
79	10022	ABDUL WAHID HOQUE	EWS	Male		RESERVED
80	13335	SATYA PRASAD NATH	OBC	Male		RESERVED
81	12492	PANKAJ BAISHYA	OBC	Male		RESERVED
82	13311	SANTOSH MOHAN DHAR	OBC	Male		RESERVED
83	10206	AMIRUL ISLAM CHOUDHURY	EWS	Male		RESERVED
84	11068	DIPANTA CHELLENG	STP	Male		RESERVED
85	11795	LAKHYA JYOTI KONWAR	OBC	Male		RESERVED
86	10716	BITUPON DUTTA	OBC	Male		RESERVED
87	10757	CHANDAN KALITA	EWS	Male		RESERVED
88	13432	SHIVA PRASAD DAS	OBC	Male		RESERVED
89	11551	JUGAJYOTI BORAH	OBC	Male		RESERVED
90	11180	GIRISH DOLEY	STP	Male		RESERVED
91	11060	DIPANKAR GOGOI	OBC	Male		RESERVED
92	10151	AKASH PEGU	STP	Male		RESERVED
93	13717	TULSI PAO	STP	Male		RESERVED
94	12480	PALLABI DAS	SC	Female		OPEN CATEGORY
95	11513	JITENDRA BAIDYA	OBC	Male		RESERVED
96	11186	GITARTHEE GOGOI	OBC	Female		RESERVED
97	10798	CHIRANJIB HAZARIKA	OBC	Male		RESERVED
98	12354	NIHARJUTI KHONIKAR	MOBC	Male		RESERVED
99	10418	AYAN JYOTI DEURI	STP	Male		RESERVED
100	12855	RAJ DEB	OBC	Male		RESERVED
101	11786	LAKHI DOLEY	STP	Male		RESERVED
102	10308	ANUPAM RAY	OBC	Male		RESERVED
103	12370	NILAMONI TALUKDAR	OBC	Male		RESERVED
104	11201	GOUTAM BURAGOHAIN	OBC	Male		RESERVED
105	13795	BABU MONI KALITA	GEN	Male	OH	OPEN CATEGORY
106	11010	DIKLU MONI DAS	SC	Female		RESERVED
107	10528	BHARGOV PEGU	STP	Male		RESERVED
108	12781	PRONOB DEHINGIA	OBC	Male		RESERVED
109	13799	DIMANJOY HAKMAOSA	STH	Male	HI	RESERVED
110	10048	ABHIJIT KUMAR	MOBC	Male		RESERVED
111	10567	BHOGIRATH BORO	STP	Male		RESERVED
112	10855	DEBJANI PAUL	OBC	Female		RESERVED
113	12190	MUKESH BORO	STP	Male		RESERVED
114	12659	PRANAMIKA BORA	EWS	Female		RESERVED
115	11775	KUNAL MONI DAS	OBC	Male		RESERVED
116	10498	BHADRA HAZARIKA	STP	Male		RESERVED
117	13543	SUBRATA SINHA	OBC	Male		RESERVED
118	11333	HITESH DAS	OBC	Male		RESERVED
119	11821	LIPIKA GOGOI	OBC	Female		RESERVED
120	13483	SINMOY NATH	OBC	Male		RESERVED
121	10419	AYESHA KHANAM CHOUDHURY	EWS	Female		RESERVED
122	13564	SUMAN DEBNATH	OBC	Male		RESERVED
123	10517	BHARAT MILI	STP	Male		RESERVED
124	11028	DIMI NEOG	STP	Female		RESERVED
125	12274	NAMRATA HANDIQUE	OBC	Female		RESERVED
126	10842	DEBANANDA DEORI	STP	Male		RESERVED
127	10512	BHANITA KAKATI	OBC	Female		RESERVED
128	10777	CHAYANIKA HAZARIKA	SC	Female		RESERVED
129	12784	PREETI SAIKIA	OBC	Female		RESERVED
130	12061	MITALI SAIKIA	STP	Female		RESERVED
131	13298	SANJUCTA BARUAH	OBC	Female		RESERVED
132	12615	POLY BARUAH	OBC	Female		RESERVED
133	12276	NAMRATA TAMULY	OBC	Female		RESERVED
134	10454	BANASHREE NATH	OBC	Female		RESERVED
135	10810	DALIY GOGOI	OBC	Female		RESERVED
136	12622	POPI DAS	OBC	Female		RESERVED
137	12700	PRATIVA DEHINGIA	OBC	Female		RESERVED
138	11124	ELIZA DEORI	STP	Female		RESERVED
139	13325	SARKIRI TOKBI	STH	Male		RESERVED
140	11643	KANGKANA SARMA	EWS	Female		RESERVED
141	13019	RITA DEVI	EWS	Female		RESERVED
142	10731	BORJU KEMPRAI	STH	Male		RESERVED
143	11829	LONGMUKRANG KRO	STH	Male		RESERVED
144	12618	PONCHAMI SAIKIA	OBC	Female		RESERVED
145	10440	BAISHALI BURAGOHAIN	OBC	Female		RESERVED
146	13393	SHAHNAZ AKHTER AHMED	MOBC	Female		RESERVED
147	13031	RITUMONI DOLEY	STP	Female		RESERVED
148	12550	PARISMRITA BASUMATARY	STP	Female		RESERVED
149	12534	PARBINA RAHMAN SAIKIA	EWS	Female		RESERVED
150	13314	SAR ANGJOK ENGTI	STH	Male		RESERVED
151	13693	TRAINING LALHMATHUOI	STH	Male		RESERVED
152	10649	BINEN DAULAGUPU	STH	Male		RESERVED
153	12898	RAJU MOSORONG	STH	Male		RESERVED
154	11731	KISMITA LONGMAILAISA	STH	Female		RESERVED
155	10586	BIBOJEET HAFLONGBAR	STH	Male		RESERVED
156	10835	DEBAJIT HOJAI	STH	Male		RESERVED
157	11773	KUN SING ENGTI	STH	Male		RESERVED
158	10869	DEEP JYOTI TIMUNG	STH	Male		RESERVED
159	11826	LODIKA HOJAI	STH	Female		RESERVED
160	13094	RUKASEN RONGPI	STH	Male		RESERVED
161	12127	MOSRING THOUSEN	STH	Male		RESERVED
162	10238	ANGKITA HOJAI	STH	Female		RESERVED
163	10495	BHABAJYOTI LONGMAILAI	STH	Male		RESERVED
164	13812	PARTHA JYOTI NATH	OBC	Male	OH	RESERVED
165	11960	MARSINA THAUSEN	STH	Female		RESERVED
166	11127	ERINA HOJAI	STH	Female		RESERVED
167	10268	ANKITA RAHUNG	STH	Female		RESERVED
168	13374	SERLIBON RONGHANGPI	STH	Female		RESERVED
169	13796	BIDYAJIT BARUAH	MOBC	Male	VI	RESERVED
170	13793	ANKUSH DEKA	GEN	Male	VI	OPEN CATEGORY
171	13792	AFTAB ALI	GEN	Male	HI	OPEN CATEGORY

* **There was no candidate of PWD (Autism) Category.**

NB: 1. The Commission will not be responsible for any typing/printing mistake.
2. Results may be accessed by logging into the APSC's website www.apsc.nic.in

14/3/22
Principal Controller of Examinations,
Assam Public Service Commission
Khanapara, Guwahati-22

Janasanyog/D/17384/21

ডিগবৈত মহিলাৰ মাজত প্ৰতিক্ৰিয়া

ঋণমুক্ত নোহোৱা হিতাধিকাৰীৰ সকাহ আঁচনিৰ অনুদান লাভ

ডিগবৈ, ১৪ মাৰ্চ ঃ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা বিভিন্ন মাইক্ৰ'ফাইনেন্স বিত্তীয় প্ৰতিষ্ঠানৰ পৰা মহিলাসকলে লোৱা ঋণ ৰেহাই দিয়াৰ বাবে সকাহ আঁচনিৰে ঋণ পৰিশোধ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছিল। চৰকাৰৰ তৰফৰ পৰা পৰ্যায়ক্ৰমে ৰাজ্যৰ বিভিন্ন প্ৰান্তত বৰ্তমানে মহিলাসকলক সকাহ আঁচনিৰ চেক প্ৰদান কৰি আহিছে। কিন্তু তিনিচুকীয়া জিলাৰ তৈলনগৰী ডিগবৈ চহৰৰ পাৰ্শ্বৱৰ্তী টিংৰাই, বগাপানী, বৰবিল, গোলাই, ৰামনগৰ, লক্ষীপথাৰ, বালিজান, বৰজান, পাণবাৰী, বাপাপুং, ভীমপথাৰ আদি অঞ্চলৰ একাংশ মহিলাই সকাহ আঁচনিৰ অনুদান বৰ্তমানো লাভ কৰিবলৈ সক্ষম হোৱা নাই। বঞ্চিত মহিলাসকলৰ মতে বিভিন্ন মাইক্ৰ'ফাইনেন্স বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ লোৱা সময়ত ঋণ পৰিশোধ কৰিবলৈ নিৰ্ধাৰিত কৰা সময়সীমাৰ ভিতৰত পৰিশোধ কৰিলে তেওঁলোক সকাহ আঁচনিৰ অনুদান প্ৰদান কৰাৰ আশ্বাস প্ৰদান কৰিছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। কিন্তু ডিগবৈত সকাহ আঁচনিৰ অনুদান লাভ কৰা হিতাধিকাৰীৰ বিপৰীত ছবি দেখিবলৈ পোৱা গৈছে। বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ লোৱা ধন সময়মতে পৰিশোধ নকৰাৰ বিপৰীতে কোনো কোনো হিতাধিকাৰীয়ে ঋণ পৰিশোধ কৰিবলৈ একেবাৰে বাদ দিয়াৰ পাছতো সকাহ আঁচনিৰ অনুদান লাভ কৰিবলৈ সক্ষম হোৱাত মহিলাসকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নিৰ্ধাৰিত সময়ৰ ভিতত ঋণ পৰিশোধ কৰিও সকাহ আঁচনিৰ অনুদান লাভ কৰিবলৈ সক্ষম নোহোৱাত সকাহ আঁচনিৰ অনুদান প্ৰদানৰ ক্ষেত্ৰত উপযুক্ত হিতাধিকাৰীৰ মাইক্ৰ'ফাইনেন্স ঋণ ওভতাই দিয়াৰ ৰেকৰ্ডসমূহ তন্নতন্নকৈ পৰীক্ষা-নিৰীক্ষা কৰি সকাহ আঁচনিৰ অনুদান প্ৰদান কৰিবলৈ চৰকাৰক দাবী জনাইছে।

নিবনুৱা সন্থাৰ লখিমপুৰ সমিতিৰ ৩৩ সংখ্যক বাৰ্ষিক অধিবেশন

চৰকাৰৰ হিতাধিকাৰী সৃষ্টিয়ে সমাজত ধোদৰ সংখ্যা বৃদ্ধি কৰিছে

অগ্ৰদূত বাৰ্তা
লখিমপুৰ, ১৪ মাৰ্চ ঃ সদৌ অসম নিবনুৱা সন্থাৰ লখিমপুৰ জিলা সমিতিৰ ৩৩ সংখ্যক বাৰ্ষিক অধিবেশন আজি উত্তৰ লখিমপুৰ সাহিত্য সভা ভৱনত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। সন্থাৰ সভাপতি বিনোদ দাসৰ দ্বাৰা পতাকা উত্তোলনেৰে আৰম্ভ হোৱা অধিবেশনৰ পাছতে প্ৰতিনিধি সভা অনুষ্ঠিত হয়। দুপৰীয়া মুকলি সভাত 'নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত ৰাজনৈতিক দলসমূহৰ ভূমিকা' শীৰ্ষক আলোচ্য বিষয় সন্দৰ্ভত মুখ্য অতিথিৰূপে উত্তৰ লখিমপুৰৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই কয়, 'আমাৰ উৎপাদিত সামগ্ৰীৰ বাবে উপযুক্ত বজাৰ নাই, এই সকলোবোৰ সম্প্ৰতি পুঁজিপতিৰ হাতত, ইয়াৰ বাবে ৰাজনৈতিক দলসমূহৰ সঠিক অধ্যয়নেৰে পদক্ষেপ গ্ৰহণ কৰি নিবনুৱা সমস্যা লাঘৱ কৰিব পৰা যায়।' বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক নৰেন শৰ্মাই কয় যে বৰ্তমান চৰকাৰৰ আঁচনিৰ হিতাধিকাৰী সৃষ্টিয়ে আমাৰ সমাজত ধোদৰ সৃষ্টি কৰিছে। অনুষ্ঠানত উত্তৰ লখিমপুৰ প্ৰেছ ক্লাবৰ সভাপতি কুমুদ বৰুৱা, বেংক বিষয়া কুলধৰ বৰুৱা প্ৰমুখ্যে কে'বাজনো বিশিষ্ট ব্যক্তিয়ে নিবনুৱা সমস্যা সমাধানৰ উপায়, এই ক্ষেত্ৰত ৰাজনৈতিক দলসমূহৰ ভূমিকা আৰু কৰণীয় লগতে মুগা, এৰী আদি পালনেৰে কেনেদৰে স্বাৱলম্বী হ'ব পাৰি মূল বিষয় সন্দৰ্ভত আলোকপাত কৰে। উল্লেখ্য যে লখিমপুৰ চিকিৎসা মহাবিদ্যালয় উদ্বোধন কৰি ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে কেৱল লখিমপুৰ, ধেমাজি নিবনুৱাক লখিমপুৰ মহাবিদ্যালয়ত নিযুক্তি দিয়া হ'ব বুলি কৰা মন্তব্য সম্পৰ্কত আজিৰ সভাৰ সিদ্ধান্ত মৰ্মে গ্ৰহণ কৰা প্ৰস্তাৱ অনুসৰি লখিমপুৰ আৰু ধেমাজি জিলাৰ নিবনুৱাক লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ত নিযুক্তি দিবলৈ চৰকাৰক আহ্বান জনাবলৈ প্ৰস্তাৱ ৰখা হয়।

সোণাৰিৰ নাফুক চাহ বাগিচাত উত্তপ্ত পৰিস্থিতি ঃ দুমাহে অনাদায় শ্ৰমিকৰ দৰমহা

অগ্ৰদূত বাৰ্তা
সোণাৰি, ১৪ মাৰ্চ ঃ চৰাইদেউ জিলাৰ সদৰ সোণাৰি নগৰৰ সমীপৱৰ্তী এপিজেটি কোম্পানীৰ নাফুক চাহ বাগিচাত আজি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। মুলতঃ দীৰ্ঘ সময় ধৰি বাগিচাৰ চাহ শ্ৰমিকে পাবলগীয়া দা-দৰমহা অনাদায় হৈ থকাত ক্ষোভিত শ্ৰমিকে বাগিচাৰ কাৰ্যালয় ঘেৰাও কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। উল্লেখ্য যে এপিজেটি কোম্পানীৰ অন্তৰ্গত ক্ৰমে চক্ৰাই আৰু জৰকা চাহ বাগিচা দুখন গোপনে বিক্ৰী কৰাৰ পাছত নাফুক চাহ বাগিচাখনো বিক্ৰীৰ বাবে যাৱতীয় প্ৰস্তুতি চলাই আছিল। কিন্তু বাগিচা কৰ্তৃপক্ষই কৰ্মচাৰী, চাহ শ্ৰমিকৰ দা-দৰমহাৰ বিষয়টো লৈ সম্পূৰ্ণৰূপে পিঠি দিয়ে। যাৰ বাবে বিগত দুটা মাহে বাগিচাৰ কৰ্মচাৰী-শ্ৰমিকৰ দৰমহা অনাদায় হৈ ৰয়। এনে অৱস্থাত আজি নাফুক বাগিচাৰ চাহ শ্ৰমিকে বাগিচাৰ কাৰ্যালয় ঘেৰাও কৰি প্ৰাপ্য দৰমহা মোকলাই দিবলৈ দাবী জনায়। ইফালে, দুৰ্গা পূজাৰ মুঠ ২০ শতাংশ বোনাছৰ প্ৰথম কিস্তি ১৩ শতাংশ ইতিমধ্যে প্ৰদান কৰিছে যদিও বাকী সাত শতাংশ বোনাছৰ ধন ফাকুৱা উৎসৱৰ পূৰ্বে দিয়াৰ চুক্তি হৈছিল। উক্ত ধনো আজিকোপতি আদায় নিদিয়াত শ্ৰমিক ৰাইজ দুগুণে ক্ষুব্ধ হৈ পৰে। অৱশ্যে পাছত বাগিচাৰ পৰিচালকে অহা তিনিটা দিনৰ ভিতৰত বিষয়টো সমাধানৰ প্ৰতিশ্ৰুতি দিয়াত পৰিস্থিতি নিয়ন্ত্ৰণ হয়।

সমাজসেৱক, লেখক ইন্দ্ৰ মোহন কোচৰ বিয়োগ

অগ্ৰদূত বাৰ্তা
কোকৰাঝাৰ, ১৪ মাৰ্চ ঃ কোচ জনগোষ্ঠীৰ পুৰোধা ব্যক্তি, লেখক, অৱসৰপ্ৰাপ্ত শিক্ষক ইন্দ্ৰ মোহন কোচ (৭৮)ৰ যোৱা নিশা বাৰ্ধক্যজনিত কাৰণত নিজ গৃহতে মৃত্যু হয়। কোকৰাঝাৰ চহৰৰ মাগুৰমাৰী গাঁৱত ১৯৪৩ৰ পহিলা ডিচেম্বৰত জন্মগ্ৰহণ কৰা কোচ কৰ্মসূত্ৰে তেজপুৰ তুচাত কেন্দ্ৰীয় বিদ্যালয়ত কলা শিক্ষাৰ শিক্ষকতা চাকৰি কৰি বিগত ২০১০ত অৱসৰ গ্ৰহণ কৰে। তেওঁ কোচ ক্ৰোৰাং মাথপৰ প্ৰাক্তন সাধাৰণ সম্পাদক, কোকৰাঝাৰ জিলা কোচ ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি, কোচ দেহেং ৰঞ্চামৰ প্ৰতিষ্ঠাপক উপদেষ্টা হোৱাৰ লগতে ছাত্ৰ সংগঠন এবছুৰ সাংগঠনিক প্ৰতীকী সৃষ্টি কৰাত সহযোগ কৰিছিল। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ আৰু এগৰাকী কন্যা এৰি যায়।

বালিপৰা, ছেঙেলিমাৰি সংৰক্ষিত বনাঞ্চলত অগ্নিসংযোগ

একে সময়তে বনাঞ্চলৰ ভিন্ন স্থানত জুই

ষ্টাফ ৰিপ'ৰ্টাৰ
তেজপুৰ, ১৪ মাৰ্চ ঃ একাংশ লোকৰ ইচ্ছাকৃত দুষ্কাৰ্যৰ বাবে ক্ৰমান্বয়ে নিঃশেষ হ'বলৈ ওলাইছে শোণিতপুৰত বেদখলৰ বাবে ইতিমধ্যেই অস্তিত্বৰ সংকটত ভোগা দুখন সংৰক্ষিত বনাঞ্চলৰ অৱশিষ্ট গছ-গছনি। সম্প্ৰতি মানৱসৃষ্ট বনজুইৰ কবলত পৰা বালিপৰা আৰু ছেঙেলিমৰা বনাঞ্চলত আজি পুৰাও সংঘটিত হয় অনুৰূপ ঘটনা। দুয়োখন বনাঞ্চলৰ প্ৰাকৃতিকভাৱে থকা শালগছসমূহৰ লগতে অন্যান্য গছ-লতিকা সম্প্ৰতি জাহ গৈছে এই বনজুইত। ছেঙেলিমাৰি বনাঞ্চলৰ বিস্তীৰ্ণ অঞ্চলত সংঘটিত এই অগ্নিকাণ্ডৰ বিষয়ে স্থানীয় একাংশ লোকে কয় যে এচাম কিশোৰ তথা যুৱকে বিড়ি-চিগাৰেটৰ দ্বাৰাই এই অগ্নিকাণ্ড সংঘটিত কৰে। ইয়াৰে ভিতৰত এজনে আনকি নিজেও গছ-গছনি কাটি নিয়াৰ কথা স্বীকাৰ কৰি কয় যে এই সময়ত পূৰ্বৰে পৰাই এনে ঘটনা সংঘটিত হোৱা সত্ত্বেও বন বিভাগে ইয়াত কোনোধৰণৰ পহৰাৰ ব্যৱস্থা কৰা নাই বা এই বিষয়ে স্থানীয় ৰাইজৰ স'তেও আলোচনা কৰা নাই। তেওঁ বনাঞ্চলৰ পৰা খৰিৰ প্ৰয়োজনতহে শুকান গছ সংগ্ৰহ কৰা বুলি স্বীকাৰ কৰি কয়, 'ইয়াত আগতে বহু ডাঙৰ গছ আছিল যদিও এইবোৰ এতিয়া ইয়াত নাই। বনাঞ্চলৰ শালগছসমূহ গুৰিৰ পৰা আগলৈকে জলি ছাই বৰণ হোৱাৰ লগতে সৰু-বৰ গছবোৰ কাটি নিয়াৰ ফলত থকা মুঢ়াবোৰো সম্প্ৰতি জুইত জাহ গৈছে। ইপিনে, আজি পুৰা বালিপৰা সংৰক্ষিত বনাঞ্চলতো এনে জুয়ে ক্ষতি কৰে শালগছৰ লগতে অন্যান্য গছ-গছনিৰ। ফাগুনমহীয়া তলসৰা শুকান পাতত কোনো অবিবেচক লোকে কৰা অগ্নিসংযোগৰ ফলত সংৰক্ষিত বনাঞ্চলত বিয়পি পৰে এই জুই। বালিপৰা সংৰক্ষিত বনাঞ্চলখনৰ বিস্তীৰ্ণ অঞ্চল মানৱসৃষ্ট বনজুয়ে ছানি ধৰে। একে ঘটনাই সংঘটিত হয় গামানি অঞ্চলতো। চাৰিদুৱাৰৰ বনকৰ্মীৰ দলে দীৰ্ঘ সময় অগ্নি নিৰ্বাপণৰ চেষ্টা চলোৱাৰ পাছত দুপৰীয়া এই বনজুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে বালিপৰা-ভালুকপুং সংযোগী পথৰ দাঁতিৰ পৰা বালিপৰা সংৰক্ষিত বনাঞ্চলত সংঘটিত এই অগ্নিকাণ্ড ক্ৰমান্বয়ে বনাঞ্চলৰ ভিতৰলৈ বিয়পি পৰে। পূৰ্বৰ দৰেই বন বিভাগে এয়া একাংশ লোকে ধূম্ৰপান কৰি পেলাই দিয়া টুকুৰাৰ পৰা সংঘটিত হোৱা বুলি উল্লেখ কৰিলেও

একে সময়তে দুয়োখন সংৰক্ষিত বনাঞ্চলৰ ভিন্ন স্থানত একে ঘটনা সংঘটিত হোৱাটো ৰহস্যজনক। তদুপৰি, বনাঞ্চল দুখনৰ বৃহৎ অংশত বেদখল চলাৰ লগতে পকীগৃহ নিৰ্মাণ, খেতি আদি কৰি অহা হৈছে। উল্লেখ্য যে ছেঙেলিমাৰি বনাঞ্চলৰ যি স্থানত এই অগ্নিকাণ্ড সংঘটিত হৈছে তাৰ পৰাই কাষৰ বেদখলীকৃত অঞ্চলৰ সমীপলৈকে এই জুই বিয়পি পৰাত ইয়াৰ পৰা এইসকল লোকৰো ক্ষতি হোৱাৰ সম্ভাৱনা থকা সত্বেও এই ক্ষেত্ৰত তেওঁলোকৰ নিৰ্বিকাৰ ভূমিকাই বনাঞ্চলত হোৱা এনে দুষ্কাৰ্যৰ আন এখন ছবিও স্পষ্ট কৰিছে। পূৰ্বৰ ঘন অৰণ্যৰ সলনি এতিয়া বাসগৃহ আৰু মুকলি কৃষি পথাৰৰ ৰূপ লোৱাৰ লগতে একোখন গাঁও গঢ়ি উঠা এই দুখন বনাঞ্চলৰ অস্তিত্ব নিঃশেষ হ'বলৈ ওলোৱাৰ সময়ত চাৰিদুৱাৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ সন্মুখতে শিল-বালিৰ চোৰাং বেহাৰে জড়িত একাংশৰ আড্ডাই বিভাগটোৰো প্ৰকৃত স্বৰূপ উদঙাই দিছে।

অসম চৰকাৰ
শিক্ষা বিভাগ
২০২২ বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু অসম হাইমাদ্ৰাছা পৰীক্ষাৰ সমূহ পৰীক্ষাৰ্থীলৈ আন্তৰিক শুভেচ্ছা জনালোঁ
লগতে এই পৰীক্ষাটো সুকলমে সম্পাদন কৰিবলৈ সন্মানীয় শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, পৰীক্ষাত নিয়োজিত বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী, আৰক্ষী প্ৰশাসন আৰু শ্ৰদ্ধাৰ অসমবাসী ৰাইজৰ সহযোগিতা কামনা কৰিলোঁ।
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
জনসংযোগ/ডি/১৭৩৫০/২১
মাধ্যমিক শিক্ষা বিভাগ, অসম চৰকাৰ

অধিনায়ক ৰোহিতৰ প্ৰথম টেষ্ট শৃংখলাতে বিপক্ষক হোৱাইট ৰাছ কৰাৰ সফলতা ঃ দ্বিতীয় টেষ্টো তিনিদিনতেই সমাপ্ত

শ্ৰীলংকাৰ বিৰুদ্ধে ২-০ ত শৃংখলা জয় ভাৰতৰ

প্ৰসেনজিতৰ মিষ্টাৰ ডিমৰীয়া খিতাপ লাভ

অগ্ৰদূত বাৰ্তা

সোণাপুৰ, ১৪ মাৰ্চ ঃ 'নিচাজাতীয় দ্ৰব্য পৰিহাৰ কৰক আৰু শৰীৰচৰ্চাৰে নিজকে সবল কৰি ৰাখক'। এইবাণীৰে দেওবাৰে যোগদলৰ কৰ্চিয়া প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় সপ্তম মিষ্টাৰ ডিমৰীয়া 📄📁📄📄 শৰীৰ চৰ্চা প্ৰতিযোগিতা। ডিমৰীয়া বডি বিল্ডাৰ্চ এচচিয়েছনৰ উদ্যোগত ছটা শাখাত অনুষ্ঠিত প্ৰতিযোগিতাত ৰাজ্যৰ অৰ্ধশতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত লামডিঙৰ প্ৰসেনজিৎ কৰ্মকাৰৰে মিষ্টাৰ ডিমৰীয়া চেম্পিয়নশ্বিপ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। আনহাতে প্ৰতিযোগিতাত মহিলা শাখাত অংশগ্ৰহণ কৰা পিয়ালি ভৌমিকক বিশেষ বঁটাৰে সন্মানিত কৰা হয়। মিষ্টাৰ ইউনিভাৰ্ছ গোলাপ ৰাভা প্ৰতিযোগিতাখনিৰ মুখ্য বিচাৰক হিচাপে উপস্থিত থাকে।

বাংগালুৰুৰ দিবা-নৈশ টেষ্টত ২৩৮ ৰাণত পৰাস্ত সিংহলী বাহিনী

বাংগালুৰু, ১৪ মাৰ্চ ঃ ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচতো জয়লাভ কৰি 📄📫📁 ত শৃংখলাটো দখল কৰিছে। উল্লেখ্য যে শৃংখলাৰ প্ৰথমখন টেষ্টৰ দৰেই দ্বিতীয় টেষ্টতো ভাৰতে তিনি দিনতে পৰাস্ত কৰিলে শ্ৰীলংকাক। ইয়াৰপূৰ্বে ভাৰতে প্ৰথমখন টেষ্টত এক ইনিংছ আৰু 📄📄📄 ৰাণৰ বিশাল ব্যৱধানত জয়লাভ কৰি শ্ৰীলংকাৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাটোত 📂📫📁 ৰ অগ্ৰগতি লৈছিল। আজিৰ দ্বিতীয় টেষ্ট জয়ৰে ভাৰতে শ্ৰীলংকাক হোৱাইটৱাশ্ব কৰিলে। উল্লেখ্য যে ইয়াৰপূৰ্বে শ্ৰীলংকা তিনিখনীয়া টি- 📄📁 শৃংখলাটো আটাইকেইখন মেচতে পৰাস্ত হৈছিল। ৰোহিত শৰ্মাৰ নেতৃত্বত খেলা ভাৰতে প্ৰথমটো টেষ্ট শৃংখলাতে বিপক্ষক হোৱাইট ৱাশ্ব কৰি 📄📫📁 ত দখল কৰাৰ সফলতা লাভ কৰিলে। উল্লেখ্য যে বাংগালুৰুৰ চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত দিবা-নৈশ টেষ্টখনত ভাৰতে শ্ৰীলংকাৰ সন্মুখত 🗐🗐🖮 ৰাণৰ বিজয়লক্ষ্য দিছিল। প্ৰত্যুত্তৰত দ্বিতীয় ইনিংছ আৰম্ভ কৰা শ্ৰীলংকাই কালি এটা উইকেট হেৰুৱাই 📄🖰 ৰাণ কৰাৰ পাছত আজি চাপৰ মাজত খেলিবলৈ লয়। কৰুনাৰত্নেৰ (📂📁🖮☸ শতক আৰু কুশল মেণ্ডিজৰ (🗄🗐☸ অৰ্ধশতকে দলক আশা দিছিল যদিও

উভয় বেটাৰৰ বিদায়ৰ পাছত তাৎক্ষনিকভাবে পতন হয় শ্ৰীলংকাৰ ইনিংছ। 📄📁🖰 ৰাণত দ্বিতীয় ইনিংছ সামৰি 📄🗏🖰 ৰাণত পৰাজয় স্বীকাৰ কৰে শ্ৰীলংকাই। ভাৰতৰ হৈ অশ্বিনে চাৰিটা, বুমৰাহে তিনিটা, অক্ষৰে দুটা আৰু জাডেজাই এটা উইকেট পায়। উল্লেখ্য যে টেষ্টখনত টছত জয়ী হৈ পোনতে বেটিং কৰা ভাৰতে প্ৰথমদিনাই 📄🗄📄 ৰাণতে প্ৰথম ইনিংছ সামৰিছিল। প্ৰত্যুত্তৰত শ্ৰীলংকাই যশপ্ৰীত বুমৰাহৰ বলিঙত তিষ্ঠিব নোৱাৰি 🗏🗄📬🗄 অভাৰত 📂📁🖲 ৰাণতে প্ৰথম ইনিংছ সামৰে। ফলত ভাৰতে প্ৰথম ইনিংছত 📂🗐🗏 ৰাণৰ অগ্ৰগতি লাভ কৰে। ভাৰতৰ হৈ বুমৰাহে পাঁচটা, ৰবীচন্দ্ৰন অশ্বিন আৰু মহম্মদ ছামিয়ে দুটাকৈ আৰু অক্ষৰ পেটেলে এটা উইকেট পায়। ইফালে, ভাৰতে দ্বিতীয় ইনিংছ আৰম্ভ কৰি দ্বিতীয় দিনাই 🗏📁🗏📭🖲 ৰাণত ইনিংছ ঘোষণা কৰে আৰু শ্ৰীলংকাৰ সন্মুখত 🗐🗐🖮 ৰাণৰ বিজয়লক্ষ্য দিয়ে। স্মৰ্তব্য যে ভাৰত আৰু শ্ৰীলংকাৰ দুখনীয়া টেষ্ট শৃংখলাটো আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অংশ। উভয় টেষ্ট জয়ৰে ভাৰতে লাভ কৰিলে 📄🗐 পইণ্ট।

আই চি চিৰ মাহটোৰ শ্ৰেষ্ঠ ক্ৰিকেটাৰ নিৰ্বাচিত শ্ৰেয়াছ

ডুবাই, ১৪ মাৰ্চ ঃ ভাৰতৰ নৱাগত মিডিল অৰ্ডাৰ বেটাৰ শ্ৰেয়াছ আয়াৰ আই চি চিৰ এই মাহৰ শ্ৰেষ্ঠ ক্ৰিকেটাৰ নিৰ্বাচিত হৈছে। উল্লেখ্য যে গৃহভূমিত ৱেষ্ট ইণ্ডিজ আৰু শ্ৰীলংকাৰ বিৰুদ্ধে খেলা টেষ্ট আৰু টি- 📄📁 শৃংখলাত কৰা ধাৰাবাহিক অনবদ্য বেটিঙৰ বাবে আয়াৰ আই চি চিৰ এই মাহৰ শ্ৰেষ্ঠ ক্ৰিকেটাৰ নিৰ্বাচিত হৈছে। ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচতো জয়লাভ কৰি 📄📫📁 ত শৃংখলাটো দখল কৰিছে। উল্লেখ্য যে দ্বিতীয় টেষ্টত ভাৰতৰ জয়ত মূখ্য ভূমিকা লয় শ্ৰেয়াছে। উল্লেখ্য যে উভয় ইনিংছতে ভাৰতে বেটিং বিপৰ্যয়ৰ সন্মুখীন হৈছিল যদিও শ্ৰেয়াছে দায়িত্বশীল বেটিং কৰি দলক দৃঢ় স্থিতিত উপনীত কৰিবলৈ সক্ষম হয়। সেয়ে দ্বিতীয় টেষ্টৰ শ্ৰেষ্ঠ হয় শ্ৰেয়াছ। উল্লেখ্য যে প্ৰথম ইনিংছত ভাৰতে বেটিং বিপৰ্যয়ৰ সন্মুখীন হৈছিল। আৰম্ভণিৰ পৰাই ধাৰাবাহিকৰূপত উইকেট হেৰুওৱা ভাৰতক সন্মানজনক স্থিতি দিয়ে দায়িত্বশীল ইনিংছ খেলি 🖲📄 ৰাণ কৰা শ্ৰেয়াছ আয়াৰে। বিপৰীতে উইকেটত খিতাপি ল'ব নোৱাৰি হতাশাৰে পেভিলিয়নমুখী হয় দুই অপেনাৰ ৰোহিত শৰ্মা (📂🗄☸📪 মায়ংক আগৰৱাল (🗐☸📪 হনুমা বিহাৰী (🗏📂☸📪 বিৰাট কোহলি (📄🗏☸📪 তথা প্ৰথম টেষ্টৰ তিনি নায়ক

ঋষভ পণ্ট (🗏🖲☸📪 ৰবীন্দ্ৰ জাডেজা (🗐☸ আৰু ৰবীচন্দ্ৰন অশ্বিন (📂🗏☸🕐 আনহাতে, দ্বিতীয় ইনিংছত ভাৰতৰ হৈ শ্ৰেয়াছ আয়াৰ (⌛🖮☸ আৰু ঋষভ পণ্টে (🗄📁☸ অৰ্ধশতক অৰ্জন কৰাৰ বিপৰীতে ৰোহিত শৰ্মাই 🗐⌛, হনুমা বিহাৰীয়ে 🗏🗄📪 মায়ংক আগৰৱাল তথা ৰবীন্দ্ৰ জেডেজাই 📄📄 কৈ আৰু বিৰাট কোহলি তথা অশ্বিনে 📂🗏 ৰাণকৈ কৰে।

টেষ্ট শৃংখলাত শ্ৰেষ্ঠ ঋষভ পণ্ট, ৰোহিত শৰ্মাৰ উচ্চ প্ৰশংসা

বাংগালুৰু, ১৪ মাৰ্চ ঃ ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচতো জয়লাভ কৰি 📄📫📁 ত শৃংখলাটো দখল কৰিছে। ইফালে, এই শৃংখলাৰ শ্ৰেষ্ঠ হৈছে টীম ইণ্ডিয়াৰ উইকেটৰক্ষক বেটাৰ ঋষভ পণ্ট। ভাৰতে প্ৰথমখন টেষ্টত এক ইনিংছ আৰু 📄📄📄 ৰাণৰ বিশাল ব্যৱধানত জয়লাভ কৰি শ্ৰীলংকাৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাটোত 📂📫📁 ৰ অগ্ৰগতি লৈছিল। প্ৰথম টেষ্টত টীম ইণ্ডিয়াৰ উইকেটৰক্ষক বেটাৰ ঋষভ পণ্টে 🖲⌛ ৰাণৰ অনবদ্য ইনিংছ খেলি ভাৰতক বিপদৰ পৰা মুক্ত কৰিছিল। আনহাতে, টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচত এক নতুন অভিলেখ গঢ়ে পণ্টে। উল্লেখ্য যে দিবা-নৈশ টেষ্টখনৰ দ্বিতীয় দিনা ভাৰতীয় টেষ্ট ক্ৰিকেটত নতুন অভিলেখৰ গৰাকী হয় উইকেটৰক্ষক পন্ট। 🗐📁 বছৰীয়া অভিলেখ ভংগ কৰি ঋষভ পণ্টে গঢ়িলে নতুন ৰেকৰ্ড। টেষ্ট ক্ৰিকেটত ভাৰতৰ দ্ৰুততম অৰ্ধশতক অৰ্জন কৰা অভিলেখৰ গৰাকী হয় ঋষভ। 📄🖰 টা বলত অৰ্ধশতক সম্পন্ন কৰে ঋষভ পণ্টে। ইয়াৰ পূৰ্বে পাকিস্তানৰ বিৰুদ্ধে 🗏📁 টা বলত অৰ্ধশতক অৰ্জন কৰিছিল কপিল দেৱে। 📂🖲🖰📄 ত কপিল দেৱে গঢ়া এই অভিলেখ 🗐📁 বছৰৰ পাছত ভংগ কৰিলে ঋষভ পণ্টে। ইয়াৰপূৰ্বে প্ৰথম ইনিংছত পণ্টে কৰে 🗏🖲 ৰাণ। দুখনীয়া টেষ্ট শৃংখলাত উইকেট কিপিঙতো পণ্টৰ ভূমিকা আছিল অনন্য। অধিনায়ক ৰোহিত শৰ্মায়ো উচ্চ প্ৰশংসা কৰে পণ্টক।

এছিয়ান গেমছৰ ভাৰতীয় দলত অসমৰ লাভলীনা

নতুন দিল্লী, ১৩ মাৰ্চ ঃ টকিঅ' অলিম্পিকত ভাৰতক পদক দিয়া অসমৰ মহিলা বক্সাৰ লাভলীনা বৰগোঁহায়ে চলিত বৰ্ষত চীনত হ'বলগা এছিয়ান গেমছৰ ভাৰতৰ মহিলা বক্সিং দলত স্থান লাভ কৰিছে। উল্লেখ্য যে আজি হোৱা বাছনি খেলত লাভলীনাই ⌛🖲 কিলোগ্ৰাম শাখাত 🖮📫📁 ৰ ব্যৱধানত পৰাস্ত কৰে ৰেলৱে দলৰ পূজাক। পাঁচজনীয়া দলৰ অন্য সদস্যাসকল হ'ল নিখাত জাৰিন (🗄📂 কিলোগ্ৰাম), মনীষা (🗄🖮 কিলোগ্ৰাম), জেছমিন (⌛📁 কিলোগ্ৰাম) আৰু স্বতি (🖮🗄 কিলোগ্ৰাম)। ইয়াৰপূৰ্বে আসন্ন বিশ্ব বক্সিঙৰ ভাৰতীয় দলতো স্থান লাভ কৰিছিল টকিঅ' অলিম্পিকত ভাৰতক পদক দিয়া অসমৰ মহিলা বক্সাৰ লাভলীনা বৰগোঁহায়ে। উল্লেখ্য যে বাছনি প্ৰতিযোগিতাত লাভলীনাই পৰাস্ত কৰে অৰুধূতি চৌধুৰীক। অহা ছয়ৰ পৰা 📄📂 মে'লৈ ইষ্টানবুলত হ'ব বিশ্ব বক্সিং। লাভলীনাই খেলিব 🖮📁 কিলোগ্ৰাম শাখাত। উল্লেখ্য যে টকিঅ' অলিম্পিকৰ পাছত চলিত সপ্তাহত দুবাৰকৈ প্ৰথমবাৰৰ বাবে ৰিঙত নামে লাভলীনা। আজিৰ বাছনিৰে লাভলীনাৰ এছিয়ান গেমছৰ লগতে কমনৱেলথ গেমতো জাতীয় দলত স্থান নিশ্চিত হ'ল। ইয়াৰপূৰ্বে 📄📁📂🖰 আৰু 📄📁📂🖲 ত ক্ৰমাগত দুখন বিশ্ব মহিলা বক্সিঙত ব্ৰঞ্জ লাভ কৰি বিশ্বকে চমকিত কৰিছে লাভলিনাই। অলিম্পিক পদক জয়ী কৰি প্ৰথম অসমীয়া হিচাপে খেলৰত্নও লাভ কৰিছে লাভলীনাই। যোৱা দুটা বছৰ কৰ'নাৰ বাবে হোৱা নাছিল বিশ্ব বক্সিং। উল্লেখ্য যে টকিঅ' অলিম্পিকত ⌛🖲 কিলোগ্ৰাম শাখাত খেলা ভাৰতৰ মহিলা বক্সাৰ লাভলীনা বৰগোঁহায়ে ছেমিফাইনেলত পৰাস্ত হয় যদিও দেশক ব্ৰঞ্জ পদক দি গৌৰৱময় সফলতা লাভ কৰে। এতিয়া লক্ষ্য এছিয়ান গেমছৰ লগতে কমনৱেলথ গেমতো পদক জয় কৰা।

আন্তঃ ক্লাব ক্ৰিকেট লীগ

মিলন কলা কৃষ্টি বিজয়ী

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ১৪ মাৰ্চ ঃ তামুলপুৰ জিলা ক্ৰিকেট সন্থাৰ উদ্যোগত আৰু মিলন কলা কৃষ্টি সংঘ লতিবাৰীৰ সৌজন্যত তামুলপুৰ জিলাৰ পূৰ কচুকাটাত অনুষ্ঠিত হোৱা তামুলপুৰ জিলা আন্তঃ ক্লাব ক্ৰিকেট লীগত মিলন কলা কৃষ্টি সংঘ লতিবাৰী ক্লাবে আজি নাওঁকাটা ক্ৰিকেট ক্লাবক হৰুৱাই চেম্পিয়ন হয় । আজি অনুস্থিত চূড়ান্ত খেলখনত লতিবাৰী মিলন ক্ৰিকেট ক্লাবে প্ৰথমে বেটিং কৰি নাওঁকাটা ক্ৰিকেট ক্লাবক 📄📁🖮 ৰাণৰ লক্ষ্য বান্ধি দিয়ে যদিও নাওঁকাটা ক্ৰিকেট ক্লাবে 📂🗏🖲 ৰাণতে আটাইকেইটা উইকেট হেৰুৱায় । চূড়ান্ত খেল খনৰ মেন অফ দা মেছ বিজিৎ কলিতা আৰু প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে চিৰণজিৎ ৰাভাই । খেলৰ অন্তত তামুলপুৰ জিলা ক্ৰিকেট সন্থাৰ কাৰ্যকৰী সভাপতি দেবেন দাস আৰু তামুলপুৰ আৰক্ষী থানাৰ আৰক্ষী বিষয়া ভাস্কৰ দেওঘৰীয়াই বটা প্ৰদান কৰে । চূড়ান্ত খেলখন উদ্বোধন কৰে তামুলপুৰ জিলা ইউপিপিএলৰ সাধাৰন সম্পাদক গনেশ নাথে।

দ্বিতীয় টেষ্টত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে বেটিং বিপৰ্যয় পাকিস্তানৰ

কৰাচী, ১৩ মাৰ্চ ঃ অষ্ট্ৰেলিয়াই পাকিস্তানৰ বিৰুদ্ধে খেলা চলিত টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচত জয়ৰ সুযোগ লাভ কৰিছে। উল্লেখ্য যে কৰাচীত চলি থকা টেষ্টখনৰ আজি তৃতীয় দিনা অষ্ট্ৰেলিয়াই ন উইকেটত 🗄🗄⌛ ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰে। প্ৰত্যুত্তৰত পাকিস্তানে মাত্ৰ 📂🗐🖰 ৰাণতে প্ৰথম ইনিংছ সামৰি বিপৰ্যয়ৰ সন্মুখীন হয়। ইফালে, দিনান্তত অষ্ট্ৰেলিয়াই দ্বিতীয় ইনিংছ আৰম্ভ কৰি এক উইকেট হেৰুৱাই 🖰📂 ৰাণ কৰিছে। দলে মুঠ 🗐🖰🖲 ৰাণৰ অগ্ৰগতি লাভ কৰিছে। উল্লেখ্য যে টেষ্টখনত টছত জয়ী হৈ পোনতে বেটিং কৰা অষ্ট্ৰেলিয়াই প্ৰথম দিনাৰ খেলৰ অন্তত প্ৰথম ইনিংছত তিনিটা উইকেট হেৰুৱাই 📄🗄📂 ৰাণ কৰিছিল। উস্মান খাৱাজাই শতকীয় ইনিংছ খেলি 📂⌛📁 ৰাণত আউট হয়। আনহাতে, দলৰ হৈ 🖲🖲 ৰাণৰ অনবদ্য ইনিংছ খেলে এলেক্স কেৰীয়ে। ইফালে, 🖮📄 ৰাণৰ অৱদান আগবঢ়ায় ষ্টিভেন স্মিথে। উল্লেখ্য যে শৃংখলাৰ প্ৰথম টেষ্টখন ড্ৰৰূপে সমাপ্ত হৈছিল। সেয়ে দ্বিতীয় টেষ্ট উভয় দলৰ বাবে গুৰুত্বপূৰ্ণ হৈ পৰিছে। ৰাৱালপিণ্ডিৰ প্ৰথম টেষ্টত পোনতে বেটিং কৰা পাকিস্তানে প্ৰথম ইনিংছত চাৰি উইকেটত 🗐🖮⌛ ৰাণ কৰাৰ প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছ সামৰে 🗐🗄🖲 ৰাণত। ইফালে, দ্বিতীয় ইনিংছ আৰম্ভ কৰি পাকিস্তানে কোনো উইকেট নেহেৰুৱাকৈ 📄🗄📄 ৰাণ কৰাত মেচখন ড্ৰ ঘোষণা কৰা হয়। পাকিস্তানৰ ইমাম উল হকে উভয় ইনিংছতে শতক অৰ্জন কৰে।

বৰবিলত প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

মাহমৰা, ১৪ মাৰ্চ ঃ মাহমৰা অঞ্চলৰ মইনামতি জ্ঞানজ্যোতি যুৱ সমাজৰ উদ্যোগত আৰু বৰবিলবাসীৰ সহযোগত অহা 📂🖰 মাৰ্চৰ পৰা মইনামতি ৰাজহুৱা খেলপথাৰত এখনি আমন্ত্ৰণ মূলক প্ৰাইজমণি ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে। প্ৰতিযোগিতাখনৰ চেম্পিয়ন দলক 📂🗄 হোজাৰ আৰু বিজিত দলক 📂📁 হেজাৰ টকা প্ৰাইজমণি হিচাপে প্ৰদান কৰা হ'ব বুলি উদ্যক্তা মাহমৰা অঞ্চলৰ মইনামতি জ্ঞানজ্যোতি যুৱ সমাজে প্ৰকাশ কৰিছে।

ৰত্নকান্ত-ললিতা পাঠক ক্ৰিকেট প্ৰতিযোগিতা

অ' এম চি চি-ৰাইজিং ষ্টাৰ ছেমিত

বিশেষ সংবাদদাতা, ওদালগুৰি, ১৪ মাৰ্চ ঃ ওদালগুৰি ক্ৰিকেট কোচিং চেণ্টাৰৰ উদ্যোগত ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত চলি থকা প্ৰথম বাৰ্ষিক প্ৰয়াত ৰত্নকান্ত পাঠক আৰু প্ৰয়াত ললিতা পাঠক সোঁৱৰণী ক্ৰিকেট প্ৰতিযোগিতাৰ আজি প্ৰথমখন খেলত ওদালগুৰি অ'এমচিচিয়ে তেজপুৰ হাৰিকেনক সাত উইকেটত পৰাস্ত কৰে। টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্তৰে তেজপুৰে 📂🖰 অভাৰত নটাকৈ উইকেটৰ বিনিময়ত 📂🗐🗄 ৰাণ সংগ্ৰহ কৰে। তেজপুৰৰ সুশাংকৰ দাসে 🗏🖰 ৰাণ সংগ্ৰহ কৰাৰ বিপৰীতে অ'এমচিচিৰ আমিনুল হাছান আৰু জিন্নাতুল হকে দুটাকৈ উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি অ'এমচিচিয়ে 📂⌛📬📂 অভাৰত তিনিটা উইকেট পতনেৰে জয়ৰ লক্ষত উপনীত হয়। অ'এমচিচিৰ প্ৰদীপ সৰকাৰে 🖰📄 ৰাণ সংগ্ৰহ কৰে। ইফালে, আজিৰ দ্বিতীয়খন খেলত ওদালগুৰি ৰাইজিং ষ্টাৰ ক্লাবে ৰঙিয়াৰ জনকল্যান এনজিঅ'ক 🖮🗐 ৰাণত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্তৰে ওদালগুৰিয়ে 📂⌛ অভাৰত সাতটা উইকেটৰ বিনিময়ত 📂⌛🖲 ৰাণ সংগ্ৰহ কৰে। ৰাইজিং ওদালগুৰিৰ সঞ্জয় সিঙে 🗐📂 ৰাণ সংগ্ৰহ কৰাৰ বিপৰীতে ৰঙিয়াৰ মৃণাল দাসে তিনিটা উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি ৰঙিয়াই 📂📄📬🗄 অভাৰত 🖲🗄 ৰাণতে ইনিংছ সামৰে। ৰাইজিঙৰ জিতু শঞ্জইকীয়া, সঞ্জয় সিং আৰু বিশ্বজিৎ ডেকাই দুটাকৈ উইকেট দখল কৰে।

দীপাংকৰ এলেভেন চেম্পিয়ন

অগ্ৰদূত বাৰ্তা, ঘগ্ৰাপাৰ, ১৪ মাৰ্চ ঃ নলবাৰী জিলাৰ পয়লা লাচিত সংঘৰ উদ্যোগত অসম ভিত্তিত আয়োজিত নৱম বাৰ্ষিক দিবা- নৈশ টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতাখনত দীপাংকৰ এলেভেনে চেম্পিয়ন খিতাপ অৰ্জন কৰে। পয়লা চ'কৰ খেলপথাৰত অনুষ্ঠিত ফাইনেল খেল খনত এম এন এলেভেনে প্ৰথমে বেট ধৰি ⌛⌛ ৰাণৰ লক্ষ্য বান্ধি দিয়ে দীপাংকৰ এলেভেনক। প্ৰত্যুত্তৰত দীপাংকৰ এলেভেনে নীলিম আৰু মেক্সৱেলৰ চমকপ্ৰদ খেলেৰে জয়ী অৰ্জন কৰে। খেলৰ অন্তত বিজয়ী দল দীপাংকৰ এলেভেনক নগদ 🗄📁 হেজাৰ টকা আৰু ট্ৰফী, আনহাতে বিজিত দল এম এন এলেভেনক নগদ 📄🗄 হেজাৰ টকা আৰু ট্ৰফী প্ৰদান কৰা হয়।

সদৌ অসম ক্ৰিকেটত আয়ুস ইলেভেন দল চেম্পিয়ন

অগ্ৰদূত বাৰ্তা

বেবেজীয়া, ১৪ মাৰ্চ ঃ নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতিকাষৰীয়া ম'হমৰীয়া চাৰিআলিৰ সমীপৰ খেলপথাৰত ম'হমৰীয়া বয়জ ক্লাবৰ উদ্যোগত সদৌ অসম ভিত্তিত তিনিদিনীয়াকৈ অনুষ্ঠিত দিবা-নৈশ প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাত ঘাঁহীৰ আয়ুস ইলেভেনে চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰিছে। প্ৰতিযোগিতাৰ ফাইনেলত আয়ুস ইলেভেনে কে.ৰাই. চি.ক পাঁচ ৰাণত পৰাজিত কৰে। আয়ুস ইলেভেনৰ ত্ৰিদীপ হাজৰিকাই ফাইনেলৰ মেন অব দ্যা মেচ আৰু কে.ৰাই.চি.ৰ হিতেশ্বৰ বৰদলৈয়ে মেন অব দ্যা চিৰিজৰূপে বিবেচিত প্ৰতিযোগিতাৰ ছেমি ফাইনেলত আয়ুস ইলেভেনে মিলনপুৰ ক্ৰিকেট ক্লাবক 📄⌛ ৰাণত আৰু কে.ৰাই.চি.য়ে ঘাঁহী ইলেভেন ষ্টাৰক আঠ উইকেটত হৰুৱাই

ফাইনেলত উপনীত হৈছিল। ফাইনেল খেলখনত সীমান্ত দাস আৰু পাৰ্থপ্ৰতিম শৰ্মা আম্পায়াৰৰূপে আছিল। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ 📄⌛ টা দলে যোগদান কৰা সীমিত অভাৰৰ দ্বাদশ সংখ্যক প্ৰতিযোগিতাখনৰ অন্তত যুৱ সংগঠক হেমন্ত দাসে আঁত ধৰা সামৰণি অনুষ্ঠানত নগাঁও জিলা অনুসূচিত জাতি উন্নয়ন বৰ্ক্সৰ্ডৰ অধ্যক্ষ নৰেন চন্দ্ৰ দাস, সমাজ সংগঠক তথা কৃতী শিক্ষক লৱকান্ত শৰ্মা,নগাঁও ক্ৰীড়া সংস্থাৰ সহকাৰী সম্পাদক সমীৰ হাজৰিকা, সমাজসংগঠক অৰ্ণৱ দাস,হীৰকজ্যোতি দাস,অনুপম দাস,প্ৰৱিতা দাস আদিয়ে বিভিন্ন বঁটাসমূহ বিতৰণ কৰে।

দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023

বিলাসনন্দন চ'ৰা



অমিত চাহ নহয়, নতুন চাহ

চাহৰ মহিমা অপাৰ। সৰু থাকোতেই দিল্লীৰ বাদশ্বাহে ষ্টেছনে ষ্টেছনে চাহ বেচি ফুৰিছিল। বহুতে কয়—মিছা কথা! বাদশ্বাহে চাহ বেচা নাছিল, পাণহে বেচিছিল। সেই কাৰণে চূণা দিয়াত ইমান ওস্তাদ। চকু চৰহাবোৰেনো নকয় কি? তেওঁলোকেতো বাদশ্বাহৰ ডিগ্ৰীক লৈও হাল্লা কৰিছিল। এটা কথা বুজা নাযায় যে মিছাতে এইবোৰ হাল্লা কৰি কি লাভ? ছেটেলাইট উৎক্ষেপণ হৈ কক্ষপথত ঘূৰিবলৈ লৈছেই যেতিয়া তাৰ ডিজাইনৰ ওপৰত বিতৰ্ক কৰাৰ কোনো মিনিং নাই। প্ৰথমে বাদশ্বাহে চায়ৱালাৰ ভাও লৈ লৈ ডেৰশ কোটি হিন্দুস্তানীক বুজাই দিলে যে পাপ্পুহঁতে ইমানদিনে তেওঁলোকক ঘোটে ঘোটে পানীহে খুৱাই আছে, তেওঁ আহিলে কিন্তু চাহ খুৱাব। প্ৰজাগণেও ভাবিলে বৰ ভাল কথা! পানীৰ সলনি যদি চাহ খাব পাৰো, কিনো বেয়া! এনেয়েও ৬০-৭০ বছৰে পানী খাওতে খাওতে প্ৰজাগণৰ তেজো পানী হৈ গৈছিল। তেজক পানী কৰি পেলোৱা কাৰণ তেওঁলোকৰ এনাৰ্জী লেভেলো লেভেললেছ হৈ পৰিছিল। চাহ খাই যদি অলপ এনাৰ্জী ওভতাই আনিব পৰা যায়, তেন্তে চায়ৱালাক ছাপোৰ্ট নিদিয়াৰ কোনো যুক্তি নাই! গতিকে চাহ খোৱাৰ চখতে ফুল ছাপোৰ্ট দিলে। প্ৰথমে এনে চাহ আহিল যে গাখীৰ দিয়াতো বাদেই, গাখীৰৰ লগতে ইলাচী-ডালচিনিৰ গুড়িও মিক্স কৰি চাহ যচা হ'ল। লাহে লাহে দিনবোৰ যাবলৈ ধৰিলে। ইলাচী-ডালচিনি নাইকিয়া হৈ তাৰ জাগাত আদা আহিল। আদাও লাহে লাহে নাইকিয়া হ'ব ধৰিলে। অকল গাখীৰ চাহহে থাকিল। তেতিয়াও প্ৰজাগণে ভাবিলে নো প্ৰব্লেম! গাখীৰ চাহতো খাবলৈ পোৱা গৈছে। গাখীৰ চাহ খাবলৈ পোৱাৰ মানসেৰে পুনৰ ফুল ছাপোৰ্ট দিলে। লাহে লাহে চাহৰ পৰা গাখীৰখিনি আঁতৰি গ'ল। তথাপি মানুহৰ কোনো আপছোচ নাই, ৰঙা চাহতো পাইছে। দিন বাগৰাৰ লগে লগে ৰঙা চাহৰ পৰা চেনিখিনি আঁতৰি গ'ল। হ'ব! কোনো কথা নাই। এনেয়ে বৰ-বেছি চেনি খোৱাটো ভাল কথা নহয়। দেখিবলৈও বেয়া, ছুগাৰ হোৱাৰো ভয় থাকে। লাহে লাহে ৰঙা চাহৰ পৰা চাহপাতখিনিও আঁতৰি গ'ল। তথাপি হিন্দুস্তানীৰ আপছোচ নাই গৰম পানীতো পাইছে খাবলৈ। লাহে লাহে চায়েৱালাৰ কেটলিটো গৰমো নোহোৱা হ'ল। গৰম পানীখিনি ঠাণ্ডা হৈ গ'ল। এতিয়া প্ৰজাগণে ঘোটে ঘোটে ঠাণ্ডা পানী পাই আছে। যি পানী নাখাওঁ বুলি তেওঁলোকে চায়ৱালাক ছাপোৰ্ট দি আছিল, সেই চায়ৱালাই এতিয়া চাহৰ কেটলিৰ তলৰ জুইখিনি বজাৰত জ্বলাই দি প্ৰজাগণক ঘোটে ঘোটে ঠাণ্ডা পানী খুৱাই আছে। তথাপি কাৰো অকণো আপত্তি নাই। চাহ দিয়া কেটলিটোৰেই পানী খুৱাই আছে কাৰণে প্ৰজাগণে ভাবি লৈছে যে সেয়া চাহেই। আৰু চায়ৱালায়ো বুজাব পাৰিছে যে চাহৰ কেটলিত চাহেই থাকিব, পানী নাথাকে। কিন্তু দিল্লীৰ বাদশ্বাহে চাহক লৈ অলপ নতুনকৈ চিন্তা-চৰ্চা আৰম্ভ কৰিছে। তেওঁ ৰাজসভাত কৈছে, 'নহ'ব বুজিছা। মই চাহ বেচি বেচিয়ে এইখিনি পাইছো।'

ঃ হয় জাহাপনা!
ঃ কিন্তু প্ৰতিবাৰতে চাহ বেচিব নোৱাৰি।
ঃ হয় জাহাপনা।
ঃ এতিয়া আমি চাহৰ নামত ডেৰশ কোটি হিন্দুস্তানীক ঘোটে ঘোটে পানী খুৱাই আছো।
ঃ হয় জাহাপনা।
ঃ এতিয়া আকৌ চাহক লৈ মাৰ্কেটিং কৰিলে লাভ নহ'ব।
ঃ তেন্তে কি কৰিব জাহাপনা?
ঃ মই এতিয়া এবিধ নতুন চাহহে ভাল পোৱা হৈছো। তাৰেই মাৰ্কেটিং কৰিম। সকলোকে ক'ম আপোনালোকে এইবিধ চাহক ছাপোৰ্ট কৰক।
ঃ অমিত চাহ নেকি?
বাদশ্বাহে ডাঙৰকৈ চিঞৰি দিলে— 'নহয়!'
ঃ তেন্তে?
ঃ মই হিন্দুস্তানীক ক'ম?
ঃ কি ক'ব জাহাপনা?
ঃ ক'ম যে এবিধ নতুন চাহ আহিছে। চাইনা, ৰাছিয়া আদিত এইবিধ চাহ বৰ পপুলাৰ হৈছে। হিন্দুস্তানতো পপুলাৰ কৰিব লাগে।
ঃ কি চাহ?
ঃ তানাচাহ!

(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)

চাৰিদুৱাৰত ৩০ যোৰা দৰা-কইনাৰ সমূহীয়া বিবাহ সম্পন্ন

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১৪ মাৰ্চ ঃ বৈবাহিক জীৱনৰ আনুষ্ঠানিক স্বীকৃতিৰ বাবে ৰাজহুৱা প্ৰচেষ্টাৰ অংশৰূপে শোণিতপুৰৰ চাৰিদুৱাৰত কালি ৩০ যোৰা দৰা- কইনাৰ মাজত অনুষ্ঠিত হয় এক সমূহীয়া বিবাহ কাৰ্যসূচী। চেঙেলীমাৰী গাঁও উন্নয়ন সমিতিৰ উদ্যোগত চাৰিদুৱাৰৰ চেঙেলীমাৰীস্থলীত হৰি মন্দিৰত অনুষ্ঠিত হোৱা এই বিবাহত মুঠ ৩০ যোৰা দৰা-কইনাৰ মাজত সামূহিকভাৱে বিবাহ সম্পন্ন কৰা হয়। মাংগলিক পৰিৱেশত দৰা-কইনা সকলৰ আত্মীয়ৰ লগতে অঞ্চলটোৰ উপৰি কাষৰীয়া অঞ্চলৰ ৰাইজৰ সহযোগত অনুষ্ঠিত এই সমূহীয়া বিবাহ কাৰ্যসূচীৰ দ্বাৰা উপকৃত হৈ আহিছে আৰ্থিকভাৱে সমস্যাত ভোগা বহু পৰিয়াল। উল্লেখ্য যে যিসকলে সামাজিকভাৱে আৰ্থিক অভাৱৰ বাবে সামাজিকভাৱে বিবাহ সম্পূৰ্ণ কৰিব পৰা নাছিল সেইসকল দম্পতীক প্ৰজাপতি বিবাহৰ দ্বাৰা সামাজিক স্বীকৃতি প্ৰদানৰ ব্যৱস্থা কৰা বুলি উল্লেখ কৰি আয়োজকসকলে লগতে কয় যে আমাৰ সমাজত বিবাহ যিহেতু এক সংস্কাৰৰ ভিতৰতে পৰে সেয়েহে ৰাইজৰ সহযোগত এইবাৰ ৩০ যোৰা দৰা-কইনাক এনেদৰে সমূহীয়া বিবাহৰ দ্বাৰা সংস্কাৰ কৰা হ'ল। হৰি মন্দিৰৰ মণ্ডপত দুয়োপাৰে শৃংখলাবদ্ধভাৱে তথা শাৰীপাতি বহা প্ৰতিযোৰা দৰা- কইনাৰ সন্মুখত প্ৰজ্বলিত হোমাগ্নি আৰু পুৰোহিতৰ মন্ত্ৰ উচ্চাৰণেৰে সম্পন্ন হোৱা এই সামূহিক বিবাহত আনকি ৬০ বছৰীয়া দৰা-কইনাও আছিল। উল্লেখ্য যে চেঙেলীমাৰী গাঁও উন্নয়ন সমিতিৰ দ্বাৰা ইয়াৰ পূৰ্বেও এনে বিবাহ সম্পন্ন কৰা হৈছে। বিগত বছৰসমূহত উন্নয়ন সমিতিখনে ৰাইজৰ সহযোগত ২০-৩০ যোৰা দৰা-কইনাৰ মাজত এনেদৰেই সামূহিক বিবাহ সম্পন্ন কৰিবলৈ সক্ষম হৈছে। আয়োজকসকলে কয় যে ইয়াৰে ভিতৰত গন্ধৰ্ব বিবাহৰ দ্বাৰা সংসাৰ কৰা একোটা দম্পতীৰ সতি সন্তান ডাঙৰ হোৱাত এনে দম্পতীয়ে সামাজিকভাৱে প্ৰজাপতি বিবাহৰে সংস্কাৰ হোৱাৰ বাবে আগ্ৰহ প্ৰকাশ কৰে আৰু এইক্ষেত্ৰত উন্নয়ন সমিতি আৰু ৰাইজে তেওঁলোকক সহায় কৰে। পৰৱৰ্তী সময়তো এই প্ৰচেষ্টা অব্যাহত ৰখা হ'ব বুলি তেওঁলোকে প্ৰকাশ কৰিছে।

ইউক্ৰেইনত যে কৰ'নাৰ সংক্ৰমণ ক্ৰমাৎ বৃদ্ধি পাইছে আৰু আগন্তুক দিনত যে ইয়াৰ প্ৰকোপ বাঢ়িব, সেই কথা জনাইছে 'হু'ৰ স্বাস্থ্য সংক্ৰান্তীয় জৰুৰী বিভাগৰ কাৰ্যবাহী সঞ্চালক মাইক ৰায়ানেও। সংবাদ মাধ্যমৰ আগত ৰায়ানে কয়, 'যুদ্ধৰ কাৰণে ইউক্ৰেইনত ক'ভিড প্ৰতিষেধক প্ৰদানৰ প্ৰক্ৰিয়া স্থগিত আছে। বন্ধ হৈ পৰিছে ক'ভিড পৰীক্ষাও।

যুদ্ধৰ বাবে অধিক শোচনীয় হ'ব পাৰে ক'ভিড পৰিস্থিতি

ইউক্ৰেইনৰ স্বাস্থ্যকেন্দ্ৰ-হাস্পতালত আক্ৰমণ নকৰিবলৈ ৰাছিয়াক আহ্বান 'হু'ৰ

■ নিউজ ব্যুৰ'

নতুন দিল্লী, ১৪ মাৰ্চ ঃ যুদ্ধক্ষেত্ৰৰ পৰাও বিয়পিবপাৰে কৰ'না ভাইৰাছ। সম্প্ৰতি এই আশংকা ব্যক্ত কৰিছে বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ তৰফৰ পৰা। এই সন্দৰ্ভত 'হু'ৰ তৰফৰ পৰা ইউক্ৰেইন তথা প্ৰতিবেশী দেশসমূহক সতৰ্কও কৰা হৈছে। ইয়াৰ লগতে 'হু'ৰ তৰফৰ পৰা ৰাছিয়াৰ সেনাবাহিনীক অনুৰোধ কৰিছে, যাতে তেওঁলোকে ইউক্ৰেইনৰ স্বাস্থ্যকেন্দ্ৰ আৰু হাস্পতালসমূহৰ কোনো ক্ষতিসাধন নকৰে। লগতে ক'ভিডৰ বিৰুদ্ধে চলি থকা সংগ্ৰামত যাতে যুদ্ধৰ প্ৰভাৱ নপৰে, তাৰ প্ৰতিও লক্ষ্য ৰাখিবলৈ আহ্বান জনাইছে।

উল্লেখ্য যে বিগত ১৯টা দিনত প্ৰায় ২০ লাখ লোকে ইউক্ৰেইন ত্যাগ কৰি প্ৰতিবেশী দেশসমূহত আশ্ৰয় লৈছে। 'হু'ৰ তৰফৰ পৰা আশংকা কৰিছে যে এই শৰণাৰ্থীসকলৰ পৰাই সংক্ৰমণ বিয়পাৰ প্ৰৱল সম্ভাৱনা আছে। কাৰণ ইউক্ৰেইনৰ বাসিন্দাসকলৰ টিকাকৰণৰ মাত্ৰা কেৱল ৩৪ শতাংশ। যিটো অন্যান্য দেশৰ হিচাপত বহু কম। দ্বিতীয়তে, যোৱা তিনি-ন মাৰ্চত ইউক্ৰেইন আৰু ইয়াৰ সংলগ্ন দেশসমূহত ক'ভিড সংক্ৰমণৰ হাৰ অত্যধিক পৰিমাণে বৃদ্ধি পাইছে। এই ছটা দিনত ইউক্ৰেইনসহ প্ৰতিবেশী দেশসমূহত সাত লাখ ৯১ হেজাৰ ২১জন লোকৰ শৰীৰত কৰ'নাৰ সংক্ৰমণ ধৰা পৰিছে। মৃত্যু হৈছে আঠ হেজাৰ ১২জনৰ। 'হু'ৰ মতে, এই সংখ্যা যথেষ্ট উদ্বেগজনক।

ইউক্ৰেইনত যে কৰ'নাৰ সংক্ৰমণ ক্ৰমাৎ বৃদ্ধি পাইছে আৰু আগন্তুক দিনত যে ইয়াৰ প্ৰকোপ বাঢ়িব, সেই কথা জনাইছে 'হু'ৰ স্বাস্থ্য সংক্ৰান্তীয় জৰুৰী বিভাগৰ কাৰ্যবাহী সঞ্চালক মাইক ৰায়ানেও। সংবাদ মাধ্যমৰ আগত ৰায়ানে কয়, 'যুদ্ধৰ কাৰণে ইউক্ৰেইনত ক'ভিড প্ৰতিষেধক প্ৰদানৰ প্ৰক্ৰিয়া স্থগিত আছে। বন্ধ হৈ পৰিছে ক'ভিড পৰীক্ষাও। এইটোৱেই এতিয়া সবাতোকৈ উদ্বেগৰ কাৰণ।' যুদ্ধৰ পাছত বিভিন্ন দেশত বিয়পি পৰা শৰণাৰ্থীসকলৰ প্ৰসংগত তেওঁ উত্থাপন কৰিছে। ৰায়ানে কয়, 'এই শৰণাৰ্থীসকলে নিজৰ অজানিতেই শৰীৰত ভাইৰাছ বহন কৰি আনিব পাৰে।' এই সংক্ৰমণ যাতে বিয়পি নপৰে, তাৰ বাবে বিভিন্ন সতৰ্কতামূলক পদক্ষেপ গ্ৰহণ কৰিছে 'হু'ৱে। হাংগেৰী, ৰোমানিয়া, শ্ল'ভাকিয়াৰ দৰে ইউক্ৰেইনৰ প্ৰতিবেশী দেশসমূহত ইতিমধ্যেই শৰণাৰ্থীসকলক বিনামূলীয়া ক'ভিড পৰীক্ষা আৰু টিকাকৰণৰ ব্যৱস্থা কৰিছে। তৎসত্ত্বেও যি গতিৰে ইউৰোপত কৰ'নাৰ সংক্ৰমণ বাঢ়িবলৈ আৰম্ভ কৰিছে, তাত এই দুই দেশৰ যুদ্ধৰ পৰিস্থিতিয়ে জটিলতাৰ সৃষ্টি কৰিব বুলিয়ে 'হু'ৱে আশংকা ব্যক্ত কৰিছে। এনে পৰিস্থিতিত যুদ্ধবিধ্বস্ত ইউক্ৰেইনৰ জনতাৰ কথা উল্লেখ কৰি ৰুছ বাহিনীৰ প্ৰতি 'হু'ৱে এক বিবৃতি প্ৰকাশ কৰিছে। এই বিবৃতিত কোৱা হৈছে যে ৰুছ বাহিনীয়ে যাতে ইউক্ৰেইনৰ স্বাস্থ্যকেন্দ্ৰ আৰু হাস্পতালসমূহৰ ক্ষতিসাধন নকৰে। সেইবোৰত যাতে বোমাবৰ্ষণ নকৰে। ইয়াৰ উপৰি সীমান্ত অতিক্ৰম কৰাৰ সময়ত মহিলা আৰু শিশুসকলৰ স্বাস্থ্য পৰীক্ষাৰ বাবে সীমান্তৱৰ্তী অঞ্চলত উপযুক্ত স্বাস্থ্য সেৱা আগবঢ়োৱাৰো আবেদন জনাইছে বিশ্ব স্বাস্থ্য সংস্থাই।

পশ্চিম উত্তৰপ্ৰদেশৰ মেৰঠ জিলাৰ হস্তিনাপুৰ বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হৈছিল অৰ্চনা। উক্ত সমষ্টিৰ সমাজবাদী পাৰ্টিৰ প্ৰাৰ্থীয়ে লাভ কৰে এক লাখ ২৭৫টা ভোট। যদিও তেওঁ জয়লাভ কৰা নাই। উক্ত সমষ্টিত বিজয়ী হোৱা বিজেপি প্ৰাৰ্থীজনে লাভ কৰে এক লাখ সাত হেজাৰ ৫৮৭টা ভোট।

উত্তৰপ্ৰদেশে বিশ্বাস নকৰিলে কংগ্ৰেছৰ 'বিকিনি গাৰ্ল'ক

অনুসৰণকাৰীৰ সংখ্যা চাৰে সাত লাখ, ভোট পালে ১,৫১৯টা

■ নিউজ ব্যুৰ'

লক্ষ্ণৌ, ১৪ মাৰ্চ ঃ অৰ্চনা গৌতমৰ একো একোখন ফটো কমেও পাঁচ-ছহেজাৰ লোকে প্ৰত্যক্ষ কৰে, সেইদৰে 'লাইক'ও কৰে। ইনষ্টাগ্ৰামত তেওঁৰ অনুৰাগীৰ সংখ্যা প্ৰায় আঠ লাখ। এই বিপুল জনপ্ৰিয়তাৰ সুবাদতে সদ্যসমাপ্ত উত্তৰপ্ৰদেশৰ নিৰ্বাচনত এটা গুৰুত্বপূৰ্ণ সমষ্টিত কংগ্ৰেছে প্ৰাৰ্থিত্ব প্ৰদান কৰিছিল মডেল-অভিনেত্ৰীগৰাকীক। ইয়াৰ প্ৰতিদানত অৰ্চনাই কংগ্ৰেছক আনি দিলে ১,৫১৯টা ভোট।

পশ্চিম উত্তৰপ্ৰদেশৰ মেৰঠ জিলাৰ হস্তিনাপুৰ বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হৈছিল অৰ্চনা। উক্ত সমষ্টিৰ সমাজবাদী পাৰ্টিৰ প্ৰাৰ্থীয়ে লাভ কৰে এক লাখ ২৭৫টা ভোট। যদিও তেওঁ জয়লাভ কৰা নাই। উক্ত সমষ্টিত বিজয়ী হোৱা বিজেপি প্ৰাৰ্থীজনে লাভ কৰে এক লাখ সাত হেজাৰ ৫৮৭টা ভোট। অথচ বিপুল পৰিমাণৰ অনুসৰণকাৰী থকা অৰ্চনাই কিয় কেৱল ১৫শ ভোটহে পালে? অৱশ্যে মডেলগৰাকীয়ে এই প্ৰশ্নৰ এক সম্ভাব্য উত্তৰ নিজেই দিছে। নিৰ্বাচনৰ ফলাফল প্ৰকাশৰ পাছতে টুইটাৰত তেওঁ লিখে, 'হস্তিনাপুৰৰ মানুহে মোক ভালপোৱাৰে ভৰাই দিছে, কিন্তু বিশ্বাস কৰিব নোৱাৰিলে।'

উল্লেখ্য যে হস্তিনাপুৰৰ মানুহে অৰ্চনাক 'বিকিনি গাৰ্ল'ৰূপেই চিনি পায়। সাগৰতীৰত মহিলাই পৰিধান কৰা এই স্বল্পবাসৰ স'তে কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীৰ সম্পৰ্ক বহুদিনীয়া। ২০১৮ত তেওঁ 'মিছ বিকিনি ইউনিভাৰ্ছ' প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব অৰ্জন কৰিছিল। সেই সুবাদতে তেওঁ বলিউদৰ একাধিক ছবিত অভিনয়ৰ সুযোগো পাইছিল। এতিয়াও তেওঁ আঞ্চলিক ছবিত অভিনয় কৰে। সেই অৰ্চনাকে কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা চোপ্ৰাই দলীয় প্ৰাৰ্থিত্ব প্ৰদান কৰাত যথেষ্ট সমালোচনাও হৈছিল। 'মিছ বিকিনি বডী' খিতাপধাৰী অৰ্চনাৰ অসংখ্য বিকিনি পৰিহিতা ফটো প'ষ্টাৰেৰে হস্তিনাপুৰ ভৰি পৰিছিল। অৱশ্যে অৰ্চনাই তেতিয়াই কৈছিল, 'পেছাৰ জগতখনক মই ৰাজনৈতিক কেৰিয়াৰৰ স'তে মিলাব নোখোজো। মই এগৰাকী মহিলাৰূপে কংগ্ৰেছৰ টিকটত যুঁজিম আৰু জয়ী হৈ দেখুৱাম।' অৱশ্যে হস্তিনাপুৰৰ ভোটাৰে তেওঁক একপ্ৰকাৰ নস্যাৎ কৰিলে। অৱশ্যে শোচনীয় পৰাজয় সত্ত্বেও হতাশ হোৱা নাই বিকিনি মডেলগৰাকী। বৰঞ্চ অতিৰিক্ত আত্মবিশ্বাসেৰে তেওঁ টুইটাৰত লিখিছে, 'শিশুসকল যেতিয়াই কোলাৰ পৰা পৰে, তেতিয়াই খোজকাঢ়িবলৈ শিকে।যিসকলে মোৰ ওপৰত ভৰসা ৰাখিছে, তেওঁলোকক ধন্যবাদ। অতি শীঘ্ৰেই মই আপোনাসকলৰ বিশ্বাস অৰ্জন কৰি দেখুৱাম।'

এজোপা গছত লাগিল ১,২৬৯টা বিলাহী

নিজৰেই অভিলেখ ভংগ কৰিলে ইংলণ্ডৰ বাসিন্দাই

■ নিউজ ব্যুৰ'

লণ্ডন, ১৪ মাৰ্চ ঃ এজোপা গছতে হেজাৰোধিক বিলাহী ফলাই চমক সৃষ্টি কৰিলে ইংলণ্ডৰ এজন লোকে। ইয়াৰ লগতে তেওঁ ভংগ কৰিলে নিজৰেই পূৰ্বৰ অভিলেখ। ইংলণ্ডৰ ডগলাছ স্মিথে এই অনন্য নজিৰ স্থাপন কৰিছে।যোৱা বছৰ স্মিথৰ এজোপা গছত একেলগে ৮৩৯টা বিলাহী লাগিছিল। এইবাৰ সেই অভিলেখকে ভংগ কৰি এজোপা গছত ১,২৬৯টা বিলাহী লাগিল।

অৱশ্যে খেতিপথাৰ নহয়, বৰঞ্চ ঘৰতে বিলাহীৰ খেতি কৰিছে স্মিথে। তেওঁ জনায় যে ৮৩৯টা বিলাহী লগাৰ পাছতে এহেজাৰৰ অধিক বিলাহী ফলোৱাৰ লক্ষ্য বান্ধি লৈছিল। সেই লক্ষ্যই এতিয়া পূৰণ হৈছে। ঘৰত টাবত তেওঁ এশ জোপা বিলাহী গছ ৰুইছিল। সেইদৰে ঘৰৰ মাটিত ৰুইছিল ৫০ জোপা। তাৰ ভিতৰত দুজোপা গছতে সৰ্বাধিক বিলাহী লাগিছে। ইয়াৰে এজোপা গছে নতুন অভিলেখ গঢ়ে। স্মিথে লগতে জনাইছে যে তেওঁৰ পৰৱৰ্তী লক্ষ্য হৈছে ২০১৩ত কভেণ্ট্ৰিৰ এজন লোকে প্ৰতিষ্ঠা কৰা অভিলেখ ভংগ। কভেণ্ট্ৰিৰ লোকজনে এজোপা গছতে এহেজাৰ ৩৫৫টা বিলাহী ফলাইছিল। উল্লেখ্য যে স্মিথৰ দখলত আন একাধিক অভিলেখো আছে। ইয়াৰ ভিতৰত অন্যতম হৈছে তিনি কেজি এশ গ্ৰাম ওজনৰ এটা বিলাহী লাগিছিল তেওঁৰ গছত। ইয়াৰ দ্বাৰা তেওঁ পিটাৰ গ্লেজব্ৰুক নামৰ এজন লোকৰ দুই কেজি আঠশ গ্ৰাম ওজনৰ বিলাহীৰ অভিলেখ ভংগ কৰিছিল।

কমতাপুৰ ৰাজ্য আৰু জনজাতিকৰণৰ দাবীত কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ধৰ্ণা

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৪ মাৰ্চ ঃ কমতাপুৰ ৰাজ্য পুনৰ গঠন আৰু জনজাতিকৰণৰ দাবীত আজি সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাই মহানগৰীৰ ভিআইপি ৰোডৰ চচলস্থিত নিৰ্ধাৰিত ধৰ্ণাস্থলীত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে।

সন্থাৰ সভাপতি ক্ষীতিশ বৰ্মনে ধৰ্ণা কাৰ্যসূচীত অংশগ্ৰহণ কৰি কয় যে শাসকীয় ভাৰতীয় জনতা পাৰ্টিয়ে ২০১৪ৰ লোকসভা নিৰ্বাচনৰ আগে আগে কোচ ৰাজবংশীসকলক প্ৰতিশ্ৰুতি দিয়াৰ পাছতো এবাৰ নহয় দুবাৰ কেন্দ্ৰ তথা ৰাজ্যত ক্ষমতালৈ ঘূৰি আহিল অথচ কোচ ৰাজবংশী জাতিক দিয়া প্ৰতিশ্ৰুতিসমূহ পালন কৰা দেখা নগ'ল। কণা হাঁহক পতান দিয়াৰ নিচিনা হৈ জাতি-জনগোষ্ঠীৰ জনজাতিকৰণৰ বিলখন লোকসভাত উত্থাপন কৰিয়ে দায়িত্ব সামৰিলে কিন্তু ৰাজ্যসভাত বিলখন উপস্থাপন কৰা দেখা নগ'ল বুলিও ছাত্ৰ নেতাজনে আজি ক্ষোভ প্ৰকাশ কৰে। কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ গঠনে কেতিয়াও কমতাপুৰ ৰাজ্য তথা জনজাতিকৰণৰ বিকল্প হ'ব নোৱাৰে বুলি স্পষ্ট কৰি দি সন্থাৰ সভাপতি বৰ্মনে কয়, 'অতি সোনকালে কোচ ৰাজবংশীসকলৰো সমস্যাসমূহ সমাধান কৰিব লাগে অন্যথা অনাগত দিনত আক্ৰাছুৰে তীব্ৰতৰ আন্দোলন গঢ়ি তুলিব আৰু তাৰ বাবে যিকোনো পৰিস্থিতিৰ সৃষ্টি হ'লে বিজেপি চৰকাৰেই জগৰীয়া হ'ব।'

এনে পৰিস্থিতিত সময় থাকোতেই কোচ ৰাজবংশীসকলক জনজাতিৰ তালিকাভুক্ত কৰি কমতাপুৰবাসীৰ সমস্যাক ৰাজনৈতিক সমাধান কৰিবলৈও কেন্দ্ৰ তথা ৰাজ্য চৰকাৰক আহ্বান জনায়।

'হুনৰ হাট'ত জুবিন গাৰ্গৰ সংগীতানুষ্ঠান, মহানগৰীত দেওবাৰে নিশা।

মেট্ৰিক পৰীক্ষাৰ্থীক অপহৰণ কৰি যৌন আতিশয্য

অগ্ৰদূত বাৰ্তা

কাজলগাঁও, ১৪ মাৰ্চ ঃ চিৰাং জিলাৰ পাণবাৰীত এগৰাকী হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ্থী ছাত্ৰীক অপহৰণ কৰি নি নিশা তিনি দুষ্ট চৰিত্ৰৰ যুৱকে ধৰ্ষণ কৰি পথাৰত পেলাই থৈ যোৱাৰ ঘটনাই উত্তেজনাৰ সৃষ্টি কৰিছে। ইফালে, এই ঘটনাত জড়িতসকলক তিনি অভিযুক্তৰ পৰিয়ালৰ লগতে একাংশ মধ্যভোগীয়ে থানাত গোচৰ নিদিবলৈ হেঁচা প্ৰয়োগ কৰা বুলি অভিযোগ উঠিছে। অৱশ্যে ইয়াৰ মাজতে জিলা আৰক্ষী অধীক্ষকৰ নিৰ্দেশত আজি এজন ধৰ্ষণকাৰীক আটক কৰি জেললৈ প্ৰেৰণ কৰে। প্ৰাপ্ত তথ্য মতে, পাণবাৰী থানাৰ অন্তৰ্গত অঞ্চলত যোৱা ১০ মাৰ্চৰ সন্ধিয়া দশম শ্ৰেণীৰ তথা এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী ছাত্ৰগৰাকীক কৌশলেৰে অপহৰণ কৰি নি উপৰ্যুপৰি ধৰ্ষণ কৰিছিল দুই নম্বৰ গৰাইমাৰী গাঁৰৰ ছাইফুল ইছলাম (২৩), জিয়াদুৰ ৰহমান (২১) আৰু মফিজ আলী (২০)-এ। তিনি দুষ্ট চৰিত্ৰৰ যুৱকে বিকৃত কামনা চৰিতাৰ্থ কৰি ছাত্ৰীগৰাকীক নিশা পথাৰৰ মাজত অচেতন অৱস্থাত পেলাই থৈ যায়। মাজনিশা চেতনা ঘূৰি অহাত ছাত্ৰীগৰাকীয়ে ওচৰৰে এঘৰত সোমাই ঘৰলৈ খবৰ দিয়ে। পাছত পৰিয়ালৰ লোকে ছাত্ৰীগৰাকীক উদ্ধাৰ কৰি ঘৰলৈ লৈ যায়। এই সন্দৰ্ভত পৰিয়ালৰ লোকে গোচৰ দিবলৈ যাওতে অভিযুক্তকেইজনৰ পৰিয়ালকেইটাৰ লগতে একাংশ দালাল শ্ৰেণীৰ লোকে দুৰ্ভগীয়া পৰিয়ালটোক হেঁচা প্ৰয়োগ কৰে। তাৰপাছতো পৰিয়ালটোৱে পাণবাৰী থানাত এজাহাৰ দাখিল কৰিবলৈ যায় যদিও গোচৰ ৰুজু কৰিবলৈ অমান্তি হৈ মাণিকপুৰ থানালৈ পঠাই দিয়ে। কিন্তু মাণিকপুৰ থানাতো গোচৰ নোলোৱাত সমস্ত ঘটনা জিলা আৰক্ষী অধীক্ষকক অৱগত কৰাত পাণবাৰী থানাত গোচৰ পঞ্জীয়ন হয়। পক্স' আইন আৰু ভাৰতীয় দণ্ডবিধিৰ ৩৬৬/৩৭৬/৩৪ ধাৰা অনুসৰি ২২/২০২২ নম্বৰত গোচৰ পঞ্জীয়ন কৰে। পাছত বিজনী মহকুমা আৰক্ষী বিষয়াৰ নেতৃত্বত চলোৱা অভিযানত এজন ধৰ্ষণকাৰী ছাইফুল ইছলামক গ্ৰেপ্তাৰ কৰি আজি জেললৈ প্ৰেৰণ কৰে। কিন্তু বাকী দুজন অভিযুক্ত জিয়াদুৰ ৰহমান আৰু মফিজ আলীয়ে পলায়ন কৰে। এই ঘটনাত জড়িতকশীঘ্ৰে গ্ৰেপ্তাৰ কৰি উপযুক্ত শাস্তিৰ দাবী জনাইছে দুৰ্ভগীয়া ছাত্ৰীগৰাকীৰ পৰিয়ালৰ লগতে শিক্ষক, আমছু আৰু এবিএমছুৱে। অন্যথা প্ৰতিবাদত নামিবলৈ বাধ্য হ'ব বুলিও হুংকাৰ দিয়ে।

চাৰিদুৱাৰত ৰেলৰ খুন্দাত নিহত এজন

ষ্টাফ ৰিপ'ৰ্টাৰ,

তেজপুৰ, ১৪ মাৰ্চ ঃ আজি দিনৰ দুই বজাত শোণিতপুৰৰ চাৰিদুৱাৰত এজন লোক ৰেলৰ খুন্দাত নিহত হয়। হাতীগেট অঞ্চলৰ গামানী ৰেল গেটৰ সমীপত সংঘটিত দুৰ্ঘটনাটোত নিহত লোকজনৰ শিৰশ্ছেদ হোৱাত খণ্ডিত হৈ পৰে শৰীৰ। ভালুকপং ৰঙাপৰা অভিমুখী ৰেলৰ খুন্দাত নিহত হোৱা জিনছ পেন্ট আৰু কামিজ পৰিহিত লোকজনৰ পৰিচয় উদ্ধাৰ হোৱা নাই।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com